CONTENTS

BUDGET SESSION
No. 10

Dated, the 16th July, 2009.

		Page
1.	Questions and Answers	1 to 126
2.	Point of Order	126 to 127
3.	Voting on Demands for Grants	127 to 182
4.	Introduction, Consideration and Passing of "The Assam Appropriation (No. II) Bill, 2009".	183 to 193
5.	Announcement from the Chair	194
6.	Introduction, Consideration and Passing of Government Bills	194 to 237
7.	Miscellaneous	237 to 239
8.	Laying of Industrial Policy	239
9.	Announcement from the Chair	240
10.	Adjournment	240
8.	Annexure I to XXVII	241 to 894

CONTENTS

		Page
1.	Questions and Answers	1 to 126
2.	Point of Order	126 to 127
3	Voting on Demands for Grants	127 to 182
4	Introduction, Consideration and	183 to 193
	Passing of "The Assam Appropriation	
	(No. 1) Bill, 2009"	
5.	Announcement from the Chair	194
6.	Introduction, Consideration and	194 to 217
	Passing of Government Bills	
7.	Resolutions	217 to 230
8.	Laying of Industrial Policy	230
9.	Announcement from the Chair	230
10.	Adjournment	230
11.	Announcement as to Next	231 to 234

BUDGET SESSION
No. 10

Dated, the 16th July, 2009.

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

THURSDAY, THE 16TH JULY, 2009.

The House met at 9.00 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Tanka Bahadur Rai, Speaker in the Chair.

STARRED QUESTIONS AND ANSWERS

Mr. Speaker : Now, Starred Question No. 161, Hon'ble Member, Shri Abdul Aziz.

বিষয় ঃ আর্থিক অনুদান।

শ্রীআব্দুল আজিজে সুধিছে ঃ

*১৬১। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) এইটো সচাঁনে, সৰ্বশিক্ষাৰ জৰিয়তে বিভিন্ন প্রাদেশীকৃত বিদ্যালয়লৈ আর্থিক অনুদান প্রদান কৰি বিদ্যালয় গৃহৰ অৱস্থা উন্নত কৰা হ'ল যদিও ৰাজ্যখনৰ প্রায় ৪০ শতাংশ ছাত্র-ছাত্রী স্বীকৃতি প্রাপ্ত ও অনুমতি প্রাপ্ত বিদ্যালয়ত জৰাজীর্ণ গৃহত অধ্যয়ন কৰিব লগা হৈছে ?

(খ) যদি সচাঁ, তেন্তে বিদ্যালয়ৰ গৃহ নির্মাণৰ বাবে চৰকাৰে কোনো অনুদান আগনবঢ়োৱাৰ কাৰণ কি ?

---

* Speech not corrected

(গ) এইটোও সচাঁনে, যে প্রায় ১৫ বছৰ ধৰি প্রাথমিক বিদ্যালয়ৰ পৰা মহাবিদ্যালয়লৈকে কোনো এটা শিক্ষানুষ্ঠান প্রাদেশীকৃত নহ'ল যাৰ ফলত ২৫-৩০ বছৰ ধৰি উক্ত বিদ্যালয় সমূহত শিক্ষাদান কৰি বিনা বেতনে অৱসৰ লব লগা হৈছে আৰু বহুতে অৱসৰৰ ক্ষণ গনিছে, বহুতৰ অস্বাভাৱিক মৃত্যুও ঘটিছে আৰু শিক্ষক সংস্থা-শিক্ষক ঐক্যমঞ্চই এই সন্দৰ্ভত আন্দোলনত নামি ৰাজ্যৰ বিভিন্ন ঠাইত পুলিচ, চি.আৰ.পি. এফৰ লাঠিৰ কোব খাব লগা হৈছে ?

(ঘ) যদি সচাঁ, শিক্ষক সকলৰ ওপৰত এনে আচৰণ কৰা আৰক্ষীৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে ব্যৱস্থা নোলোৱাৰ কাৰণ কি ? চৰকাৰে জনাবনে, উক্ত বিদ্যালয় সমূহৰ প্রাদেশীকৰণৰ কি ব্যৱস্থা লৈছে ? (সদনত তথ্য সহকাৰে জনাব)

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সর্বশিক্ষা অভিযান মিছনৰ "Financial Management Manual" মতে কেৱল প্রাদেশীকৃত আৰু চৰকাৰী বিদ্যালয়লৈহে আর্থিক অনুদান দিয়াৰ ব্যৱস্থা আছে।

(খ) সর্বশিক্ষাৰ নিয়ম আওতাত নপৰে বাবে দিব পৰা হোৱা নাই।

(গ) বিভিন্ন শিক্ষক সন্থাই প্রাদেশীকৰণৰ দাবীত আন্দোলন কৰাটো চৰকাৰ জ্ঞাত। প্রয়োজনীয় অর্থৰ অভাৱত প্রাদেশীকৰণ কৰিব পৰা হোৱা নাই।

(ঘ) আৰক্ষী বিষয়টো শিক্ষা বিভাগৰ আওতাত নপৰে। বর্ত্তমান প্রাথমিক আৰু মাধ্যমিক বিদ্যালয়ৰ বিভিন্ন সমস্যা আৰু অপ্রাদেশীকৃত বিদ্যালয় সমূহৰ সমস্যাৰ লগত প্রাদেশীকৰণ বিষয়টো পৰীক্ষা কৰি সবিশেষ প্রতিবেদন দিবলৈ চৰকাৰে ২/৬/২০০৯ তাৰিখৰ এ.ই.ই. ১৪০/২০০৯/৬ নং অধিসূচনাৰ জৰিয়তে এখন উচ্চ ক্ষমতা সম্পন্ন কমিটি গঠন কৰি দিছে।

✻ **শ্রীআব্দুল আজিজ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ (গ) প্রশ্নত আছিল যে শিক্ষক সংস্থা/ শিক্ষক ঐক্যমঞ্চই আন্দোলনত নামি ৰাজ্যৰ বিভিন্ন ঠাইত পুলিচ, চি.আৰ.পি. এফ.ৰ লাঠিৰ কোব খাব লগা হৈছে। এই সম্পর্কে বিভাগ জ্ঞাত নহয়। শিক্ষক সকলে তেওঁলোকৰ নায্য দাবীৰ কাৰণে পুলিচ, চি. আৰ. পি. এপ.ৰ লাঠিৰ কোব খাব লগা হ'ল। তেওঁলোকক অত্যাচাৰ কৰা হৈছে। এই সম্পর্কে চৰকাৰে ব্যৱস্থা লব লাগে। সর্বশিক্ষা অভিযান মিছনৰ 'ফাইনেনচিয়েল মেনেজমেণ্ট এণ্ড প্রকিউৰমেণ্ট মেনুৱেল' মতে কেৱল প্রাদেশীকৃত আৰু চৰকাৰী বিদ্যালয়লৈহে আর্থিক অনুদান দিয়াৰ ব্যৱস্থা আছে বুলি মন্ত্রী মহোদয়ে কৈছে। প্রাদেশীকিকৰণ আৰু স্বীকৃতিপ্রাপ্ত বিদ্যালয়ৰ শিক্ষক সকলে ৰাতিপুৱা ১০ বজাত স্কুললৈ আহে, একে সময়, একে কর্ত্তব্যস্থান। অ, আ, ই, শিক্ষকে শিকায়। বিদ্যালয় বিলাকত মিড ডে মিল দিয়া হয়। কিন্তু বিল্ডিং বিলাক ভাল কৰাৰ ব্যৱস্থা কৰা নাই। গতিকে মই বিভাগীয় মন্ত্রী মহোদয়ৰ পৰা এই ক্ষেত্রত আশ্বাস বিচাৰিছো। মই তিনিটা প্রশ্ন দিছিলো আৰু দুটা থাকি গ'ল। মোৰ চাপ্লিমেণ্টাৰী প্রশ্নও আছে।

✻ **শ্রীগৌতম বৰা (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যই যিটো কৈছে সেইটো নহয়। শিক্ষক সকলৰ ওপৰত যি লাঠিচালনা হৈছিল বুলি কৈছে, সেইটো শিক্ষা বিভাগৰ নহয়, গৃহ বিভাগেহে কৰিব। আৰক্ষী বিষয়টো শিক্ষা বিভাগৰ আওতাত নপৰে। প্রভিনচেলাইজ গ্রেণ্ট দিয়া কথাটো সর্বশিক্ষা অভিযান মিচনৰ জৰিয়তে দিয়া হৈছে। 'ফাইনেনচিয়েল মেনেজমেণ্ট এণ্ড প্রকিউৰমেণ্ট মেনুৱেল' ৰ অধীনত থাকিলেহে বিল্ডিং দিব পৰা যায়।

✻ **শ্রীআব্দুল আজিজ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৫২১ জন শিক্ষকে ৫৫ বছৰ ধৰি শিক্ষকতা কৰি আছে। তেওঁলোকৰ চাকৰিৰ ব্যৱস্থা কৰা নহ'ল।

✻ Speech not corrected

আগতে শিক্ষা মন্ত্রীয়ে প্রতিশ্রুতি দিছিল যে আগতে কাম কৰা শিক্ষক সকলক নিযুক্তি দিয়া হব। কিন্তু আৰম্ভণিৰ পৰা কাম কৰি থকা শিক্ষক সকলক নিযক্তি নিদি নতুন মানুহক নিযুক্তি দিব পাৰিব নেকি ? তেওঁলোকক নিদিলে আন্দোলন কৰিবলৈ বাধ্য হব। তেওঁলোকক আপগ্রেড কৰিব লাগে।

✳ **শ্রীগৌতম বৰা (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যই আপগ্রেডৰ কথা কৈছে, বাতৰি কাকততো ওলাইছে। ১৫ শ খন স্কুল আপগ্রেড কৰা হয়। যিখিনি স্কুল কৰিবলৈ আছে, সেইখিনি পয্যায়ক্রমে কৰা হব। শিক্ষক সকলক ৰেগুলেৰাইজ কৰাৰ বাবে চিন্তা চৰ্চ্চা কৰি থকা হৈছে। মাননীয় সদস্যই কৈছে যে আগৰ শিক্ষকক নিযুক্তি নিদি নতুনকৈ সুমাই দিয়াৰ কোনো চিন্তা চৰ্চ্চা কৰা নাই।

✳ **শ্রীআব্দুল আজিজ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মন্ত্রী মহোদয়ে আশ্বাস দিয়ক, সেই শিক্ষক সকলে কাম কৰি আছে। মাননীয় অর্জ্জুন সিং মানৰ সম্পদ মন্ত্রী থাকোঁতে আশ্বাস দিছিল। ব্যৱস্থা লোৱাৰ কাৰণে অসম চৰকাৰক কৈছিল। এই কাৰণে দিছিল যে শিক্ষা বিভাগটো যাতে ভাল ধৰণে চলে। যি ১৫২১ জন শিক্ষকে কাম কৰি আছে, তেওঁলোকক নিদিলে আত্মহত্যা কৰিব, গতিকে এই ক্ষেত্রত মন্ত্রী মহোদয়ে তৎকালীন ব্যৱস্থা লব লাগে।

✳ **শ্রীগৌতম বৰা (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিখিনি আপগ্রেড কৰিব দিয়া হৈছে, সেইখিনি কৰা হব। যিখিনি অতিৰিক্ত কনট্রেক্টুৱেল বেচিচত আছে, তেওঁলোকৰো ব্যৱস্থা লোৱা হব।

✓✳ **ড. অলকা শর্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ৰ প্রশ্নৰ

✳ Speech not corrected

উত্তৰত আমি সন্তুষ্ট হব পৰা নাই। চৰকাৰৰ এটা দায়িত্ব আছে। যিবিলাক অনা প্ৰাদেশীকৃত স্কুল সেই স্কুল সমূহক প্ৰাদেশীকিকৰণ কৰিব লাগে আৰু চৰকাৰে স্বীকৃতি দিয়াৰ ব্যৱস্থা কৰিব লাগে। যিবিলাক প্ৰাদেশীকৰণ হোৱা নাই সেই স্কুল বিলাকৰ শিক্ষক বেতন পোৱা নাই। গতিকে কণ্ডিচনটো চাই এনৰেগা বাৰ্ডৰ ব্যৱস্থা কৰিব লাগে যাতে শিক্ষক সকলে যাতে কাম কৰিবলৈ সুবিধা পায়। স্বীকৃতি প্ৰাপ্ত স্কুল সমূহৰ বিল্ডিং গ্ৰেন যাতে বন্ধ নহয় তাৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে।

⁂ **শ্ৰীগৌতম বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয়া সদস্যা অলকা দেশাই ডাঙৰীয়ানী বাইদেউ স্বীকৃতি প্ৰাপ্ত স্কুলৰ বিল্ডিং গ্ৰাণ্টৰ কথা কৈছে, এইটো চৰকাৰী স্কুলতহে দিয়া হয়। এল. পি. স্কুলত স্বীকৃতিৰ কথা নাই। এম. ই. স্কুলত ২০০৬ চনলৈকে দিয়া আছে। এতিয়া বন্ধ আছে।

⁂ **শ্ৰীকেশৰ মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, সৰ্বশিক্ষাৰ পৰা যিটো অনুদান আগবঢ়াইছে সেই আৰ্থিক অনুদানটো হ'ল ভাৰত চৰকাৰৰ অনুদান, ৰাইজক দিছে। আমাৰ অসম চৰকাৰে কি কৰিছে ? চৰকাৰ আৰু আমাৰ মন্ত্ৰী মহোদয়ৰ দায়িত্ব আছে। প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত কি ব্যৱস্থা কৰিছে আমি জানিব বিছাৰিছো। যিবিলাক স্কুলত ৰাইজে ঘৰ সাজি দিয়ে, শিক্ষক সকলক ২০০০ টকা দিয়ে, সেই শিক্ষক সকলৰ কি হব ? সেই সকল মেধাবী ছাত্ৰ-ছাত্ৰী শিক্ষক হৈ আছে। তেওঁলোক বি. এ., বি. এচ. চি. যুৱক। এই যুৱক সকলক যদি আতঁৰাই দিয়া হয় কি হব ?

⁂ **শ্ৰীগৌতম বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য, কেশৰ মহন্ত ডাঙৰীয়াই কৈছে যে প্ৰশ্নটো এৰাই গৈছে। মাননীয় অধ্যক্ষ

⁂ Speech not corrected

মহোদয়, আচলতে প্রশ্নটো এৰাই যোৱা নাই। সর্বশিক্ষাৰ আঁচনিৰ ৪০ শতাংশ আৰু অসম চৰকাৰৰ ১০ শতাংশ আছে। আমাৰ এই স্কীমটো প্রাদেশীকৃত স্কীমতহে দিব পৰা হব। সর্বশিক্ষাৰ যিখিনি তাৰ লগত ১০ শতাংশহে দিয়া হয়।

⁂ **শ্রীকেশৰ মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই ল'ৰা-ছোৱালী খিনিৰ কাৰণে আমাৰ চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে ?

⁂ **শ্রীগৌতম বৰা (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অপ্রাদেশীকৃত স্কুল আৰু প্রাদেশীকৃত স্কুল দুইফালে বিনামূলীয়াকৈ দিয়া হয়।

⁂ **শ্রীঅনন্ত ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক ভেঞ্চাৰ স্কুল আছে সেই স্কুল সমূহৰ কাৰণে এটা কমিটি গঠন কৰি দিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, ১৯৫০ চনৰ ৰাষ্ট্রীয় নির্দ্দেশনা নীতি অনুসৰি ১৪ বছৰৰ তলৰ ল'ৰা-ছোৱালীক বিনামূলীয়াকৈ শিক্ষা দিয়াৰ ব্যৱস্থা গ্রহণ কৰিব লাগে। বহুতো ভেঞ্চাৰ স্কুলৰ শিক্ষকে পইচাৰ অভাৱত আত্মহত্যা কৰিবলগীয়া হৈছে। গতিকে এই ভেঞ্চাৰ স্কুলৰ শিক্ষক সকলৰ কাৰণে মই মাননীয় মন্ত্রী মহোদয় লগতে মুখ্যমন্ত্রী মহোদয়কো অনুৰোধ জনালো। এইবোৰ যদি বিশেষভাৱে এবাৰতে সমাধান কৰি দিয়া নহয়, তেনেহ'লে সুবিধাজনক নহয়। এইবোৰ সর্বশিক্ষাক চাব নালাগে, ৰাজ্য চৰকাৰে নিজা হিচাবে কৰিব লাগে। ফাইনেঞ্চিয়েল ৰেজিষ্ট্রেচন দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইবোৰ ৰেগুলাইজেচন কৰি প্রাদেশীকৰণৰ ব্যৱস্থা গ্রহণ কৰিব লাগে।

⁂ **শ্রীগৌতম বৰা (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য অনন্ত

⁂ Speech not corrected

ডেকা ডাঙৰীয়াই যিটো কৈছে সেই ক্ষেত্রত মই কব বিচাৰিছো আমাৰ চৰকাৰৰ বর্তমান ইমান পূঁজি নাই। গতিকে আমি বিল্ডিং গ্রেণ্ট দিব নোৱাৰো। আমি যদি এইটো সর্বশিক্ষা আঁচনিৰ অধীনত আনিব পাৰো তেতিয়াহ'লে হব। ৰিকোগনাইজ স্কুলক বিল্ডিং গ্রেণ্ট দিব পৰাকৈ ৰাজ্য চৰকাৰৰ কোনো পূঁজি নাই। তথাপি সর্বশিক্ষা মিচনে এই ৰিকোগনাইজ বিদ্যালয় বিলাকক বিত্তীয় সাহার্য্য দিয়াৰ কথা চিন্তা কৰি আছে। আমি পয্যায়ক্রমে ৰিকোগনাইজ স্কুলক বিত্তীয় সাহার্য্য দি আছো আৰু গোটইখিনি স্কুল লোৱাৰ ব্যৱস্থা কৰি আছো। দ্বিতীয়তে, প্রাদেশীকিকৰণ কৰাৰ কথা কৈছে। আমাৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ে এখন উচ্চ ক্ষমতা সম্পন্ন কমিটি গঠন কৰি দিছে। সেই কমিটিৰ সভাপতি হৈছে শ্রীপৃথিবী মাঝি (জলসম্পদ মন্ত্রী)। সেই কমিটিয়ে স্কুল প্রাদেশীকিকৰণকে ধৰি কাৰিকৰী শিক্ষা, ভকেচনেল ট্রেইনিং, বিজ্ঞান শিক্ষা আদি শিক্ষা বিষয়ক দিশ বিলাক চালি-জাৰি চাব। বিজ্ঞান শিক্ষাৰ প্রতি ছাত্র-ছাত্রী সকলৰ অনীহা হৈছে সেই কথা বিলাকো চাব। ভেনচাৰ স্কুল বিলাকৰ কথাও চিন্তা চর্চ্চা কৰিব। এক মাহত ভিতৰত প্রতিবেদন দাখিল কৰিবলৈ কোৱা হৈছিল, কিন্তু সভাপতিয়ে আকৌ সময় বিচাৰিছে।

✳ **শ্রীঅনন্ত ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, চেন্ট্রেল ফান্ডিঙৰ ব্যৱস্থা কৰিব নোৱাৰি নেকি ?

✳ **শ্রীগৌতম বৰা (শিক্ষামন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চেন্ট্রেল ফান্ডিঙৰ কাৰণে যোগাযোগ কৰা হৈছে।

Mr. Speaker : Now, Starred Question No. 162, Hon'ble Member, Captain Rabin Bordoloi.

✳ Speech not corrected

Sub : Literacy rate of minority woman.

Captain Robin Bordoloi asked :

*** 162. Will the Minister of Minority Welfare and Development Department be pleased to state :**

(a) It is a fact that the literacy rate of woman beloging to the Minority Community in Assam is very poor and it is much less than that of SC's and ST's as stated by the Chairman of National Commission for Minority Educational Institutes ?

(b) Whether the State Govt. has taken any step for improvement of the literacy rate of Minority Woman, kindly elaborate ?

Dr. Nazrul Islam (Minister of Minority Welfare and Development Department) replied :

(a) Yes the female literacy rate of Minority woman is poor and less tha that of SC and ST.

(b) Govt. has taken steps for improvement of the literacy rate of Minorities woman, interventions made by Sarba Siksha Abhijan, Assam for education of Minorities Girl's children is given at Annexure-I (See Annexure-I)

*** শ্ৰীৰবীন বৰদলৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে মোৰ প্ৰশ্নৰ উত্তৰত কৈছে The female literacy rate of Minority women is poor and less than that of SC and ST. মই কব বিচাৰিছো যে, শিক্ষা হৈছে জাতিৰ মেৰুদণ্ড। উচ্চশিক্ষা বা বিজ্ঞানসম্মত শিক্ষা নহ'লে এটা জাতি ওপৰলৈ উঠিব নোৱাৰে। তেনে ক্ষেত্ৰত আজি ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ ৬০ বছৰ হোৱাৰ পাছতো ঠিক কিয় এইটো কৰিব পৰা নাই, আপোনাৰ পৰা মই উত্তৰ বিচাৰিছো। মোৰ দ্বিতীয় প্ৰশ্নৰ উত্তৰত তেখেতে কৈছে Minister has mentioned that Government is taking steps to improve the literacy rate of Minority women. এই ক্ষেত্ৰত ইয়াত স্কুল দ্ৰপআউত একো জনোৱা নাই। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যোৱা তিনি বছৰত অসমত কিমানখন মোক্তাব খোলা হৈছে। মাদ্ৰাছা আৰু মোক্তাবৰ জৰিয়তে লিতাৰেচিৰ ক্ষেত্ৰত কিমান পাৰ্চেণ্ট আগবাঢ়িছে সেইটো জনাব লাগে। লগতে ইয়াত যিহেতু ওমেনৰ কথা কোৱা হৈছে, ওমেনৰ পাৰ্চেণ্টেজটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

*** ডাঃ নজৰুল ইছলাম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে এই প্ৰশ্নটো শিক্ষা বিভাগৰ লগত জড়িত, আমাৰ বিভাগৰ লগত জড়িত নহয়। তথাপি মই যিমানখিনি পাৰো উত্তৰ দিবলৈ চেষ্টা কৰিছো। মোক্তাব বিলাক সম্পূৰ্ণভাবে বেলেগ। মাদ্ৰাছা স্কুলৰ শিক্ষক কেন্দ্ৰীয় চৰকাৰে ব্যৱস্থা কৰিছে আৰু আমাৰ শিক্ষা বিভাগৰ জৰিয়তে সেইখিনি ৰূপায়ন কৰিবৰ কাৰণে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰপ'জেল পঠিয়াইছে। এইখিনি আহিলে তাৰ ব্যৱস্থা হ'ব।

*** ডাঃ আদিত্য লাংথাচা ঃ** চাৰ, মাননীয় মন্ত্ৰী মহাদয়ে যিটো উত্তৰ দিছে

---

* Speech not corrected

সেইমতে এচ. চি./ এচ. টি. তকৈ মাইন'ৰিটি মহিলাৰ লিটাৰেচিৰ সংখ্যা যথেষ্ট কম। মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে মাইন'ৰিটি ওৱেলফেয়াৰ আৰু ডেভেলপমেণ্ট বিভাগৰ জৰিয়তে বিদ্যালয় স্থাপন কৰাৰ ব্যৱস্থা আছে নেকি ?

✳ **ডাঃ নজৰুল ইছলাম (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ফালৰ পৰা বিদ্যলয় স্থাপন কৰা নহয়। বোর্ডৰ ফালৰ পৰা গ্রাণ্ট দিয়া হয়।

✳ **ডাঃ আদিত্য লাংথাচা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাইন'ৰিটি মহিলা সকলৰ লিটাৰেচৰ ক্ষেত্রত আগুৱাই লৈ যোৱাৰ কাৰণে প্রয়োজনীয় সা-সুবিধা বিলাক দিব লাগে। এই ক্ষেত্রত মাইন'ৰিটি ওৱেলফেয়াৰ বোর্ডৰ বিদ্যালয় স্থাপন কৰাৰ বাধ্যবাধকতা আছে নেকি ?

✳ **ডাঃ নজৰুল ইছলাম (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগে মাইন'ৰিটি এলেকাত প্রপাৰলি কামকাজ কৰিছেনে নাই সেইটো আমি তদাৰক কৰো। মাইন'ৰিটি এলেকাত সঠিকভাবে কাম কাজ কৰাৰ কাৰণে আমি শিক্ষা বিভাগৰ লগত যোগাযোগ কৰো। স্কুল স্থাপন কৰা আমাৰ কাম নহয়।

✳ **Dr. Rumi Nath :** I want to know what is the literacy rate of women in General ? I also want to know the literacy percentage of women in Assam ?

✳ **ডাঃ নজৰুল ইছলাম (সংখ্যালঘু কল্যাণ আৰু উন্নয়ন ইত্যাদি মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহিলাৰ লিটাৰেচি হৈছে ৩৪.৫৫ পার্চেণ্ট।

✳ Speech not corrected

✳ **শ্রীআব্দুল আজিজ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্রশ্নটোৰ উত্তৰ সঠিকভাবে নোপোৱাৰ কাৰণে দুখ পাইছো। এই বিভাগটো মাননীয় সদস্য, শ্রীপ্রফুল্ল মহন্ত মুখ্যমন্ত্রী হোৱাৰ পিছত গঠন কৰা হৈছিল। সংখ্যালঘু মহিলা সকলৰ লিটাৰেচিৰ কাৰণে সুকিয়া ব্যৱস্থা গ্রহণ কৰিব লাগে। সর্বশিক্ষা মিছনৰ কাৰণে এইটো সুকিয়া ভাবে নহয়। সকলে জনগোষ্ঠীৰ কাৰণেই হৈছে সর্বশিক্ষা মিছন।

মাননীয় অধ্যক্ষ মহোদয়, সংখ্যালঘু মন্ত্রী অলপ চালু হব লাগিব। ইমান নৰম হ'লে নচলিব। এই বিভাগটো মাননীয় প্রফুল্ল মহন্তৰ দিনতে খোলা হৈছিল। মই এজন মাইন'ৰিটি মানুহ। In Char Chaparies special pakage has been sent by the Prime Minister of India for the Minorities of Assam মাইন'ৰিটি স্কুল খুলিব নে নাই ?

✳ **শ্রীআব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৫১৬ গৰাকী কস্তুৰবা গান্ধী আশ্রমৰ সংখ্যালঘু মহিলা আছে। কেপ্তেইন ৰবীন বৰদলৈ ডাঙৰীয়াই এটা ভাল কথা কৈছে।

✳ **ডাঃ নজৰুল ইছলাম (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সংখ্যালঘু অঞ্চল বিলাকত সর্বশিক্ষাৰ অধীনত স্কুল খুলিবলৈ লোৱা হৈছে।

✳ **শ্রীনুৰুল হুছেইন ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সাধাৰণতে যিখন সমাজত বসবাস কৰি আছো, সেই গোটেই লোকখিনিৰ কাৰণে কি কৰিব পাৰো সেইটো চাব লাগিব। ইয়াত যিখন লিষ্ট দিয়া হৈছে, ইয়াত ১২ খন জিলাৰ লিষ্ট দিছে। ইয়াৰে ৩৫ কোটি ৩ লাখ টকা। কামৰূপ জিলাৰ কাৰণে

✳ Speech not corrected

আহিছে ১০ কোটি ৩৯ লাখ টকা। তাৰ পৰা এই টকাখিনি সামান্য। মই আপোনাৰ পৰা উত্তৰ বিচাৰছো।

* ডাঃ নজৰুল ইছলাম (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত ১২ খন নহয় ১৩ খন লিষ্ট দিয়া আছে। কামৰূপ জিলাৰ কাৰণে ৩৫.৩ কোটি টকা। ৩০ পার্চেণ্ট তেওঁলোকে ধার্য্য কৰিছে।

* শ্রীনুৰুল হুছেইন ঃ মাননীয় অধ্যক্ষ মহোদয়, কামৰূপ জিলাই সামান্য পইচা ৯০ শতাংশ সামৰি লৈছে। এই পইচাখিনিৰে আমাৰ ৰাইজৰ উন্নতি কৰিব লাগিব। এই ক্ষেত্রত আলোচনা কৰিবৰ কাৰণে আমাৰ এখন কমিটি আছিল, সেইখন মাতিব পাৰে।

Mr. Speaker : Starred Question No. 163, Hon'ble Member, Shri Nurul Hussain.

বিষয় ঃ সংখ্যালঘু উন্নয়ন।

শ্রীনুৰুল হুছেইনে সুধিছে ঃ

*** ১৬৩। মাননীয় সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) কেন্দ্রীয় চৰকাৰৰ সখ্যালঘু পৰিক্রমা মন্ত্রালয়ে ২০০৭ চনতে ৰাজ্যখনৰ সংখ্যালঘু লোক সকলৰ উন্নয়নৰ বাবে ধন ধার্য্য কৰছে নেকি ?

(খ) যদি কৰিছে, কিমান ধন ধার্য্য কৰিছে ? (জিলা ভিত্তিত তথ্য দিব)

(গ) উক্ত ধন খৰচ কৰা হ'ল নেকি ? যদি হ'ল, কেনে ধৰণে খৰচ কৰা হ'ল

---

* Speech not corrected

? (জিলা ভিত্তিত তথ্য দিব)

(ঘ) চৰকাৰে সংখ্যালঘু সকলৰ উন্নয়ন আৰু ধন ধার্য্যৰ ক্ষেত্রত কি নীতি নির্দ্ধাৰন কৰিছে ? (তথ্য দিব)

(ঙ) কামৰূপ জিলাত কিমান ধনৰ বিপৰীতে কিমান আঁচনি ধার্য্য কৰা হৈছে ?

(চ) হাজো সমষ্টিত কিমান ধনৰ বিপৰীতে আঁচনি লৈছে আৰু কি কি আঁচনি লৈছে ?

ডাঃ নজৰুল ইছলাম (সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, কৰিছে।

(খ) অসমৰ সংখ্যালঘু অধ্যুষিত ১৩ খন জিলাত ২০১১ চনলৈকে তলত উল্লেখ কৰা অনুযায়ী ধন ধার্য্য কৰিছে ঃ

ক্রঃ নং	জিলা	আৱণ্টিত ধনৰ পৰিমাণ
১।	কোকৰাঝাৰ	৫৪.২ কোটি টকা
২।	ধুবুৰী	৮৪.৩ কোটি টকা
৩।	গোৱালপাৰা	৫৭.৬ কোটি টকা
৪।	বঙ্গাইগাঁও	৫১.১ কোটি টকা
৫।	বৰপেটা	৭৩.০ কোটি টকা
৬।	দৰং	৬৩.৩ কোটি টকা
৭।	মৰিগাঁও	৫৯.০ কোটি টকা
৮।	নগাঁও	৭০.৩ কোটি টকা
৯।	কাছাৰ	৪০.৫ কোটি টকা

১০।	কৰিমগঞ্জ	৪৯.৫ কোটি টকা
১১।	হাইলাকান্দি	৪৪.৫ কোটি টকা
১২।	কামৰূপ	৩৫.৩ কোটি টকা
১৩।	উত্তৰ কাছাৰ পার্বত্য জলা	১৫.৯ কোটি টকা
		মুঠ ঃ ৭০৩.৫ কোটি টকা

(গ) কেন্দ্রীয় চৰকাৰে ২০০৮-০৯ চনত মুঠ ৪২,২৬,৬৫,০০০.০০ টকা তিনিখন জিলাৰ বিপৰীতে মুকলি কৰি দিছে। এই টকা ৰাজ্য চৰকাৰে তিনিখন জিলাৰ উপায়ুক্তলৈ ২০০৯-১০ চনত মুকলি কৰ দিছে। বর্ত্তমান খৰছ কৰা হোৱা নাই।

(ঘ) কেন্দ্রীয় চৰকাৰৰ MSDP ৰ Guide line ত উন্নয়ন আৰু ধন ধার্য্যৰ নীতি সমূহ দিয়া আছে। (প্রতিলিপি পৰিশিষ্ট- 'ক' ত সংলগ্ন কৰি দিয়া আছে)। (See Annexure-II)

(ঙ) কামৰূপ (গ্রাম্য) জিলাত ধনৰ বিপৰীতে দিয়া আঁচনি সমূহ তলত উল্লেখ কৰা হ'ল ঃ

ক্রঃ নং	আঁচনিৰ নাম	ধার্য্য ধন
1.	Project for provision of housing for people leaving below proverty line (3000 houses).	1150.00 Lakhs
2.	Installation of Solar Lamp for girl students (3240 students x Rs. 3460/-)	112.10 Lakhs

3.	Construction of Anganwadi Centres (300 x Rs. 1.75 Lakhs).	575.00 Lakhs
4.	Vocational training on Computer application and information & information technology.	288.00 Lakhs
5.	Project for improvement of road (2 Roads) and construction of road approaches & approach bridge (one bridge).	730.74 Lakhs
6.	Project for mechanization of agriculture.	495.00 Lakhs
7.	Infrastructure development for marketing of agriculture products in minority areas.	148.23 Lakhs

(চ) সমষ্টি ভিত্তিত কোনো ধৰণৰ আঁচনি লোৱা হোৱা নাই।

* ডাঃ নজৰুল ইছলাম (সংখ্যালঘু উন্নয়ন মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় প্রধানমন্ত্রী ডঃ মনমোহন সিং ডাঙৰীয়াই আৰু কংগ্রেছ নেত্রী চোনিয়া গান্ধী ডাঙৰীয়ানীয়ে সংখ্যালঘু সকলে শিক্ষা আৰু আর্থসামাজিক ক্ষেত্রত পিচপৰি থাকিলে দেশৰ সৰ্ব্বাঙ্গীন উন্নতি যে হব নোৱাৰে সেই কথা উপলব্ধি কৰিছে। সেই কাৰণেই সকলোৰে যাতে সমানে উন্নতি কৰিব পৰা যায় তাৰ বাবে কিছুমান প্রজেক্ট হাতত লৈছে সংখ্যালঘু সকলৰ কাৰণে,

---

* Speech not corrected

যি কথা ইয়াৰ আগতে কোনেও ভবাই নাছিল। আজি কেন্দ্ৰীয় চৰকাৰে এই কথা চিন্তা কৰিছে। আৰু লগতে সেইমতে টকাও দিছে। এইখিনি টকাৰে কাম কৰাৰ পিচত প্ৰয়োজন হ'লে হয়তো আৰু আমি পাম। আজি সাতশ তিনি কোটি টকা দিছে। এইখিনি টকা খৰছ কৰাৰ পিচত আৰু বিচাৰিলে পাম। তিনিটা ইন্সটলমেণ্টত এই টকা দিয়াৰ প্ৰথা আছে। প্ৰথমে শতকৰা ৩০ ভাগ দিব। এইখিনি খৰছ কৰি ইউটিলাইজেচন চার্টিফিকেট দিলে তাৰ পিছৰ ইন্সটলমেণ্টটো দিব। এইদৰে দি থাকিব। এই ক্ষেত্ৰত বিধায়ক সকল জড়িত হোৱাৰ সকলো ৰাইট আছে। এই স্কীমবিলাক ইমপ্লিমেণ্ট কৰাৰ কাৰণে উপায়ুক্তক দায়িত্ব দিয়া হয়। উপায়ুক্তই প্ৰয়োজনীয় চার্ভে আদি কৰি প্ৰায়ৰিটি বেচিচত স্কীম বিলাক লব। সেয়ে ডি চি. সকলে প্ৰজেক্টত জৰিত বিষয়া সকলক লৈ প্ৰজেক্ট ৰিপৰ্ট প্ৰিপিয়াৰ কৰিব লাগে। বেলেগে আৰু কমিটি কৰি দিয়া নাই। এইটো আমাৰ প্ৰধানমন্ত্ৰীৰ ১৫ দফীয়া প্ৰগ্ৰেমৰ অৰ্ন্তগত যি কমিটি আছে সেই কমিটিয়েই প্ৰজেক্ট ৰিপৰ্ট তৈয়াৰ কৰি এপ্ৰ'ভ কৰিব লাগিব আৰু তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ যি ইতিমধ্যেই দিয়া গাইড লাইন আছে সেই মতেই আমি কৰিব লাগিব।

* **শ্ৰীনুৰুল হুছেইন ঃ** অধ্যক্ষ মহোদয়, আমাৰ ৰুৰেল ডেভেলাপমেণ্টৰ ক্ষেত্ৰত যিবলাক ঘৰ দিয়াৰ ব্যৱস্থা কৰিছে বা ইতিমধ্যে দিছো হৈছে সেইবিলাক দেখা যায় অৱস্থাসপন্ন মানুহেও পাইছে। আমি দেখিছো মাষ্টৰ, হেড মাষ্টৰ আনকি প্ৰিন্সিপাওে ঘৰ পোৱা আমি দেখিছো। সেয়ে মন্ত্ৰী মহোদয়ে আমাক আন এটা আশ্বাস দিব নে যে প্ৰকৃতাৰ্থত যি সকল লোকে পাব লাগে তেনেলোকক দিবৰ বাবে চৰকাৰে ব্যৱস্থা লব ? দৰিদ্ৰ সীমাৰেখাৰ তলত থকা মানুহে আই. এ. ওৱাই. ঘৰ নাপায়, সেয়ে কৈছোঁ গ্ৰাম্য উন্নয়ন বিভাগ

---

* Speech not corrected

বিশেষকৈ মাইন'ৰিটি উন্নয়নৰ ক্ষেত্রত ব্যর্থ হৈছে।

⁂ **ডাঃ নজৰুল ইছলাম (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্রীয় চৰকাৰৰ যি গাইড লাইন আছে সেই গাইড লাইনৰ কপি আমি গাঁঠি দিছোঁ আৰু আমি সেই মতেই গাইড লাইন ফল' কৰিয়ে কাম কৰিব লাগিব। সেই গাইড লাইন মানি আমি স্কীম তৈয়াৰ কৰিব লাগিব। আই. এ. ওৱাইৰ ঘৰৰ কাৰণেও যি গাইড লাইন দিয়া আছে সেই গাইড লাইন মতেই কাম হব। ওৱেটিং লিষ্টত যি নাম থাকিব সেই মতেই ঘৰ পাব। অন্য লিষ্টৰ পৰা ঘৰ মানুহক দিব নোৱাৰে। আই. এ. ওৱাইৰ কাৰণে যিমান টকা আহে সিমানখিনি টকাৰে ঘৰ পাব। তাৰোপৰি উপৰুৱাকৈ সংখ্যালঘু সকলৰ উন্নয়নৰ কাৰণে যি টকা দিছে সেইখিনিৰ পৰাই আমি কাম কৰিছোঁ।

(মাননীয় সদস্য, হীৰেন দাস কবলৈ উঠে, মাননীয় অধ্যক্ষই অনুমতি নিদিয়ে।)

(Hon'ble Member, Shri Hiren Das has staged walk out it protest)

(সদনত গণ্ডগোল, ভালদৰে শুনা নাযায়)

⁂ **শ্রীচন্দ্রমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দেখিছোঁ নুৰুল হুছেইনদেৰে প্রশ্ন কৰাৰ পিচত মাননীয় সদস্য হীৰেন দাস ঠিয় হৈছিল কবলৈ লোৱাত, আপুনি বহিবলৈ ক'লে। তেখেতে ভদ্রলোকৰ দৰে বহি গ'ল। এইবাৰ আকৌ উঠিছিল আপুনি ধমকি দি আকৌ বহুৱাই দিলে। কবলৈ আমাক সুবিধা নিদিয়ে কিয় ?

⁂ Speech not corrected

মাননীয় অধ্যক্ষ ঃ মই যাক আগতে চকুৰে দেখো তেওঁৰ নামেই লওঁ। এবাৰ নামটো ঘোষণা কৰাৰ পিছত বেলেগক দিয়া নাযায়। মই হাফিজ বছিৰ আহমেদক আগতে দেখা পালো। গতিকে তেওঁৰ নামটো আগতেই মই ঘোষণা কৰিছিলো। বিধায়ক সকলক মই অনুৰোধ কৰিছো প্ৰশ্নকৰ্ত্তাজনে প্ৰথম প্ৰশ্ন কৰাৰ ৰাইট থাকে আৰু তাৰ ব্যক্তিগতভাবে উত্তৰ পোৱাৰ ৰাইটো আছে। একেলগে পিছত মন্ত্ৰীয়ে উত্তৰ দিব বুলি থৈ দিব নোৱাৰি। তেওঁৰ উত্তৰ পিচত দিব বুলিও কব নোৱাৰি। সেয়ে প্ৰশ্নকৰ্ত্তাই উত্তৰ নোপোৱাকৈ বেলেগে প্ৰশ্ন কৰিব নালাগে। মই নিজে যাক যাক দেখিলো তেওঁলোকৰ নাম কৈ দিছো। এতিয়া হাফিজ বছিৰ আহমেদে কব। তাৰ পিছত আছে লিয়াকৎ আলী খান। তাৰ পিছত ডাঃ কমলা কান্ত কলিতা। গতিকে মই নিজে যি দেখিছো সেই মতেই এলাও কৰিছো।

* **শ্ৰীহাফিজ বছিৰ আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই আই. এ. ওৱাইৰ যিবিলাক স্কীম লৈছে আৰু তাৰ কাৰণে যি মানুহ আইডেনটিফাই কৰি লিষ্ট তৈয়াৰ কৰিছে সেইবিলাক চালে আচৰিত হব লাগে কাৰণ যি উদ্দেশ্যে যাৰ কাৰণে এই স্কীমবিলাক চৰকাৰে দিছে এই লিষ্ট কৰাৰ ক্ষেত্ৰত বাস্তৰ ক্ষেত্ৰত কিন্তু তাৰ সম্পূৰ্ণ বিপৰীত ছৱি দেখা যায়। ধুবুৰী জিলাত হাউচিঙৰ ওপৰত জোৰ দিছে। তাৰ লিষ্ট কৰিছে কিছুমান এন. জি. অ'. ই। এন. জি. অ'. ই ৰিপৰ্ট তৈয়াৰ কৰি দিয়াত আমাৰ সন্দেহ আছে। এনেদৰে কাম কৰি মাইনৰিটি সকল শিক্ষাৰ ক্ষেত্ৰতে হওঁক বা সামাজিক ক্ষেত্ৰতে হওঁক আগবাঢ়িব নোৱাৰিব আৰু ভালদৰে শিক্ষাৰ ক্ষেত্ৰত আঁচনি আদি লব নোৱাৰিলে এইলোক সকলে জৱ চিকিউৰিটি নাপাব। তেতিয়া কেতিয়াও মানুহখিনিৰ উন্নতিও নহব। দ্বিতীয়তে, ৰাজীৱ গান্ধী গ্ৰাম্য বৈদ্যুতিক যোজনাৰ অন্তৰ্গত যিমানখিনি লাইট দিয়াৰ কথা আছে, চেনিটেচনৰ কথা আছে সেই

---

* Speech not corrected

সকলো বিলাক কেন্দ্রীয় চৰকাৰৰ পৰা অহা প্ৰজেক্ট এই মাইনৰিটিৰ নামত অহা এই সামান্য টকা, কাৰণ এইখিনি যথেষ্ট নহয় বুলি আমি ভাবো, এই টকা যদিও অন্যান্য ঠাইত বা কাৰণত খৰছ কৰা হয় তেন্তে সংখ্যালঘু সকলৰ উন্নয়ন কেতয়াও সম্ভৱ নহয়। আজি নগাঁওত এই প্ৰজেক্ট যি বনাইছে তাৰ ওপৰত আপত্তি আহিছে। ধুবুৰী, বৰপেটা আদি ঠাইত দেখা গৈছে টিউবৱেল আদিতহে টকা দিয়াৰ কাৰণে ধৰিছে। সেয়ে আমি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই যিবিলাক প্ৰজেক্ট ৰিপৰ্ট ইতিমধ্যে বনোৱা হৈছে এই ৰিপৰ্ট বিলাক ৰিভিউ কৰিছেনে ? এইবিলাক ৰিভিউ কৰাৰ অত্যন্ত প্ৰয়োজন আছে। শিক্ষাৰ ক্ষেত্ৰতো ভালদৰে ইনিচিয়েটিভ লৈ প্ৰজেক্ট তৈয়াৰ কৰিব লাগিব যাতে আই. টি. আই আদি ঠাইত শিক্ষা লাভ কৰি অসমতে বা বাহিৰতো নিযুক্তি আদি পাব পাৰে। গতিকে এই প্ৰজেক্ট ৰিপৰ্টবিলাক ৰিভিউ কৰিবনে ?

✳ **শ্ৰীইছলামউদ্দিন বৰভূঞা** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইন্দিৰা আৱাস যোজনাৰ অধীনত যিবিলাক ঘৰ বনোৱা হয় সেই বিলাকৰ লিষ্ট এন. জি. ও. বিলাকে দিয়ে। কিন্তু বিধায়ক সকলক জৰিত নকৰে। গতিকে এই ক্ষেত্ৰত সন্দেহৰ থল থাকি যায়।

✳ **ডাঃ নজৰুল ইছলাম (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো কৈছে কোনো এন. জি. ও. ই ইন্দিৰা আৱাসিক যোজনাৰ প্ৰজেক্ট নবনাই। কেন্দ্ৰীয় চৰকাৰে বিশেষকৈ মাইনৰিটি সকলৰ কেনেধৰণে উন্নতি কৰিব পাৰে তাৰ কাৰণে ২৫ শতাংশ মাইনৰিটি থকা জিলা বাচি লৈছে। এনেকৈ ৯০ খন জিলা বাছি লৈছে তাৰ ভিতৰত আমাৰ ১৩ খন জিলা পৰিছে। এই

✳ Speech not corrected

জিলা কেইটা বাচি লৈ ইণ্ডিয়ান কাউন্সিল অৱ চোচিয়েল চাইন্স এণ্ড ৰিচার্চ ইনষ্টিটিউট, নিউ দিল্লীলৈ নির্দ্দেশ দিছিল। আমাৰ ১৩ খন জিলাও ইণ্ডিয়ান কাউন্সিল অৱ চোচিয়েল চাইন্স এণ্ড ৰিচার্চ ইনষ্টিটিউটে এফিলেটেড ইনষ্টিটিউট অমিয় কুমাৰ দাস ইনষ্টিটিউটলৈ দিছিল। কেন্দ্রীয় চৰকাৰৰ গাইড লাইন পঢ়িলে গম পাব যে বিশেষকৈ সংখ্যালঘু এৰিয়াত পকা ঘৰ নাই। এল. পি. স্কুল, এম. ই. স্কুল, পানী, বিদ্যুৎ, স্বাস্থ্য আৰু চেনিটেচন আদিৰ বিষয় কেইটাৰ ওপৰত গুৰুত্ব দিবলৈ দিছিল। গতিকে ইয়াৰ বেচিচত অমিয় কুমাৰ দাস ইনষ্টিটিউতে ১৩ খন জিলাত চার্ভে কৰিছে। কোন জিলাত কিহৰ ওপৰত প্রায়ৰিটি দিব লাগে তাৰ লিষ্ট দিছে। সেই তালিকাত দেখা গৈছে যে অসম সংখ্যালঘু এলেকাত পকা ঘৰ নাই। তাৰ পিচত উপায়ুক্তক নির্দ্দেশ দিছে চার্ভে কৰি প্রজেক্ট বনাব লাগে। তাৰ পিচত প্রায়ৰিটি বেচিচত স্কীম বনাই উপায়ুক্তক দিছে। প্রায়ৰিটি বেচিচত লিষ্ট পাইছে। প্রথম প্রায়ৰিটি, দ্বিতীয় প্রায়ৰিটি এনেকৈ লিষ্ট পাইছে। তাৰ পিছত প্রায়ৰিটি হিচাবে মাতিছে। ১ নং প্রায়ৰিটিক বেছি টকা দিছে। দ্বিতীয়টোক অলপ কম। তৃতীয়টোক আৰু অলপ কম এনেধৰণে দিছে। সেই হিচাবে প্রজেক্ট বনাই দিছে। উপায়ুক্তই কমিটি বহাই আলোচনা কৰিছে। আৰু ১৫ টা পইণ্ট কমিটিয়ে এপ্রোভ কৰাৰ পিছত আমালৈ পঠাইছে। মুখ্য সচিবৰ অধীনত ষ্টেট লেভেল কমিটি আছে। এই বিলাক ষ্টেট লেভেল কমিটিয়ে চাইছে আৰু তাৰ পিছত কেন্দ্রীয় চৰকাৰলৈ পঠাইছে। কেন্দ্রীয় চৰকাৰৰ লেভেলটো কমিটি আছে। এই কমিটিয়ে ফেজ ওৱাইজ কাম কৰিছে। উপায়ুক্তক মাতি নিছে আৰু উপায়ুক্তই প্রেজেণ্টেচন দিবলগীয়া হৈছে। কমিটিয়ে ঠিক হোৱা বুলি ভাবিলে এপ্রোভ কৰে নহ'লে ঘুৰাই দিয়ে। আৰু উপায়ুক্তক নির্দ্দেশ দিয়ে এনেধৰণে কৰিব আৰু ৰিভাইচ এষ্টিমেট দিব। সেই হিচাবে গোৱালপাৰাৰ প্রজেক্ট ঘূৰি আহিছে।

আকৌ ৰিভাইচ কৰিছে। ১১ খন জিলাৰ প্ৰজেক্ট পঠাইছে। দুখন জিলাৰ বাকী আছে। এন. চি. হিলচ্ আৰু কাৰ্বি আংলং জিলাৰ। যিবিলাক স্কীম তেওঁলোকৰ মতে হৈছে সেই বিলাকৰ বিপৰীতে টকা মোকলাই দিছে। তিনিখন জিলাৰ টকা ৰিলিজ হৈছে। এই টকা ৮ম পৰিকল্পনাৰ টকা আছিল। নিৰ্বাচন হোৱাৰ কাৰণে টকা ৰিলিজ হোৱা নাছিল। এতিয়া টকা ৰিলিজ কৰা হৈছে। সেই হিচাবে কাম হব। মাত্ৰ স্কীম কৰিব লাগে আৰু সংখ্যালঘু সকলৰ কাৰণে কাম কৰিব লাগে। যোৱা বছৰ কেন্দ্ৰীয় চৰকাৰে ভোকেচনেলৰ কাৰণে ৯৮১ আৰু পোষ্ট মেট্ৰিকৰ কাৰণে ৪ হাজাৰ দিছিল। এই বছৰো দিছে। পোষ্ট মেট্ৰিকত ৩০ হাজাৰ কৰিছে। প্ৰি মেট্ৰিকত ১ লাখ ৩০ হাজাৰ। আনহাতে, মাদ্ৰাছা এডুকেচন মডাৰ্ণাইজেচনৰ কাৰণে স্কীম কৰিব নোৱাৰে। কেন্দ্ৰীয় চৰকাৰৰ উপৰিও ৰাজ্য চৰকাৰেও শিক্ষা বিভাগত স্কীম লৈছে। এই বিলাক অন গয়িং স্কীম। এই স্কীম বিলাক ওৱাৰ্ক আউট কৰি নেচনেল লেভেলত এভাৱেজ কৰা। ইনকাম জেনেৰেচন স্কীম নিজে কৰিব নোৱাৰে। গতিকে এইখিনিয়ে কথা।

⁂ **শ্ৰীলিয়াকৎ আলী খান** ঃ মাননীয় অধ্যক্ষ মহোদয়, দুটা প্ৰশ্ন কৰোতে গোটেই প্ৰশ্ন কালৰ সময়টো পাৰ হৈ যায়। এইটো আকৌ কেনেকুৱা কথা। বাকী বিলাক প্ৰশ্নৰ কি হব। গতিকে ইয়াৰ এটা ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ ঃ হয়, ময়ো আপোনাৰ লগত একমত। আপোনালোকেও দেখি আহিছে। সেই কাৰণে মাননীয় সদস্য সকলক অনুৰোধ কৰিছো সীমিত পৰিপূৰক প্ৰশ্ন কৰাৰ কাৰণে।

⁂ **ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী)** ঃ মাননীয় সদস্য শ্ৰী লিয়াকৎ আলী খান

⁂ Speech not corrected

ডাঙৰীয়াই যিটো কৈছে সেইটো এটা সমাধান হব লাগে। অধ্যক্ষ মহোদয়, আপনি অল পার্টি মিটিং পাতি এটা সিদ্ধান্ত লওঁক।

⁂ **শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, বিধান সভাৰ ইতিহাসত ২ বা ৩ টা প্রশ্নৰ অধিক উত্তৰ নোহোৱা এটা উদাহৰণ হব। এইটো হয়টো ডাইৰেক্ট টেলিকাষ্ট হোৱাৰ কাৰণেও হব পাৰে। কাৰণ সকলোৱে নিজকে এক্সপোজ কৰাৰ কাৰণে কয়। (গণ্ডগোল)

মাননীয় অধ্যক্ষ ঃ মই সকলো দলৰ দলপতি সকলক অনুৰোধ কৰিছো আজি আবেলি ৬-৩০ বজাত মোৰ কনফাৰেন্স ৰুমত এই বিষয়ে আলোচনা কৰাৰ কাৰণে আহিবলৈ।

প্রশ্নোত্তৰ কাল শেষ।

(Starred Question Nos. 164 to 180 could not be taken up for disposal as the Question Hour was over. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

বিষয় ঃ পাৰিতোষিক আদায়।

শ্রীমতী জোনজোনালী বৰুৱাই সুধিছে ঃ

⁂ **১৬৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

⁂ Speech not corrected

(ক) বিত্তীয় সাহার্য্য প্রাপ্ত TSP এলেকাত থকা বিদ্যালয় সমূহৰ শিক্ষক সকলে ২০০৬ চনৰ মে' মাহৰ পৰা পাৰিতোষিক নোপোৱাৰ বিষয়ে চৰকাৰ জ্ঞাতনে ?

(খ) যদি জ্ঞাত, তেওঁলোকৰ পাৰিতোষিক কেতিয়া দিয়া হব ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ২০০৬-২০০৭ বর্ষৰ ৮ মাহৰ ২০০৭-২০০৮ বর্ষৰ ১২ মাহ মুঠ ২০ মাহৰ পাৰিতোষিক নোপোৱাতো চৰকাৰৰ জ্ঞাত।

(খ) বর্ত্তমান দিবলৈ ব্যৱস্থা লৈ থকা হৈছে।

বিষয় ঃ দৈনিক মজুৰি।

শ্রীদূর্গা ভূমিজে সুধিছে ঃ

* ১৬৫। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম চাহ নিগম লিমিটেডৰ অর্ন্তগত চাহ বাগিছা সমূহত চাহ শ্রমিক সকলক বর্ত্তমান দৈনিক মজুৰি কিমানকৈ দি থকা হৈছে ?

(খ) অন্যান্য কোম্পানীৰ অধীনস্থ চাহ বাগিছাৰ চাহ শ্রমিক সকলৰ মজুৰি কিমান ?

(গ) চৰকাৰে অসম চাহ নিগমৰ উন্নয়ন কৰিবলৈ আৰু চাহ শ্রমিক কর্মচাৰী সকলৰ ভৱিষ্যত সুনিশ্চিত কৰিবলৈ কি আঁচনি গ্রহণ কৰিছে ? (তথ্য সহকাৰে সদনত দাখিল কৰিব)

(ঘ) টি ব'র্ডৰ পৰা অসমৰ কোন কোন চাহ বাগিছাই আর্থিক সাহার্য্য পাইছে

আৰু কিমান পৰিমাণৰ ধন আৱণ্টন পাইছে ?

(ঙ) অসম চাহ নিগমে উক্ত বিত্তীয় সাহায্য পাইছেনে ?

শ্রীপ্রদ্যুত বৰদলৈ (উদ্যোগ ও বাণিজ্য বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) নগদ ৪৭.৯৬ টকা দৈনিক মজুৰি দি থকা হৈছে।

(খ) বিধি অনুসৰি সকলো কোম্পানীয়ে নগদ ৫১ টকা দিব লাগে। ইয়াৰে ১২ শতাংশ ভৱিষ্যৎ নিধি পূঁজিত জমা দিব লাগে।

(গ) বিভিন্ন প্রস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(ঘ) টি ব'ৰ্ডৰ পৰা পোৱা আর্থিক সাহায্য আৰু বাগিছাৰ নাম তালিকা- 'ক' সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure-III)

(ঙ) নাই পোৱা।

বিষয় ঃ প্রকল্পৰ কাম।

শ্রীপ্রদীপ হাজৰিকাই সুধিছে ঃ

*** ১৬৬। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) আমগুৰি তাপ বিদ্যুৎ প্রকল্পটো বর্ত্তমান কি অৱস্থাত আছে ?

(খ) যোৱা জানুৱাৰী মাহত অনুষ্ঠিত হৈ যোৱা বিধান সভাৰ শীতকালীন অধিবেশনত মাননীয় শক্তি মন্ত্রী মহোদয়ে প্রকল্পটোৰ কাম আৰম্ভ কৰা হব বুলি সদনৰ মজিয়াত আশ্বাস দিয়াৰ পাছতো আজি পর্য্যন্ত কাম আৰম্ভ নকৰাৰ কাৰণ কি ? প্রকল্পটোৰ কাম কেতিয়াৰ পৰা আৰম্ভ হব সদনক অৱগত কৰিবনে ?

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি (বিদ্যুৎ) বিভাগ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) আমগুৰি তাপবিদ্যুৎ প্রকল্পৰ বাবে নিয়মীয়া গেচ যোগানৰ বিষয়টো "M/S Canoro Resources Ltd. (CRL)" ৰ লগত গেচৰ দাম আৰু গেচ যোগানৰ চর্ত্ত সমূহৰ বিষয়েও আলোচনা চলাই থকা হৈছে।

(খ) এই বছৰৰ ভিতৰত "CRL" ৰ লগত চলাই থকা আলোচনা প্রক্রিয়া সম্পূর্ণ হব বলি আশা কৰা হৈছে আৰু তেতিয়াই প্রকল্পটোৰ "বিস্তৃত প্রকল্প প্রতিবেদন" প্রস্তুত কৰি প্রকল্প নির্মাণৰ প্রাৰম্ভিক কাম আৰম্ভ কৰা হব। CRL এ উচ্চ দৰত গেচ যোগান ধৰিলে ভৰিষ্যতে বিজুলী শক্তিৰ উৎপাদন ব্যয় বৃদ্ধি পাব বাবেই এক দীর্ঘকালীন চুক্তি কৰাটো দৰকাৰী হৈ পৰিছে।

বিষয় ঃ ৰাজ সাহার্য্যৰ বাবে আবেদন।

শ্রীপ্রশান্ত ফুকনে সুধিছে ঃ

* ১৬৭। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কেন্দ্রীয় ৰাজ সাহার্য্যৰ বাবে আবেদন জনাই ২০০৭ চনৰ কেন্দ্রীয় উদ্যোগ নীতিৰ অধীনত আজিৰ তাৰিখলৈকে সঞ্চালকৰ ওচৰত কিমানটা উদ্যোগে (a) CCIS, (b) CISS, (c) CCISS ৰ বাবে আবেদন দাখিল কৰিছে ?

(খ) আবেদন সমূহৰ মাজৰ কিমানটা উদ্যোগে ইতিমধ্যে ৰাজ সাহার্য্য লাভ কৰিছে আৰু কিমানটা উদ্যোগে ৰাজ সাহার্য্য পাবলৈ বাকী আছে ?

(গ) যদিহে ২০০৭ চনৰ ঘোষিত উদ্যোগ নীতিৰ অধীনত আজি পর্য্যন্ত সাহার্য্য পোৱা নাই, তেন্তে কিয় পোৱা নাই ?

(ঘ) আবেদনকাৰীয়ে ৰাজ সাহায্যৰ বাবে আবেদন কৰাৰ পাছত অনুমোদন হওঁতে কিমান সময় লাগে ?

(ঙ) ৰাজ সাহায্য প্ৰদানৰ ক্ষেত্ৰত উদ্যোগ বিভাগ দায়বদ্ধ হয়নে ? যদিহে হয়, তেন্তে আজি পৰ্য্যন্ত সাহায্য নোপোৱা প্ৰস্তাৱ সমূহ কাৰ্য্যকৰী নকৰাৰ কাৰণ কি ?

(চ) যোৱা পাঁচ বছৰত ডিব্ৰুগড় জিলাত ৰাজ সাহায্য পোৱা কিমান উদ্যোগ আছে ? কি কি উদ্যোগে এই ৰাজ সাহায্য পালে আৰু কিমান টকা পালে ? (তথ্য সদনৰ মেজত দাখিল কৰিব)

(ছ) যোৱা পাঁচ বছৰত অসমত থকা Coke উদ্যোগ সমূহে কিমান ৰাজ সাহায্য পালে ? (উদ্যোগ সমূহৰ নামৰ তালিকা সদনৰ মজিয়াত দাখিল কৰিব)

(জ) ডিব্ৰগড় জিলাত কি কি উদ্যোগে পৰিবহন সাহায্যৰ বাবে আবেদন কৰিছিল, কোন কোন উদ্যোগে যোৱা পাঁচ বছৰত ৰাজ সাহায্য পালে ? (সদনৰ মেজত দাখিল কৰিব)

শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী) য়ে উত্ত দিছে ঃ

(ক) ১) CCIS - ৮ টা, ২) CISS - ৬ টা, ৩) CCISS - ৭৬ টা (২৯-৬-২০০৯ তাৰিখ পৰ্য্যন্ত)

(খ) এতিয়ালৈ এটাও উদ্যোগে ২০০৭ চনৰ কেন্দ্ৰীয় উদ্যোগ নীতিৰ অধীনত ৰাজ সাহায্যৰ ধন লাভ কৰা নাই।

(গ) কেন্দ্ৰীয় চৰকাৰে ২০০৭ চনতেই কেন্দ্ৰীয় উদ্যোগনীতি ঘোষণা কৰিছিল যদিও ইয়াৰ অধীনত ৰাজ সাহায্যৰ আবেদনৰ প্ৰ-পত্ৰ আৰু অন্যান্য নীতি-নিৰ্দ্দেশনা সমূহ ২১-৮-২০০৮ তাৰিখেহে কেন্দ্ৰীয় মন্ত্ৰণালয়ৰ পৰা উদ্যোগ

আৰু বাণিজ্য বিভাগে লাভ কৰে। এই নীতি-নির্দ্দেশনা সমূহ ২০০৮ চনৰ চেপ্তেম্বৰ মাহতহে জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ সমূহলৈ প্ৰেৰণ কৰা হয়। জিলা সমূহৰ পৰা ৰাজ সাহায্যৰ আবেদন সমূহ পোৱাৰ অনুমোদন জনাবলৈ গঠিত ৰাজ্যিক পর্য্যায়ৰ সমিতিৰ (SLC) সভা অনুস্থিত কৰিব পৰা নোহোৱা হেতুকে ৰাজ সাহায্যৰ ধন এতিয়াও প্ৰদান কৰিব পৰা হোৱা নাই।

(ঘ) নির্দ্দেশনা অনুসৰি সম্পূর্ণ আবেদন পত্ৰ পোৱাৰ ১৮০ দিনৰ ভিতৰত আবেদন সমূহ সংশ্লিষ্ট সমিতিৰ বিবেচনার্থে দাখিল কৰিব লাগে।

(ঙ) দায়বদ্ধ হয়। কিন্তু আবেদন সমূহ দেৰীকৈ পোৱাৰ বাবে আজি পর্য্যন্ত ৰাজ্যিক পর্য্যায়ৰ সমিতিৰ (SLC) সভা অনুস্থিত কৰাটো সত্তৰ নোহোৱা হেতুকে ৰাজ সাহায্যৰ ধন দিব পৰা হোৱা নাই।

(চ) ৯১ টা আৰু এই উদ্যোগ সমূহে যোৱা পাঁচ বছৰত ২৩, ৪৭,৬৪,৬৮৫.০০ টকা ৰাজ সাহায্য হিচাবে লাভ কৰিছে। উদ্যোগ সমূহৰ নাম আৰু ধনৰ পৰিমাণ পৰিশিষ্ট (B) ত উল্লেখ কৰা হ'ল। (See Annexure-IV)

(ছ) ৰাজ্যৰ বিভিন্ন উদ্যোগ সমূহে যোৱা পাঁচ বছৰত মুঠ ২,৭৩,২১,১৩,৫৬১.০০ টকা ৰাজ সাহায্য হিচাবে লাভ কৰে। নাম ঠিকনা পৰিশিষ্ট (C) ত দিয়া হ'ল। (See Annexure-V)

(জ) ডিব্রুগড় জিলাৰ পৰিবহন ৰাজ সাহায্যৰ বাবে আবেদন কৰা উদ্যোগৰ তালিকা পৰিশিষ্ট "A" ত দিয়া হ'ল। (See Annexure-VI)

যোৱা পাঁচ বছৰৰ ৰাজ সাহায্য পোৱা উদ্যোগৰ তালিকা পৰিশিষ্ট "D" ত দিয়া হ'ল। (See Annexure-VII)

মুঠ উদ্যোগ আৰু ধনৰ সংখ্যা ৬ আৰু ১১,২৫,০০,৯৭৬.০০ টকা।

উপৰোক্ত 'চ', 'ছ', 'জ' উত্তৰত উল্লেখ কৰা পৰিশিষ্ট "A", "B", "C" আৰু "D" ৰ তালিকা সদনৰ মেজত দাখিল কৰা হ'ল।

Sub : PM's 15 Point Programme.

Dr. Aditya Langthasa asked :

*** 168. Will the Minister of Minority Welfare & Development Department be pleased to state :**

(a) Since when the prime Minsiter's New 15 Points programme have been implemented in Assam ?

(b) How many districts of Assam have been included under P.M's 15 Point Programme ?

(c) Will the Govt. inform the House the details of money allocation and the name of the schemes districtwise under PM's 15 Point Programme so far ?

(d) What are the guide lines of PM's 15Point Programme ?

Dr. Nazrul Islam (Minister of Minority Welfare & Development Department) replied :

(a) The PM's new 15 Point Programme is implemented in Assam since 2007.

(b) All the 27 districts have been included under PM's new 15 Point Programme.

(c) There is no allocation of fund under PM's new 15

Point Programme.

(d) The PM's new 15 Point Programme is placed at Annexure-A. (See Annexure-VIII)

বিষয় ঃ নিয়মীয়া কৰা আৰু নকৰা শিক্ষকৰ সংখ্যা।

শ্রীঅনুপ ফুকনে সুধিছে ঃ

* ১৬৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) উচ্চ শিক্ষা সচিবালয়ে প্রকাশ কৰা কার্য্যালয়ৰ স্মাৰক নং B (2) H. 97/2003/98 তাং ১৭-০৭-২০০৪ অনুসৰি কিমানজন অমঞ্জুৰী পদত কাম কৰি থকা কলেজ শিক্ষকক মঞ্জুৰীকৃত পদৰ বিপৰীতে নিয়মীয়া কৰা হৈছে আৰু কিমানজনৰ নিয়মীয়া হবলৈ বাকী আছে ? (দুয়োখন তালিকা সদনৰ মেজত দাখিল কৰিব)। উল্লেখিত শিক্ষকৰ নিয়মীয়াকৰণ নোহোৱাৰ কাৰণ কি জনাবনে ? এই ক্ষেত্রত প্রধান সচিৰ (শিক্ষা) গৰাকীয়ে বাধা দি থকাটো সত্য নে ?

(খ) ১২-১০-২০০৪ লৈকে কলেজ সমূহে নিয়ম-নীতিৰে অমঞ্জুৰী পদত নিযুক্তি দিয়া কিমানজন কলেজ শিক্ষকৰ চাকৰি এতিয়ালৈকে নিয়মীয়াকৰণ হোৱা নাই ? এই নিয়মীয়া নোহোৱা সকলৰ চাকৰি কেতিয়া নিয়মীয়া কৰা হব ?

(গ) বর্ত্তমান শিক্ষকৰ পদ খালী নথকা আৰু সোনকালে শিক্ষকৰ পদ খালী হোৱাৰ সম্ভাৱনা নথকা কলেজ সমূহত অমঞ্জুৰীকৃত পদত কাম কৰি থকা শিক্ষক সকলৰ চাকৰি কেতিয়াকৈ নিয়মীয়া কৰা হব ?

(ঘ) ১০/১৫ বছৰ ধৰি কিমানজন কলেজ শিক্ষকে ধৰাবাহিকভাবে অমঞ্জুৰী

পদৰ বিপৰীতে কাম কৰি আছে ? তেনেবোৰ শিক্ষকক বৃদ্ধ হ'লে অৱসৰ পাই লুপ্ত হোৱা পদ (Supernumerary Post) সৃষ্টি কৰি মানবীয়তাৰ খাতিৰত নিয়মীয়াকৰণ কৰাৰ ব্যৱস্থা কৰিবনে ?

(ঙ) মহাবিদ্যলয় সমূহত কর্মচাৰী পদ আৱণ্টন ছাত্ৰ-ছাত্ৰীৰ অনুপাতৰ অসম চৰকাৰৰ নীতি-নির্দ্দেশনা কি আছে জনাবনে ? অসমৰ সকলো প্ৰাদেশীকৃত মহাবিদ্যলয়ত এই অনুপাত কার্য্যকৰী কৰা হৈছেনে ? যদি কৰা নাই, কেতিয়া কৰাৰ ব্যৱস্থা কৰিব ? (সংশ্লিষ্ট নীতি-নির্দ্দেশনা আৰু প্ৰতিখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু কর্মচাৰীৰ অনুপাতৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

(চ) কিমানখন মহাবিদ্যালয়ত পূৰ্ণ পর্য্যায়ৰ অধ্যক্ষ নিযুক্তি নোহোৱাকৈ আছে ? (তালিকা সদনৰ মেজত দাখিল কৰিব) পূৰ্ণ পর্য্যায়ৰ অধ্যক্ষ নিযুক্তিৰ ব্যৱস্থা এতিয়াও কিয় কৰা হোৱা নাই ? এই নিযুক্তিৰ ব্যৱস্থা কেতিয়াকৈ কৰা হব ?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰৰ স্মাৰক নং বি (২) এইচ ৯৭/২০০৩/৯৮ দিনাংক ১৭-৭-২০০৪ অনুসৰি অমঞ্জুৰী পদত কাম কৰি থকা ৩৮১ জন শিক্ষকক মঞ্জুৰীকৃত পদৰ বিপৰীতে নিয়মীয়া কৰা হৈছে।

তথ্য বিচৰা হৈছে। চিঠিৰ প্ৰতিলিপি সংলগ্ন কৰা হ'ল। সত্য নহয়। (See Annexure-IX)

(খ) তথ্য বিচৰা হৈছে। পর্য্যায়ক্ৰমে মঞ্জুৰীকৃত পদৰ বিপৰীতে নিয়মীয়া কৰি থকা হৈছে।

(গ) উচ্চ ন্যায়ালয়ৰ ৰায় সাপেক্ষে বিষয়টো উচ্চ শিক্ষা সঞ্চালকালয়ৰ পৰীক্ষা নিৰিক্ষাৰ কাম চলি আছে।

(ঘ) Supernumerary Post সৃষ্টি কৰাৰ সিদ্ধান্ত বর্ত্তমান নাই।

(ঙ) নীতি নির্দ্দেশনা সংলগ্ন কৰি দিয়া হ'ল। সকলো মহাবিদ্যালয়ত এই অনুপাতত হোৱা নাই। বিষয়টো বিবেচনাধীন হৈ আছে। ছাত্ৰ-ছাত্ৰীৰ তালিকা আৰু কৰ্মচাৰীৰ তালিকা সংলগ্ন কৰি দিয়া হ'ল। (See Annexure-IX)

(চ) বৰ্ত্তমান অসমৰ প্ৰাদেশীকৃত মহাবিদ্যালয় সমূহত সাধাৰণ এলেকাত ৫১ জন আৰু বি. টি. এ. ডি.ত ৫ টা অধ্যক্ষৰ পদ খালী হৈ আছে। মুঠ ৫৬ (৫১+৫) টা অধ্যক্ষৰ পদ খালী হৈ আছে।

পূৰ্ণ পৰ্য্যায়ৰ অধ্যক্ষ নিযুক্তিৰ বাবে উচ্চ ন্যায়ালয়ৰ নির্দ্দেশমৰ্মে ইতিমধ্যে চৰকাৰে বিহিত ব্যৱস্থা লৈছে।

ইয়াৰ পিছত অধ্যক্ষ নিযুক্তিৰ ব্যৱস্থা সম্পাদন কৰা হব।

বিষয় ঃ আৱণ্টিত ধন ও বিতৰন।

শ্ৰীৰচুল হকে সুধিছে ঃ

*** ১৭০। মাননীয় সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) সংখ্যালঘু কল্যাণ ও উন্নয়ন পৰিষদখন বৰ্তমানে কাৰ্য্যক্ষম হৈ আছে-নে ?

(খ) যদি আছে, তেন্তে বৰ্ত্তমানে ইয়াৰ সদস্যৰ সংখ্যা কিমান ? (সদস্য সকলৰ নামৰ তালিকা দাখিল কৰিব)

(গ) বিত্তীয় বৰ্ষ ২০০৭-০৮ আৰু ২০০৮-০৯ বৰ্ষত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰৰ ফালৰ পৰা সংখ্যালঘু কল্যাণ ও উন্নয়নৰ বাবে মুঠ কিমান টকা আৱণ্টন দিয়া হৈছিল ?

(ঘ) আৱণ্টিত ধন সমূহ কি কি আঁচনিৰ দ্বাৰা ৰূপায়ন কৰা হৈছিল ? (বিতং

তথ্য দাখিল কৰিব)

(ঙ) আৱণ্টিত ধনৰ কিমান শতাংশ ধন মোকলাই দিয়া হৈছে আৰু বৰ্ত্তমানে কিমান শতাংশ ধন জমা আছে ?

(চ) চৰ অঞ্চলৰ সংখ্যালঘু কল্যাণৰ অৰ্থে চৰকাৰে নতুন কি কি আঁচনি গ্ৰহণ কৰিছে ?

(ছ) সংখ্যালঘু নিবনুৱা যুৱঁক-যুৱঁতী সকলৰ কৰ্মসংস্থাপনৰ বাবে বিভাগে বিত্তীয় বৰ্ষ ২০০৬-০৭, ২০০৭-০৮ আৰু ২০০৮-০৯ বৰ্ষত মুঠ কিমান সংখ্যক Minority Loan প্ৰদান কৰিছে ?

(জ) আগন্তুক বিত্তীয় বৰ্ষত মুঠ কিমান সংখ্যক যুৱঁক-যুৱঁতীক Minority Loan প্ৰদান কৰা হব আৰু ই কেতিয়া (Month) প্ৰযোজ্য হব ?

(ঝ) আগন্তুক বিত্তীয় বৰ্ষত Minority Loan প্ৰদানৰ বাবে বিভাগে নথি পত্ৰ যোগান ধৰিছে নেকি ?

(ঞ) প্ৰ-পত্ৰ সমূহ বিতৰণ তথা জমাৰ বাবে দিন ধাৰ্য্য কৰা হৈছে নেকি ?

(ট) আগন্তুক বিত্তীয় বৰ্ষত মুঠ কিমান গৰাকী হিতাধিকাৰীক Minority Loan প্ৰদান কৰা হব ? (জিলা ভিত্তিত জনাব)

ডাঃ নজৰুল ইছলাম (সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, আছে।

(খ) বৰ্ত্তমান ইয়াৰ সদস্য সংখ্যা ২৫ জন (সদস্য সকলৰ নামৰ তালিকা পৰিশিষ্ট 'ক' আৰু 'খ' ত সংলগ্ন কৰা হ'ল। (See Annexure-X)

(গ) ২০০৭-০৮ আৰু ২০০৮-০৯ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ পৰা আৱণ্টন (Allotment) পোৱা ধন সমূহ তলত উল্লেখ

কৰা হ'ল ঃ-

২০০৭-০৮

১) কেন্দ্রীয় চৰকাৰৰ পৰা পোৱা আৱণ্টিত ধন ঃ ৭.৩৩ কোটি টকা।

২) ৰাজ্য চৰকাৰৰ পৰা পোৱা আৱণ্টিত ধন ঃ ১৫.৪০ কোটি টকা।

২০০৮-০৯

১) কেন্দ্রীয় চৰকাৰৰ পৰা পোৱা আৱণ্টিত ধন ঃ ৭১৪.৪৮ কোটি টকা।

২) ৰাজ্য চৰকাৰৰ পৰা পোৱা আৱণ্টিত ধন ঃ ২০.৬০ কোটি টকা।

২০০৭-০৮ আৰু ২০০৮-০৯ বিত্তীয় বৰ্ষত সৰ্বমুঠ আৱণ্টিত ধনৰ পৰিমাণ ৭৫৭.৮১ কোটি টকা।

(ঘ) ২০০৭-০৮ আৰু ২০০৮-০৯ বিত্তীয় বৰ্ষত মঞ্জুৰীকৃত মৰ্মে মোকলাই পোৱা পুঁজিৰ দ্বাৰা ৰূপায়ন কৰা কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনি সমূহৰ তালিকা তলত দেখুৱা হ'ল ঃ-

১) কেন্দ্রীয় চৰকাৰৰ আঁচনি সমূহ (২০০৭-০৮ বিত্তীয় বৰ্ষ) ঃ- (i) চৰ অঞ্চল উন্নয়ন সঞ্চালকালয়ৰ জৰিয়তে ২০০৭-০৮ বিত্তীয় বৰ্ষত ৫২৪ জন ছাত্র-ছাত্রীক Post Matric Scheme ৰ দ্বাৰা ৩০,৩২,৫৫১.০০ (ত্রিশ লাখ বত্রিশ হাজাৰ পাঁচশ একাৱন্ন) টকা প্রদান কৰা হয়।

চৰ অঞ্চল উন্নয়ন সঞ্চালকালয়ৰ জৰিয়তে Merit-Cum-Means Based Scheme ৰ অধীনত ৫০৪ জন ছাত্র-ছাত্রীক ১,২৭,৪১,৮৪১.০০ (এক কোটি সাতাইশ লাখ এক চল্লিছ হাজাৰ আঠশ একচল্লিছ) টকা প্রদান কৰা হয়।

(ii) অসম সংখ্যালঘু উন্নয়ন ও বিত্ত নিগম (পঃ) ৰ অধীনত ১০৯ জন নিবনুৱা যুৱঁক-যুৱঁতীক লৈ এক কোটি টকা ঋণ প্রদান আৰু ৪ টা বেচৰকাৰী

সংস্থা (NGO) ক ২৫ লাখ টকাৰ সুক্ষ্ম ঋণ প্রদান কৰা হয়।

(২) কেন্দ্রীয় চৰকাৰৰ আঁচনি সমূহ (২০০৮-০৯ বিত্তীয় বর্ষ) ঃ- (i) চৰ অঞ্চল উন্নয়ন সঞ্চালকালয়ৰ জৰিয়তে ৭,৮৯৭ জন ছাত্র-ছাত্রীক Post Matric Scholarship ৰ অধীনত ৪,৫০,৯৭,২৫৮.০০ (চাৰি কোটি পঞ্চাশ লাখ সাতানব্বৈ হাজাৰ দুশ আঠাৱন) টকা প্রদান কৰা হয়।
চৰ অঞ্চল উন্নয়ন সঞ্চালকালয়ৰ জৰিয়তে Merit-Cum-Means Based Scheme ৰ অধীনত ১,৩৭৫ জন ছাত্র-ছাত্রীক ৩,৭১,৬৮,৯৪৮.০০ (তিনি কোটি একসত্তৰ লাখ আঠশষ্টি হাজাৰ নশ আঠচল্লিছ) টকা প্রদান কৰা হয়।
(ii) অসম সংখ্যালঘু উন্নয়ন ও বিত্ত নিগম (পঃ) ৰ অধীনত নিবনুৱা যুৱঁক-যুৱঁতীলৈ ঋণ প্রদান কৰা হোৱা নাই।
(৩) ৰাজ্য চৰকাৰৰ পৰা ২০০৭-০৮ আৰু ২০০৮-০৯ বিত্তীয় বর্ষত আৱণ্টিত ধনৰ মঞ্জুৰী আৰু মোকলাই পোৱা ধনৰ দ্বাৰা তলত দেখুৱা ধৰণে আঁচনি সমূহ ৰূপায়ন কৰা হৈছিল ঃ-
(i) চৰ অঞ্চল উন্নয়ন সঞ্চালকালয়ৰ জৰিয়তে ২০০৭-০৮ আৰু ২০০৮-০৯ বিত্তীয় বর্ষত ৰূপায়ন কৰা আঁচনিৰ তালিকা পৰিশিষ্ট 'গ' ত সংলগ্ন কৰি দিয়া হ'ল। (See Annexure-XI)
(ii) অসম সংখ্যালঘু উন্নয়ন ব'র্ড আৰ অসম সংখ্যালঘু উন্নয়ন ও বিত্ত নিগমৰ জৰিয়তে ২০০৭-০৮ আৰু ২০০৮-০৯ বিত্তীয় বর্ষত আৱণ্টিত ধনৰ মঞ্জুৰী আৰু মোকলাই পোৱা ধনৰ দ্বাৰা ৰূপায়ন কৰা আঁচনি সমূহৰ তালিকা পৰিশিষ্ট 'ঘ' ত সংলগ্ন কৰি দিয়া হ'ল। (See Annexure-XII)

(ঙ) (I) চৰ অঞ্চল উন্নয়ন সঞ্চালকালয়ৰ জৰিয়তে আৱণ্টিত আৰু মোকলাই পোৱা ধনৰ শতাংশ তলত উল্লেখ কৰা হ'ল ঃ-

(A) ২০০৭-০৮ বিত্তীয় বর্ষত কেন্দ্রীয় চৰকাৰৰ পৰা Post Matric Scholarship আৰু Merit-Cum-Means Based Scholarship Scheme ৰ অধীনত আৱণ্টিত ধনৰ ১০০% মোকলাই পোৱা হৈছে আৰু সম্পূর্ণ ব্যৱহাৰ কৰা হৈছে।

(B) ২০০৮-০৯ বিত্তীয় বর্ষত কেন্দ্রীয় চৰকাৰৰ পৰা Post Matric Scholarship আৰু Merit-Cum-Means Based Scholarship Scheme ৰ অধীনত আৱণ্টিত ধনৰ ১০০% মোকলাই পোৱা হৈছে আৰু সম্পূর্ণ ব্যৱহাৰ কৰা হৈছে। তাৰোপৰি কামৰূপ (গ্রামীণ), বৰপেটা আৰু দৰং জিলালৈ Multi Sectoral Development Programme আঁচনিৰ অধীনত কেন্দ্রীয় চৰকাৰৰ অংশৰ ৫০% ধন মোকলাই পোৱা হৈছে আৰু উক্ত পুঁজি ব্যৱহাৰ কৰাৰ বাবে কার্য্যব্যৱস্থা হাতত লোৱা হৈছে। উক্ত জিলা তিনিখনত পোৱা পুঁজিৰ পৰিমাণ ক্রমে কামৰূপ (গ্রামীণ) লৈ ৫,১৯,৭৫,০০০.০০ টকা, বৰপেটালৈ ৩১,৬০,১৭,০০০.০০ টকা আৰু দৰঙলৈ ৫,৪৬,৭৩,০০০.০০ টকা।

(II) ২০০৭-০৮ আৰু ২০০৮-০৯ বিত্তীয় বর্ষত ৰাজ্য চৰকাৰৰ পৰা আৱণ্টিত ধনৰ ১০০% মোকলাই পোৱা হৈছে আৰু সম্পূর্ণ ব্যৱহাৰ কৰা হৈছে।

(III) অসম সংখ্যালঘু উন্নয়ন ব'র্ড আৰু অসম সংখ্যালঘু উন্নয়ন ও বিত্ত নিগমে (পঃ) পোৱা আৱণ্টিত ধন মোকলাই পোৱা আৰু জমা থকা ধনৰ শতাংশ তলত উল্লেখ কৰা হ'ল ঃ-

(A) ৰাষ্ট্রীয় সংখ্যালঘু উন্নয়ন ও বিত্ত নিগমে ২০০৭-০৮ বিত্তীয় বর্ষত ২১.৭৩ শতাংশ ধন মোকলাই দিয়ে আৰু উক্ত টকা সম্পূর্ণভাবে ব্যৱহাৰ

কৰা হৈছে আৰু ২০০৮-০৯ বিত্তীয় বৰ্ষত আৱণ্টিত ধন মোকলাই পোৱা হোৱা নাই।

(B) ২০০৭-০৮ বিত্তীয় বৰ্ষত অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ড আৰু অসম সংখ্যালঘু উন্নয়ন ও বিত্ত নিগমে ৰাজ্য চৰকাৰৰ পৰা আৱণ্টিত ধনৰ ৯৩.৬৬ শতাংশ মোকলাই পোৱা হৈছে আৰু ১১.১৪ শতাংশ জমা আছে আৰু ২০০৮-০৯ বিত্তীয় বৰ্ষত আৱণ্টিত ধনৰ মুঠ ৫৪.৯৮ শতাংশ মোকলাই পোৱা হৈছে আৰু ৭০.৫৬ শতাংশ জমা আছে।

(চ) চৰ অঞ্চলৰ সংখ্যালঘু উন্নয়নৰ বাবে চৰকাৰে কোনো ধৰণৰ নতুন আঁচনি লোৱা নাই।

(ছ) সংখ্যালঘু নিবনুৱা যুৱঁক-যুৱঁতী সকলক বিভিন্ন কৰ্ম সংস্থাপনৰ বাবে তলত উল্লেখ কৰা মতে ঋণ প্ৰদান কৰা হয় ঃ-

১) ২০০৬-০৭ বিত্তীয় বৰ্ষত ৫৯ জনক ম্যাদী ঋণ।

২) ২০০৭-০৮ বিত্তীয় বৰ্ষত ১০৯ জনক ম্যাদী ঋণ।

৩) ২০০৮-০৯ বিত্তীয় বৰ্ষত ঋণ প্ৰদান কৰা হোৱা নাই।

(জ) আগন্তুক বিত্তীয় বৰ্ষত পূঁজি পোৱাৰ পিছত হিতাধিকাৰীৰ সংখ্যা নিৰ্দ্ধাৰণ কৰা হব।

(ঝ) ধৰা নাই।

(ঞ) প্ৰশ্ন নুঠে।

(ট) প্ৰশ্ন নুঠে।

বিষয় ঃ মধ্যাহ্ন ভোজন।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

*** ১৭১। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) ডিগবৈ বিধান সভা সমষ্টিৰ কিমানখন বিদ্যালয়ত ছাত্র-ছাত্রীৰ বাবে মধ্যাহ্ন ভোজন যোগান ধৰা হয় আৰু কোন কেইখন সমবায় সমিতিৰ যোগেৰে কিমান পৰিমাণৰ চাউল দিয়া হয় জনাবনে ?

(খ) সমবায় সমিতিয়ে বিদঞালয়লৈ চাউল পোনপতীয়াভাবে যোগান ধৰে নে মধ্যস্থ প্রতিনিধি (Agent) ৰ যোগেৰে যোগান ধৰে ?

(গ) মধ্যস্থ সমিতিয়ে প্রতিনিধিৰ (Agent) ৰ যোগেদি যোগান ধৰা বিদ্যালয় সমূহৰ নাম আৰু যোগান দিয়া মধ্যস্থ প্রতিনিধি সকলৰ নাম ও কিমান পৰিমাণৰ চাউল যোগান ধৰা হয় জনাবনে ?

(ঘ) যোগান বিভাগৰ পৰা সমবায় সমিতি সমূহলৈ যি পৰিমাণৰ চাউল যোগান ধৰা হয়, তাৰ ভিতৰত বিদ্যালয় সমূহলৈ দিয়া চাউল যোগ হৈ থাকে নে বেলেগে দিয়া হয় ?

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ডিগবৈ বিধান সভা সমষ্টিৰ ২২৫ খন বিদ্যালয়ত ছাত্র-ছাত্রীৰ বাবে মধ্যাহ্ন ভোজনৰ চাউল যোগান ধৰা হয়। ইয়াৰে ১৫৬ খন মাৰ্ঘেৰিটা মহকুমাৰ আৰু ৬৯ খন তিনিচুকীয়া মহকুমাৰ।

মধ্যাহ্ন ভোজনৰ চাউল যোগান ধৰা সমবায় সমিতি সমূহ হ'ল –

মাৰ্ঘেৰিটা মহকুমা ঃ

(১) টিংৰাই সমবায় সমিতি

(২) বৰবিল সমবায় সমিতি

<u>তিনিচুকীয়া মহকুমা ঃ</u>

(১) সুলভ মূল্যৰ দোকানী মাকুম নগৰৰ বাবে।

(২) বাৰেকুৰী সমবায় সমিতি।

(৩) টিপুক সমবায় সমিতি।

উক্ত সমবায় সমিতি সমূহে যোগান ধৰা চাউলৰ পৰিমাণ তলত দেখুৱা হ'ল ঃ

<u>মাৰ্ঘেৰিটা মহকুমা ঃ</u>

(১) টিংৰাই সমবায় সমিতি - ১৬১.১৪ কুইণ্টল।

(২) মেচার্চ বৰবিল সমবায় সমিতি - ১৭২.২৪ কুইণ্টল।

<u>তিনিচুকীয়া মহকুমা ঃ</u>

(১) মাকুম নগৰৰ ১২ খন সুলভ মূল্য দোকান- ৭২.৪৫ কুইণ্টল।

(২) বাৰেকুৰী সমবায় সমিতি- ৪৬.৮৬ কুইণ্টল।

(৩) টিপুক সমবায় সমিতি- ৯৮.০৫ কুইণ্টল।

(খ) সমবায় সমিতি আৰু এজেণ্টৰ জৰিয়তে চাউল যোগান ধৰা হয়।

(গ) তিনিচুকীয়া মহকুমাৰ (ডিগবৈ বিধান সভা সমষ্টিৰ অৰ্ন্তগত) বিদ্যালয় সমূহলৈ মধ্যাহ্ন ভোজনৰ চাউল যোগান ধৰা এজেণ্টৰ নাম, চাউলৰ পৰিমাণ সংলগ্ন 'ক' ত দেখুৱা হ'ল। মাৰ্ঘেৰিটা মহকুমাৰ তথ্য সংগ্রহ কৰি থকা হৈছে। (See Annexure-XIII)

(ঘ) মধ্যাহ্ন ভোজনৰ চাউল বেলেগে আৱণ্টন দিয়া হয়। ৰাজহুৱা বিতৰণৰ

চাউলৰ পৰা যোগান ধৰা নহয়।

বিষয় ঃ গাঁও বৈদ্যুতিকৰণ।

শ্রীবিনোদ গোৱালাই সুধিছে ঃ

*** ১৭২। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) অসমত ৰাজীৱ গান্ধী গ্রামীণ বৈদ্যুতিকৰণৰ কাম কেতিয়া সম্পূর্ণ হব ?

(খ) সৰুপথাৰ সমষ্টিৰ মুঠ কিমানখন গাঁও মঞ্জুৰ হৈছে ? একোখন গাঁও কিমান কিঃ মিঃ হৈছে ? আগতে অসম্পূর্ণ হৈ থকা গাঁও সমূহ সামৰি লোৱা হৈছে নে ?

(গ) বর্ত্তমান ৰাজীৱ গান্ধী গ্রামীণ যোজনাৰ অধীনত কৰা অসম্পূর্ণ গাঁও সমূহ কোন চনৰ ভিতৰত সম্পূর্ণ কৰিব জনাবনে ? (বিতং তথ্য সদনত দাখিল কৰিব)

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ২০১২ চনৰ ভিতৰত ৰাজীৱ গান্ধী বৈদ্যুতিকৰণৰ সকলো পর্য্যায়ৰ কাম সম্পূর্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

(খ) গাঁওবিলাক উন্নয়ণ ব্লক হিচাবে সন্নিবিষ্ট হৈ আছে। সৰুপথাৰ সমষ্টিৰে সামৰা মৰমী আৰু গোলাঘাট উন্নয়ন খণ্ডৰ মুঠ ৪৩০ খন গাঁও এই আঁচনিত অর্ন্তভূক্ত হৈ আছে। গাঁও সমূহৰ Line Length & DTR আদিৰ সবিশেষ তথ্য তালিকা 'ক' ত দাখিল কৰা হ'ল। আগতে অসম্পূর্ণ হৈ থকা

গাঁও সমূহো এই আঁচনিত অর্ন্তভূক্ত কৰা হৈছে। (See Annexure-XIV)

(গ) এই আঁচনিৰ অর্ন্তভূক্ত সকলো গাঁওৰ বৈদ্যুতিকৰণৰ কাম ২০১২ চনৰ ভিতৰত সম্পূর্ণ কৰিবলৈ লক্ষ্য স্থিৰ কৰা হৈছে।

বিষয় ঃ নিমখ বিতৰণ।

শ্রীসুশীল দত্তই সুধিছে ঃ

* ১৭৩। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত মাহেকত কিমান পৰিমাণৰ নিমখ যোগান ধৰা হয় ?

(খ) এই নিমখখিনি কি দৰে বিতৰণ কৰা হয় ? (বিগত পাঁচ বছৰৰ তথ্য দিব)

(গ) এই নিমখৰ নির্দ্ধাৰিত মুল্য কিমান ? (প্রতি কেজি-কুইণ্টল-ৰেকৰ হিচাপ দিব)

(ঘ) এই নিমখ মুকলি বজাৰত বিক্রী কৰাৰ কিবা ব্যৱস্থা আছে নেকি ?

(ঙ) যদি আছে, কোন কোন ব্যক্তিৰ জৰিয়তে বিক্রীৰ ব্যৱস্থা কৰা হৈছে ?

(চ) প্রতিখন সুলভ মুল্য দোকানত প্রতি মাহতে সময় মতে নিমখ বিতৰণৰ ব্যৱস্থা আছেনে ?

(ছ) নগাঁও জিলাত প্রতি মাহে প্রতিখন সমবায় সমিতিত কিমান পৰিমাণৰ নিমখ বিতৰণৰ বাবে দিয়া হৈছে ? (যোৱা এক বছৰৰ হিচাপ সদনৰ মেজত দাখিল কৰিব)

ডাঃ নজৰল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা

বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত মাহেকত ৬-৭ ৰেক নিমখ যোগান ধৰা হয়।

(খ) আমদানিকৃত নিমখখিনিৰ ৫০ শতাংশ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে সমবায় সমিতি আৰু সুলভ মূল্যৰ দোকানৰ যোগেদি বিতৰণ কৰা হয়। ৪০ শতাংশ নিমখ মুকলি বজাৰত চৰকাৰী নিৰ্দ্ধাৰিত মূল্যত স্বীকৃতি প্ৰাপ্ত অনুজ্ঞাপত্ৰধাৰীৰ যোগেদি বিক্ৰী কৰা হয়। বাকী থকা ১০ শতাংশ 'ৰলিং ৰিজাৰ্ভ' হিচাপে ৰখা হয়। পৰৱৰ্ত্তী ৰেক নহালৈকে অথবা ৩০ দিনৰ পিছত ইয়াক মুকলি বজাৰত চৰকাৰী নিৰ্দ্ধাৰিত মূল্যত বিক্ৰী কৰা হয়।

(গ) ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ যোগেদি বিতৰণ কৰা নিমখৰ নিৰ্দ্ধাৰিত মূল্য এনেধৰণৰ ঃ

(১) প্ৰতি কেজি আয়ডিনযুক্ত নিমখৰ মূল্য- ৪.৭০ টকা (প্ৰতি ১ কেজি পেকেট)।

(২) প্ৰতি কুইণ্টল আয়ডিনযুক্ত নিমখৰ মূল্য- ৪৭০ টকা।

(৩) প্ৰতি ৰেক আয়ডিনযুক্ত নিমখৰ মূল্য- ১ কোটি ১৭ লাখ ৫০ হাজাৰ টকা।

(ঘ) আছে।

(ঙ) চৰকাৰী স্বীকৃতিপ্ৰাপ্ত অনুজ্ঞাপত্ৰধাৰী সকলৰ যোগেদি আমদানিকৃত নিমখৰ ৪০ শতাংশ চৰকাৰী নিৰ্দ্ধাৰিত মূল্যত মুকলি বজাৰত বিক্ৰীৰ ব্যৱস্থা আছে।

(চ) আছে।

(ছ) এপ্ৰিল মাহ, ২০০৯ ৰ পূৰ্বে মাহেকীয়া ভিত্তিত নিমখ আৱণ্টনৰ ব্যৱস্থা নাছিল। এপ্ৰিল, ২০০৯ চনৰ পৰাহে মাহেকীয়া ভিত্তিত নিমখ আমদানি কৰাৰ ব্যৱস্থা কৰা হৈছে।

নগাঁও জিলাত ৭০ খন সমবায় সমিতি আছে। এই ৭০ খন সমবায় সমিতিলৈ যোৱা বছৰৰ চেপ্তেম্বৰ মাহৰ পৰা জুন, ২০০৯ (বৰ্ত্তমানলৈকে) নিমখ আৱণ্টনৰ তালিকা সংলগ্ন 'ক' ত গাঁঠি দিয়া হ'ল। (See Annexure-XV)

বিষয় ঃ চৰ অঞ্চলত সামগ্ৰী যোগান।

শ্ৰীলিয়াকত আলী খানে সুধিছে ঃ

*** ১৭৪। মাননীয় সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ২০০৬-০৭ আৰু ২০০৭-০৮ চনৰ ভিতৰত অসমৰ চৰ অঞ্চলৰ কাৰণে কিমানটা Raised Plat Form স্থাপন কৰাৰ আঁচনি কৰা হৈছে ? তাৰে বৰপেটা জিলাৰ কোন কোন সমষ্টিত কেইটাকৈ হৈছে জনাবনে ?

(খ) এই Raised Plat Form বিলাক কি নীতি আদৰ্শৰ ভিত্তিত নিৰ্দ্ধাৰণ কৰা হয় আৰু প্ৰত্যেকৰে প্ৰাক্কলনৰ কিমান কিমান টকা ধৰা হৈছিল ?

(গ) ২০০৬-০৭ আৰু ২০০৭-০৮ চনৰ কাৰণে অসমৰ চৰ অঞ্চলৰ কাৰণে কি কি বস্তু-বাহানি বা সা-সামগ্ৰী যোগান ধৰা হৈছে আৰু কিমান কিমান টকা খৰছ হৈছে, জনাবনে ?

(ঘ) চৰ অঞ্চলৰ কাৰণে যোগান ধৰা বস্তু, সা-সামগ্ৰীৰ হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰাত স্থানীয় বিধায়কৰ গুৰুত্ব কি ?

ডাঃ নজৰুল ইছলাম (সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ২০০৬-০৭ চনত ২৫ টা আৰু ২০০৭-০৮ চনত ১০০ টা ওখ ভেটি অসমৰ চৰ অঞ্চলত নিৰ্মাণ কৰা হৈছে।

(খ) ওখ ভেটি নিৰ্মাণৰ ক্ষেত্ৰত ৰাইজৰ আবেদন, স্থানীয় বিধায়কৰ চুপাৰিশ লগতে বিভাগীয় মন্ত্ৰী মহোদয়ৰ অনুমোদন আৰু পুঁজি সাপেক্ষে নিৰ্মাণৰ কাম নিৰ্দ্ধাৰণ কৰা হয়। তাৰে ২০০৬-০৭ চনত ২.০০ লাখ আৰু ২০০৭-০৮ চনত ২,৭৪,৫০০.০০ টকাকৈ প্ৰত্যেকটো ওখ ভেটিৰ প্ৰাক্কলন ধৰা হৈছিল।

(গ) ২০০৬-০৭ আৰু ২০০৭-০৮ চনৰ বস্তু বাহানি বা সামগ্ৰী যোগান ধৰা আৰু খৰছৰ তালিকা পৰিশিষ্ট 'ক' ত গাঁঠি দিয়া হ'ল। (See Annexure-XVI)

(ঘ) চৰ অঞ্চলৰ কাৰণে যোগান ধৰা বস্তু, সা-সামগ্ৰীৰ হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰোতে স্থানীয় বিধায়কক গুৰুত্ব দিয়া হয়।

বিষয় ঃ দৰমহা আদায়।

শ্ৰীহিৰেন কুমাৰ দাসে সুধিছে ঃ

*** ১৭৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ১৯৯৮-৯৯ চনৰ OBB (4040) আঁচনিৰ অধীনত ৰাজ্যৰ মধ্য ইংৰাজী বিদ্যালয়ত নিযুক্তি প্ৰাপ্ত ২১৭৩ জন সহ-শিক্ষকে কেইমাহ ধৰি দৰমহা পাবলৈ বাকী আছে ? উক্ত শিক্ষক সকলৰ দৰমহা দিয়াৰ ব্যৱস্থা কৰিছেনে ?

(খ) উক্ত শিক্ষক সকলৰ চাকৰি স্থায়ীকৰণৰ বাবে চৰকাৰে কোনো ব্যৱস্থা

লৈছে নেকি ?

(গ) ২০০১ চনত নিযুক্তি পোৱা OBB শিক্ষক সকলৰ দৰমহা আদায় দিয়া হ'ল নেকি ? এই সকলৰ চাকৰি নিয়মীয়াকৰণৰ কোনো ব্যৱস্থা লোৱা হৈছে নে ?

(ঘ) দৰং জিলাত OBB শিক্ষক সকলৰ বিষয়টো পুনৰ বিবেচনা কৰিব নেকি ?

(ঙ) ৰাজ্যখনত বর্তমান কিমানজন অধ্যক্ষ, প্রধান শিক্ষকৰ পদ খালী হৈ আছে ? এই পদ সমূহ কেতিয়া পূৰণ কৰাৰ ব্যৱস্থা কৰিব ?

(চ) ৰাজ্যৰ বেচৰকাৰী প্রাথমিক বিদ্যালয়, মধ্য ইংৰাজী বিদ্যালয় সমূহক আর্থিক সাহার্য্য (Financial Assistance) দিয়াৰ ব্যৱস্থা নতুনকৈ কৰিছে নেকি ?

(ছ) ৰাজ্যখনত বর্ত্তমান মুঠ কিমানটা বিষয় শিক্ষকৰ পদ খালী হৈ আছে ?

(খালী পদৰ তালিকা সদনৰ মেজত দিব)

(জ) এই সমূহ খালী পদ কেতিয়া পূৰণ কৰিব ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) OBB (4040) আঁচনিৰ ২১৭৩ জন সহ-শিক্ষকৰ দৰমহা ২৯-০২-২০০৮ লৈ ইতিমধ্যে আদায় দিয়া হৈছে।

(খ) বর্ত্তমান উক্ত শিক্ষক সকলক খালী পদৰ বিপৰীতে নিয়মীয়া কৰিবলৈ ব্যৱস্থা হাতত লোৱা হৈছে।

(গ) ২০০১ চনত নিযুক্তি পোৱা OBB শিক্ষক সকলৰ দৰমহা ৩১-১০-২০০৮ লৈ মোকলাই দিয়া হৈছে। মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ হুকুমৰ আধাৰত পর্য্যায়ক্রমে খালী পদৰ বিপৰীতে নিয়মীয়াকৰণৰ ব্যৱস্থা হাতত

লোৱা হৈছে।

(ঘ) দৰং জিলাৰ ২০০১ চনৰ OBB শিক্ষকৰ নিযুক্তিত বেমেজালি হোৱাত নিযুক্তি বাতিল কৰা হৈছিল। বৰ্ত্তমান চৰকাৰে পুনৰ বিবেচনাৰ কোনো সিদ্ধান্ত লোৱা নাই।

(ঙ) অধ্যক্ষ আৰু প্ৰধান শিক্ষকৰ খালী পদৰ সংখ্যা তলত দিয়া ধৰণৰ ঃ

উচ্চতৰ মাধ্যমিক- ৪৮৪ টা
উচ্চ মাধ্যমিক- ৮২৫ টা
উচ্চ প্ৰাথমিক- ৫৭৯ টা

বাচনি/পদোন্নতিৰ জৰিয়তে পদ সমূহ পূৰণৰ ব্যৱস্থা লোৱা হৈছে।

(চ) নতুনকৈ আৰ্থিক সাহায্য দিয়াৰ ব্যৱস্থা বৰ্ত্তমান হাতত লোৱা নাই। ২০০৫-২০০৬ চনৰ পৰা চলি আছে।

(ছ) ৫২৮ টা তালিকা 'ক' ত সংলগ্ন কৰা হ'ল। (See Annexure-XVII)

(জ) পৰ্য্যায়ক্ৰমে খালী পদ সমূহ পূৰণ কৰাৰ বাবে ব্যৱস্থা লৈ থকা হৈছে।

বিষয় ঃ বুনিয়াদ আঁচনিৰ সাহায্য।

শ্ৰীঘন বুঢ়াগোহাইয়ে সুধিছে ঃ

*** ১৭৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) বিদ্যালয় সমূহলৈ বুনিয়াদ আঁচনিৰ জৰিয়তে আৰ্থিক সাহায্য আগবঢ়াওতে বিদ্যালয় সমূহে কি কি চৰ্ত্ত পূৰণ কৰিব লাগে ?

(খ) লক্ষীমপুৰ বিধান সভা সমষ্টিত এখন নির্দ্দিষ্ট বিদ্যালয় আজি পর্য্যন্ত বুনিয়াদ আঁচনিৰ সাহার্য্যৰ পৰা বঞ্চিত হৈ থকাৰ বিষয়ে চৰকাৰ অৱগত নে ?

(গ) যদি অৱগত, উক্ত হাইস্কুল খনক এই আঁচনিৰ জৰিয়তে আর্থিক সাহার্য্য দিয়াৰ ব্যৱস্থা চৰকাৰে হাতত লবনে ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বুনিয়াদ আঁচনিৰ অধীনত এককালীন আর্থিক সাহার্য্য পাবৰ বাবে কেৱল প্রাদেশীকৃত উচ্চতৰ আৰু উচ্চ মাধ্যমিক বিদ্যালয় সমূহহে যোগ্য। তাৰোপৰি আর্থিক সাহার্য্য আন্তঃগাঁঠনি উন্নয়নৰ বাবেহে দিয়া হয়।

(খ) হয়, অৱগত।

(গ) হয়, লোৱা হব।

বিষয় ঃ আৱণ্টন বৃদ্ধি।

শ্রীঅভিজিত হাজৰিকাই সুধিছে ঃ

*** ১৭৭। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) ৰাজ্যখনৰ কেৰাচিন তেলৰ ব্যাপক নাটনিৰ প্রতি লক্ষ্য ৰাখি চৰকাৰে কেন্দ্রীয় চৰকাৰৰ পৰা কেৰাচিন তেলৰ আৱণ্টন বৃদ্ধিৰ ক্ষেত্রত কি কি বাস্তৱ পদক্ষেপ লৈছে ?

(খ) শোণিতপুৰ জিলাত কেৰাচিন তেল ক'লা বজাৰত বিক্রী হোৱাৰ যথেষ্ট ৰাজহুৱা অভিযোগ উৎথাপিত হোৱাৰ পৰিপ্রেক্ষিতত চৰকাৰে ফলপ্রসু তদন্তৰ

ব্যৱস্থা কৰিবনে ?

(গ) ৰঙাপাৰা সমষ্টিৰ বাবে বৰ্ত্তমান কিমান পৰিমাণৰ কেৰাচিন তেল আৱণ্টন হয় ? ৰাইজৰ বিপুল দাবীলৈ লক্ষ্য ৰাখি তেলৰ আৱণ্টন আৰু কিছু বৃদ্ধি কৰিবনে ?

(ঘ) উক্ত সমষ্টিত নতুন ৰেচন কার্ড বৃদ্ধিৰ বাবে চৰকাৰে পদক্ষেপ লবনে ?

ডাঃ নজৰল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনত কেৰাচিন তেলৰ নাটনিৰ পাতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে কেন্দ্রীয় চৰকাৰ লগত আৱণ্টনৰ পৰিমাণ বৃদ্ধি কৰাৰ বাবে সময়ে সময়ে যোগাযোগ কৰি আহিছে।

(খ) শোণিতপুৰ জিলাত কেৰাচিন তেল ক'লা বজাৰত বিক্রী হোৱা বুলি অভিযোগ পোৱা হোৱা নাই। কোনো ৰাজহুৱা অভিযোগ পালে লগে লগে তদন্ত কৰি কার্য্যকৰী ব্যৱস্থা লোৱা হব।

(গ) ৰঙাপাৰা সমষ্টিত বৰ্ত্তমান প্রতি মাহে ২,২৭,০০০ লিটাৰ কেৰাচিন তেল দি থকা হৈছে। কেন্দ্রীয় চৰকাৰৰ পৰা কেৰাচিন তেলৰ আৱণ্টন বৃদ্ধি হ'লে বৃদ্ধি কৰিব পৰা যাব।

(ঘ) আবেদনৰ ওপৰত তদন্ত কৰি পৰিয়াল পৰিচয় পত্র দিয়াৰ প্রক্রিয়া অব্যাহত আছে।

বিষয় ঃ বিকল ট্রেন্সফর্মাৰ।

শ্রীমেম্বৰ গগৈয়ে সুধিছে ঃ

* ১৭৮। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান সমগ্ৰ অসমখনত আজি ১৬ জুন তাৰিখলৈকে কিমান ট্ৰেন্সফৰ্মাৰ বিকল হৈ আছে ? (জিলা ভিত্তিত পৰিসংখ্যা সহ সমীক্ষা দিব)

(খ) এই অচল ট্ৰেন্সফৰ্মাৰ সমূহ Replace অথবা মেৰামতি কৰি ব্যৱহাৰৰ উপযোগী কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমান অসমত বিকল হৈ থকা ট্ৰেন্সফৰ্মাৰৰ সংখ্যা জিলা ভিত্তিত তালিকা (ক) ত দেখুওৱা হ'ল। (See Annexure-XVII)

(খ) মুখ্যমন্ত্রীৰ নিশ্চিত বিজলী যোগান আঁচনিৰ ধন প্ৰাপ্তি সাপেক্ষে ট্ৰেন্সফৰ্মাৰবোৰ মেৰামতি কৰি পৰ্য্যায়ক্ৰমে স্থাপন কৰি থকা হৈছে।

বিষয় ঃ খালী পদৰ সংখ্যা।

শ্ৰীৰবীন বনিক্যই সুধিছে ঃ

* ১৭৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত প্ৰাদেশীকৃত হাইস্কুল, হাইমাদ্ৰাছা আৰু উচ্চ মাধ্যমিক স্কুল সমূহত শিক্ষকৰ কিমান পদ খালী হৈ আছে ? (বিতংকৈ তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) বঙাইগাঁও জিলাৰ প্ৰাদেশীকৃত উচ্চ মাধ্যমিক বিদ্যালয়ৰ আৰু হাইমাদ্ৰাছাৰ কোন বিদ্যালয়ত কিমান বিষয় শিক্ষকৰ পদ খালী হৈ আছে ?

(বিতংকৈ তথ্য সদনৰ মেজত দাখিল কৰিব)

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) মুঠ ৩৩৯২ টা সহকাৰী শিক্ষকৰ পদ খালী আছে। (জিলা ভিত্তিত তালিকা সংলগ্ন 'ক' ত দিয়া হ'ল। (See Annexure-XVIII)

(খ) উচ্চ মাধ্যমিক বিদ্যালয় আৰু হাইমাদ্রাছা সমূহত বিষয় শিক্ষকৰ কোনো পদ নাথাকে।

বিষয় ঃ কলেজত Financial Assistance.

মোঃ মহিবুল হকে সুধিছে ঃ

*** ১৮০। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) অসমত কিমানখন কলেজলৈ Financial Assistance দি থকা হৈ আছে ? (জিলা ভিত্তিত জনাব)

(খ) নতুনকৈ কিমানখন কলেজক এই আঁচনিত সামৰি লব আৰু কিমান দিনৰ ভিতৰত লব ? (কলেজ সমূহৰ নামৰ তালিকা দিব)

(গ) Financial Assistance পাই থকা কলেজ সমূহক চৰকাৰীকৰণ কৰাৰ বাবে চৰকাৰে কিবা পদক্ষেপ লৈছেনে ?

(ঘ) উক্ত কলেজ সমূহৰ আন্তঃগাঁঠনি (Infrastructure) ৰ বাবে চৰকাৰে কিবা আৰ্থিক অনুদান দিয়াৰ ব্যৱস্থা কৰিবনে ?

(ঙ) দীৰ্ঘদিন ধৰি Deficit College সমূহত Non sanction পদত কাম কৰি থকা Teaching and Non teaching staff ৰ চাকৰি

নিয়মীয়া কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্রীগৌতম বৰা (উচ্চ শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সাধাৰণ এলেকাত মুঠ ১২৫ খন কলেজলৈ আর্থিক সাহার্য্য (Financial Assistance) দিয়া হৈছে। (জিলা ভিত্তিত তালিকা সন্নিবিষ্ট কৰি পৰিশিষ্ট 'ক' ত দিয়া হৈছে। (See Annexure-XIX)

(খ) নতুনকৈ লোৱাৰ প্রস্তাৱ নাই।

(গ) বর্ত্তমান পদক্ষেপ লোৱা হোৱা নাই।

(ঘ) তেনে ব্যৱস্থা বর্ত্তমান নাই।

(ঙ) চৰকৰৰৰ স্মাৰক নং B (2) H. 97/2003/98, dtd. 17-7-2004 ৰ মতে অমঞ্জুৰীকৃত পদত কাম কৰি থকা শিক্ষক সকলৰ চাকৰি নিয়মীয়াকৰণ কৰি থকা হৈছে।

UNSTARRED QUESTIONS AND ANSWERS

বিষয় ঃ NEPC ৰ আঁচনি।

শ্রীপদ্ম হাজৰিকাই সুধিছে ঃ

৩৭৩। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অৰুণাচল প্রদেশত থকা নামনি সোৱণশিৰি জলবিদ্যুৎ প্রলল্প NEPC আঁচনিৰ দ্বাৰা অসমৰ কিবা লাভালাভ হৈছেনে ?

(খ) উক্ত প্রকল্পৰ নদী সমূহ অসমৰ মাজেৰে হৈ গৈছে, সেইহেতু বিদ্যুৎ

প্রকল্প বান্ধ সমূহে ভৱিষ্যতে অসমৰ ভয়ঙ্কৰ পৰিস্থিতি সৃষ্টি কৰিবনে ?
(গ) উক্ত প্রকল্পৰ দ্বাৰা অসমৰ লক্ষীমপুৰ জিলাত বেয়াকৈ ক্ষতিগ্রস্ত হৈ জনসাধাৰণে অশেষ কষ্ট ভোগ কৰিবলগীয়া বিষয়ে চৰকাৰ অৱগতনে ?
(ঘ) এই সন্দর্ভত চৰকাৰে কি কি আগতীয়া ব্যৱস্থা লৈছে ?

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) উক্ত প্রকল্পটো স্থাপন হ'লে অসমে উৎপাদনৰ ৩৫ শতাংশ মুঠ প্রায় ৭০০ মেগাৱাট বিদ্যুৎ অংশ হিচাবে লাভ কৰিব।
(খ), (গ) আৰু (ঘ) ঃ উক্ত প্রকল্প নদী সমূহ অসমৰ মাজেৰে হৈ যোৱাটো হয়। কিন্তু ইয়াৰ ফলত ভৱিষ্যতে ভয়ঙ্কৰ পৰিস্থিতি উদ্ভৱৰ সম্ভাৱনাৰ বিষয়টো ভাৰতীয় বিদ্যুৎ প্রাধিকৰণে প্রকল্প প্রণয়নৰ অনুমোদন দিয়াৰ আগতেই পৰীক্ষা-নিৰীক্ষা কৰি লয়। ভাৰতীয় বিদ্যুৎ আইন ২০০৩ ৰ ৮ নং ধাৰা অনুসৰি যদি কোনো জলবিদ্যুৎ প্রকল্পৰ বাবে কেন্দ্রীয় বিদ্যুৎ প্রাধিকৰণৰ অনুমোদনৰ প্রয়োজন হয়, প্রাধিকৰণে অনুমোদন দিয়াৰ আগতেই জলসম্পদ সমূহৰ লগত জড়িত যেনে বান নিয়ন্ত্রণ, জলসিঞ্চন, পানী নিস্কাষন আদি বিষয়বোৰ ভালকৈ চালিজাৰি চায় লয়। তদুপৰি জলবিদ্যুৎ প্রকল্প সমূহত ব্যৱহৃত বান্ধ সমূহৰ নক্সাত সন্নিবিষ্ট সুৰক্ষা আৰু অন্যান্য প্রয়োজনীয় দিশ সমূহো চালিজাৰি চায়। তথাপিও অসম চৰকাৰে আকৌ এবাৰ বিজ্ঞান সন্মত অধ্যয়ণ কৰিবলৈ কেন্দ্রীয় চৰকাৰৰ ওচৰত দাবী জনাইছে।

বিষয় ঃ শিক্ষা নিশ্চিতকৰণ আঁচনি।

শ্রীকেশৰ মহন্তই সুধিছে ঃ

৩৭৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শিক্ষা নিশ্চিতকৰণ আঁচনিৰ অধীনত স্থাপন কৰা পঢ়াশালি সমূহৰ উন্নতিকৰণৰ বাবে আঁচনি গ্ৰহণ কৰিছে নেকি ? যদি কৰিছে, সদনৰ মজিয়াত বিতং আঁচনিখন দাঙি ধৰিবনে ?

(খ) পঢ়াশালি সমূহৰ বাবে গৃহ নিৰ্মাণৰ আঁচনি আছে নেকি ? যদি আছে, নগাঁও জিলাত কোন কেইখন পঢ়াশালি লোৱা হৈছে ? (পঢ়াশালিৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

(গ) এই আঁচনিৰ অধীনত বিগত পাঁচ বছৰ ধৰি বৰ্ত্তমান কৰ্মৰত শিক্ষা-মিত্ৰ সকলক স্থায়ীকৰণ কৰাৰ কি আঁচনি গ্ৰহণ কৰিছে ?

(ঘ) যদি স্থায়ীকৰণৰ আঁচনি গ্ৰহণ কৰা নাই, নকৰাৰ কাৰণ কি ?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসম সৰ্বশিক্ষা অভিযান মিছনৰ দ্বাৰা শিক্ষা নিশ্চিতকৰণ আঁচনিৰ অধীনত স্থাপন কৰা "আমাৰ পঢ়াশালি" (EGS) সমূহৰ উন্নতিৰ বাবে বিভিন্ন পদক্ষেপ লোৱা হৈছে।

(১) সকলো পঢ়াশলিতে কেন্দ্ৰ সমল সামগ্ৰী সমূহ যোগান ধৰা হয়।

(২) পঢ়াশালিৰ আন্তঃগাঁঠনিৰ উন্নয়ণৰ বাবে বছৰি ২০০০.০০ টকাৰ উপৰিও প্ৰতিমাহে নৈমিত্তিক খৰছৰ বাবদ ১০০.০০ টকাকৈ আগবঢ়োৱা হয়।

(৩) শৈক্ষিক উন্নতিৰ বাবে পঢ়াশালিৰ শিক্ষা মিত্ৰ সকলক মণ্ডল সমল ব্যক্তি আৰু DIET ৰ সমল ব্যক্তিৰ দ্বাৰা প্ৰয়োজনীয় প্ৰশিক্ষণ দিয়া হয়। আনকি ছাত্ৰ-ছাত্ৰী সকলক গ্ৰীস্মকালীণ ১০ দিনীয়া প্ৰশিক্ষণ শিবিৰৰ ব্যৱস্থা কৰা হৈছে।

(খ) আমাৰ পঢ়াশালি সমূহৰ বাবে অসম সৰ্বশিক্ষা অভিযান মিছনৰ পৰা গৃহ নিৰ্মাণৰ কোনো প্ৰাৱধান নাই।

(গ) স্থায়ীকৰণৰ কোনো প্ৰাৱধান নাই।

(ঘ) প্ৰশ্ন নুঠে।

Sub : Nos. of Industries.

Shri Rajendra Prasad Singh asked :

375. Will the Minister of Industries & Commerce be pleased to state :

(a) Will the Govt. furnish the names of Industries of Assam which have availed Transport subsidies since 2006 to 2008 ?

Shri Pradyut Bordoloi (Minister, Industries and Commerce) replied :

(a) The details along with names and Industries which have availed Transport Subsidy shown in Annexure-A is placed in the table of the House. (See Annexure-XX)

The year wise summery as follows :-

Year	No. of recipient	Amount of Subsidy
2006	56	Rs. 33,63,00,474.00
2007	64	Rs. 33,24,86,039.00
2008	109	Rs. 2,62,12,67,084.00

বিষয় ঃ বিষ্ণুপ্রিয়া মণিপুৰী ভাষা শিক্ষক।

শ্রীপৰিমল শুক্লবৈদ্যই সুধিছে ঃ

৩৭৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে বিষ্ণুপ্রিয়া মণিপুৰী ভাষাৰ শিক্ষকৰ পদ চৰকাৰীকৰণৰ কিবা প্রস্তাৱ লৈছে নেকি ?

(খ) যদি লৈছে, তেনেহ'লে বৰাক উপত্যকাত (কাছাৰ, হাইলাকান্দি, কৰিমগঞ্জ) জিলাত শিক্ষকৰ পদ চৰকাৰীকৰণৰ বাবে প্রস্তাৱ আছেনে ?

(গ) কিমান দিনৰ ভিতৰত উক্ত পদ বিলাক চৰকাৰীকৰণৰ ব্যৱস্থা কৰা হব ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, আছে।

(খ) কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দি জিলাত মুঠ ১৪৯ টা প্রাথমিক বিদ্যালয়ৰ খালি পদ বিষ্ণুপ্রিয়া মণিপুৰী ভাষাৰ শিক্ষকৰ বাবে ৰাখিবলৈ চিন্তা-চর্চা কৰা হৈছে।

(গ) সময় নির্দ্ধাৰণ কৰা হোৱা নাই।

বিষয় ঃ মধ্যাহ্ন ভোজন আঁচনি।

শ্রীবলিন চেতিয়াই সুধিছে ঃ

৩৭৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন বেচৰকাৰী শিক্ষানুষ্ঠানত বহুতো ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰি আছে যদিও মধ্যাহ্ন ভোজন আঁচনিয়ে উক্ত বেচৰকাৰী শিক্ষানুষ্ঠান সমূহৰ ছাত্ৰ-ছাত্ৰীক সাঙুৰি নোলোৱাৰ কাৰণ কি ?

(খ) বেচৰকাৰী শিক্ষানুষ্ঠান সমূহক মধ্যাহ্ন ভোজন আঁচনিৰ জৰিয়তে মধ্যাহ্ন ভোজনৰ বাবে কিবা ব্যৱস্থা লোৱা হ'নে ?

(গ) যদি ব্যৱস্থা লয়, তেন্তে কেতিয়া লোৱা হ'ব ?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বেচৰকাৰী শিক্ষানুষ্ঠানৰ ভিতৰত আৰ্থিক সাহায্যপ্ৰাপ্ত প্ৰাথমিক বিদ্যালয় আৰু মজলীয়া বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক মধ্যাহ্ন ভোজন আঁচনিত সাঙুৰি লোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰে Annual Work Plan ত সকলো বেচৰকাৰী শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীক মধ্যাহ্ন ভোজনৰ সুবিধা দিবলৈ প্ৰয়োজন অনুযায়ী পূঁজি আৱণ্টন কৰা নাই।

(খ) লোৱা হৈছে। পৰ্য্যায়ক্ৰমে সামৰি লোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(গ) পৰ্য্যায়ক্ৰমে।

বিষয় ঃ সংখ্যালঘু উন্নয়নৰ আঁচনি।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

৩৭৮। মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগী মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যৰ সংখ্যালঘু সকলৰ উন্নয়নৰ বাবে চৰকাৰে কোনো ধৰনৰ বিশেষ আঁচনি গ্ৰহণ কৰিছে নেকি ?

(খ) যদিহে কৰিছে, তেনেহ'লে আঁচনি সমূহ কেনে ধৰনৰ ?

(গ) জিলা ভিত্তিত সংখ্যালঘু উন্নয়নৰ বাবে ধন আৱণ্টন দিয়া হৈছে নেকি ?

(ঘ) যদিহে দিয়া হৈছে, তেনেহ'লে জিলা ভিত্তিত ক'ত, কিমান টকা আৱণ্টন দিয়া হ'ল ?

(ঙ) নগাঁও জিলাত উক্ত আঁচনিৰ ধনেৰে কি কি আঁচনি গ্ৰহণ কৰা হৈছে ?

ডাঃ নজৰুল ইছলাম (সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, কৰিছে।

(খ) আঁচনি সমূহ তলত উল্লেখ কৰা হ'ল-

ৰাজ্য চৰকাৰ আঁচনি সমূহ ঃ-

(১) চিলাই মেচিন প্ৰশিক্ষণ ও চিলাই মেচিন বিতৰণ।

(২) কম্পিউটাৰ প্ৰশিক্ষণ।

(৩) এ. এন. এম. নাৰ্চ প্ৰশিক্ষণ।

(৪) মেধাবী চাত্ৰ-ছাত্ৰীৰ বৃত্তি প্ৰদান।

(৫) ছাত্ৰীৰ জিৰণী কোঠা ও প্ৰসাৱগাৰ নিৰ্মাণ।

(৬) এয়াৰ হোষ্টেজ প্ৰশিক্ষণ।

(৭) ইলেকট্ৰিক ৰায়াৰমেন প্ৰশিক্ষণ।

(৮) অসামৰিক প্ৰশাসনিক সেৱাৰ পৰীক্ষাৰ প্ৰশিক্ষণ।

(৯) ঠেলা ও ৰিক্সা বিতনণ।

(১০) প্ৰাক মাধ্যমিক ছাত্ৰ-ছাত্ৰীক বৃত্তি প্ৰদান আঁচনি।

কেন্দ্রীয় চৰকাৰৰ আঁচনি সমহ ঃ-

(১) Multi Sectoral Development Plan আঁচনিৰ অধীনত অসমৰ ১৩ খন জিলাৰ সংখ্যালঘু লোক সকলৰ বাবে গৃহ নিৰ্মাণ (IAY), খোৱা পানী যোগান, অতিৰিক্ত শ্রেণী কোঠালী নিৰ্মাণ আদি আঁচনি।

(২) Pre-Matric Scholarship, Post Matric Scholarship আৰু Merit-Cum-Means Scholarship আঁচনি।

(গ) হয়, দিয়া হৈছে।

(ঘ) জিলা ভিত্তিত আৱণ্টন তলত দেখুৱা হ'ল ঃ-

	জিলা	আৱণ্টিত ধনৰ পৰিমাণ
১)	কোকৰাঝাৰ	৫৪.২ কোটি টকা
২)	ধুবুৰী	৮৩.৩ কোটি টকা
৩)	গোৱালপাৰা	৫৭.৬ কোটি টকা
৪)	বঙ্গাইগাঁও	৫৬.১ কোটি টকা
৫)	বৰপেটা	৭৩.০ কোটি টকা
৬)	দৰং	৬৩.৩ কোটি টকা
৭)	মৰিগাঁও	৫৯.০ কোটি টকা
৮)	নগাঁও	৭০.৩ কোটি টকা
৯)	কাছাৰ	৪০.৫ কোটি টকা
১০)	কৰিমগঞ্জ	৪৯.৫ কোটি টকা
১১)	হাইলাকান্দি	৪৪.৫ কোটি টকা
১২)	কামৰূপ	৩৫.৩ কোটি টকা
১৩)	উত্তৰ কাছাৰ পাৰ্বত্য জিলা	১৫.৯ কোটি টকা
		মুঠ ৭০৩.৫ কোটি টকা

(ঙ) নগাঁও জিলাত উক্ত আঁচনিৰ ধনেৰে তলত উল্লেখ কৰা আঁচনি সমূহ কেন্দ্রীয় চৰকাৰৰ সংখ্যালঘু মন্ত্রনালয়ত প্রস্তাৱ কৰা হৈছে।

১) Indira Awas Yojana Houses.

২) Installation of Singur hand pumps.

৩) Construction of RCC ring wells and ringwells fitted with Singur hand pumps.

৪) Upgradation of an existing ITI at Nagaon and introduction of New Trade.

Sub : Schemes for Welfare of Minorities.

Dr. Alaka Sarma asked :

379. Will the Minister of Minorities Welfare and Development Deptt. be pleased to state :

(a) What is the Central package recently announced by Central Govt. for Assam for the Welfare of Minorities ?

(b) Which districts are covered by the same ? How much fund is allotted for each districts ?

(c) How many families are expected to be covered by the scheme ?

(d) What is the nodal agency for implementing the scheme ?

(e) Whether any specual emphasis is given on women from Minority community in the package ?

(f) Is there any monitoring mechanism to monitor the progress of this package ?

(g) If so, kindly highlight the details ?

Dr. Nazrul Islam (Minister of Welfare of Minorities & Development Deptt.) replied :

(a) The name of the Central package recently announced by the Ministry of Minority Affairs Govt. of India is "Multi-Sectoral Development Plan".

(b) The following 13 Nos. of Minority concentrated districts are covered under the above plan. The names of the districts and the fund allocated for each districts for 11th five-year plan period are shown below :-

Sl. No.	Name of District	Tentative allocation of fund (Rs. in crore)
1.	Kokrajhar	Rs. 54.2
2.	Dhubri	Rs. 84.3
3.	Goalpara	Rs. 57.6
4.	Bongaigaon	Rs. 56.1
5.	Barpeta	Rs. 73.0
6.	Darrang	Rs. 63.3
7.	Morigaon	Rs. 59.0
8.	Nagaon	Rs. 70.3
9.	Cachar	Rs. 40.5

10.	Karimganj	Rs. 49.5
11.	Hailakandi	Rs. 44.5
12.	Kamrup	Rs. 35.3
13.	North Cachar Hills	Rs. 15.9
		Total = Rs. 703.5

(c) The information regarding numbers of families that are expected to be covered by the scheme will be furnished once the scheme are finalized and implemented in the concerned districts.

(d) The Deputy Commissioner of the concerned districts is the Nodal Agency for implementing the Scheme.

(e) The Scheme provide for formulating scheme for women from Minority Comunities under IAY, female literacy, Toilets, basic infrastructure & income generation through self help groups etc.

(f) Yes.

(g) The details of Monitoring mechanism are stated as below :-

(i) The Deputy Commissioner of the concerned District will ensure effective monitoring.

(ii) The District Level Committee on P.M.'s new 15 Point programme shall hold quarterly meeting to review the progress of implementation of the project and submit quarterly report to State Level Committee

headed by the Chief Secretary. The State Level Committee shall hold quarterly meeting to review the progress and send quarterly report to the Ministry of Minority Affairs Govt. of India.

At the State Level, there is a State Level Committee for implementation of PM's new 15 Point Programme for Minorities headed by Chief Secretary. The State Govt. shall carryout project inspection periodically and will make evaluation of the Schemes through independent agencies.

All the sanction Schemes shall be given wide publicity through Media, Website and Signboards.

বিষয় ঃ আঁচনিৰ টকা।

শ্রীশম্ভু সিং মাল্লাহে সুধিছে ঃ

৩৮০। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কেন্দ্রীয় চৰকাৰৰ পৰা ২০০১ ৰ পৰা ২০০৮-০৯ লৈ অসম চৰকাৰে কিমান টকা PMGY, RGGVY, APDRP শিতানত পাইছে ? (জিলা ভিত্তিক Year wise উল্লেখ কৰিব)

(খ) কৰিমগঞ্জ জিলাৰ উক্ত ফাণ্ডৰ বিপৰীতে কোন কোন গাঁওত বৈদ্যুতিকৰণ কৰা হৈছে ? (গাঁওবোৰৰ নাম সমষ্টি ভিত্তিক অথবা Electric Sub-Division wise সদনৰ মেজত দাখিল কৰিব)

(গ) কোন কোন গাঁওৰ বৈদ্যুতিকৰণ এতিয়ালৈ আৰম্ভ হোৱা নাই ? (উক্ত গাঁওবোৰৰ নাম আৰু ঠিকাদাৰৰ নাম জনাব)

(ঘ) কোন কোন গাঁওত বৈদ্যুতিকৰণৰ কাম আৰম্ভ হৈছে কিন্তু আজিলৈ শেষ হোৱা নাই ? (গাঁওৰ নাম সদনৰ মেজত দাখিল কৰিব)

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) PMGY আঁচনিৰ অধীনত জিলা ভিত্তিক টকা দিয়া নহয়। সমগ্র অসমৰ বাবে আৱণ্টিত টকাৰ হিচাব Annexure-A ত দিয়া হৈছে। RGGVY আঁচনিৰ অধীনত অসমৰ জিলা ভিত্তিক তথ্য Annexure-'B' দিয়া হৈছে। APDRP আঁচনিৰ অধীনত কেন্দ্রীয় চৰকাৰৰ পৰা বছৰি পোৱা আৱণ্টিত ধনৰ পৰিমাণ তালিকা "C" ত দেখুওৱা হ'ল। (See Annexure-XXIII)

(খ) PMGY আঁচনিত বৈদ্যুতিকৰণ কৰা গাঁওৰ নামৰ তালিকা Annexure-'D' ত গাঁঠি দিয়া হৈছে। RGGVY আঁচনিৰ অধীনত PGCIL য়ে কৰিমগঞ্জ জিলাত কাম আৰম্ভ কৰিছে। বর্তমান কাম প্রাৰম্ভিক পর্য্যায়ত আছে। (See Annexure-XXIV)

(গ) PMGY আঁচনিত অর্ন্তভূক্ত সকলো গাঁওতে কাম হৈছে। PGCIL ৰ অধীনত হোৱা RGGVY আঁচনিৰ উত্তৰ প্রশ্ন নং (খ) ৰ উত্তৰত দিয়া হৈছে।

(ঘ) গাঁওৰ তালিকা Annexure-E ত দাখিল কৰা হৈছে। (See Annexure-XXV)

বিষয় ঃ আর্থিক সাহার্য্য।

শ্রীউদ্ধৱ বর্মনে সুধিছে ঃ

৩৮১। মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ সংখ্যালঘু সকলৰ কল্যাণ আৰু উন্নয়নৰ বাবে কেন্দ্রীয় চৰকাৰে আর্থিক সাহার্য্য আগবঢ়োৱা কথাটো সচাঁনে ? যদি সচাঁ, তেনেহ'লে এই সাহার্য্যৰ ধন কিমান ? কোন জিলাই কিমানকৈ ধন পাইছে ?

(খ) কোন কোন শিতানত এই ধনৰাশি ব্যৱহাৰ কৰাৰ বাবে অগ্রাধিকাৰ ক্ষেত্র হিচাবে চিহ্নিত কৰা হৈছে ? (বিতংকৈ জনাব)

(গ) এই ধনৰাশি সঠিক ব্যৱহাৰৰ কিবা তদাকৰী ব্যৱস্থা ৰাজ্য আৰু জিলাস্তৰত কৰ হৈছে নে ? যদি কৰা হৈছে, বিতংকৈ জনাবনে ?

ডাঃ নজৰুল ইছলাম (সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সচাঁ। জিলা ভিত্তিত ধনৰ আৱণ্টনৰ পৰিমাণ তলত দেখুৱা হ'ল।

ক্রঃ নং	জিলা	ধনৰ পৰিমাণ
১)	কোকৰাঝাৰ	৫৪.২ কোটি টকা
২)	ধুবুৰী	৮৪.৩ কোটি টকা
৩)	গোৱালপাৰা	৫৭.৬ কোটি টকা
৪)	বঙ্গাইগাঁও	৫৬.১ কোটি টকা
৫)	দৰং	৬৩.৩ কোটি টকা
৬)	বৰপেটা	৭৩.০ কোটি টকা

৭)	মৰিগাঁও	৫৯.০ কোটি টকা
৮)	নগাঁও	৭০.৩ কোটি টকা
৯)	কাছাৰ	৪০.৫ কোটি টকা
১০)	কৰিমগঞ্জ	৪৯.৫ কোটি টকা
১১)	হাইলাকান্দি	৪৪.৫ কোটি টকা
১২)	কামৰূপ	৩৫.৩ কোটি টকা
১৩)	উত্তৰ কাছাৰ পাৰ্বত্য জিলা	১৫.৯ কোটি টকা

(খ) অগ্ৰাধিকাৰ ভিত্তিত তলত উল্লেখ কৰা হ'ল ঃ-

(১) শিক্ষা ক্ষেত্ৰ, (২) কৃষি ক্ষেত্ৰ, (৩) IAY গৃহ নিৰ্মাণ, (৪) আত্মসংস্থাপন, (৫) টিকাকৰণ, (৬) বিশুদ্ধ খোৱাপানীৰ যোগান, (৭) পথ নিৰ্মাণ, (৮) গ্ৰাম্য বিদ্যুৎকৰণ, (৯) শিক্ষা অনুষ্ঠানৰ অতিৰিক্ত কোঠালী নিৰ্মাণ, (১০) অঙ্গনাৱাদী গৃহ নিৰ্মাণ।

(গ) হয়, Multi Sectoral Development Plan ৰ Guide-line অনুযায়ী ৰাজ্য আৰু জিলাস্তৰত তদাৰকী ব্যৱস্থা কৰা হৈছে। উক্ত ব্যৱস্থামতে প্ৰধানমন্ত্ৰীৰ নতুন ১৫ দফীয়া কাৰ্য্যসূচীৰ Guideline ৰ অধীনত জিলা ভিত্তিত উপায়ুক্ত সকলক অধ্যক্ষ হিচাপে লৈ গঠিত কৰা আৰু ৰাজ্য ভিত্তিত মূখ্য সচিবক অধ্যক্ষ হিচাপে লৈ গঠিত কৰা সমিতিয়ে আঁচনিখনৰ ৰূপায়ন পৰ্য্যবেক্ষন কৰিব। তদুপৰি ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক আঁচনিৰ প্ৰগতিৰ ওপৰত ৩ মহীয়া (Quarterly) প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰক দাখিল কৰিব।

কেন্দ্ৰীয় চৰকাৰৰ সংখ্যালঘু মন্ত্ৰালয়ে উক্ত প্ৰতিবেদন সমূহ পৰীক্ষা কৰি ব্যৱস্থা লব। ৰাজ্য চৰকাৰে উক্ত আঁচনি সমূহ ৰূপায়ন কৰা কৰ্ত্তৃপক্ষই ৰাইজৰ জ্ঞাতাৰ্থে আঁচনি সমূহ প্ৰচাৰ কৰিব।

বিষয় ঃ অ, বি, বি, শিক্ষকৰ সংখ্যা।

শ্রীঅনন্ত ডেকাই সুধিছে ঃ

৩৮২। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত অ, বি, বি, শিক্ষকৰ সংখ্যা কিমান ? তেওঁলোকে কিমান মাহৰ দৰমহা পাবলৈ বাকী আছে ?

(খ) অ, বি, বি, শিক্ষক সকলৰ দৰমহা নিয়মিত ৰূপত দিয়াত বাধা কি আছে ? তেওঁলোকক নিয়মিতৰূপত দৰমহা দিয়া হ'বনে ?

(গ) অ, বি, বি, শিক্ষক সকলৰ চাকৰি নিয়মীয়া কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে ?

(ঘ) ৰাজ্যখনত ৪০৪০ অ, বি, বি, শিক্ষকৰ অনিয়মীয়া শিক্ষকৰ সংখ্যা কিমান ? তেওঁলোকৰ চাকৰি কেতিয়া নিয়মীয়াকৰণ কৰা হ'ব ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক)

অ, বি, বি, শিক্ষকৰ সংখ্যা	দৰমহা পাবলৈ থকা সময় (Period)
২০০১ চনত অ,বি,বি, (৭০৬৬) আঁচনিত- ৫৭৯০ জন	৮ মাহ (১-১১-২০০৮ ৰ পৰা ৩০-৬-২০০৯ লৈ)
অ,বি,বি, (৪০৪০) আঁচনিত নিযুক্ত- ২১৭৩ জন	১৬ মাহ (১-৩-২০০৮ ৰ পৰা ৩০-৬-২০০৯ লৈ)

(খ) শিক্ষক সকলৰ চাকৰি নিয়মীয়াকৰণ নোহোৱা হেতুকে বাজেটৰ নির্দ্দিষ্ট

শিতানত কোনো ধন ধার্য্য কৰিব পৰা নাই হেতুকে নিয়মিতৰূপে দৰমহা আদায় দিব পৰা হোৱা নাই। মাননীয় উচ্চ ন্যায়ালয়ৰ ৰায়ৰ আধাৰত বৰ্ত্তমান উক্ত শিক্ষক সকলৰ পদ সমূহ খালী পদৰ বিপৰীতে নিয়মীয়াকৰণৰ প্ৰক্ৰিয়া হাতত লোৱা হৈছে আৰু উক্ত প্ৰক্ৰিয়া শেষ হ'লেই নিয়মতিৰূপত দৰমহা পায় থাকিব।

(গ) মাননীয় উচ্চ ন্যায়লয়ৰ ৰায়ৰ আধাৰত ব্যৱস্থা লৈ থকা হৈছে।

(ঘ) ৪০৪০ অ,বি,বি, ৰ অনিয়মীয়া শিক্ষক বুলি কোনো শিক্ষকে কাম কৰি থকা নাই।

বিষয় ঃ নিত্য ব্যৱহার্য্য সামগ্রীৰ মুল্য বৃদ্ধি সম্পৰ্কত।

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

৩৮৩। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চলিত বছৰৰ বিগত জানুৱাৰী, ফেব্রুৱাৰী, মার্চ, এপ্রিল, মে আৰু জুন মাহত নিম্নলিখিত অত্যাৱশ্যকীয় সামগ্রীৰ প্রতি কেজি আৰু প্রতি কুইণ্টলৰ দাম কিমান আছিল ? (১) চাউল, (২) দাইল (মচুৰ, মুগ, বুট, ৰহৰ, মাহৰ দাইল), (৩) আটা, (৪) ময়দা, (৫) মিঠাতেল, (৬) সৰিয়হ, (৭) চেনী, (৮) গুৰ, (৯) আলু, (১০) পিয়াজ।

(খ) উল্লেখিত মাহ কেইটাত উল্লেখিত সামগ্রী সমূহৰ দাম কিমান শতাংশ বৃদ্ধি বা হ্রাস পালে ?

(গ) অত্যাৱশ্যকীয় সামগ্রীৰ দাম বৃদ্ধি পোৱাৰ কাৰণ কি আৰু ইয়াক নিয়ন্ত্রনলৈ অনাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে ?

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) চলিত বছৰৰ জানুৱাৰী, ফেব্রুৱাৰী, মার্চ, এপ্রিল, মে আৰু জুন মাহত চাউল, দাইল (মচুৰ, মুগ, বুট, মাহৰ দাইল, ৰহৰ), আটা, ময়দা, মিঠাতেল, সৰিয়হ, চেনী, গুৰ, আলু, পিয়াজ আদি অত্যাৱশ্যকীয় সামগ্রীৰ প্রতি কেজি আৰু প্রতি কুইণ্টলৰ দাম সংলগ্ন 'ক' ত দেখুৱা হ'ল। (See Annexure-XXVI)

(খ) উল্লেখিত মাহ কেইটাত উক্ত সামগ্রী সমূহৰ দাম হ্রাস বৃদ্ধিৰ শতাংশ হিচাপ সংলগ্ন 'ক'ত দেখুৱা হ'ল। (See Annexure-XXVI)

(গ) অত্যাৱশ্যকীয় সামগ্রীৰ মুল্যবৃদ্ধি হোৱাৰ বহুতো কাৰণ আছে। ইয়াৰ ভিতৰত মুখ্য কাৰণ এনেধৰণৰ ঃ-

(১) অসম ৰাজ্যখনে অত্যাৱশ্যকীয় খাদ্য সামগ্রীৰ বাবে বহিঃ ৰাজ্যৰ ওপৰত নির্ভৰ কৰিব লাগে। উৎসত হোৱা মূল্যবৃদ্ধিৰ ফলত ৰাজ্যখনত মুল্যবৃদ্ধি ঘটাতো মূল কাৰণ।

(২) অত্যাৱশ্যকীয় সামগ্রীৰ পৰিবহনজনিত অসুবিধা, সমস্যা আদি কাৰকেও কেতিয়াবা সামগ্রীৰ মূল্যবৃদ্ধিত কিছু পৰিমাণে ক্রিয়া কৰে।

অত্যাৱশ্যকীয় সামগ্রীৰ মূল্যবৃদ্ধি নিয়ন্ত্রণৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন ব্যৱস্থা গ্রহণ কৰিছে। তাৰ ভিতৰত উল্লেখনীয় কেইটামান কার্য্যব্যৱস্থাৰ বিষয়ে তলত উল্লেখ কৰা হ'ল– প্রতিখন জিলাৰ উপায়ুক্ত সকললৈ অত্যাৱশ্যকীয় সামগ্রীৰ কলা ব্যৱসায় প্রতিৰোধ আৰু নিয়ন্ত্রণ তথা মূল্যমান সুস্থিৰ আৰু স্বাভাবিক কৰি ৰাখিবৰ বাবে বিভিন্ন নীতি নির্দ্দেশনা দি থকা হৈছে। ইয়াৰ ভিতৰত প্রতিখন জিলাত অতিৰিক্ত উপায়ক্ত পর্য্যায়ৰ এজন বিষয়াক জিলা নডেল অফিচাৰ (Nodal Officer) হিচাপে নিযুক্তি দি

জিলা পর্য্যায়ত পাইকাৰী আৰু খুচুৰা পর্য্যায়ত সামগ্ৰীৰ মজুত পৰিমান আৰু মূল্যমান নিৰীক্ষণ তথা যথোচিত ব্যৱস্থা লবলৈ নির্দ্দেশ দিয়া হৈছে।

দ্বিতীয়তে, অত্যাৱশ্যকীয় সামগ্ৰীৰ কলা ব্যৱসায় প্ৰতিৰোধ আৰু নিয়ন্ত্রন তথা মুল্যমান সুস্থিৰ আৰু স্বাভাবিক কৰি ৰাখিবৰ বাবে স্থানীয় ব্যৱসায়ী, ব্যৱসায়ীক সংগঠন আদিৰ লগত নিয়মীয়াকৈ আলোচনা কৰা, ব্যৱসায়ীক লাভাংশ যথাসম্ভৱ কমকৈ আদায় লোৱাৰ বাবে আহ্বান জনোৱা, পৰিদর্শনকাৰী বিষয়া সকলক যথোচিত ভাবে কামত লগোৱা আদি নির্দ্দেশ দিয়া আছে।

তৃতীয়তে, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্রমা বিভাগৰ সঞ্চালকক ৰাজ্যিক নডেল অফিচাৰ (Nodal Officer) হিচাপে নিযুক্তি দি ৰন্ধন গেছ চিলিণ্ডাৰ সহ অত্যাৱশ্যকীয় সামগ্ৰীৰ মজুত পৰিমান আৰু মল্যমান নিৰীক্ষণ তথা মূল্যবৃদ্ধি ৰোধ আৰু কলা বজাৰ ৰোধ আদি বিষয়ত যথোচিত ব্যৱস্থা লবলৈ নির্দ্দেশ দিয়া হৈছে।

চতুর্থতে, ৰন্ধন গেছৰ ঘৰুৱা ব্যৱহার্য্য চিলিণ্ডাৰৰ ব্যৱসায়িক ব্যৱহাৰ ৰোধ আৰু কলা বজাৰ ৰোধ কৰা সর্ম্পকত ব্যৱসায়িক প্রতিস্থান, হোটেল, ৰেষ্টুৰা আদিত পৰিদর্শন তথা যথোচিত কার্য্যব্যৱস্থা লবলৈ জিলা উপায়ুক্ত সকললৈ নীতি নির্দ্দেশনা দি থকা হৈছে।

পঞ্চমতে, প্রতিখন জিলাৰ আৰক্ষী প্রশাসক অত্যাৱশ্যকীয় সামগ্ৰীৰ কলা ব্যৱসায় প্রতিৰোধ, কৃত্রিম মূল্যবৃদ্ধি ৰোধ (Artifical Price Rise) আৰু ৰাজহুৱা বিতৰন সামগ্ৰীৰ কলা বজাৰলৈ বহিঃগমন ৰোধ আদি বিষয়ত সক্রিয় অংশ গ্রহণ কৰিবৰ বাবে নির্দ্দেশ দিয়া হৈছে।

ষষ্ঠতে, ৰাজহুৱা বিতৰন সামগ্ৰীৰ চোৰাং ব্যৱসায় ৰোধ কৰিবৰ বাবে জিলা উপায়ুক্ত সকললৈ নীতি নির্দ্দেশনা দি দণ্ডাধীশৰ নেতৃত্বত দল গঠন

কৰি তদন্ত কৰিবলৈ আৰু দোষী ব্যৱসায়ী আৰু বিষয়াৰ ওপৰত ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

ইয়াৰোপৰি, অত্যাৱশ্যকীয় সামগ্ৰীৰ কলা ব্যৱসায় প্ৰতিৰোধ আৰু নিয়ন্ত্ৰন আইন, ১৯৮০ অধীনত এখন পৰামৰ্শদাতা কমিতি গঠন কৰি দিয়া হৈছে যাতে অত্যাৱশ্যকীয় সামগ্ৰীৰ কলা ব্যৱসায় প্ৰতিৰোধ আৰু নিয়ন্ত্ৰন ব্যৱস্থাতো অধিক কাৰ্য্যক্ষম কৰি তুলিব পৰা যায়।

এই বিলাক কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰা হৈছে যদিও কেইবিধমান অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ যোৱা কেই সপ্তাহত কিছু মূল্যবৃদ্ধি ঘটাটো বিভাগৰ দৃষ্টিগোচৰ হৈছে।

বিষয় ঃ অ, বি, বি, শিক্ষকৰ চাকৰি।

ড. মলয়া বৰ্মনে সুধিছে ঃ

৩৮৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দৰং, লক্ষমপুৰ, নলবাৰীৰ অ, বি, বি, শিক্ষক সকলৰ ৭০৬৬ চাকৰিবোৰৰ ক্ষেত্ৰত চৰকাৰে কি সিদ্ধান্ত গ্ৰহণ কৰিছে জনাবনে ?

(খ) ২৭ খন জলাৰ ২৪ খনৰ অ বি, বি, শিক্ষক সকলক যদি দৰমহা দিব পাৰে, নিয়মীয়াকৰণ কৰিব পাৰে তেন্তে সেই একে সময়তে নিযুক্তি দিয়া এই সকলৰ ক্ষেত্ৰত চৰকাৰে কি নীতি গ্ৰহণ কৰিব ?

(গ) মহামান্য উচ্চ ন্যায়ালয়ে Genuine শিক্ষকক নিযক্তি দিয়াৰ নিৰ্দ্দেশ দিয়াতো সত্যনে ?

(ঘ) যদি সত্য, চৰকাৰে উচিত ব্যৱস্থা ল'বনে ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অ, বি, বি, (৭০৬৬) আঁচনিৰ অধীনত দৰং (মঙ্গলদৈ মহকুমা) আৰু নলবাৰী জিলাৰ চাকৰি ইতিমধ্যে বাতিল কৰা শিক্ষক সকলৰ চাকৰিৰ ক্ষেত্রত বর্ত্তমান নতুনকৈ কোনো সিদ্ধান্ত গ্রহণ কৰা হোৱা নাই। লক্ষীমপুৰ জিলাৰ ক্ষেত্রত অন্য জিলাত নিযুক্ত অ, বি, বি, (৭০৬৬) শিক্ষকৰ দৰে একে ব্যৱস্থা লৈ থকা হৈছে।

(খ) যিহেতু দৰং (মঙ্গলদৈ মহকুমা) আৰু নলবাৰী জিলাত নিযুক্ত অ,বি,বি, (৭০৬৬) শিক্ষকৰ নিচিনা কোনো নীতি গ্রহণ কৰিব পৰা নাযায়।

(গ) সত্য।

(ঘ) ব্যৱস্থা গ্রহণ কৰা হৈছিল। কিন্তু শিক্ষক নিযুক্তিৰ বাচনি (তালিকা) আসোঁৱাহ যুক্ত বাবে শিক্ষক নিযুক্তি দিয়াটো সম্ভৱ হোৱা নাই।

বিষয় ঃ Recognised M. E. School ৰ চৰকাৰীকৰণ।

শ্রীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

৩৮৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে Recognise কৰা মাধ্যমিক বিদ্যলয় সমূহক বহু বছৰ ধৰি চৰকাৰীকৰণ নকৰাৰ প্রকৃত কাৰণ জনাবনে ?

(খ) পূর্বতে ৰাইজৰ উদ্যোগত গঢ়লৈ উঠা অসমৰ মাধ্যমিক বিদ্যালয় সমূহক Recognisation basis বা Ad-hoc দিয়াৰ ব্যৱস্থা আছিল যদিও বর্ত্তমানে কিয় বন্ধ কৰা হ'ল ?

(গ) 'খ' প্রশ্নৰ সম্পর্কত Gazette Notification কেতিয়াৰ পৰা কৰা

হৈছে ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) পূঁজিৰ অভাৱৰ হেতুকে প্রাদেশীকৰণৰ ব্যৱস্থা কৰিব পৰা হোৱা নাই।

(খ) বন্ধ কৰা হোৱা নাই। কিন্তু আর্থিক সাহার্য্য লাভ কৰা বিদ্যালয়বোৰক Ad-hoc grant দিয়া বন্ধ কৰা হৈছে। যিহেতু Ad-hoc grant পূঁজি পর্য্যাপ্ত পৰিমানে নাই।

(গ) প্রশ্ন নুঠে।

Sub : Transfering of Post.

Shri Maheswar Baro asked :

386. Will the Minister of Food, Civil Supplies and Consumers Affairs Department be pleased to state :

(a) Whether the Goverment is aware regarding the existance of vacancies of III & IV Grade posts under the department of Food & Civil Supplies within BTC areas of Assam ?

(b) If so, will the vacancies be transferred to the BTC authority to give smooth service within BTC areas ?

Dr. Nazrul Islam (Minister, Food, Civil Supplies & Consumer Affairs) replied :

(a) Yes.
(b) Yes. Except class III officers with non-gazetted status.

বিষয় ঃ সংখ্যালঘু অধ্যুষিত জিলাত বহুমূখী জিলা উন্নয়ন পৰিকল্পনা।

শ্রীকিমল সিং নাজৰীয়ে সুধিছে ঃ

৩৮৭। মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) দেশৰ সংখ্যালঘু সকলৰ উন্নয়নৰ বাবে প্রধান মন্ত্রীৰ ১৫ দফীয়া কার্য্যসূচীৰ অধীনত অসমত "Multi Sectoral District Development Plan for Minority Cocentration District" শীর্ষক কোনো কর্ম আঁচনি যুগুত কৰা হৈছে নেকি ?

(খ) যদি হৈছে, কোন কোন জিলাৰ বাবে এই কর্ম আঁচনি প্রস্তুত কৰা হৈছে ? কি তথ্যৰ ভিত্তিত ৰাজ্যখনৰ মাত্র ১৩ খন জিলাক এই আঁচনিৰ অধীনত সামৰি লোৱা হৈছে ? (প্রস্তুত কৰা জিলা সমূহৰ কর্ম আঁচনিৰ প্রতিলিপি সংলগ্ন কৰিব)

(গ) চিৰাং জিলাত কিমান শতাংশ খৃষ্টান, কিমান শতাংশ মুছলমান, কিমান শতাংশ বৌদ্ধ, পার্ছী আৰু শিখ ধর্মীয় লোক আছে ?

(ঘ) চিৰাং জিলাক এই আঁচনিৰ পৰা বঞ্চিত কৰাৰ কাৰণ কি ? বড়োভূমিত বাস কৰা সংখ্যালঘু সকলক ৰাজ্য চৰকাৰে সংখ্যালঘু বুলি গণ্য কৰেনে ?

ডাঃ নজৰুল ইছলাম (সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) দেশৰ সংখ্যালঘু সকলৰ উন্নয়নৰ বাবে Multi Sectoral Development District Plan ৰ অধীনত আঁচনি যুগুটোৱা হৈছে।

(খ) দেশৰ Multi Sectoral District Development Plan ৰ অধীনত সামৰি লোৱা ৯০ খন জিলাৰ তালিকা পৰিশিষ্ট 'ক'ত দিয়া হ'ল। ২০০১ ৰ লোকপিয়ল আৰু অনগ্রসতাৰ পৰিসীমাৰ ওপৰত ভিত্তি কৰি অসমৰ ১৩ খন জিলাক এই আঁচনিৰ অধীনত সামৰি লোৱা হৈছে। প্রস্তুত কৰা জিলা সমূহৰ কর্ম আঁচনি সমূহ পৰিশিষ্ট 'খ'ত গাঁঠি দিয়া হ'ল। (See Annexure-XXVII)

(গ) চিৰাং জিলা ২০০৮ চনত গঠিত হোৱাৰ বাবে জিলাৰ মুছলমান, বৌদ্ধ, পার্চি, খৃষ্টান আৰু শিখ লোকৰ শতাংশৰ হিচাব দিব পৰা নাযাব।

(ঘ) চিনাক্ত কৰা ১৩ খন জিলাৰ ভিতৰত চিৰাং জিলা MSDP আঁচনিৰ ভিতৰত পৰা নাই। বড়োভূমিত বসবাস কৰা সংখ্যালঘু সকলক ৰাজ্য চৰকাৰে সংখ্যালঘু বুলি স্বীকাৰ কৰে।

বিষয় ঃ সংস্কৃত টোলৰ শিক্ষকৰ Advance B.Ed. Increment সম্পর্কত।

শ্রীফনীভূষন চৌধুৰীয়ে সুধিছে ঃ

৩৮৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) প্রাদেশীকৃত হাইস্কুলৰ শিক্ষক সকলৰ দৰে প্রাদেশীকৃত সংস্কৃত টোলৰ B.Ed. উত্তীর্ণ শিক্ষক-শিক্ষয়িত্রীৰ Advance B.Ed. Increment পোৱাৰ ব্যৱস্থা আছে নেকি ?

(খ) যদি আছে, তেনেহ'লে কি নীতি-নিয়মৰ ভিত্তিত সংস্কৃত টোলৰ শিক্ষক-শিক্ষয়িত্রীৰ Advance B.Ed. Increment প্রদান কৰা হয় ? আবেদনৰ কিমান দিনৰ ভিতৰত সংস্কৃত টোলৰ শিক্ষক-শিক্ষয়িত্রী সকলক Adv. .Ed. Increment প্রদান কৰা হয় ? (চৰকাৰী নিয়ম নীতিৰ প্রতিলিপি সদনৰ মেজত দাখিল কৰিব)

(গ) প্রাদেশীকৃত সংস্কৃত টোলৰ শিক্ষক-শিক্ষয়িত্রী সকলৰ Advance .Ed. Incremet ৰ আবেদন দীর্ঘদিন ধৰি হায়াৰ এডুকেশ্যনৰ ডিৰেক্টৰৰ কাৰ্য্যালয়ত পৰি থকাৰ বিষয়ে চৰকাৰ অৱগতনে ?

(ঘ) কৰিমগঞ্জ জিলাৰ কায়স্থগ্রাম চতুস্পাঠীৰ স্নাতক শিক্ষয়িত্রী বন্দনা দাসৰ Adv. B.Ed. Increment ৰ আবেদন (কৰিমগঞ্জৰ স্কুল পৰিদর্শকৰ কাৰ্য্যালয়ৰ পৰা K-IS/Sans/Allot/2006/8663 তাৰিখ ১-১১-২০০৭) ডেৰ বছৰতকৈ বেছি সময় ধৰি হায়াৰ এডুকেশ্যনেৰে ডিৰেক্টৰৰ কাৰ্য্যালয়ত (মেমো নং ১১৬৯/১৩৩/এ/৭৩ তাৰিখ ১৭-৩-২০০৯) পৰি থকাৰ বিষয়তো সত্য নেকি ? যদি সত্য হয়, তেন্তে কি ভূলৰ বাবে সেই আবেদন পেলাই ৰখা হৈছে ? কেতিয়া সেই Advance .Ed. Increment আবেদন মঞ্জুৰ কৰা হব ?

শ্রীগৌতম বৰা (উচ্চ শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) আছে।

(খ) স্থায়ী নিযুক্তিপ্রাপ্ত শিক্ষক সকলৰ B.Ed. Degree থাকিলে তেওঁলোকক এটা Advance B.Ed. Increment দিয়াৰ নিয়ম আছে। শিক্ষক সকলে B.Ed. পৰীক্ষা পাছ কৰাৰ শিক্ষাৰ প্রমাণপত্র চাকৰিৰ খতিয়ান আৰু প্রধান শিক্ষকৰ প্রস্তাৱ স্থায়ী নিযুক্তিৰ সন্দর্ভত থাকিব লাগিব।

(গ) উচ্চ শিক্ষা সঞ্চালকৰ পৰা পোৱা তথ্য মতে সংস্কৃত টোলৰ শিক্ষক-শিক্ষয়িত্রীৰ কোনো আবেদন উক্ত সঞ্চালকৰ কাৰ্য্যালয়ত দীৰ্ঘদিন ধৰি পৰি থকা নাই।

(ঘ) উচ্চ শিক্ষা সঞ্চালকৰ পৰা পোৱা তথ্য মতে ডেৰ বছৰতকৈ বেছি সময় উক্ত সঞ্চালকালয়ত পৰি থকা কথাটো সত্য নহয়। শিক্ষয়িত্রী গৰাকীৰ আবেদনখন চাকৰিৰ খতিয়ান আৰু আৱশ্যকীয় নথিপত্র অবিহনে ১৭-৩-২০০৯ তাৰিখত উচ্চ শিক্ষা সঞ্চালকালয়ে পায় আৰু ৮-৭-২০০৯ চাকৰিৰ খতিয়ানৰ বাহিৰে বাকী নথিপত্রখিনি জমা দিয়ে। সেয়েহে আবেদনখন চাকৰিৰ খতিয়ান বহী জমা নিদিয়াৰ বাবে বিবেচনা কৰিব পৰা হোৱা নাই। উক্ত খতিয়ান বহী জমা দিলেই পৰৱৰ্ত্তী ব্যৱস্থা লব পৰা হব।

Sub : Additional/Charge of Asstt. I.S.

Dr. Rumi Nath asked :

389. Will the Minister of Education be pleased to state :

(a) How many additional posts have been held by the Asstt. Inspector of School of Cachar district in addition to his normal duties ? Will the Government appoint a single Charge Officer to over-come the short comings in the education department and for better functioning ? (Please furnish details).

(b) Is it true that as per the Unstarred ALA answer to my Question No. 189 dated 15.11.2007 an enquiry is

being held and the report is awaited regarding the Fire in the D.E.E.O. Office ? Will the Government be pleased to place the enquiry report of more then two years gap on the table of the House ?

(c) Is the Government aware of the fact that the students of S.C, S.T. and OBC at the L.P. & M.E. school level have never received their students Scholarship for the last 5 years ? If so, why ? State reasons ? What steps the Government will take for the benefit of Scholarships to the poor SC, ST & OBC so as to help the poor student in their studies ?

(d) Please furnish the list SC, ST & OBC students who have benefited from Scholarship for the last 5 years with name, addresses, School names and category of the student falling under Borkhola LAC ?

(e) As per the Unstarred ALA Answer to my Question No. 138 dated 10.3.2007 the process of rationazation have already been initiated but yet to be implemented ? If so, why it is not implemented till date after a gap of more then 2 years ? Please state reasons ?

(f) When will the rationalization of LP School teachers be implemented ? Please give specific date and time of starting and completion with details of action taken by the Goverment in this regards ?

Shri Gautom Bora (Minister of Education) replied :

(a) Assistant Inspector of Schools, Cachar district is holding the charge of District Elementary Education Officer, Cachar District, Mission Coordinator, SSA, D.I. of Schools, Silchar and the Head Master of Singri High School, Cachar.

Yes, Govt. will post single charge officer against a charge post as soon as sufficient number of officers become available after promotion which is in process.

(b) It is true that an enquiry was conducted. A copy of the enquiry report of Deputy Commissioner, Cachar is placed on the table of the House.

(c) It is not true.

(d) The detailed lists of SC, ST and OBC students benefited from Scholarship for last 5 years under Borkhola constituency are placed on the table of the House (Annex-I).

(e) Yes, Comittee at the district Level with Deputy Commissioner as Chairman is being constituted.

(f) It is being implemented.

বিষয় ঃ খালী পদৰ সংখ্যা।

শ্রীবিনন্দ কুমাৰ শইকীয়াই সুধিছে ঃ

৩৯০। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) দৰং জিলাত মুঠ কিমান সংখ্যক উচ্চতৰ মাধ্যমিক, উচ্চ মাধ্যমিক, হাইমাদ্রাছা, মজলীয়া, এম. ই. আৰু প্রাথমিক বিদ্যালয় আছে ?

(খ) ওপৰোক্ত বিদ্যালয় সমূহত বর্ত্তমান কিমান সংখ্যক শিক্ষকৰ পদ খালী হৈ আছে ? (সমষ্টি ভিত্তিত বিদ্যালয়ৰ নামৰ বিপৰীতে খালী পদৰ সংখ্যাসহ বিতং তালিকা সদনত দাখিল কৰিব)

(গ) বর্ত্তমান খালী হৈ থকা শিক্ষকৰ পদ সমূহ কি পদ্ধতিৰে আৰু কিমান দিনৰ ভিতৰত পূৰণ কৰা হ'ব ?

(ঘ) ইং ২০০৬ চনত দৰং জিলা শিক্ষক বাচনি কমিটিৰ দ্বাৰা যি সকল শিক্ষক পদৰ প্রার্থীক (এম. ই. আৰু এল. পি) জিলা ভিত্তিত বাচনি কৰা হ'ল তেওঁলোকক কেতিয়ালৈকে নিযুক্তি দিয়া হ'ব ?

(ঙ) উক্ত জিলা ভিত্তিক শিক্ষক বাচনি কমিটি আৰু বাচনি কৰা শিক্ষক পদৰ তালিকাৰ বৈধতা কিমান দিনলৈকে বাহাল থাকিব ?

(চ) অবিভক্ত দৰং জিলাত মনোহৰন সমিতিৰ আওতাত থকা মজলীয়া বিদ্যালয় সমূহত কিছু শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ নোহোৱা কথাটো সচাঁনে ?

(ছ) যদি সচাঁ, তেওঁলোকে কাম কৰি থকা বিদ্যালয়ৰ নাম সহ তালিকা সদনৰ মেজত দাখিল কৰিবনে ? এই শিক্ষক সকলৰ চাকৰি কিমান দিনৰ ভিতৰত নিয়মীয়াকৰণ কৰা হ'ব ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) দৰং জিলাত মুঠ ১৮ খন উচ্চতৰ মাধ্যমিক, ৬ খন হাইমাদ্রাছা, ৪৬

খন হাইস্কুল, ৯৮ খন মজলীয়া/মধ্য ইংৰাজী আৰু ৬৮৬ খন প্ৰাথমিক বিদ্যালয় আছে।

(খ) ওপৰোক্ত বিদ্যালয় সমূহত বৰ্ত্তমান খালী হৈ থকা শিক্ষকৰ সংখ্যা এনেধৰণৰ ঃ-

সমষ্টি	উচ্চ/উচ্চতৰ মাধ্যমিক আৰু হাইমাদ্ৰাছা	উচ্চ প্ৰাথমিক	নিম্ন প্ৰাথমিক
১) ছিপাঝাৰ	৭৩	২৪	১১২
২) মঙ্গলদৈ	২৪	২৭	৯৪
৩) কলাইগাঁও	২	৪	১৮
৪) দলগাঁও	২৭	১৫	৯
মুঠ	১২৬	৭০	২৩৩

বিতং তালিকা পৰিশিষ্ট 'ক' ত দিয়া হ'ল।

(গ) অসম মাধ্যমিক শিক্ষা প্ৰাদেশীকৃত বিধি ২০০৩ আৰু অসম প্ৰাথমিক শিক্ষা প্ৰাদেশীকৰণ বিধি ১৯৭৭ আৰু পৰৱৰ্ত্তী সংশোধন বিধি ২০০৫ ৰ নীতি নিৰ্দ্দেশনাৰ ভিত্তিত নিযুক্তিৰ প্ৰক্ৰিয়া চলি আছে।

(ঘ) শিক্ষকৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।

(ঙ) বাচনি কমিটিৰ ম্যাদ বাচনি শেষ নোহোৱা পৰ্য্যন্ত আৰু তালিকাৰ বৈধতা চৰকাৰৰ অনুমোদনৰ তাৰিখৰ পৰা ১২ মাহ থাকে।

(চ) সচাঁ, যি সকল অনিয়মীয়া আৰু অবৈধ শিক্ষকৰ ক্ষেত্ৰত কেবিনেটে অনুমোদন জনোৱা নাই।

(ছ) তেওঁলোকে কাম কৰি থকা বিদ্যালয় সমূহৰ নাম পৰিশিষ্ট 'খ'ত দিয়া

হ'ল। উচ্চ ক্ষমতা প্রাপ্ত কমিটিৰ অনুমোদন পালে নিয়মীয়া কৰিব পৰা যাব।

Sub : Status of Minorities.

Shri Kartik Sena Sinha asked :

391. Will the Minister of Minorities Welfare & Development Department be pleased to state :

(a) Whether small community living in Assam are also considered as Minority ? If so, are they entitled for fund for their development ?

(b) If not, which communities belong to Minorities ?

(c) Whether MOBC or OBC people fall under the category of Minorities ?

(d) If OBC people like Muslims (Fishermen) are under Minorities then why other OBC people does not fall under the category of Minority ?

Dr. Nazrul Islam (Minister of Minorities Welfare & Development Department) replied :

(a) Only notified communities are considered as Minorities. They are entitled to fund meant for Minorities.

(b) The notified Religious Minority Communities are Muslim, Christians, Sikhs, Buddhists and Parsis

(zerastrians) under the National Minorities Commission Act, 1992.

(c) Yes, if the MOBC or OBC people belong to above notified Communities.

(d) Only OBCs belonging to notified communities fall under the category of Minority.

বিষয় ঃ **MSDP** ৰ অৰ্ন্তগত আঁচনি।

শ্রীমোবাৰক আলী পাঠানে সুধিছে ঃ

৩৯২। মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নগাঁও আৰু মৰিগাঁও জিলাৰ বাবে কেন্দ্রীয় চৰকাৰৰ দ্বাৰা সংখ্যালঘু উন্নয়নৰ বাবে কিমান টকা ধার্য্য কৰা হৈছে ?

(খ) এই আৱণ্টিত ধনৰ দ্বাৰা MSDP ৰ অধীনত কি কি আঁচনি লোৱা হৈছে ? (সমষ্টি ভিত্তিক পৃথকে পৃথকে বিতং তথ্য দাখিল কৰিব)

(গ) আঁচনি সমূহ কিহৰ ভিত্তিত নির্বাচন কৰা হয় ?

(ঘ) আঁচনি সমূহ নির্দ্দিষ্ট কৰা বা নির্বাচন কৰাৰ বাবে (কেন্দ্রীয় নীতি-নির্দ্দেশনাৰ উপৰিও) জিলা ভেদে নীতি নির্দ্ধাৰণ কৰা হৈছে নেকি ?

(ঙ) যদি হৈছে, তেন্তে নগাঁও আৰু মৰিগাঁও জিলাত আঁচনি নির্বাচনৰ নিয়মাৱলীৰ প্রতিলিপি সদনৰ মেজত দাখিল কৰিবনে ?

ডাঃ নজৰুল ইছলাম (সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) কেন্দ্রীয় চৰকাৰে সংখ্যালঘু উন্নয়নৰ বাবে নগাঁও জিলাত ৭০.৩ কোটি টকা আৰু মৰিগাঁও জিলাত ৫৯.০০ কোটি টকা ধাৰ্য্য কৰিছে।

(খ) এই ধনৰ দ্বাৰা তলত দিয়া আঁচনি সমূহ লোৱা হৈছে।

Morigaon :

1. Indira Awas Yojana.
2. Drinking Water Schemes.
3. Provision of Science equipment in Schools.

Nagaon :

1. Indira Awas Yojana houses.
2. Upgradation of an existing ITI at Nagaon and introduction of a New Trade.
3. Installation of Singur hand pumps.
4. Construction of RCC ring wells and ring wells fitted with Singur hand pumps.

সমষ্টি ভিত্তিত কোনো আঁচনি নাই।

(গ) আঁচনি সমূহ MSDP ৰ Guideline ৰ আধাৰত নিৰ্বাচন কৰা হয়।

(ঘ) আঁচনি সমূহ নিৰ্বাচনৰ বাবে জিলা ভেদে বেলেগ নীতি নাই।

(ঙ) প্ৰশ্ন নুঠে।

বিষয় ঃ কেৰাচিন তেল আৰু অন্যান্য সামগ্ৰীৰ অসামৰিক যোগান।

শ্ৰীআব্দুল হাই নাগৰিয়ে সুধিছে ঃ

৩৯৩। মাননীয় খাদ্য, অসামৰিক যোগান আৰ উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বঙাইগাঁও জিলাৰ বিজনী মহকুমাৰ (বিটিচি এলেকাৰ বাহিৰত) অভয়াপুৰী উত্তৰ বিধান সভা সমষ্টিৰ অর্ন্তগত মাণিকপুৰ ব্লক এলেকাত কেৰাচিন তেল আৰু অন্যান্য অসামৰিক যোগান সামগ্রীৰ সম বিতৰণ নোহোৱা কথাটো চৰকাৰ অৱগতনে ?

(খ) বিজনী মহকুমা (বঙাইগাঁও/চিৰাং জিলা) ৰ কেৰাচিন তেল সহ অন্যান্য অসামৰিক যোগান সামগ্রী সমূহৰ যোগান ব্যৱস্থাটো বিজনী মহকুমা প্রশাসনৰ পৰা বিটিচি (কোকৰাঝাৰ) প্রশাসনলৈ স্থানান্তৰ কৰাৰ সময়ৰে পৰা ওপৰত উল্লেখিত এলেকাত সম বিতৰণ নোহোৱাৰ কথাটো চৰকাৰে জানেনে ?

(গ) উক্ত বিষয়টো সংক্রান্তত বঙাইগাঁও জিলা উপায়ুক্ত, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ সঞ্চালক, সচিব আৰু মন্ত্রী মহোদয়ৰ লগত একাধিকবাৰ আলোচনা কৰাৰ পিছতো উল্লেখিত এলেকাত কেৰাচিনৰ সম বিতৰণৰ আশ্বাস দিয়া হৈছিল যদিও যোৱা ৩ বছৰে এই আশ্বাস কার্য্যকৰী নোহোৱাৰ কাৰণ কি ?

(ঘ) পলমকৈ হলেও উক্ত আশ্বাস কার্য্যকৰী কৰিবনে ? যদি কৰে, কেতিয়া কৰিব ?

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অৱগত। ২০০৬ চনৰ জুলাই মাহৰ পৰা বি.টি,চি, এলেকালৈ পৃথকৈ জনসংখ্যা ভিত্তিত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সামগ্রী আৱণ্টনত এলেকা নির্ণয়ৰ ক্ষেত্রত নিশ্চিত হব নোৱাৰাৰ বাবে জনসংখ্যা অনুপাতে প্রথম অৱস্থাত

ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সামগ্ৰী সমূহ বি, টি, চি, এলেকাৰ বাহিৰৰ অভয়াপুৰ উত্তৰ বিধান সভা সমষ্টিৰ অৰ্ন্তগত মাণিকপুৰ ব্লক এলেকাত সম বিতৰণ সম্ভৱ হোৱা নাছিল।

(খ) অৱগত। উত্তৰ (ক) প্ৰশ্নৰ উত্তৰত দিয়া হৈছে। বৰ্ত্তমান বিজনী (বি,টি,চি, এলেকাৰ বাহিৰৰ) মহকুমাৰ ৰাজহুৱা বিতৰণ ব্যৱস্থাত উপলব্ধ হোৱা সামগ্ৰী সমূহ বঙাইগাঁও জিলাৰ উপায়ুক্তৰ যোগে যোগান ধৰা হৈছে।

(গ) বিজনী মহকুমাৰ (বি,টি,চি, এলেকাৰ বাহিৰৰ) বাবে প্ৰয়োজনীয় কেৰাচিন তেল ৩-১-২০০৮ তাৰিখৰ চৰকাৰৰ নিৰ্দ্দেশ মৰ্মে বিজনী মহকুমালৈ আৱণ্টন দিয়া হৈছিল যদিও পুনৰ ১১-৯-২০০৮ তাৰিখত এক নিৰ্দ্দেশ যোগে কেৰাচিনৰ লগতে অন্যান্য ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সামগ্ৰী সমূহ জনসংখ্যা অনুপাতে বঙাইগাঁও মহকুমাৰ জৰিয়তে (উপায়ুক্ত, বঙাইগাঁও) দি থকা হৈছে।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় ঃ লাকুৱা তাপ বিদ্যুৎ প্ৰকল্পৰ পূৰ্ণ Capacity ব্যৱহাৰ।

শ্ৰীদ্ৰুপদ ৰবগোঁহাইয়ে সুধিছে ঃ

৩৯৪। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লাকুৱা তাপ বিদ্যুৎ প্ৰকল্পৰ পূৰ্ণ Capacity কিমান ?

(খ) ইয়াৰ সকলো Capacity বিদ্যুৎ উৎপাদনৰ বাবে ব্যৱহৃত হৈছে-নে ?

(গ) যদি হোৱা নাই, পূৰ্ণ Capacity ব্যৱহাৰকৰণৰ বাবে কি ব্যৱস্থা লোৱা হৈছে ?

(ঘ) এই তাপ পিদ্যুৎ প্রকল্পলৈ কোন কোন উৎসৰ পৰা প্রাকৃতিক গেছ সৰবৰাহ কৰা হয় ? এই গেছ সৰবৰাহ সকলো সময়তে নিয়মীয়ানে ?

(ঙ) যদি নিয়মীয়া নহয়, বিদ্যুৎ উৎপাদনত ইয়াৰ প্রভাৱ কিমান ?

(চ) নিয়মীয়া গেছ যোগান ধৰাৰ বাবে বিভাগে কি ব্যৱস্থা সময়ে সময়ে হাতত লৈছে আৰু ভৱিষ্যতে কি কি ব্যৱস্থা গ্রহণ কৰিব ?

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) লাকুৱা তাপ বিদ্যুৎ প্রকল্পৰ প্রতিস্থাপিত ক্ষমতাৰ মুঠ ১২০ মেগাৱাট।

(খ) আৰু (গ) হয়, হৈছে। মাজে সময়ে নৈমিত্তিক মেৰামতিৰ বাবে এটা বা দুটা গোট বন্ধ ৰখাৰ বাহিৰে ৭ টা গোটৰ আটাই কেইটাই বিদ্যুৎ উপিাদনৰ বাবে সক্ষম হৈ আছে। গড়ে প্রায় ৯০ মেগাৱট বিদ্যুৎ এই প্রকল্পই নিয়মিত ভাৱে উৎপাদন কৰি আছে।

(ঘ) এই প্রকল্পটোলৈ Oil India Ltd., ONGCL, Assam Gas Company Ltd. আৰু Gas Authority of India Ltd. ৰ পৰা প্রাকৃতিক গেচ যোগান ধৰা হয়। বর্ত্তমান গেচৰ যোগান ০.০৫ ৰ পৰা ০.১০ MMS-CMD পৰিমানে কমকৈ পোৱা হৈছে।

(ঙ) ওপৰত উল্লেখ কৰা পৰিমাণৰ গেচ কমকৈ পোৱাৰ কাৰণে ৫ ৰ পৰা ১০ মেগাৱাট বিদ্যুৎ কমকৈ উৎপাদন হৈছে।

(চ) গেচৰ যোগান নিয়মীয়া হবৰ বাবে পাইপলাইনৰ মালিক সস্থা আৰু গেছ যোগানকাৰী কোম্পানী সমূহৰ লগত প্রায়েই ত্রিপাক্ষিক আলোচনা অনুষ্ঠিত কৰা হয়। তাৰোপৰি অসম চৰকাৰে কেন্দ্রীয় পেট্রলিয়াম মন্ত্রালয়ৰ লগতো গেচ যোগান নিয়মীয়া কৰিবলৈ হেচাঁ প্রয়োগ কৰি আহিছে।

বিষয় ঃ স্থায়ী অধ্যক্ষ নিযুক্তি।

ড. মনোৰঞ্জন দাসে সুধিছে ঃ

৩৯৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ আটাইবোৰ প্রাদেশীকৃত মহাবিদ্যালয়তে স্থায়ী অধ্যক্ষ নিযুক্তিৰ প্রয়োজন আছে বুলি চৰকাৰে ভাবেনে ?

(খ) যদি ভাবে, তেতিয়াহ'লে ৫৩ খন প্রাদেশীকৃত মহাবিদ্যালয়তে খালী হৈ থকা অধ্যক্ষৰ পদত স্থায়ী অধ্যক্ষ নিযুক্তি নিদিয়াৰ কাৰণ কি ?

(গ) অসমৰ প্রাদেশীকৃত মহাবিদ্যালয় সমূহৰ অধ্যক্ষ পদৰ বাবে যোৱা ২০০৮ চনৰ নবেম্বৰ মাহতে সাক্ষাৎকাৰ পর্ব শেষ হোৱাৰ পিছতো আজিলৈকে সাক্ষাৎকাৰৰ ফলাফল ঘোষণা নকৰাৰ কাৰণ কি ?

(ঘ) অতিশীঘ্রে এই সাক্ষাৎকাৰৰ ফলাফল ঘোষণা কৰি স্থায়ী নিযুক্তিৰ ব্যৱস্থা কৰিবনে ?

শ্রীগৌতম বৰা (উচ্চ শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) স্থায়ী অধ্যক্ষ নিযুক্তিৰ প্রয়োজন আছে।

(খ) অধ্যক্ষ নিযুক্তিৰ বিষয়টো উচ্চ ন্যায়ালয়ৰ নির্দ্দেশমর্মে চৰকাৰে বিহিত ব্যৱস্থা লৈছে।

(গ) ফলাফল ঘোষণা কৰাৰ ব্যৱস্থা হৈ আছে।

(ঘ) কার্য্য ব্যৱস্থা সম্পন্ন হলে নিযুক্তি প্রক্রিয়া ৰূপায়ন কৰিব পৰা হব।

বিষয় ঃ **Solar Home Lighting System.**

ডাঃ মতিউৰ ৰহমান মণ্ডলে সুধিছে ঃ

৩৯৬। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) Solar Home Lighting System ব্যৱহাৰ বাবে হিতাধিকাৰীয়ে ৮৭৫ (আঠশ পয়সত্তৰ) টকাৰ Draft দিব লাগে, কথাটো সচাঁনে ?

(খ) যদি সচাঁ, BPL (দুখীয়া) হিতাধিকাৰীৰ বাবে কিবা বেলেগ ব্যৱস্থা আছেনে ?

(গ) যদি আছে, কি কি ব্যৱস্থা আছে, বিতং ভাবে জনাবনে ?

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) Solar Home Lighting System ব্যৱহাৰৰ বাবে হিতাধিকাৰীয়ে দিবলগীয়া টকাৰ পৰিমাণ জিলা ভিত্তিত বেলেগ বেলেগ। এই টকাৰ পৰিমাণ ৮৭৫ (আঠশ পয়সত্তৰ) টকা কোনো জিলাতে ধার্য্য কৰা হোৱা নাই।

(খ) BPL (দুখীয়া) হিতাধিকাৰীৰ বাবে বেলেগ ব্যৱস্থা আছে।

(গ) দুটা লাইটযুক্ত Solar Home Lighting System ৰ বাবে চৰকাৰে নিৰ্দ্ধাৰণ কৰা মূল্য ১২৫০০ টকা আৰু এটা লাইটযুক্ত Solar Home Lighting System ৰ মূল্য ৬১৬৫ টকা। অৱশ্যে এইবোৰৰ বজাৰৰ মূল্য চৰকাৰৰ নিৰ্দ্ধাৰিত মূল্যতকৈ বেছি। যি কি নহওঁক, কোনো BPL (দুখীয়া) হিতাধিকাৰীয়ে এনে ব্যৱস্থা গ্রহণ কৰিব খুজিলে চৰকাৰে দুটা লাইটযুক্ত System ত ৯০ শতাংশ আৰু এটা লাইটযুক্ত System ১০০ শতাংশ ৰেহাই দিব।

Sub : Big Dams.

Shri Bhubon Pegu asked :

397. Will the Minister of Power (Electricity) be pleased to state :

(a) Has the Government of Assam taken up the matter with the Government of Arunachal Pradesh to stop the construction of big dams in Arunachal Pradesh ?

(b) Whether the Goverment of Assam has instructed the NHPC Authorities responsible for the construction of the Lower Subansiri Dam Project to stop its construction until a fresh assessment of the downstream impact assessment study is completed and remedial measures taken up simultaneously ?

(c) Whether the issue of compensation and preventative measures for the floods caused by the released of water by the dam authorities of Ranganadi Dam project has been taken up with the Dam Authorities ? Whether the issue of the drying up of the river Raganadi during winter season which has caused immense hardship to the people depending on the river for their livelihood because of the construction of the Dam has been taken up at the Government level ?

(d) What steps has the Government taken to involve the people of the downstream areas of the rivers where Dams are being constructed relating to the issue of rehabilitation, compensation and flood preventive measures as as-

sured by the Hon'ble Minister in the last years Assembly Session ?

Shri Pradyut Bordoloi (Minister of Power) replied :

(a) & (b) As per advice of Assa Government National Hydro Power Corporation (NHPC) has constructed an Expert Committee with the expert of Gauhati University, Dibrugarh University and I.I.T. Gauhati to study the likely devastation which may be caused by discharge of water from Lower Subansiri Dam.

(c) & (d) The Expert Committee has submitted a preliminery report which suggests halting the further construction of Dam till certain investigation (S) are lavied out. The said report has been forwarded to Govt. of India for necessary action. Assam Govt. also is asking for a comprehensive study on downstream ill effects if any.

বিষয় ঃ কাঁহ-পিতলৰ শিল্প উদ্যোগ।

ডাঃ তাৰাপ্রসাদ দাসে সুধিছে ঃ

৩৯৮। মাননীয় উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ কাঁহ-পিতলৰ শিল্প উদ্যোগটোৰ উন্নতিৰ বাবে চৰকাৰে বৰ্ত্তমানলৈকে কি কি ব্যৱস্থা গ্রহণ কৰিছে ?

(খ) ইয়াৰ বাবে প্ৰয়োজন হোৱা কেচাঁমাল আদি কি দৰে যোগান ধৰা হয় ?

(গ) বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিৰ অৰ্ন্তগত সৰ্থেবাৰীৰ কাঁহ-পিতলৰ শিল্প উদ্যোগটো বিজ্ঞান সন্মত আৰু কাৰিকৰীভাবে উন্নয়নৰ বাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

(ঘ) যোৱা ২০০৭-২০০৮ বৰ্ষতেই কাঁহ-পিতলৰ শিল্পী সকলৰ উন্নয়নৰ বাবে ধাৰ্য্য কৰা প্ৰায় ডেৰ কোটি টকা এতিয়ালৈকে মোকলাই নিদিয়াৰ কাৰণ কি ?

(ঙ) এই পুঁজি কেতিয়ালৈ মোকলাই দিয়া হব ?

শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত অতীজৰে পৰা কাঁহ-পিতল উদ্যোগ প্ৰধানকৈ বৰপেটা জিলাৰ সৰ্থেবাৰী আৰু কামৰূপ জিলাৰ হাজো অঞ্চলত স্থানীয় শিল্পী সকলৰ দ্বাৰা গঢ়ি উঠিছে।

আজিৰ পৰিবৰ্ত্তিত পৰিস্থিতিত এই কাঁহ-পিতল উদ্যোগৰ উন্নতি আৰু আধুনিকীকৰণৰ বাবে অসম চৰকাৰে বিভিন্ন আঁচনি লৈছে। এই আঁচনি সমূহ সংক্ষেপে এনে ধৰণৰ-

(১) সৰ্থেবাৰীৰ কাঁহ-পিতল উদ্যোগৰ উন্নয়নৰ বাবে "Incentatives to Bell and Brass Metal Industry of Sarthebari" আঁচনিখনৰ জৰিয়তে সৰ্বমুঠ ১,৫৭,৩৪,০০০ টকা ব্যয় সাপেক্ষে বিভিন্ন কাম হাতত লোৱা হৈছে। যেনে- "পন্যাগাৰ (Godown) আৰু প্ৰদৰ্শনীঘৰ (Showroom) নিৰ্মাণ"।

"স্থানীয়ভাবে জৰীপ চলাই কহাঁৰ শিল্পী আৰু পিতল শিল্পীৰ তালিকা প্ৰস্তুত কৰি পাৰ্য্যমানে সা-সুবিধা আগবঢ়োৱা"।

"কাৰখানা গৃহ (Factory shed) নিৰ্মাণৰ আৰু উন্নত মানৰ সা-সজুঁলি (Improved Tools) দিয়াৰ ব্যৱস্থা"।
"শিল্পী সকলৰ বাবে প্ৰশিক্ষণৰ (Training) ব্যৱস্থা"।
"উৎপাদিত সামগ্ৰী সমূহৰ উন্নতিকৰণ (Development) আৰু নতুনত্ব থকা সামগ্ৰী (Innovative items) ৰ বাবে Research and Development ৰ ব্যৱস্থা"।
"উৎপাদিত সামগ্ৰীৰ বিক্ৰীৰ বাবে সহায় (Marketing Assistance) আৰু শিল্পীক পুৰস্কাৰ (Award to Artisan) দিয়াৰ ব্যৱস্থা"।
(২) হাজোৰ পিতল শিল্পৰ উন্নতিকৰণ আঁচনিৰ অধীনত বিভিন্ন কাম হাতত লোৱা হৈছে। যেনে- "কেচাঁমালৰ গুদাম (Row Materials Bank) নিৰ্মাণ"।
"উৎকৃষ্টমানৰ কেচাঁমাল স্থানীয়ভাবে বিক্ৰীৰ ব্যৱস্থা"।
"পিতল শিল্পী সকলক অতি কম সুঁতত (Interest) ঋণৰ ব্যৱস্থা"।
"সমূহীয়া সহজলভ্য সেৱা কেন্দ্ৰ নিৰ্মাণ"।
"Efficient Treatment Plant Blower Room) ৰ নিৰ্মাণ"।
"জল যোগান ব্যৱস্থা (Water Supply System) আৰু প্ৰয়োজনীয় বৈদ্যুতিকৰণৰ ব্যৱস্থা"।
"সংযোগকাৰী পথ (Approach Road) ৰ নিৰ্মাণ"।
"তথ্য পুস্তিকা (Information Brochure) ৰ ছপা আৰু বিতৰণ"।
(খ) সৰ্থেবাৰী অঞ্চলৰ কাঁহ-পিতলৰ শিল্পী সকলে প্ৰয়োজনীয় কেচাঁমাল বৰ্ত্তমানে নিজাববীয়াকৈ সংগ্ৰহ কৰি আছে। অৱশ্যে অসম চৰকাৰৰ "Incentives to Bell and Brass Metal Industry of Sarthebari" আঁচনিৰ অধীনত কেচাঁমাল স্থানীয়ভাৱে পোৱাৰ বাবে স্থায়ী ভড়ালঘৰ নিৰ্মাণৰ ব্যৱস্থা লোৱা হৈছে।

হাজো পিতল শিল্প (Bell Metal Industry) ৰ বাবে প্ৰয়োজনীয় কেচাঁমাল উজ্জয়নি (মধ্যপ্ৰদেশ) আৰু গুৱাহাটীৰ পৰা ক্ৰয় কৰি আনি শিল্পী সকলৰ মাজত বিক্ৰী কৰা হৈছে।

(গ) হয়, ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অসম চৰকাৰৰ "Incentives to Bell and Brass Metal Industry of Sarthebari" আঁচনিৰ অধীনত শিল্পী সকলৰ প্ৰশিক্ষণ Research and Development to undertake Product Development and Innovation ইত্যাদি।

(ঘ) যোৱা ২০০৭-২০০৮ বৰ্ষতে ৰূপায়ন কৰিবলৈ লোৱা উক্ত আঁচনিখনৰ অধীনত আৱণ্টিত ধন বিভিন্ন কাৰণবশতঃ মোকলাই দিব পৰা হোৱা নাছিল। কাৰণ সমূহৰ ভিতৰত বিভিন্ন সময়ত হিতাধিকাৰী সকলে পূৰণা Action Plan গ্ৰহণ নকৰাটো মূল কাৰণ বুলি কব পৰা যায়। এই সন্দৰ্ভত চৰকাৰৰ পৰা যোৱা ৭.৪.২০০৯ তাৰিখত নতুন Action Plan ৰ অনুমোদন (শিল্পী সকলৰ সৈতে আলোচনা মৰ্মে) লাভ কৰা হৈছে।

আনহাতে হাজো অঞ্চলৰ কাঁহ-পিতলৰ উদ্যোগৰ উন্নতিকৰণ আঁচনিৰ অধীনত ইতিমধ্যে ১৪২.৬৬ লাখ টকা কামৰূপ জিলা উপায়ুক্তৰ পুঁজিলৈ মোকলাই দিয়া হৈছে।

(ঙ) সৰ্থেবাৰী অঞ্চলৰ কাঁহ-পিতল উদ্যোগৰ বাবে "Incentive to Bell and Brass Metal Industry of Sarthebari" আঁচনিৰ অধীনত সংগ্ৰাহলয় (Godown) আৰু প্ৰদৰ্শনীঘৰ নিৰ্মাণৰ বাবে ইতিমধ্যে ২.৯৯ লাখ টকা Assam Industrial Infrastructure Development Corporation লৈ মুকলি কৰি দিয়া হৈছে আৰু এই কাম প্ৰায় সম্পূৰ্ণ হৈছে। ইয়াৰ ওপৰিও যোৱা ৬-৭-২০০৯ তাৰিখৰ জিলা সমিতিৰ

বৈঠকত সৰুক্ষেত্ৰী সমষ্টিৰ মাননীয় বিধায়ক ডাঙৰীয়াৰ উপস্থিতিত শিল্পী সকলৰ বাবে প্ৰয়োজনীয় কাৰখানাগৃহ আৰু উন্নতমানৰ সা-সজুঁলিৰ বাবে ধাৰ্য্য কৰা ধনৰাশি মোকলাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অতিশীঘ্ৰে এই ধনৰাশি মুকলি কৰি দিয়া হব।

বিষয় ঃ চাউল কেলেংকাৰী।

শ্ৰীমতী সুশীলা হাজৰিকাই সুধিছে ঃ

৩৯৯। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ৮ জুন, ২০০৮ তাৰিখে যোৰহাট জিলা প্ৰশাসনে যোৰহাটৰ সুনীল ট্ৰেডিং নামৰ প্ৰতিষ্ঠানত অবৈধভাবে মজুত কৰি ৰখা প্ৰায় ১৮ লাখ টকা মূল্যৰ ৩৪৭০ বেগ চাউল প্ৰশাসনে জব্দ কৰা কথাটো সত্যনে ?

(খ) যদি সত্য, এই চাউলখিনি চৰকাৰৰ কোন বিভাগৰ আছিল ? প্ৰশাসনে জব্দকৃত চাউলৰ তালিকা প্ৰস্তুত কৰিছিলনে আৰু এই চাউলখিনি প্ৰশাসনে ক'ত আৰু কেনেকৈ ৰাখিছে ? এই চাউলখিনি বৰ্ত্তমান কি অৱস্থাত আছে ?

(গ) বিষয়টোৰ ক্ষেত্ৰত জিলা প্ৰশাসনে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(ঘ) এই ঘটনাৰ লগত জড়িত সুনীল ট্ৰেডিঙৰ স্বত্বাধিকাৰীক গ্ৰেপ্তাৰ বা আৰক্ষী থানালৈ আনি প্ৰাৰম্ভিক সোধ-পোচ কৰা হৈছিলনে আৰু যদি হৈছিল, প্ৰাৰম্ভিক অনুসন্ধানত প্ৰশাসনে কি তথ্য লাভ কৰিলে ?

(ঙ) যদি কৰা হোৱা নাছিল, নকৰাৰ কাৰণ কি ? এই ক্ষেত্ৰত জিলা আৰক্ষী প্ৰশাসনে আৰক্ষীক নিৰ্দ্দেশ দিছিলনে ?

(চ) যদি দিছিল, এই নিৰ্দ্দেশৰ এটা প্ৰতিলিপি সদনত দাখিল কৰিবনে ?

(ছ) চৰকাৰে দুখীয়া মানুহৰ বাবে যোগান ধৰা চাউল আত্মসাৎ কৰা দোষী ব্যক্তি সকলক দৃষ্টান্তমূলক শাস্তি প্রদান নকৰাৰ কাৰণ কি ?

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) নহয়, প্রকৃততে ২০০৮ চনৰ ৬ জুন তাৰিখে যোৰহাটৰ মেচার্চ সুনীল ট্রেডিং এণ্ড কোম্পানীৰ পৰা সন্দেহবশতঃ ভাৰতীয় খাদ্য নিগমৰ চাউল বুলি আৰু প্রয়োজনীয় নথিপত্র দেখুৱাব নোৱাৰাৰ বাবে ৩২২৩ বেগহে চাউল জব্দ কৰা হৈছিল।

(খ) উক্ত জব্দকৃত চাউলখিনি ভাৰতীয় খাদ্য নিগমৰ বিষয়াৰ দ্বাৰা পৰীক্ষা কৰাৰ পিছত চৰকাৰী কোনো আঁচনিৰ অধীনত ভাৰতীয় খাদ্য নিগমৰ চাউল নহয় বলি নিশ্চিত কৰা হয়।

বর্ত্তমান জব্দকৃত চাউলখিনি জিম্মাদাৰৰ জিম্মাত আছে।

(গ) বিষয়টোৰ ক্ষেত্রত জিলা প্রশাসনে জব্দকৃত চাউলখিনিৰ সন্দর্ভত ভাৰতীয় খাদ্য নিগমৰ বিষয়া কমিটি আৰু যোৰহাট জিলাৰ যোগান বিভাগৰ পৰিদর্শকক পুনৰীক্ষণ কৰিবৰ বাবে নির্দ্দেশ দিয়াৰ লগতে ভাৰতীয় খাদ্য নিগম কর্ত্তৃপক্ষৰ দ্বাৰা নীলাম কৰা ব্যৱস্থাৰ যোগ্য আৰু অব্যৱহাৰ যোগ্য বস্তাৰ বিষয়টোও নিশ্চিত কৰিবৰ বাবে নির্দ্দেশ দিয়ে। ভাৰতীয় খাদ্য নিগম কর্ত্তৃপক্ষই জব্দকৃত চাউলখিনি খাদ্য নিগমৰ চাউল নহয় বুলি জনোৱাৰ লগতে তেওঁলোকে অব্যৱহাৰ যোগ্য বস্তাহে নীলাম কৰে বুলি জানিবলৈ দিয়ে।

ইতিমধ্যে মেচার্চ সুনীল ট্রেডিং এণ্ড কোম্পানীও যথোচিত নথিপত্র দাখিল কৰিছে।

গোচৰটো বৰ্ত্তমান তদন্তাধীন।

(ঘ) চাউলখিনি যোৱহাটৰ অতিৰিক্ত উপায়ুক্ত আৰু বিষয়াৰ উপস্থিতিত জব্দ কৰা হৈছিল।

যিহেতু বিষয়টোৰ তদন্ত অনুজ্ঞাপত্ৰ প্ৰদানকাৰী কৰ্ত্তৃপক্ষই কৰি আছে, গতিকে আৰক্ষীৰ দ্বাৰা কাৰ্য্যব্যৱস্থা লোৱা হোৱা নাই।

(ঙ) 'ঘ' প্ৰশ্নৰ উত্তৰত দিয়া হৈছে।

(চ) প্ৰশ্ন নুঠে।

(ছ) ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সামগ্ৰী কিম্বা চৰকাৰী আঁচনিত উপলব্ধ হোৱা সামগ্ৰীৰ ক্ষেত্ৰত যিকোনো ধৰণৰ খেলিমেলি বা আত্মসাৎ কৰাৰ অভিযোগ পালে দোষী ব্যক্তিৰ বিৰুদ্ধে আইন অনুযায়ী ব্যৱস্থা লোৱা হব।

Sub : Vacant posts in Schools, Tolls & Madrassas.

Shri Mission Ranjan Das asked :

400. Will the Minister of Education be pleased to state :

(a) How many sactioned posts of teachers, UDA/LDA and Grade-IV in Lower Primary, Upper Primary, High Schools, Higher Secondary Schools, Sanskrit Tolls and all categories of Madrassas in the State are lying vacant till 30th June, 2009 out of the total posts- please state it in details ?

(b) How many posts of Head Teachers/Head Masters/ Principals/Head Pandits and Superintendents are va-

cant or run by in-charge head of institutes in different categories of institutions in the state till 30th June, 2009 out of total posts- please state it in details ?

(c) What are the constrains in filling up of these above posts and what are the steps taken to fill-up these posts- please state it in details ?

(d) Whether the Govt. will take steps for provincialization of educational institutions during 2009-2010- if so, please state it in detail including policy of provincialization ?

(e) Whether the Govt. has released the fund for financial aids to LP/ME/MEM/High School/High Madrassa etc. for 2008-09- if so, please state it in details including policy ?

(f) Whether the Govt. will continue to extend financial aids to these kinds of institutions- if so, please state it including policy ?

Shri Gautam Bora (Minister of Education) replied :

(a) The following are the vacacies as on 30-6-2009.

(i) Teacher :	17,403
(ii) LDA :	89
(iii) UDA :	272
(iv) Grade IV	1459

(b) The following nos. of posts are vacant & being run by i/c. Principal, Headmaster, Superintendents & Pradhan Adhyapak.

(i) Headmaster & Superintendent : 833
(ii) Pricipal : 547
(iii) Headpandit : 579
(iv) Pradhan Adhyapak : 35

(c) There are legal constraints for which these posts could not be filled up. Steps will be taken to fill up these posts as soon as the Court cases are disposed of.

(d) Govt. have constituted a High Level Committee to lok into the various problems at Elementary and Secondary Level and also the problems of Venture Schools including provincialisation. Goverment will consider the matter of provincialisation after submission of report and findings by the High Level Committeé.

(e) Govt. have already released the fund for financial aid to LP/ME/MEM/High School/High Madrassa etc. for 2008-09. Primary seniority is the criteria for selection of such institution. However, deviation is made on the basis of need & performance. The need based intuitions are selected on the dis-advantaged location like Tea gardens, Char areas, border areas etc.

(f) Yes, As per the policy indicated at Para (e) above.

বিষয় ঃ গ্রাম্য খোৱাপানী আঁচনিত বিদ্যুৎ মাচুল।

শ্রীৰাণা গোস্বামীয়ে সুধিছে ঃ

৪০১। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জৰিয়তে বিভিন্ন আঁচনিৰ যোগেদি গ্রাম্য অঞ্চলত স্থাপন কৰা বিশুদ্ধ খোৱাপানী যোগান আঁচনি সমূহৰ বাবে বিদ্যুৎ যোগানৰ মাচুল উদ্যোগ সমূহে দিবলগীয়া মূল্যৰ আধাৰত নির্দ্ধাৰণ কৰি আদায় কৰি থকাটো সচাঁনে ?

(খ) যদি সচাঁ, উক্ত খোৱাপানীৰ আঁচনি সমূহ উদ্যোগত পৰে নেকি আৰু যদি পৰে, কেনেকৈ পৰে ?

(গ) যদি নপৰে, গ্রাম্য অঞ্চলৰ ৰাইজৰ ক্ষেত্রত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে এনেদৰে কিয় মাচুল আদায় কৰি আছে ?

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সচাঁ নহয়।

(খ) নপৰে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ খোৱাপানী যোগান আঁচনি সমূহ উদ্যোগ বুলি ধৰা নাযায়।

(গ) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পানী যোগানত ব্যৱহৃত বিদ্যুতৰ বিল কৰোতে "অসম ৰাজ্যিক বিদ্যুৎ নিয়ামক আয়োগে" ধার্য্য কৰি দিয়া HT-III শ্রেণীৰ ৰাজহৰ নিৰিখত কৰা হয়। উক্ত নিৰিখ প্রতি ইউনিটত ৪.১০ আৰু Fixed Charge মাহে ১২৫ টকা/কেভিএ।

Sub : Bodo Medium Education.

Shri Thaneswar Basumatary asked :

402. Will the Minister of Education be pleased to state :

(a) Whether the Govt. is aware of the fact that Bodo Shahitya Sabha and ABSU have been demanding to open a separate Directorate for Bodo Medium Education since long ?

(b) If so, what steps have been taken to that effect ?

Shri Gautam Bora (Minister, Education) replied :

(a) Yes.

(b) The matter is under consideration of the Govt.

বিষয় ঃ কেন্দ্রীয় চৰকাৰৰ ধন।

শ্রীজ্যোতি প্রসাদ দাসে সুধিছে ঃ

৪০৩। মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ কেইখন জিলালৈ সংখ্যালঘু সকলৰ উন্নয়ণৰ বাবে Multi Sectoral District Development Plan ত কেন্দ্রীয় চৰকাৰৰ পৰা ধন আৱণ্টন আহিছে ? জিলা হিচাপে সদনৰ মজিয়াত দাখিল কৰিবনে ?

(খ) কামৰূপ জিলাত উক্ত ধনৰ আৱণ্টন কিমান আৰু ইয়াৰ বাবে কি কি প্রচেচ (process) কৰা হ'ল ?

(গ) উক্ত আৱণ্টিত ধনৰ বিপৰীতে কেনে ধৰণে আঁচনি সমূহ কার্য্যকৰী কৰা হব ?

(ঘ) প্রতিটো বিধান সভা সমষ্টিত (কামৰূপ জিলাৰ) আঁচনি সমূহৰ বিপৰীতে হিতাধিকাৰী নির্বাচন কি ধৰণে কৰা হব ?

ডাঃ নজৰুল ইছলাম (সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) কেন্দ্রীয় চৰকাৰৰ Multi Sectoral Development Plan ৰ অধীনত সংখ্যালঘু সকলৰ উন্নয়নৰ বাবে অসমৰ ১৩ খন জিলালৈ ধনৰ আৱণ্টন আহিছে। জিলা ভিত্তিত আৱণ্টনৰ তালিকা তলত দিয়া হ'ল।

ক্রমিক নং	জিলা	আৱণ্টিত ধনৰ পৰিমান
১)	কোকৰাঝাৰ	৫৪.২ কোটি টকা
২)	ধুবুৰী	৮৪.৩ কোটি টকা
৩)	গোৱালপাৰা	৫৭.৬ কোটি টকা
৪)	বঙ্গাইগাঁও	৫৬.১ কোটি টকা
৫)	বৰপেটা	৭৩.০ কোটি টকা
৬)	দৰং	৬৩.৩ কোটি টকা
৭)	মৰিগাঁও	৫৯.০ কোটি টকা
৮)	নগাঁও	৭০.৩ কোটি টকা
৯)	কাছাৰ	৪০.৫ কোটি টকা
১০)	কৰিমগঞ্জ	৪৯.৫ কোটি টকা

১১)	হাইলাকান্দি	৪৪.৫ কোটি টকা
১২)	কামৰূপ	৩৫.৩ কোটি টকা
১৩)	উত্তৰ কাছাৰ পার্বত্য অঞ্চল	১৫.৯ কোটি টকা
		মুঠ-৭০৩.৫ কোটি টকা

(খ) কামৰূপ জিলাত (গ্রামীণ) ২০১১ চনলৈকে ৩৫.৩ কোটি টকা আৱণ্টন কৰা হৈছে। আৱণ্টিত টকাৰ বিপৰীতে জিলা উপায়ুক্তই প্রধান মন্ত্রীৰ নতুন ১৫ দফীয়া কার্য্যসূচী ৰূপায়নৰ জিলা সমিতিৰ অনুমোদন মর্মে ৰাজ্য চৰকাৰক দাখিল কৰে। ৰাজ্য চৰকাৰে এই আঁচনি বিবেচনা মর্মে অনুমোদন কৰে। অনুমোদিত আঁচনি কেন্দ্রীয় চৰকাৰৰ সংখ্যালঘু মন্ত্রনালয়ত দাখিল কৰা হয়। কেন্দ্রীয় চৰকাৰ এই আঁচনি অনুমোদন ক্রমে কেন্দ্রীয় অংশৰ প্রথম কিস্তি ৫,১৯,৭৫,০০০ টকা মোকলাই দিয়ে। মোকলাই দিয়া ধনেৰে ৩০০০ IAY ঘৰ নির্মাণ কৰা হয়।

(গ) এই আঁচনিৰ আৱণ্টিত ধনৰ বিপৰীতে তলত দিয়া আঁচনি সমূহ কার্য্যকৰী কৰা ব্যৱস্থা লোৱা হৈছে।

Sl. No.	Project	Total fund (Lakh)
1.	Project for provision of housing for people living below poverty line (3000 houses)	Rs. 1150.00
2.	Installation of Solar Lapm for Girlstudents (3240) students x Rs. 3460)	Rs. 112.00
3.	Construction of Anganwadi Centres (300 x Rs. 1.75 lakh)	Rs. 575.00

4.	Vocational Training on Computer application and information technology	Rs. 288.00
5.	Project for improvement of road (2 ro-ads) and construction of Road approaches and bridge (one bridge)	Rs. 730.74
6.	Project for mechanization of Agriculture	Rs. 495.00
7.	Infrastructure development for marketing of agriculture products in minority areas	Rs. 148.23

(ঘ) জিলা ভিত্তিত বিভাগীয় নীতি নির্দ্দেশনা অনুসৰি কৰা হয়।

বিষয় ঃ এম. ই. স্কুল নির্মাণ।

শ্রীৰাজু চাহৰে সুধিছে ঃ

৪০৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

বর্দ্ধিত জনসংখ্যাৰ প্রতি লক্ষ্য ৰাখি ৪৫০-৬০০ স্থায়ী শ্রমিক থকা প্রতিখন চাহ বাগিছা অঞ্চলত একোখনকৈ M. E. School নির্মাণ কৰি শিক্ষিতৰ হাৰ বৃদ্ধি কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লবনে ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

বর্ত্তমান চৰকাৰে চাহ বাগিছা অঞ্চলত M. E. বিদ্যালয় স্থাপন কৰাৰ কোনো নীতি গ্রহণ কৰা নাই।

Sub : Discharge of Water by Hydro Power Station.

Shri Maneswar Brahma asked :

405. Will the Minister of Power (Electricity) be please to state :

(a) Whether the Goverment is aware of the fact that since last couple of years large number of people of Baksa and Barpeta district are frequently facing with artificial devastating flood leading to loss of life ad property due to sudden discharge of surplus water by the Hydro Power Station from Bhutan ?

(b) What steps the Goverment have taken to solve this problem ?

(c) Did the Goverment directly or with the help of Central Goverment initiated dialogue with the Hydro Power Production company or with the Bhutan Goverment to solve this serious problem ?

(d) If not, why ?

Shri Pradyut Bordoloi (Minister, Power) replied :

(a), (b) (c) & (d) Goverment is aware that dams on tributaries of Brahmaputra river system have led to flash floods in downstream habitation (s) including in Baksa and Barpeta District. In this regard issue of downstream impact study of building dams in Upper

beaches of tributaries of Brahmaputra river system has been taken up at various level with Goverment of India. Govt. of Assam is asking the Central Electricity Authority to conduct a comprehensive study of cumulative downstream effects of all proposed hydro projects to be put up in the Upper ridges of Brahmaputra Water System.

বিষয় ঃ উপ পৰিদৰ্শক নিযুক্তি।

শ্রীবলিন চেতিয়াই সুধিছে ঃ

৪০৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) শদিয়া মহকুমাত শিক্ষা বিভাগৰ স্থায়ী উপ পৰিদৰ্শক নিযুক্তি নিদিয়া প্রায় ২ (দুই) বছৰ হ'ল। শদিয়া মহকুমাত উপ পৰিদৰ্শক কিয় নিযুক্তি দিয়া হোৱা নাই জনাবনে ?

(খ) উক্ত উপ পৰিদৰ্শক পদত নিযুক্তি দিয়াৰ কিবা ব্যৱস্থা লোৱা হ'বনে ?

(গ) যদি লয়, তেন্তে কি ব্যৱস্থা লোৱা হব আৰু কেতিয়া উক্ত উপ পৰিদৰ্শক পদটো পূৰণ কৰা হব জনাবনে ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) উপ পৰিদৰ্শক পদলৈ পদোন্নতি নোহোৱাৰ বাবে স্থায়ী উপ পৰিদৰ্শক নিযুক্তি দিব পৰা নাই।

(খ) স্থায়ী উপ পৰিদৰ্শক পদলৈ পদোন্নতিৰ প্রক্রিয়া চলি আছে।

(গ) পদোন্নতি প্রক্রিয়া শেষ হ'লে উপ পৰিদৰ্শক পদটো পূৰণ কৰা হব।

Sub : Sanction of fund.

Shri Sambhu Sing Mallah asked :

407. Will the Minister of Higher Education be pleased to state :

(a) How much fund has been sanctioned from UGC and the Govt. of Assam for Development of R.K. Nagar College from 2001 to 2009. (Give details year wise separately with amount).

(b) Which schemes are not completed ? (Name of the schemes and amount of each scheme).

(c) Which schemes are not completed till today ? (Name of the schemes and amount).

Shri Gautam Bora (Minister Higher Education) replied :

(a) From UGC Rs. 6041480
From State Govt. Rs. 1700000

Yearwise Statement of UGC & State Govt. Grant :

Year	U.G.C.	State Govt.
2001-2002	Rs. 4,69,100.00	—
2002-2003	Rs. 12,45,000.00	—
2003-2004	Rs. 25,000.00	—
2004-2005	Rs. 6,50,000.00	Rs. 10.00 lakh
2005-2006	Rs. 2,30,000.00	—
2006-2007	Rs. 1,75,000.00	—

2007-2008	Rs. 55,380.00	Rs. 5.00 lakh
2008-2009	Rs. 31,92,000.00	Rs. 2.00 lakh
Total	**Rs. 60,41,480.00**	**Rs. 18.00 lakh**

(b)

2001-2002	Book & Journal	Rs. 1,20,000.00
	Lab. Equipmet	Rs. 90,000.00
	Library building	Rs. 1,20,000.00
	Construction of Women hostel	Rs. 1,39,100.00
	Total =	**Rs. 4,69,100.00**
2002-2003	Computer	Rs. 1,10,000.00
	Library building	Rs. 95,000.00
	Building extension Activities/ Equipment	Rs. 10,40,000.00
	Total =	**Rs. 12,45,000.00**
2003-2004	Library building	Rs. 25,000.00
2004-2005	Books, computer Equipment etc.	Rs. 6,50,000.00
2005-2006	Internet connectivity	Rs. 55,000.00
	Building construction	Rs. 1,75,000.00
	Total =	**Rs. 2,30,000.00**
2006-2007	Bilding construction (Final)	Rs. 1,75,000.00

2007-2008	Women Hostel (Final)	Rs. 55,380.00
2008-2009	College Development Construction, Book & Journels, Equipment.	Rs. 3,20,000.00
	College Development Construction, Book & Journels, Equipment.	Rs. 1,10,000.00
	College Development Construction, Book & Journels, Equipment.	Rs. 5,12,000.00
	Extension of Women Hostel (1st).	Rs. 15,00,000.00
	Extension of Women Hostel (2nd).	Rs. 7,50,000.00
	Total =	**Rs. 31,92,000.00**

Grand Total = Rs. 60,41,480.00

(c) All the schemes have been completed except Rs. 5,12,000.00 sanction for Book & Journels', Equipments etc. during 2008-2009.

বিষয় ঃ চাহ বাগিছাৰ বিদ্যালয় চৰকাৰীকৰণ।

শ্রীদুর্গা ভূমিজে সুধিছে ঃ

৪০৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ কিমানখন চাহ বাগিছাৰ প্ৰাথমিক বিদ্যালয় আজিলৈকে চৰকাৰীকৰণ নোহোৱাকৈ আছে ? (চাহ বাগিছাৰ নামৰ সৈতে উল্লেখ কৰিব)

(খ) উক্ত প্ৰাথমিক বিদ্যালয় সমূহ চৰকাৰীকৰণৰ ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নে ?

(গ) যদি চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে, তেন্তে কোনটো বৰ্ষৰ পৰা চৰকাৰীকৰণৰ কাম আৰম্ভ কৰিব ?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৪৪৯ খন। চাহ বাগিছাৰ নামৰ সৈতে বিদ্যালয়ৰ তালিকা ক্ষেত্ৰ বিষয়াৰ পৰা বিচৰা হৈছে।

(খ) চৰকাৰে প্ৰাথমিক আৰু মাধ্যমিক স্তৰৰ শিক্ষাৰ বিভিন্ন সমস্যা আৰু অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠানবোৰৰ সমস্যা আৰু প্ৰাদেশীকৰণ বিষয়টো পৰীক্ষা-নিৰীক্ষা কৰি প্ৰতিবেদন দাখিল কৰিবলৈ এখন উচ্চ ক্ষমতা সম্পন্ন সমিতি গঠন কৰি দিছে।

(গ) সমিতিখনে প্ৰতিবেদন দিয়াৰ পিচত কব পৰা যাব।

বিষয় ঃ পৰীক্ষাৰ ফলাফল।

শ্ৰীউদ্ধৱ বৰ্মনে সুধিছে ঃ

৪০৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা তিনিটা বছৰৰ উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ব্যক্তিগত খণ্ড আৰু চৰকাৰী খণ্ডৰ ক্ষেত্ৰত কেনেকুৱা

আছিল ? (বিতং তথ্য দিব)

(খ) ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানবোৰৰ তুলনাত চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানৰ শোচনীয় ফলাফলৰ কাৰণ কি কি ?

(গ) এই পর্য্যায়ৰ শিক্ষাৰ পাঠ্যসূচী পৰিবর্ত্তন কৰি কেন্দ্রীয় শিক্ষা বোর্ডৰ পাঠ্যসূচী গ্রহণ কৰাৰ কিবা ব্যৱস্থা লোৱা হৈছে নেকি ?

(ঘ) যদি লৈছে, বিতংকৈ জনাবনে ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) যোৱা তিনিটা বছৰৰ উত্তীর্ণৰ হাৰ উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাবে পৰিশিষ্ট 'ক' আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাবে পৰিশিষ্ট 'খ' সংলগ্ন কৰি দেখুওৱা হ'ল।

(খ) ক'লা অৰু বিজ্ঞান শাখাত বেচৰকাৰী শিক্ষানুষ্ঠানৰ ফলাফল চৰ্কাৰী খণ্ডৰ শিক্ষানুষ্ঠানতকৈ কিছু উন্নত। বাণিজ্য শাখাত চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানৰ ফলাফল ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানতকৈ উন্নত। চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানৰ শিক্ষকৰ উপযুক্ত প্রশিক্ষণ কর্ম সংস্কৃতি, শিক্ষক ছাত্র-ছাত্রীৰ উভয়ৰে নিয়মানুবর্তিতাৰ অভাৱ, অভিভাৱকৰ প্রয়োজনীয় সচেতনতাৰ অভাৱ ইত্যাদি কাৰণত ফলাফলৰ দিশত কিছু পিছ পৰি আছে।

(গ) ব্যৱস্থা লোৱা হোৱা নাই। অৱশ্যে NCERT ৰ আধাৰত পাঠ্যসূচী আৰু পাঠ্যপুথিৰ আধাৰত উচ্চতৰ মাধ্যমিক শ্রেণীৰ বাবে পাঠ্যসূচী আৰু পাঠ্যপুথি আগন্তুক বর্ষৰ পৰা কার্য্যকৰী হোৱাকৈ প্রণয়নৰ কাম হাতত লোৱা হৈছে।

(ঘ) NCERT ৰ পাঠ্যসূচী আৰু পাঠ্যপুথিৰ আধাৰত উচ্চতৰ মাধ্যমিক প্রথম বার্ষিক শ্রেণীৰ বাবে এতিয়ালৈকে মুঠ ১৩ খন পাঠ্যপুথি অসমীয়া

ভাষালৈ অনুবাদৰ কাম সমাপ্ত হৈছে আৰু সম্পাদনাৰ কাম চলি আছে।

বিষয় ঃ খালী পদত নিযুক্তি।

শ্রীঅনন্ত ডেকাই সুধিছে ঃ

৪১০। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ বিভিন্ন চৰকাৰী শিক্ষানুষ্ঠানত (প্রাথমিক বিদ্যালয়ৰ পৰা মহাবিদ্যলয়লৈ) কিমান সংখ্যক শিক্ষক আৰু কর্মচাৰীৰ পদ খালী হৈ আছে ?

(খ) উক্ত পদ সমূহ অচিৰেই পৰণ কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে ?

(গ) ৰাজ্যখনত উচ্চতৰ মাধ্যমিক বিদ্যালয়, উচ্চ মাধ্যমিক বিদ্যালয় সমূহত কিমান সংখ্যক অস্থায়ী অধ্যক্ষ আৰু অস্থায়ী প্রধান শিক্ষকে কার্য্যনির্বাহ কৰি আছে ?

(ঘ) উক্ত বিদ্যালয়বোৰত স্থায়ী অধ্যক্ষ আৰু প্রধান শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ২১,৫৪৭ টা পদ খালী হৈ আছে। (শিক্ষক- ১৯,৫৫৪, কর্মচাৰী- ১৯৯৩)

(খ) উচ্চ ন্যায়ালয়ৰ নির্দ্দেশ আৰু আন আন দিশ সমূহ চালিজাৰি চাই পর্য্যায়ক্রমে ব্যৱস্থা গ্রহণ কৰি থকা হৈছে।

(গ) অস্থায়ী অধ্যক্ষৰ সংখ্যা ৪৮৪ জন আৰু অস্থায়ী প্ৰধান শিক্ষকৰ সংখ্যা ৮২৫ জন।

(ঘ) প্ৰধান শিক্ষকৰ নিযুক্তিৰ ব্যৱস্থা কৰা হব।

বিষয় ঃ হজ যাত্ৰীৰ সংখ্যা।

মোঃ মহিবুল হকে সুধিছে ঃ

৪১১। মাননীয় হজ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৬-০৭, ২০০৭-০৮ আৰু ২০০৮-০৯ বছৰ কেইটাত অসমৰ পৰা মুঠ কিমান জন তীৰ্থ যাত্ৰীয়ে হজত গৈছিল আৰু ইয়াৰে অসম চৰকাৰৰ তত্বাৱধানত কিমান আছিল ?

(খ) হজযাত্ৰী সকলৰ বাবে কিমান Subsidy আৰু অন্যান্য কি চৰকাৰী সুবিধা দিয়া হৈছিল ?

(গ) Private Agency ৰ জৰিয়তে যোৱা হজযাত্ৰী সকলৰ বাবে চৰকাৰে কিবা সুবিধা দিয়েনে ?

(ঘ) যদি নিদিয়ে, তেন্তে সুবিধা দিয়াৰ ব্যৱস্থা কৰিবনে ?

(ঙ) হজযাত্ৰী সকলৰ Guide জনক কোনে আৰু কি ধৰণে নিৰ্বাচন কৰা হয় ?

(চ) মুছলিম বিধায়ক সকলক খৰছত হজত যোৱাৰ বাবে চৰকাৰে আঁচনি ল'ব পাৰেনে ?

ডাঃ নজৰুল ইছলাম (হজ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ পৰা যোৱা ২০০৬-২০০৭ চনত ২৬৬৫ জন, ২০০৭-২০০৮ চনত ৩১৮৭ জন আৰু ২০০৮-২০০৯ চনত ৩৪৭৯ জন সৰ্বমুঠ ৯৩৩১ জন তীৰ্থযাত্ৰী হজলৈ গৈছিল।

(খ) অসম চৰকাৰৰ তৰফৰ পৰা হজ যাত্ৰী সকলক কোনো Subsidy দিয়া নহয়। গুৱাহাটীৰ হাজী মোছাফিৰ খানাত (ইছলামপুৰ) হজযাত্ৰী সকলক থকা-মেলা আৰু গুৱাহাটীৰ হাজী মোছাফিৰ খানাৰ পৰা বৰঝাৰ বিমান বন্দৰলৈ বাছেৰে অনা-নিয়াৰ সুবিধা কৰি দিয়া হয়।

(গ) বৰ্ত্তমানলৈ Polio আৰু Meningities Vaccanation ৰ বাহিৰে অন্য কোনো সুবিধা দিয়া হোৱা নাই।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) ভাৰত চৰকাৰৰ বহিঃ পৰিক্ৰমা মন্ত্ৰনালয়ৰ নিৰ্দ্দেশনা মতে ৰাজ্যিক হজ কমিটিয়ে হজ যাত্ৰী সকলৰ লগত যোৱা Guide সকলক নিৰ্বাচন কৰাৰ পিছত ভাৰত চৰকাৰৰ বহিঃ পৰিক্ৰমা মন্ত্ৰনালয়ে অনুমোদন জনাই।

(চ) মুছলিম বিধায়ক সকলক চৰকাৰী খৰছত হজলৈ যোৱাৰ কোনো আঁচনি লোৱা নহয়।

বিষয় ঃ নিযুক্তিৰ ব্যৱস্থা

শ্ৰীপ্ৰশান্ত ফুকনে সুধিছে ঃ

৪১২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্ত্তমান প্ৰাথমিক আৰু মাধ্যমিক পৰ্য্যায়ত কিমানটা শিক্ষকৰ পদ খালী হৈ আছে ?

(খ) এই খালী পদ সমূহৰ নিযুক্তিৰ ব্যৱস্থা কেতিয়া আৰম্ভ হ'ব ?

(গ) যদি ন্যায়ালয়ত নিযুক্তিৰ বিষয়টো বিবেচনাধীন হৈ আছে, তেন্তে সমানুপাতিকৰণ ব্যৱস্থাৰ মাধ্যমেৰে খালী পদ সমূহ পূৰণ কৰি শিক্ষাদানৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাবোৰ দূৰ কৰিবলৈ চৰকাৰে কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি ?

(ঘ) যদি কৰিছে, এতিয়ালৈকে বিষয়টো কাৰ্য্যকৰী কৰা হোৱা নাই কিয় ?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত ৩০-৬-২০০৯ তাৰিখলৈ খালী থকা শিক্ষকৰ পদৰ সংখ্যা এনেধৰণৰ ঃ

প্ৰাথমিক বিদ্যালয়ত-	৮৪৯১ টা
মজলীয়া আৰু মধ্য ইংৰাজী বিদ্যালয়ত-	৪৬৪৯ টা

(খ) পদক্ষেপ লোৱা হৈ আছে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) কাৰ্য্যকৰী কৰা হ'ব।

বিষয় ঃ খালী পদত নিযুক্তি।

ড. মলয়া বৰ্মনে সুধিছে ঃ

৪১৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) (i) এইটো সত্যনে অসম চৰকাৰৰ চিঠি নং OM No. 8(2) H 97/2003/98 dated 17-7-2004 (ii) W.T. message dated 3-3-07 of the Education Commissioner to Principals of the Provincialised Colleges Lt. No.

AHE 238/06/167 (iii) Govt.'s letter No. B(2) H, 97/2003/135 dated 12-10-2004 এই সকলো চৰকাৰী পত্ৰ আৰু নীতি মতে ১০/১২ বছৰে Non-sanctioned post ত খাতি থকা অধ্যাপক-অধ্যাপিকা সকলক নিজৰ Provincialised কলেজত Sanctioned vacant post ৰ বিপৰীতে Conversion কৰি পদবোৰ Adjust কৰিব দিছে ?

(খ) যদি সত্য, তেন্তে কিছুমান মহাবিদ্যালয়ে পদ সমূহ adjust নকৰাৰ কাৰণ কি ?

(গ) অসম চৰকাৰৰ নির্দ্দেশ পত্ৰ অথবা Office Memorandum মতে ১২-১০-২০০৯ ৰ আগৰ তাৰিখলৈ থকা অধ্যাপক সকলক Sanctioned Vacant Post ত adjust কৰি Conversion কৰিবলৈ পুনৰ নির্দ্দেশ দিবনে ?

(ঘ) বর্ত্তমান অসমত Provicialised কলেজ সমূহত Non-Sanctioned ত কাম কৰা প্ৰায় ৩০০ মান শিক্ষক আৰু Non-teaching ত ১০/১২ বছৰে কাম কৰি থকা কর্মচাৰী সকলক PWD বা Irrigation আদি বিভাগৰ Master Roll ৰ বিষয়া বা কর্মচাৰী সকলক Regularise কৰাৰ নিচিনা এই সমস্যাটো সমাধান কৰাৰ কথা চিন্তা কৰিবনে ?

শ্ৰীগৌতম বৰা (উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) কেৱল ১০/১২ বছৰে অমঞ্জুৰীকৃত পদত কাম কৰি থকাটো কলেজ শিক্ষক নিয়মীয়াকৰণৰ ব্যৱস্থাৰ মাপকাঠী নহয়। উচ্চ শিক্ষা বিভাগৰ স্মাৰক নং B(2) H. 97/2003/98 dated 17-7-2004 ৰ যোগেদি

অমঞ্জুৰীকৃত পদত কাম কৰি থকা কলেজ শিক্ষক সকলক উক্ত স্মাৰকৰ বিধি অনুযায়ী নিয়মীয়াকৰণৰ ব্যৱস্থা আছে। এই নিয়মীয়াকৰণ এনেধৰণৰ-

(১) অমঞ্জুৰীকৃত পদৰ বিপৰীতে কাম কৰি থকা একে বিভাগত পদ খালী হ'লে উল্লেখিত স্মাৰক মতে বিধি অনুসৰি নিয়মীয়া কৰা হয়।

(২) কলেজত কাম কৰি থকা অমঞ্জুৰীকৃত শিক্ষকৰ পদ একেখন কলেজতে অন্য বিভাগত পদ খালী হ'লে উল্লেখিত স্মাৰকৰ ব্যৱস্থা মতে নিয়মীয়াকৰণ কৰা হয়।

(৩) অন্য এখন কলেজত অমঞ্জুৰীকৃত পদত কাম কৰি থকা শিক্ষকৰ পদ অন্য এখন কলেজৰ অব্যৱহাৰিত (Unutilised) খালী পদ থাকিলে উল্লেখিত স্মাৰকত থকা বিধি অনুসৰি নিয়মীয়াকৰণৰ ব্যৱস্থা আছে।

উল্লেখিত ২ আৰু ৩ ৰ যোগেদি কৰি থকা নিয়মীয়াকৰণ উচ্চ ন্যায়ালয়ত তৰা গোচৰৰ পৰিপ্রেক্ষিতত কার্য্যকৰণৰ ব্যৱস্থা লব পৰা হোৱা নাই।

(খ) 'ক' প্রশ্নৰ উত্তৰত দিয়া হৈছে।

(গ) 'ক' প্রশ্নৰ উত্তৰত দিয়া হৈছে।

(ঘ) উচ্চ শিক্ষা বিভাগত এই সন্দর্ভত কোনো চিন্তা কৰা হোৱা নাই।

বিষয় ঃ কেৰাচিন তেলৰ ডিপো।

শ্রীলিয়াকত আলী খানে সুধিছে ঃ

৪১৪। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বর্ত্তমান অসমত কিমানটা কেৰাচিন তেলৰ ডিপো আৰু উপ-ডিপো আছে ? উক্ত ডিপো ৰৰপেটা জিলাত কিমানটা আৰু চেঙা সমষ্টিত কিমানটা

আছে ?

(খ) এই ডিপোবোৰৰ পৰা ঠিকমতে কেৰাচিন তেল বিতৰণ কৰা হয়নে ?

(গ) চেঙা সমষ্টিৰ চৰ অঞ্চলৰ সুবিধার্থে কাছুমাৰা বজাৰত এখন উপ-ডিপো দিয়াৰ ব্যৱস্থা কৰিবনে ?

ডাঃ নজৰুল ইঁছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বর্ত্তমান অসমত ৩৮৫ টা কেৰাচিন তেলৰ ডিপো আৰু ৯৫ টা উপ-ডিপো আছে। বর্ত্তমান ৰৰপেটা জিলাত ১৭ টা কেৰাচিন তেলৰ মূল ডিপো আৰু ৩৮ টা উপ-ডিপো আছে। চেঙা সমষ্টিত ৪ টা মূল ডিপো আৰু ১৩ টা উপ-ডিপো আছে।

(খ) এই ডিপো সমহৰ পৰা নীতিগত ভাবে কেৰাচিন তেল বিতৰণ হৈ আছে।

(গ) বর্ত্তমান চেঙা সমষ্টিত চৰ অঞ্চলত ৩ টা ডিপো আছে। নতুনকৈ উপ-ডিপো দিয়াৰ প্রয়োজনীয়তা বোধ কৰা হোৱা নাই।

বিষয় ঃ পৰিচালনা সমিতি অনুমোদন।

শ্রীবিনোদ গোৱালাই সুধিছে ঃ

৪১৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰঙিয়া মহকুমাৰ কৰৰাত অৱস্থিত কামৰূপা ছোৱালী কনিষ্ঠ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিখন অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে

আজি ৬ মাহে অনুমোদন নিদিয়াৰ বিষয়ে চৰকাৰ অৱগতনে ?

(খ) যদি অৱগত, তেনেহ'লে সাধাৰণ সভাই গনতান্ত্রিকভাবে গঠন কৰি দিয়া উক্ত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিখন আজিলৈ অনুমোদন নিদিয়াৰ কাৰণ কি ?

(গ) গ্রাম্যাঞ্চলৰ মহিলা উচ্চ শিক্ষাৰ অনুষ্ঠানটিৰ সামগ্রিক উন্নয়নৰ স্বার্থত চৰকাৰে পৰিচালনা সমিতিখন সোনকালে অনুমোদন জনাবনে ?

(ঘ) যদি অনুমোদন জনায়, কিমান দিনৰ ভিতৰত জনাব ?

(ঙ) উক্ত মহাবিদ্যালয় পৰিচালনা সমিতিখনৰ বিৰুদ্ধে কিবা অভিযোগ থকাটো সত্য নেকি ? যদি সত্য, কি কি অভিযোগ আছে ? (অভিযোগৰ প্রতিলিপি সদনৰ মেজত দাখিল কৰিব)

(চ) উক্ত অভিযোগৰ অনুসন্ধান কৰা হ'ল নেকি ?

(ছ) যদি কৰ হ'ল, প্রতিবেদন দাখিল কৰিব আৰু যদি কৰা নাই, কেতিয়া কৰিব, জনাব ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অৱগত।

(খ) অধ্যক্ষৰ পৰা প্রস্তাৱ পোৱা নাই।

(গ) প্রস্তাৱ পালে ব্যৱস্থা লোৱা হব।

(ঘ) 'গ' ত দিয়া হৈছে।

(ঙ) সত্য। প্রতিলিপি সংলগ্ন কৰা হ'ল।

(চ) হোৱা নাই।

(ছ) বিধিমতে পৰিচালনা সমিতি গঠনৰ প্রস্তাৱ পালে অভিযোগৰ তদন্ত কৰা হব।

বিষয় ঃ নোৱাপাৰা সূতাকলৰ অৱস্থা।

শ্রীকমল সিং নাজৰীয়ে সুধিছে ঃ

৪১৬। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বঙাইগাঁও জিলাৰ নোৱাপাৰা সূতা কলটো দীর্ঘদিনৰ পৰা বন্ধ হৈ থকা কথাটো ৰাজ্য চৰকাৰৰ অৱগতনে ?

(খ) যদি অৱগত, সূতা কলটো বর্ত্তমান কি অৱস্থাত আছে ?

(গ) সূতা কলটো আৰম্ভ কৰোতে কিমান টকা খৰছ হৈছিল আৰু কিমান জন শ্রমিকক নিযুক্তিৰ লক্ষ্যৰে উক্ত সূতা কলটো নির্মাণ কৰা হৈছিল ?

(ঘ) উক্ত সূতা কলটো আৰম্ভনিৰ কালত কিমানজন শ্রমিকক নিযুক্তি দিয়া হৈছিল ? এই শ্রমিক সকলে বর্ত্তমান কিমান টকাকৈ দৰমহা লাভ কৰি আছে ?

(ঙ) শ্রমিক সকলে কিমান দিনে দৰমহা নোপোৱাকৈ আছে আৰু সূতা কলটোত বর্ত্তমান কিমানজন শ্রমিকে কর্মৰত অৱস্থাত আছে ?

(চ) ৰাজহুৱা খণ্ডত প্রতিস্থা কৰা উদ্যোগটো ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰাৰ পিছত কি ধৰণৰ লাভ হৈছে ? (উত্তৰত তথ্য দিব)

(ছ) বন্ধ হৈ থকা কাৰখানাটো পুনৰ অধিগ্রহণ কৰি ৰাজহুৱা খণ্ডত পৰিচালনা কৰা হ'বনে ?

শ্রীপ্রদ্যুৎ বৰদলৈ (উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অৱগত।

(খ) সূতা কলটো বর্ত্তমান অসম চৰকাৰে ২৮-৬-২০০৭ তাৰিখৰ পৰা

কার্য্যকৰী হোৱাকৈ বন্ধ ঘোষণা কৰে।

(গ) ২১.৬৭ কোটি টকা। ১০৫৪ জন শ্রমিকক নিযুক্তিৰ লক্ষ্য আছিল।

(ঘ) ৭৭৬ জন। যিহেতু চৰকাৰে কলটো বন্ধ কৰিছে। শ্রমিক সকলে কোনো দৰমহা নাপায়।

(ঙ) দৰমহা নোপোৱাকৈ থকা নাই আৰু বৰ্ত্তমান কোনো নিয়মীয়া কর্মচাৰী নাই।

(চ) লাভ হোৱা নাছিল।

(ছ) বৰ্ত্তমান কোনো আঁচনি লোৱা হোৱা নাই।

বিষয় ঃ সর্বশিক্ষাৰ পাঠ্যপুথি।

ডাঃ আদিত্য লাংথাছাই সুধিছে ঃ

৪১৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ বিদ্যালয় সমূহত সর্বশিক্ষাৰ জৰিয়তে কি কি মাধ্যমৰ পাঠ্যপুথি যোগান ধৰা হয় ?

(খ) ২০০৯ শিক্ষাবর্ষৰ বাবে সকলো মাধ্যমৰ উক্ত পাঠ্যপুথি সকলো বিদ্যালয়ত এতিয়ালৈকে যোগান ধৰা হ'লনে ?

(গ) যদি সকলো পাঠ্যপুথি যোগান ধৰা হোৱা নাই, তেন্তে কি কি মাধ্যমত কোনবোৰ পাঠ্যপুথি যোগান ধৰা হোৱা নাই ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সর্বশিক্ষাৰ জৰিয়তে অসম বাজ্যিক পাঠ্যপুথি প্রনয়ন আৰু প্রকাশন

নিগম আৰু অসম ৰাষ্ট্রভাষা প্রচাৰ সমিতিৰ দ্বাৰা মুঠ ৯ টা মাধ্যমকে ধৰি ১৮ টা ভাষাত বিনামূলীয়া পাঠ্যপুথি ছপাই বিদ্যালয় সমূহত বিতৰণ কৰা হয়।

মাধ্যম সমূহ ঃ (১) অসমীয়া, (২) বঙালী, (৩) বড়ো, (৪) মনিপুৰী, (৫) মাৰ, (৬) নেপালী, (৭) গাৰো, (৮) ইংৰাজী, (৯) হিন্দী।

ভাষাৰ কিতাপ ঃ (১) মিচিং, (২) টাই, (৩) টিৱা, (৪) বিষ্ণুপ্রিয়া মনিপুৰী, (৫) ৰাভা, (৬) দেউৰী, (৭) এৰাবিক, (৮) ফার্চী, (৯) সংস্কৃত।

(খ) ২০০৯ শিক্ষা বর্ষৰ বাবে সকলো মাধ্যমৰ পাঠ্যপুথি সকলো বিদ্যালয়লৈ ইতিমধ্যে যোগান ধৰা হৈছে।

(গ) প্রশ্ন নুঠে।

বিষয় ঃ উদ্যোগ পুনৰ কার্য্যক্ষম।

শ্রীবিনন্দ কুমাৰ শইকীয়াই সুধিছে ঃ

৪১৮। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ছিপাঝাৰ বিধান সভা সমষ্টিৰ অর্ন্তগত প্রাগবচিমি চিন্থেটিক লিমিটেড নামৰ উদ্যোগটো কিমান দিনৰ পৰা বন্ধ হৈ আছে ? উক্ত উদ্যোগটো পুনৰ কার্য্যক্ষম কৰাৰ ক্ষেত্রত চৰকাৰে কি ব্যৱস্থা কৰিছে ?

(খ) উক্ত স্থানত নতুনকৈ বস্ত্রনগৰী স্থাপন কৰাৰ ব্যৱস্থা গ্রহণ কৰা হৈছে নেকি ?

(গ) যদি হৈছে, কিমান দিনৰ ভিতৰত উদ্যোগ (বস্ত্রনগৰী) ৰ কাম আৰম্ভ কৰা হব ?

শ্রীপ্রদ্যুৎ বৰদলৈ (উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ছিপাঝাৰস্থিত প্রাগবচিমি চিন্থেটিক লিমিটেড উদ্যোগটো যোৱা ২০০৬ চনৰ ফেব্রুৱাৰী মাহৰ পৰা অনিবার্য্য কাৰণত উপর্যুপৰি লোকচান ভৰি থকা কাৰণে সাময়িকভাবে বন্ধ হৈ আছে। উদ্যোগটো পুনৰ উৎপাদনক্ষম কৰিবৰ বাবে Corporate Delet Restructure (CDR) আঁচনিৰ অধীনত IDBI কে ধৰি প্রধান ঋণ যোগানকাৰী অনুস্থানৰ পৰা PBSL য়ে দিব লগা হোৱা সকলো ঋণৰ সূত মাফ আৰু মূলধনৰ বৃহৎ অংশ ৰেহাই দিয়াৰ অনুমোদন লাভ কৰা হৈছে। লগতে আৱশ্যকীয় Working Capital ৰ কাৰণে Dena Bank ৰ ওচৰত আবেদন কৰা হৈছে আৰু Dena Bank ত এই আবেদন নীতিগতভাৱে মঞ্জুৰ কৰিছে। CDR আঁচনিৰ প্রস্তাৱ কার্য্যকৰীকৰণৰ অর্থে Standard Chartered Bank Alternative Investment Group ক Strategic Investor ৰূপে লোৱাৰ ব্যৱস্থা কৰা হৈছে। বাকী ঋণ প্রদানৰ অনুস্থাপন পৰা CDR প্রস্তাৱৰ অনুমোদন পালেই Strategic Investor ৰে Working Capital Margin আৰু Restarting Expense ৰ বাবদ দৰকাৰ হোৱা ধনৰ যোগান ধৰিব। উদ্যোগটো সোনকালে উৎপাদনক্ষম কৰি তোলাৰ সন্দর্ভত ৰাজ্য চৰকাৰৰ তৰফৰ পৰা নিয়মিত Monitoring কৰি থকা হৈছে আৰু উদ্যোগীক উন্নয়ন নিগমৰ জৰিয়তে এইক্ষেত্রত আৱশ্যকীয় সহায় সহযোগ আগবঢ়াই থকা হৈছে।

(খ) প্রাগবচিমি চিন্থেটিক লিমিটেডৰ তৰফৰ পৰা উদ্যোগটোৰ পৰি থকা অতিৰিক্ত মাটিখিনিত এখন বস্ত্র উদ্যান (Textile Park) স্থাপন কৰাৰ প্রস্তাৱ চৰকাৰে গ্রহণ কছে।

(গ) বস্ত্র উদ্যান প্রকল্পটো এতিয়াও প্রাৰম্ভিক পর্য্যায়তে আছে। Detail

Project Report খন ভাৰত চৰকাৰৰ বস্ত্র উদ্যোগ মন্ত্রালয়ৰ অনুমোদন হোৱাৰ লগে লগে এই প্রকল্পৰ কাম আৰম্ভ হব।

বিষয় ঃ বাংলা মাধ্যমের হাইস্কুল।

শ্রীসুশীল দত্তই সুধিছে ঃ

৪১৯। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করে জানাবেন কি ঃ

(ক) ব্রহ্মপুত্র উপত্যকায় প্রাদেশীকৃত বাংলা মাধ্যমের হাইস্কুলে অসমীয়া, বাঙালী এবং অন্যান্য ভাষা-ভাষী মোট শিক্ষকের সংখ্যা ক'ত ? (নামেৰ তালিকা সদনে পেশ করবেন)

(খ) ব্রহ্মপুত্র উপত্যকায় সমস্ত প্রাদেশীকৃত বিদ্যালয়ে বাংলাভাষী শিক্ষকের মোট সংখ্যা ক'ত ? (নামের তালিকা সদনে পেশ করবেন)

(গ) অসমীয়া মাধ্যমের বিদ্যলয় গুলিতে বাংলাভাষী শিক্ষকের মোট সংখ্যা ক'ত ? (নামের তালিকা সদনে পেশ করবেন)

(ঘ) ব্রহ্মপুত্র উপত্যকায় প্রাদেশীকৃত বাংলা মাধ্যমের হাইস্কুল গুলিতে শুধই বাংলাভাষী শিক্ষক নিয়োগের ব্যাপারে সরকার কিছু ভাবছে কি ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বর্ত্তমানলৈ পোৱা তথ্যমতে (৮ খন জিলাৰ পৰা) বঙালী মাধ্যমৰ উচ্চ বিদ্যালয়ৰ মুঠ সংখ্যা ২৮ খন আৰু এই বিদ্যালয় কেইখনত শিক্ষকৰ সংখ্যা ৫০৮ জন। (তালিকা 'ক' সদনৰ মেজত দিয়া হ'ল)

(খ) ৮ খন জিলাৰ পৰা পোৱা তথ্যমতে মুঠ শিক্ষকৰ সংখ্যা ৪৪৮ জন।

(তালিকা 'ক' সদনৰ মেজত দিয়া হ'ল)

(গ) ৮ খন জিলাৰ পৰা পোৱা তথ্যমতে বঙালী শিক্ষকৰ সংখ্যা মুঠ ১২০ জন। (তালিকা 'ক' সদনৰ মেজত দিয়া হ'ল)

(ঘ) সাধাৰণ নিযুক্তিৰ লগতে কৰা হ'ব।

বিষয় ঃ শিক্ষক নিযুক্তি।

শ্রীআব্দুল হাই নাগৰিয়ে সুধিছে ঃ

৪২০। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বঙাইগাঁও জিলাৰ লগতে অসম ৰাজ্যখনত এল. পি., এম. ই., এম. ই. এম., হাইস্কুল, হায়াৰ চেকেণ্ডাৰী স্কুলৰ কিমান সংখ্যক শিক্ষকৰ পদ খালী হৈ আছে ? (বেলেগে বেলেগে জনাব)

(খ) বঙাইগাঁও জিলাৰ লগতে ৰাজ্যখনত কিমানখন প্রাথমিক বিদ্যলয়ত এজনীয়া শিক্ষক আছে ?

(গ) প্রাথমিক বিদ্যালয়ৰ এজনীয়া শিক্ষকৰ কিমানজনে অহা তিনিমাহৰ ভিতৰত অৱসৰ গ্রহণ কৰিব ?

(ঘ) শিক্ষক শূন্য হ'বলগা প্রাথমিক বিদ্যালয়ৰ শিক্ষক আৰু এম. ই., এম. ই. এম., হাইস্কুল আৰু হায়াৰ চেকেণ্ডাৰী স্কুলৰ খালী হৈ থকা শিক্ষকৰ পদত নিযুক্তিৰ বাবে কি ব্যৱস্থা চৰকাৰে গ্রহণ কৰিছে ?

শ্রীগৌতম বৰা (শিক্ষ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ১৭,৬৫০ টা। (প্রাথমিক বিদ্যালয়ত- ৮৪৯১ টা, এম. ই. এম.- ৪৬৪৯ টা, হাইস্কুলত আৰু হায়াৰ চেকেণ্ডাৰীত ৪৬১০ টা) ইয়াৰে বঙাইগাঁও জিলাত

প্রাথমিক বিদ্যালয়ত- ১৩৬ টা, এম.ই.এম.ত- ১০৭ টা আৰু হাইস্কুল আৰু হায়াৰ চেকেণ্ডাৰীত- ৯৯ টা।

(খ) বঙাইগাঁও জিলাৰ লগতে ৰাজ্যখনত মুঠ ৬৫১৭ খন প্রাথমিক বিদ্যালয়ত এজনীয়া শিক্ষক আছে। ইয়াৰে ১২৮ খন বঙাইগাঁও জিলাৰ অর্ন্তগত।

(গ) বঙাইগাঁও জিলাৰ পৰা পোৱা তথ্যমতে অহা তিনিমাহৰ ভিতৰত অৱসৰ হ'ব লগা প্রাথমিক শিক্ষক এজনো নাই।

(ঘ) প্রক্রিয়া আৰম্ভ কৰা হৈছে।

বিষয় ঃ খালী পদৰ সংখ্যা।

শ্রীমোবাৰক আলী পাঠানে সুধিছে ঃ

৪২১। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৮৩ নং ধিং বিধান সভা সমষ্টিৰ বিভিন্ন শিক্ষা অনুষ্ঠানত বহুতো শিক্ষকৰ পদ খালী হৈ থকাটো চৰকাৰ জ্ঞাতনে ?

(খ) উক্ত সমষ্টিৰ বিভিন্ন শিক্ষানুষ্ঠানত কিমান সংখ্যক শিক্ষকৰ পদ খালী হৈ আছে ? (শিক্ষানুষ্ঠানৰ নাম আৰু শিক্ষক পদৰ সংখ্যাৰ তালিকা সহ সদনৰ মেজত দাখিল কৰিব)

(গ) উক্ত খালী হৈ থকা শিক্ষক পদ সমূহ পূৰণৰ কিবা ব্যৱস্থা লৈছেনে ? যদি লৈছে, তেন্তে কি ধৰণৰ ব্যৱস্থা লোৱা হৈছে ? (বিতং ভাৱে জনাব)।

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, জ্ঞাত।

(খ) ধিং বিধান সভা সমষ্টিৰ শিক্ষকৰ খালী পদৰ সংখ্যা এনেধৰণৰ-

১) নিম্ন প্ৰাথমিক বিদ্যালয়ত- ১৫ টা।

২) উচ্চ প্ৰাথমিক বিদ্যালয়ত- ১২ টা।

৩) উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত-২১ টা।

(প্ৰধান শিক্ষক সকলক সামৰি) তালিকা পৰিশিষ্ট 'ক' ত দিয়া হ'ল।

(গ) হয়, লোৱা হৈছে।

বিষয় ঃ আঁচনিৰ কাম-কাজ।

শ্ৰীপ্ৰদীপ হাজৰিকাই সুধিছে ঃ

৪২২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সৰ্বশিক্ষা আঁচনিৰ অধীনত এতিয়ালৈকে অসমত কিমান টকা খৰছ কৰা হ'ল ?

(খ) কিমান স্কুল ঘৰ নিৰ্মাণ কৰি উলিওৱা হ'ল ?

(গ) কিমান স্কুল ঘৰ নিৰ্মাণ কৰিবলৈ বাকী আছে ?

(ঘ) স্কুলঘৰ নিৰ্মাণ কৰাৰ আগতে প্ৰাক্‌কলন প্ৰস্তুত কৰি বিজ্ঞানসন্মত ভাবে স্কুল ঘৰবিলাক নিৰ্মাণ কৰা হৈছেনে ?

(ঙ) নিৰ্মিত ঘৰ বিলাকৰ কাম-কাজ পৰ্য্যবেক্ষন কৰাৰ ব্যৱস্থা কৰা হৈছে নে ?

(চ) শিৱসাগৰ জিলাত বৰ্ত্তমানলৈকে কিমান স্কুল ঘৰ নিৰ্মাণ কৰা হ'ল ?

(ছ) কিমান নিৰ্মাণ কৰিবলৈ বাকী আছে ?

(জ) সৰ্বশিক্ষা আঁচনিখন অসমত আৰু কিমান দিন চলি থাকিব ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমানলৈ ২২৭৬৩১.০৫ লাখ (দুই হাজাৰ দুশ ছয়সত্তৰ কোটি একত্রিশ লাখ পাঁচ হাজাৰ) টকা খৰছ কৰা হৈছে।

(খ) এতিয়ালৈকে স্কুল ঘৰ নোহোৱা আৰু জৰাজীর্ণ স্কুল ঘৰৰ সলনি মুঠ ৭১৩২ টা নতুন স্কুল ঘৰ নির্মাণ আৰু ৪০৫৮৩ টা স্কুলৰ অতিৰিক্ত শ্রেণীকোঠা নির্মাণ কৰি উলিওৱা হৈছে।

(গ) আঁচনিত নিৰ্দ্ধাৰিত সকলো স্কুল ঘৰ আৰু অতিৰিক্ত শ্রেণীকোঠাৰ নির্মাণ কার্য্য প্রায় সম্পূর্ণ হৈছে। চলিত বিত্তীয় বর্ষত ৩৪৫৫ টা অতিৰিক্ত শ্রেণীকোঠাৰ নির্মাণ আৰু ১৫২১ টা EGS কেন্দ্রৰ পৰা উন্নীত হব লগা প্রাথমিক বিদ্যালয়ৰ নতুন গৃহ নির্মাণৰ প্রস্তাৱ আছে।

(ঘ) হৈছে।

(ঙ) হৈছে।

(চ) বৰ্ত্তমানলৈ ৩১৩ টা নতুন স্কুল ঘৰ আৰু ২০১১ টা অতিৰিক্ত শ্রেণীকোঠা নির্মাণ কৰা হৈছে।

(ছ) বাকী নাই।

(জ) কেন্দ্রীয় চৰকাৰৰ আঁচনি মতে ২০১০-২০১১ বর্ষলৈকে সর্বশিক্ষা আঁচনি অসমত চলিব।

POINT OF ORDER

*** শ্রীচন্দ্রমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, পইণ্ট অৱ অর্ডাৰ। মই চৰকাৰৰ এটা কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো দৈনিক জনমভূমি কাকতৰ এটা নিউজৰ প্রতি। নিউজটোৰ কেপচনত আছে "গগৈ চৰকাৰৰ গুৰুত্বপূর্ণ

---

* Speech not corrected

পদবীত বাংলাদেশী নাগৰিক"। শিলচৰ মহকুমা অনুসূচীত জাতি কল্যান পৰিষদৰ অধ্যক্ষ সূৰ্য্যকান্ত চৰকাৰৰ ঘৰ বাংলাদেশৰ কিশোৰগঞ্জত। গতিকে চৰকাৰ বাংলাদেশী হয় নে নহয় চৰকাৰৰ পৰা এটা বিবৃতি বিচাৰিছো।

⁂ **শ্রীমতী প্রমিলা ৰাণী ব্রহ্ম (কৃষি মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো আমি চাম।

VOTING ON DEMANDS FOR GRANTS

মাননীয় অধ্যক্ষ ঃ আইটেম নং ২, গ্রাণ্ট নং ৬২। এতিয়া বিদ্যুৎ বিভাগৰ মন্ত্রীয়ে কব।

⁂ **শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যোৱাকালি কর্ত্তন প্রস্তাৱৰ ওপৰত উত্তৰ দিছিলো। আৰু এই 'ঘ' উত্তৰৰ সময়ত বিভাগটোৰ সমস্যাৰ কথা কৈছিলো। বিদ্যুৎ সংকট অসমত আছে। এই সংকট দূৰ কৰাৰ কাৰণে অহৰহ চেষ্টা চলাই থকা হৈছে। মই কব বিচাৰিছো আমি বিশেষকৈ অসম চৰকাৰে জলবিদ্যুৎ উৎপাদন কেন্দ্ৰৰ লগতে তাপ বিদ্যুৎ কেন্দ্ৰটো বেছি গুৰুত্ব দিছো। সেই কাৰণে অতিৰিক্ত ভাবে আমি কেনেকৈ তাপ বিদ্যুৎ কেন্দ্ৰ স্থাপন কৰিব পাৰো তাৰ কাৰণে গেছ আৰু কয়লা লিংকেজ স্থাপন কৰিবলৈ চেষ্টা কৰিছো। এইটো জনাবলৈ পাই সুখী হৈছো যে মন্দাকিনী কয়লা ব্লক তিনি ঠাইত স্থাপন হব। ত্রিপুৰা, উৰিষ্যা, মেঘালয়, অসম এই চাৰিখন ৰাজ্যত যৌথভাবে কয়লা আহৰণৰ দায়িত্ব দিছে। আৰু আমি যুটীয়া ভাবে প্রকল্প স্থাপন কৰিবৰ কাৰণে অসম চৰকাৰ আগবাঢ়িছে। বঙাইগাঁওৰ

⁂ Speech not corrected

থাৰমেল প্ৰজেক্ট, লাকুৱাৰ তাপ বিদ্যুৎ প্ৰকল্প ৰূপায়ন হোৱাটো বিচাৰিছে। এতিয়া বিদ্যুৎ নাটনি পূৰণ কৰিবৰ কাৰণে অসম চৰকাৰে চেষ্টা কৰি আছে। বিদ্যুৎ চাহিদা দিনক দিনে বাঢ়ি গৈছে। ২০০০ চনত ৪৮০ মেগাৱাট আছিল। এতিয়া আমাক ১০০০ মেগাৱাট শক্তিৰ বিদ্যুৎ দৰকাৰ হয়। লাকুৱাৰ থাৰমেল প্ৰজেক্ট ৩৪ মেগাৱাট কার্য্যক্ষম কৰিব লাগিব। নামৰূপটো এটা প্ৰকল্পৰ কাম আগবাঢ়িছে। গতিকে আমি পূৰণ কৰিবলৈ সক্ষম হৈছো। তাৰ পৰিপ্ৰেক্ষিতত আমাৰ উৎসৰ পৰা শক্তি আহৰণ কৰিবৰ কাৰণে পৰিকল্পিত ভাবে চেষ্টা কৰিছো। ইয়াৰ ফলত এণ্ট্রি, পি, চি, আৰ. ঘাঁহে গাঁওত দ্বিতীয় প্ৰকল্পৰ কাম আৰম্ভ হৈছে।

মাননীয় অধ্যক্ষ ঃ আপোনালোকে উত্তৰটো শুনিলে ভাল হয়, যিহেতু আপোনালোকে ভাষণত ভাগ লৈছে।

* **শ্ৰীফনীভূষণ চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিবিলাকে বিতর্কত ভাগ লোৱা নাই সেই সকলে শুনিব নালাগে নেকি ?
(সদনত গণ্ডগোল)

* **শ্ৰীকাৰ্ত্তিক সেনা সিনহা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক হাইডেল প্ৰজেক্ট আছে সেইবিলাক ফৰেষ্ট এৰিয়াতে বেছিকৈ আছে।

মাননীয় অধ্যক্ষ ঃ আপোনালোকে এনেকুৱা কৰি থাকিলে মন্ত্ৰীয়ে অহা কালিও উত্তৰ শেষ কৰিব নোৱাৰিব।

* **শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্দাকিনী কয়লা

---

* Speech not corrected

ব্লকৰ জৰিয়তে উৰিষ্যা ৰাজ্যৰ লগত যুটীয়া কৰি অসমৰ বিদ্যুতৰ চাহিদা পুৰনৰ চেষ্টা কৰা হব। ১৫০০ মেগাৱাট পাৱাৰ প্ৰজেক্টৰ পৰা গ্ৰীডৰ যোগেদি অসমলৈ সৰবৰাহ কৰাৰ ব্যৱস্থা কৰা হব। কাৰণ আমাৰ গ্ৰীডৰ যোগেদি অনাৰ সুবিধা আছে। ঘাহেগাঁওৰ পৰা অসমলৈ অতিৰিক্ত ১২৫ মেগাৱাট পোৱা গৈছে। অসমৰ যিবিলাক উদ্যোগ আছে তাৰ কিছুমানৰ নিজা কেপেটিভ পাৱাৰ আছে। কয়লা ব্লকৰ পৰা ৩০০ নিযুত মেট্ৰিক টন বিদ্যুত উৎপাদন হব। যিবিলাক উদ্যোগৰ কেপেটিভ পাৱাৰ নিজা আছে। সেই বিলাকৰ ভিতৰত ডিগবৈ ৰিফাইনেৰিৰ পৰা ৬ মেগাৱাট, নুমলীগড় ৰিফাইনেৰিৰ পৰা ৩০ মেগাৱাট পাৱাৰৰ বাবে চেষ্টা কৰা হৈছে। এই ক্ষেত্ৰত তেওঁলোকৰ মেনেজিং ডাইৰেক্তৰৰ লগত আমাৰ এ. এচ. ই. বি. ৰ চেয়াৰমেনে আলোচনা কৰিছে। সেইদৰে দুলিয়াজান, নামৰূপৰ কেপেটিভ পাৱাৰৰ পৰা এ. এচ. ই. বি.য়ে পাৱাৰ অনাৰ আলোচনা বিলোচনা ইতিমধ্যে আৰম্ভ কৰিছে। এটা কথা ঠিক যে আমাৰ মাননীয় সদস্য সকলে বিদ্যুতৰ সংকটৰ কথা উপস্থাপন কৰিছে, সেইটো সচাঁ কথা। হয়, আমাৰ চাহিদাতকৈ বহুতো বিদ্যুতৰ সংকট হৈছে। আমি ইয়াক মোচনৰ কাৰণে চেষ্টা কৰি আছে। এই বিদ্যুৎ সংকট অকল আমাৰ অসম ৰাজ্যখনতে হোৱা নাই। এই সংকট গোটেই ভাৰতবৰ্ষতে হৈছে। এসময়ৰ ভাৰতবৰ্ষৰ বিদ্যুতৰ ৰাহি ৰাজ্য পাঞ্জাব আৰু পশ্চিমবঙ্গটো লডচেডিং হৈছে। কেন্দ্ৰীয় চৰকাৰৰ এখন বুলেটিনতে এই কথাখিনি ওলাই পৰিছে। এই বুলেটিনৰ পৰা মই অকনমান পঢ়ি দিছো। এই বুলেটিন মতে আমাৰ ৰাজধানী দিল্লীতে ৩৬০০ নাটনি- ২০০০ মেগাৱাট। হাৰিয়ানাত ৮৪৪ মেগাৱাট। হিমাচল প্ৰদেশত জলবিদ্যুৎ প্ৰকল্প আছে তাৰ ওপৰত নিৰ্ভৰশীল সেই ৰাজ্যতে ২০০ মেগাৱাট কমিছে। তেনেকৈ ইউ.পি.ত কমিছে, গুজৰাটত কমিছে বিদ্যুৎ উৎপাদন। মধ্যপ্ৰদেশত ১৪০০, মহাৰাষ্ট্ৰত ৪৪০০,

উন্নত ৰাজ্য অন্ধ্রপ্রদেশত ১২০০। তেনেকৈ আগতে আমি বিদ্যুৎ অনা ৰাজ্য যি বিদ্যুৎ ৰাহি কৰে তাতো ১০% নাটনি হৈছে। অসমত আগতে নাটনিৰ পৰা সাৰিবলৈ কেন্দ্রীয় চৰকাৰে বিদ্যুৎ দিছিলে। কিন্তু এইবাৰ গোটেই দেশতে বিদ্যুৎ সংকট ঘনীভূত হৈছে। গতিকে বিদ্যুতৰ সংকট হৈছে। কিন্তু সেই বুলি আমি হাত সাবতি বহি থকা নাই। এই সংকট জোৰা মৰাৰ বাবে চেষ্টা অব্যাহত ৰাখিছো। আমাৰ দেশত বৰষুনৰ পৰিমাণ যথেষ্ট কমি গৈছে। তাৰ প্রভাৱ জলবিদ্যুৎ প্রকল্পৰ ওপৰতো পৰিছে। মার্চতে পানী শুকাই গৈছে। আমাৰ মেট্র'লজিকেল ডিপার্টমেণ্টৰ তথ্য অনুযায়ী ২০০৮ ৰ জানুৱাৰী মাহত বৰষুনৰ পৰিমাণ আছিল ১৭০ চেণ্টিমিটাৰ, ২০০৯ ত ১৪৩ চেণ্টিমিটাৰ হ'ল। ফেব্রুৱাৰী ২০০৮ ত আছিল ১৩০, ২০০৯ ৰ ফেব্রুৱাৰীত হ'ল ৮৭। মার্চ ২০০৮ ত আছিল ৮৭ চেঃ মিঃ। মার্চ ২০০৯ ত হ'ল ৮১, এপ্রিল ২০০৯ ত ১৩৮ চেঃ মিঃ ২০৯৯ ত ৯০ চেঃ মিঃ। মেত ১৫৩ চেঃ মিঃ। ২০০৮ ৰ জুলাইত বৰষুনৰ পৰিমান আছিল ২২১ আৰু ২০০৯ ৰ ১২ জুলাইত বৰষুনৰ পৰিমান হ'ল ১২৫ চেঃ মিঃ। ইয়াৰ পৰা দেখা যায় বৰষুনৰ পৰিমান কেনেদৰে কমি আহিছে। ইয়াৰ ফল সকলোতে পৰিছে। বিশেষকৈ জলবিদ্যুৎ প্রকল্পবোৰৰ ওপৰত। চৰ্চত পানী নোহোৱাৰ বাবে কিছুমান প্রকল্পৰ উৎপাদন কমি গৈছে। কিছুমান বন্ধ হৈ গৈছে। ফলত বিদ্যুৎ উৎপাদন কমি গৈ দেশত, ৰাজ্যত বিদ্যুতৰ নাটনি হৈছে। চাহিদাও বিদ্যুতৰ বাঢ়িছে। কেন্দ্রীয় চৰকাৰে ইতিমধ্যে ২৫ মেগাৱাট দিয়াৰ বাবে কথা কৈছে। আমিও নিজৰ যিবিলাক প্রকল্প আছে যেনে লাকুৱা, কঠালগুৰি আদি উৎপাদনৰ বাবে কার্য্যকৰী কৰিবলৈ আমি চেষ্টা অব্যাহত ৰাখিছোঁ। আমাৰ প্রচেষ্টা অব্যাহত থাকিব। যোৱা দুটা দিন ধৰি এই বিদ্যুৎ বিভাগৰ ওপৰত মাননীয় সদস্য সকলে বহুতো আলোচনা পৰামর্শ দিছে। মই বিদ্যুৎ

সংকট দূৰ কৰাৰ বাবে সকলো প্ৰকাৰে চেষ্টা অব্যাহত ৰাখিছো। সদনত মোৰ ভাতৃপ্ৰতীম মাননীয় সদস্য ভুবন পেগুৰে সুন্দৰ দৰকাৰী কথা কৈছে। অৰুণাচলৰ বৃহৎ জলবিদ্যুৎ প্ৰকল্পৰ ফলত অসমত কি লাভ হব, ইয়াৰ ফলত অৰুণাচলৰ নামনি অঞ্চলৰ কি অৱস্থা হব ? অসমৰ গাঁও-ভূঁইত পানীয়ে কি ৰূপ ধাৰণ কৰিব ? হয়, আমাৰ চৰকাৰো এই ক্ষেত্ৰত সচেতন। নামনি শোৱনশিৰি প্ৰকল্পৰ জৰিয়তে ২০০০ মেগাৱাট উৎপাদন হব। ইয়াৰ পৰা অসমে ৭০৯ মেগাৱাট পাব। কিন্তু ইয়াৰ কাৰণ এইটো নহয় যে আমি আমাৰ অসমৰ প্ৰকল্পৰ নামনি অংশৰ লোকক বিপদত পেলাব দিম। এই ক্ষেত্ৰত আমি সচেতন আৰু সকলো ধৰণৰ উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিম।

* **শ্ৰীপ্ৰদীপ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে, যিটো কেনেৰু কোম্পানীৰ কথা কোৱা হৈছে, সেই কোম্পানীটোৰ বিত্তীয় অৱস্থা ভাল নহয়। তেওঁলোকে ৬ মাহ ধৰি কাম বন্ধ কৰি ৰাখিছে আৰু কৰ্মচাৰী কামৰ পৰা আঁতৰাই দিছে। সেই কাৰণে যিটো আলোচনা বিলোচনা কৰি থকা হৈছে, এই আলোচনা বিলোচনা চলাই থকা আজি প্ৰায় এবছৰেই হ'ল। কিন্তু এতিয়ালৈকে কোনো ধৰণৰ ফল ধৰা নাই। গতিকে সেইটোকে লৈ নাথাকি অলটাৰনেটিভ কিবা ব্যৱস্থা ললে ভাল হ'ব নেকি ?

* **শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (শক্তিমন্ত্ৰী) ঃ** মই লণ্ডনৰ কথা কৈ আছিলো আৰু তেখেতে বাইহাটা চাৰিআলিৰ কথা কলে। মই ডাঙৰ বান্ধৰ কথা কব বিচাৰিছো। অসমৰ চৰকাৰৰ যিটো স্থিতি সেইটো মই আপোনালোকক অৱগত কৰিব বিচাৰিছো।

---

* Speech not corrected

✳ **শ্রীচন্দ্রমোহন পাটোৱাৰী ঃ** আপুনি যিটো কথা কৈছে যে, মই লণ্ডনৰ কথা কৈ আছিলো আৰু তেখেতে বাইহাটা চাৰিআলিৰ কথা ক'লে। এইটো কথা ভালকৈ বুজাই দিয়ক। বিধায়ক গৰাকীয়ে তেখেতৰ সমষ্টি আমগুৰিৰ কথা কৈছে।

✳ **শ্রীপদ্যুৎ বৰদলৈ (শক্তিমন্ত্রী) ঃ** মই যিটো কথা কৈছো তেখেতে বুজি পাইছে।

✳ **শ্রীচন্দ্রমোহন পাটোৱাৰী ঃ** কেনেৰু কোম্পানীৰ হেড অফিচ কানাডাতহে আছে।

শ্রীপ্রদীপ হাজৰিকা ঃ মাননীয় অধ্যক্ষ মহোদয়, বাহৰ বান্ধ দি অৰুণাচলত যিটো পৰিকল্প কৰি আছে তাৰ পৰা বিপদ আহিব। It is a serious matter. এই কাৰণেই মই এইটো দৃষ্টিগোচৰ কৰিলো।

✳ **শ্রীপদ্যুৎ বৰদলৈ (শক্তি মন্ত্রী) ঃ** জলবিদ্যুৎ উৎপাদন কেন্দ্রই হওঁক বা তাপবিদ্যুৎ উৎপাদন কেন্দ্রই হওঁক আমি যিকোনো প্রকল্পৰ কাম কৰিবলৈ লোৱাৰ আগতে কেন্দ্রীয় পৰিবেশ মন্ত্রনালয়ৰ পৰা অনুমতি লব লাগে। অনুমতি প্রদান কৰাৰ আগতে বিশেষজ্ঞই এটা এনালাইজ কৰে। এইটো কৰোতে তেওঁলোকে ১০/১৫ কিলোমিটাৰ ব্যাসার্ধ সামৰি লয়। পৰিবেশ দূষিত হ'বনে নাই সেই কথাবিলাক বিশেষজ্ঞ সকলে এনালাইজ কৰে। সেই অথৰিটিৰ পৰা অনুমোদন পোৱাৰ পিছতহে কেন্দ্রীয় চৰকাৰে অনুমোদন দিয়ে। এই ক্ষেত্রত অৰুণাচল প্রদেশে গাইগুটীয়া ভাবে অনুমতি পাইছে।

✳ Speech not corrected

তেওঁলোকে ১৪৬ টা প্ৰকল্প কৰিবলৈ প্ৰচেষ্টা চলাইছে। তাৰ ফলত ওচৰৰ অঞ্চলত কিবা বিৰূপ প্ৰভাৱ পৰিব নেকি সেই কথাটো পৰীক্ষা-নিৰীক্ষা কৰি চাব লাগিব। এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ ফালৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ শক্তি মন্ত্ৰনালয়ক এটা হিউমেনেটিভ কমপ্ৰিহেনচিভ ষ্টাডি কৰিব লাগিব বুলি কৈছে। আমাৰ মাজতো যিকোনো প্ৰজেক্ট হ'লে এনেকুৱা অপপ্ৰচাৰ চলাই। তাৰ বাস্তৱ স্থিতি কি সেইটোহে আচল কথা। যিকোনো প্ৰকল্পত অনুমোদন জনোৱাৰ আগতে পুংখানুপুংখ ভাবে পৰীক্ষা কৰি চোৱা হয়। নামনি সোৱনশিৰি প্ৰকল্পৰ উচ্চতা কমাই অনা হ'ল। তাত যিবিলাক সাৱধানতা অৱলম্বন কৰিব লাগে সেই সাৱধানতা অৱলম্বন কৰিছে বুলি কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট মন্ত্ৰনালয়ৰ পৰা জনাইছে। বিভিন্ন যিবিলাক চৰকাৰী এজেন্সী আছে সেই এজেন্সীবোৰে সঠিক ভাবে চোৱা চিতা কৰাৰ পিছতহে প্ৰকল্প বিলাকক অনুমোদন জনায়। নামনি সোৱনশিৰি প্ৰকল্পত অনুমোদন জনোৱাৰ খৱৰ পোৱাৰ পিছত তাত জলবোমা হ'ব আৰু সেই জলবোমা ফুটি পানী ওলাই আহিব বুলি প্ৰচাৰ কৰি দিয়া হ'ল। চীনে তেওঁলোকৰ এখন নদীৰ পৰা ৬৫ হেজাৰ মেগাৱাট জলবিদ্যুৎ প্ৰকল্পৰ তিনিটা পৰ্য্যায়ত উৎপাদন আৰম্ভ কৰিবলৈ লৈছে। এই প্ৰকল্পটো কৰোতে তাত বিপদৰ কবা সম্ভাৱনা আছে নেকি সেইবিলাক তেওঁলোকে চালিজাৰি চাইছে। সেই গোটেই কাম বিলাক তাত বিজ্ঞান সন্মত ভাবে কৰা হৈছে। মইও আমাৰ ইয়াৰ মানুহৰ মৰ্মবেদনা বুজি পাইছো। প্ৰকল্পটোত পানী আহিলেই উটুৱাই লৈ যাব- এনেকুৱা ধৰণৰ আশংকাৰ ভাব থাকিব পাৰে। এনেকুৱা ধৰণৰ যাতে বিপদ নহয় তাৰ কাৰণে বিজ্ঞান সন্মত ভাবে ব্যৱস্থা লোৱা হৈছে নে নাই সেইটো চাব লাগিব। আমাক পাৱাৰ লাগিব।

* শ্ৰীৰাজীৱলোচন পেগু ঃ চাৰ, মানুহবোৰ আতংকিত হোৱাৰ কাৰণ আছে।

---

* Speech not corrected

১৯৫০ চনৰ ভূমিকম্পৰ ফলত গেৰুকামুখৰ ওপৰ ভাগত পাহাৰ খহি কেইবাদিনো সোৱনশিৰি নদীখন বন্ধ হৈ আছিল। পাচত যেতিয়া হঠাৎ খোল খায় সোৱনশিৰিৰ পাৰৰ বহুত কৃষি ভূমি মৰুভূমিত পৰিণত হৈছিল আৰু বহুতো মানুহ প্ৰলয়ংকাৰী বানত মৃত্যু হৈছিল। এতিয়া মোৰ কবলগীয়া কথাটো হৈছে যে, এই বান্ধৰ ফলত সোৱনশিৰি নদীৰ পানী খৰালি মাহত বহুত তললৈ নামি যাব আৰু বাৰিষা কালত বাৰিষাই হৈ থাকিব। বানপানী প্ৰতিৰোধ নহয়। গতিকে পৰিবেশৰ ক্ষেত্ৰত সমস্যা হ'ব। গতিকে আমি পৰিবেশৰ লগত ফেচ কৰিব পৰাকৈ বাৰিষা পানীৰ লেভেল কমোৱা আৰু খৰালি পানী যাতে বেছিকৈ থাকে সেই কথাটো চাব লাগিব। বিপদটো হোৱাৰ আগতে আমি বিপদ মুক্ত হোৱাটো বিচাৰো।

মাননীয় অধ্যক্ষ ঃ এই কথাটো আপুনি কালিয়েই কব লাগিছিল।

* **শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি তেওঁলোকক মাতি আনিছো। ইয়াত যিসকল আছে সংগঠনে বাছি দিয়া এক্সপার্ট মানুহ। তেওঁলোকে ষ্টাফক সুবিধা কৰি দিয়ে। কমিটিৰ দ্বাৰা যেতিয়া মিটিং খন হৈছিল তেতিয়া প্ৰাথমিক ৰিপোৰ্ট দিছিল যদিও প্ৰকৃত তথ্যৰে সৈতে হিচাব দিব পৰা নাই। এক্সপার্ট কমিটিখনে স্পষ্টভাবে কব পৰা নাই। সংগঠনৰ ৰিপোৰ্টৰ ওপৰত আমি আকাংশা প্ৰকাশ কৰিছো। অৰুণাচলত এটা ডাঙৰ প্ৰজেক্ট নিৰ্মাণ কৰিছে। এইটো কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দ্দেশত হৈছে, সেইকাৰণে আমি ৰাজ্য চৰকাৰৰ ফালৰ পৰা বন্ধ কৰিব নোৱাৰো। মই নিজেও কেন্দ্ৰীয় শক্তি মন্ত্ৰী চিন্ধী ডাঙৰীয়াক আৰু পাৱাৰ বিভাগৰ চেক্ৰেটাৰীক লগ ধৰি কৈছো। তেখেত সকলে বেলেগে চেক কৰক। অধ্যয়ন কৰক আৰু আমাক

---

* Speech not corrected

জনাওক। এইটো আমাৰ অসম চৰকাৰৰ স্পষ্ট কথা। আমাক ৭০০ মেগাৱাট পাৱাৰ দৰকাৰ যদিও আমি ইয়াত ইমান পাৱাৰ উৎপাদন কৰিবলৈ প্ৰস্তুত নহওঁ। কেন্দ্ৰীয় চৰকাৰৰ প্ৰজেক্ট আমি বন্ধ কৰিব নোৱাৰো। গতিকে আমি তেওঁলোকক সকিয়াই দিছো যে এক্সপাৰ্ট কমিটিয়ে যিটো ৰিপোৰ্ট দিছে সেইটো বিজ্ঞান সন্মতভাবে কৰি ৰিপোৰ্ট দিয়া দৰকাৰ।

* **শ্ৰীভুৱন পেগু ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে অৰুণাচল চৰকাৰক প্ৰজেক্টৰ কাৰণে অনুমতি দিছেই। সেই প্ৰজেক্টটো বন্ধ কৰিব পাৰিব বুলি আমি আশা কৰা নাই। থলুৱা কমিটিয়ে ৰিপোৰ্ট এটা দিছে।

মাননীয় অধ্যক্ষ ঃ (মাইকটো বন্ধ কৰি দিয়ক)।

* **Shri Bhuban Pegu :** Hon'ble Speaker Sir, as per advice of Assam Government National Hydro power Corporation (NHPC) has constituted an Expert Comittee with the expert of Gauhati University, Dibrugarh University and I.I.T. Gauhati to study the likely devastation which may be caused by discharge of water from Lower Subasiri Dam.

The Expert Committee has submitted a Preliminary report which suggests halting the further construction of Dam till certain investigations are lavied out. The said report has been forwarded to Govt. of

---

* Speech not corrected

India for necessary action. Assam Goverment also is asking for a comprehensive study on downstream ill effects if any.

আমাৰ ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপ লব বুলি কয়, কিন্তু 'ন' এইটো হবলৈ দিব নোৱাৰি। অৰুণাচলৰ পানী নামি অহাৰ ফলত অসমৰ কেইখনমান জিলা নিঃশেষ হৈ যাব বুলি ডিব্ৰুগড় ইউনিভাৰচিটি, গুৱাহাটী ইউনিভাৰচিটি আৰু আই. আই. টি. গুৱাহাটী ইষ্টিটিউটে কৈছে আৰু আশংকা প্ৰকাশ কৰিছে। গতিকে আমাৰ থলুৱা কমিটিৰ ওপৰতহে বিশ্বাস আছে।

✳ **শ্ৰীমতী সুমিত্ৰা পাতিৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ...

মাননীয় অধ্যক্ষ ঃ আপুনি প্ৰশ্নোত্তৰ কালত কব লাগিছিল। এইটো চাপলিমেৰটাৰী কুৱেচন। আগতে কিয় নকলে ?

✳ **শ্ৰীমতী সুমিত্ৰা পাতিৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে প্ৰজেক্টৰ কথা কৈছে, ইয়াৰ ফলত আমাৰ ৰাইজৰ আশংকা হৈছে। যোৱা ১৯৫০ চনত যি প্ৰাকৃতিক দুৰ্য্যোগ হৈছিল ঠিক সেইদৰে এইবাৰো অৰুণাচলৰ বানপানীয়ে প্ৰলয়ৰ সৃষ্টি কৰিব আৰু এজনো মানুহ বাছি নাথাকিব। ৰঙানদী খহনীয়া আৰম্ভ হৈছে আৰু বান্ধবিলাকৰ অৱস্থা শোচনীয় হৈছে। অসমখন বাছি থাকিবলৈ হ'লে ৰাইজৰ বেছি প্ৰয়োজন।

✳ **শ্ৰীঘন বুঢ়াগোঁহাই ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টোৰ ওপৰত গভীৰ

✳ Speech not corrected

পর্য্যালোচনা কৰিব লাগে আৰু উচ্চ পর্য্যায়ৰ সদন কমিটি গঠন কৰিব লাগে। প্রজেক্ট বিলাকে ভয়াবহ সমস্যা সৃষ্টি কৰিছে। অৰুণাচল প্রদেশে বাৰিষা কালত পানী ধৰি ৰাখিব, খৰালি কালতো পানী ধৰি ৰাখিব, যেতিয়াই মন যায় তেতিয়াই পানী এৰি দিব। সেই পানী অসমলৈ নামি আহি সমস্যাৰ সৃষ্টি কৰে। বাৰিষা বা খৰাং বতৰত যিবোৰ উদ্ভিদ সৃষ্টি হয় সেইবোৰৰ অৱস্থা কি হব ? উদ্ভিদবোৰ ক্রমান্নয়ে নাইকীয়া হৈ যাব। নিপকোৱে পানী যধে-মধে এৰি দিয়াৰ ফলত বিপর্য্যয় হৈছে। সেইকাৰণে মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো এই ক্ষেত্রত এখন উচ্চ পর্য্যায়ৰ সদন কমিটি গঠন কৰিব লাগে।

মাননীয় অধ্যক্ষ ঃ যোৱা কালিয়ে মই সুধিছিলো আপোনালোকৰ আৰু কিবা কবলগীয়া আছে নেকি ? ২-৩ বাৰ সোধা হৈছিল, তেতিয়া একো নকলে। এতিয়া মন্ত্রীয়ে উত্তৰ দিবলৈ ধৰিছে। মন্ত্রীয়ে উত্তৰ দিছে দুই মিনিট আৰু আপোনালোকে কয় দহ মিনিট।

* **শ্রীভুৱন পেগু ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে দিয়া উত্তৰত আমি সন্তুষ্ট নহওঁ।

* **শ্রীচন্দ্রমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে দিয়া উত্তৰত আমাৰ সদস্য সকলক সন্তুষ্ট কৰিব পৰা নাই। কাৰণ প্রতিজন বিধায়কৰ আশংকা হৈছে কি হব ? ৰঙানদীত থকা শ্লুইচ গেটখন যেতিয়া খুলি দিয়ে পানীৰে ওপচি পৰে। ফলত গোটেই অঞ্চল বিধস্ত হৈ গৈছে। আমাৰ মাননীয় সদস্য সকলে কৈছে যে গুৱাহাটী ইউনিভাৰচিটি, ডিব্রুগড়

* Speech not corrected

ইউনিভাৰচিটি আৰু গুৱাহাটী আই. আই. টি.ৰ এক্সপার্ট সকল আছে। তেখেত সকলক লৈ থলুৱা কমিটি গঠন কৰি বিষয়টো পর্য্যালোচনা কৰি ৰিপোর্ট দাখিল কৰিব লাগে। নিপকোৱে নিজৰ স্বার্থৰ কাৰণে কাম কৰিব। ধেমাজী, লক্ষীমপুৰ বা চিলাপথাৰ ৰাইজৰ স্বার্থত কাম নকৰে। মাননীয় সদস্য সকলে নিজৰ মতে কমিটি চিলেকচন কৰি দিয়ক আৰু তদন্ত কৰক।

মাননীয় অধ্যক্ষ মহোদয়, আজি অৰুণাচল চৰকাৰে যিখিনি কৰি আছে তাৰ বিষয়ে সুধিলে মন্ত্রী মহোদয়ে কব যে আমি কি কৰিম। গতিকে এনেধৰণৰ ৰিপ্লাই হব নোৱাৰে। গতিকে সদন কমিটি এখন গঠন কৰিব লাগে। নহলে আমাৰ সমগ্র উত্তৰ অঞ্চল বিধস্ত হৈ যাব আৰু এই কথাটোকে আমাৰ মাননীয় বিধায়ক সকলে আশংকা প্রকাশ কৰিছে।

⁂ **শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি চৰকাৰৰ ফালৰ পৰা এটা কথা কব পাৰো যে যদি পবিত্র সদনে সদন কমিটি গঠন কৰি দিয়ে তেতিয়াহ'লে আমি নিশ্চয় আদৰিম। ইয়াত চৰকাৰৰ ফালৰ পৰা কোনো আপত্তি নাই। আমি মাত্র এটা কথা কৈছো যে এইবোৰ বিজ্ঞান সন্মতভাবে অধ্যয়ন কৰা দৰকাৰ। কিবা এটা আবেগিকভাবে কৈ দিলে নহব। আজি অৰণাচলে যিবলাক পাৱাৰ প্রজেক্ট কৰিছে তাত আমি আপত্তি কৰিছো। কাৰণ তাত কোনো ৰিজার্ভাৰ নাথাকে। ৰাণ অৱ দি ৰিজার্ভ প্রজেক্ট কৰিলে আমাৰ কোনো আপত্তি নাই। কাৰণ তাৰ পৰা কোনো আশংকা নাই। বৃহৎ বান্ধৰ ক্ষেত্রত আমিও বিৰোধী। কিন্তু এইবিলাক কথা বিজ্ঞান সন্মত সত্যতা আছে নে নাই সেইটো চাব লাগিব।

⁂ **শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী বিশ্ববিদ্যালয়,

---

⁂ Speech not corrected

ডিব্রুগড় বিশ্ববিদ্যালয় আৰু গুৱাহাটী আই, আই, টি, য়ে যিটো ৰিপোর্ট দিছে সেইটো আবেগিক নেকি ?

* **শ্রীভূৱন পেগু ঃ** অধ্যক্ষ মহোদয়, আমি আবেগিক হব পাৰো, কিন্তু ৰিপোর্টটো আবেগিক হব নোৱাৰে।

* **শ্রীপদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ** তাত ষ্ট্রাকচাৰেল এক্সপার্ট নাথাকে।

* **শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা ঃ** যদি ষ্ট্রাকচাৰেল এক্সপার্ট নাছিল, তেনেহ'লে আপোনালোকে ষ্ট্রাকচাৰেল এক্সপার্ট দিব লাগিছিল।

* **শ্রীপদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, আমি এটা কথা কব বিচাৰিছো যে আমি ৰিপোর্ট লঘু কৰিব বিচৰা নাই। তেওঁলোকে এই ৰিপোর্টটো প্রাথমিকভাবে দিছে। ফুল ৰিপোর্ট দিয়া নাই। আমি এইটো কেন্দ্রীয় চৰকাৰক দিছো। কাৰণ এই কমিটি আমিও কৰি দিয়া নাই। আগতে কেন্দ্রীয় চৰকাৰে বিশ্লেষণ কৰক আৰু তাৰ পিচতহে আমি ব্যৱস্থা লম।

* **শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি আমাৰ মাননীয় সদস্য পেগু ডাঙৰীয়াই আমাৰ মন্ত্রী মহোদয়ক কামৰ মানুহ বুলি কৈছিল। কিন্তু তেখেতে আজি শংকাবোধ কৰিছে। গতিকে আমি কৈছো যে যিটো এক্সপার্ট কমিটিৰ ৰিপোর্ট সেই ৰিপোর্টৰ প্রতি অসম চৰকাৰে গুৰুত্ব দিয়া নাই।

মাননীয় অধ্যক্ষ ঃ This is very grave. Is it the way ? মন্ত্রী

---

* Speech not corrected

মহোদয়ে উত্তৰ দি আছে। গতিকে আপোনালোক বহক।

* **শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী)** ঃ ছাৰ, আমি কোৱা কথাটো যদি তেওঁলোকে বেলেগ মিনিং উলিয়াই আমি নাজানো। আমি ৰিপোৰ্ট লঘু কৰা নাই। আমি কৈছো যে এইটো আগতে ভালকৈ অধ্যয়ন হওঁক। আমি কিবা ভুল কৈছো নেকি ? আমাৰ কথাটো হ'ল আমি বৃহৎ বান্ধ বিচৰা নাই। ৰাণ অৱ দি ৰিভাৰ প্ৰজেক্ট হ'লে আমাৰ আপত্তি নাই। অধ্যক্ষ মহোদয়, অৰুণাচল চৰকাৰৰ লগতো যুটীয়া বৈঠক হৈছে। তেতিয়া আমি এটা কথা কৈছো যে যিবিলাক নতুন প্ৰজেক্ট হব তাত অসমৰ যি ৰিৰ্জাভেচন আছে সেইটো বিজ্ঞান সন্মতভাবে চাব লাগিব। আমাৰ সাধাৰণ ৰাইজৰ কোনো ক্ষতি নোহোৱাকৈ যদি ভাৰত চৰকাৰে কোনো পাৱাৰ প্ৰজেক্ট কৰে, তেতিয়া তাত আমাৰ আপত্তি নাই।

অধ্যক্ষ মহোদয়, আমি আগেয়ে কৈছো যে উত্তৰ পূৰ্বাঞ্চলত যেতিয়াই শক্তি উৎপাদন কেন্দ্ৰ স্থাপন হব তাৰ দ্বাৰা আমাৰ চাহিদা পূৰণ হব লাগিব। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে যিবিলাক পৰিকল্পনা লৈছে সেই পৰিকল্পনা সমূহৰ ক্ষেত্ৰত আমাৰ উত্তৰ পূৰ্বাঞ্চলৰ যি শক্তি ফৰাম আছে আমি ফৰামৰ ফালৰ পৰা কেন্দ্ৰীয় চৰকাৰক এটা কথাই কৈছো যে উত্তৰ পূৰ্বাঞ্চলৰ চাহিদা পূৰণ কৰাৰ পিছতহে আপোনালোকে বাহিৰলৈ লৈ যাব পাৰিব।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ভূৱন পেগু ডাঙৰীয়াই যিটো কথা কৈছে, তেখেতে অসমত একো উদ্যোগ বিচৰা নাই। আজি আমাৰ ৰাজ্যখনত ২২ লাখ নিবনুৱা আছে। অকল কৃষিৰ ওপৰত আমি বাট চাই থাকিলে নহব।

* **শ্ৰীভূৱন পেগু** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসমত উদ্যোগ বিচৰা নাই

---

* Speech not corrected

বুলি কোৱা নাই। অসমৰ ক্ষেত্ৰত যিবিলাক উপযোগী হব সেইবিলাক উদ্যোগ হব লাগে। অসমত উদ্যোগ নীতি লাগে।

✳ **শ্ৰীপদ্যুৎ বৰদলৈ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, চিমেণ্টৰ ক্ষেত্ৰত লাফাৰজ চিমেণ্টটো মই নিজে উত্তৰাখণ্ডৰ কাৰখানালৈ গৈ চাই আহিছো। কিছুমান চিষ্টেম থাকে, টেকনলজি থাকে। মই কৈছো আজি আধুনিক টেকনলজিৰ জৰিয়তে প্ৰদূষণ নিয়ন্ত্ৰণ হ'ব। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক সকলে যন্ত্ৰপাতিৰ ব্যৱস্থাৰ কথা কৈছে। নুৰুল হুচেইন ডাঙৰীয়াই কৈছে, ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াই কৈছে। বিদ্যুতৰ ক্ষেত্ৰত সংস্কাৰ কৰিবলৈ আমি টকা পইচা খৰছ কৰিছো। মাননীয় বিৰোধী দলৰ দলপতি যোৱাকালি নাছিল। প্ৰত্যেকটো প্ৰজেক্ট তেওঁলোকৰ দিনত বন্ধ হৈ গৈছে।

✳ **শ্ৰীপ্ৰদীপ হাজৰিকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই এটা কথা জানিব বিচাৰিছো যে চালাকাটি প্ৰজেক্ট, চন্দ্ৰপুৰ প্ৰজেক্ট, নামৰূপ প্ৰজেক্ট এইকেইটা কেতিয়া স্থাপতি হৈছিল, ডেটবিলাক মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে।

✳ **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৮ ত আমি শক্তিখণ্ডৰ কাৰণে লোন লোৱা নাই। চন্দ্ৰপুৰ থাৰ্মেল প্ৰজেক্টৰ কথা মই কব খুজিছো। এই সম্পৰ্কে মোৰ হাতত যথেষ্ট পৰিমানে তথ্যপাতি আছে। এই তথ্যপাতি প্ৰকাশ কৰিলে আপুনি বৰ লাজ পাব। মোৰ দ্বিতীয় কথাটো হ'ল মাননীয় মন্ত্ৰী মহোদয়ে যোৱাকালি যি বক্তব্য ৰাখিছে, দিল্লীত নদী আছে নেকি, গুজৰাটত নদী আছে নেকি, হাইডেল প্ৰজেক্ট আছে নেকি ? আপুনি কৈছে গছ ৰুই ফল নহওঁতেই যদি পানী উঠাই সাগৰত পেলাই দিয়ে

✳ Speech not corrected

তেতিয়াহ'লে কেনেকৈ হ'ব। আজি ফল নোহোৱাকৈ গছ এডাল ৰুই লাভ নাই। মাননীয় মন্ত্রী মহোদয়ৰ উত্তৰটোত আমি মুঠেই সন্তুষ্ট নহয়। যদি সদন কমিটি এখন দিয়ে তেতিয়াহ'লে আমি সকলোৱে সন্তুষ্ট হম। তেতিয়া মাননীয় মন্ত্রী মহোদয়ে উত্তৰ নিদিলেও হ'ব। যিটো সময়ত আমাৰ গুৱাহাটীত এটা কুৱাটো পানী নাই। সেই সময়ত মাননীয় মন্ত্রী মহোদয় চাইনালৈ গৈছে। ইয়াত চাইনা বান্ধৰ কথা কৈ লাভ নাই।

✳ **শ্রীৰমেন্দ্র নাৰায়ন কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দুটা কথা কৈছো। প্রথম কথা হ'ল ডিজিটেল মিটাৰ ক্রয় কৰাৰ ক্ষেত্রত দূর্নীতি এটা হৈছে। এই কথাটো মই উল্লেখ কৰিছিলো। প্রথম অৱস্থাত ডিজিটেল মিটাৰ ক্রয় কৰা হৈছিল ২০০০ টকাত। কিন্তু মাননীয় চি. কে. দাস অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ অধ্যক্ষ হৈ অহাৰ পিচত ডিজিটেল মিটাৰ ১১০০ টকাকৈ ক্রয় কৰা হৈছিল। এই দামৰ পার্থক্যটো কিয় হ'ল। দ্বিতীয়তে, কার্বি আংলঙত জালিয়াতি কৰি পেলাই .....

মাননীয় অধ্যক্ষ ঃ আপুনি আপোনাৰ এই কথাবিলাক যোৱাকালি কৈছে, তেতিয়া মাননীয় মন্ত্রী মহোদয়ে গোটেই কথাবিলাক নোট কৰি গৈছে। এতিয়া তেখেতে চিচষ্টেমেটিকেলি এটা পইণ্টৰ পিচত এটা পইণ্টৰ উত্তৰ দি আছে। আপুনি পৰিপুৰক প্রশ্ন সোধাৰ নিচিনাকৈ তেখেতক ডিচটার্ব দি থাকিলে নহব।

✳ **শ্রীপ্রদ্যুৎ ববদলৈ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত আজি পাৱাৰ প্রজেক্ট কৰিবলৈ ভালেমান বছৰৰ দৰকাৰ হয়। বহুতো থার্মেল প্রজেক্ট বন্ধ হৈ গৈছে। তাৰ বিপৰীতে আমি নতুন পদক্ষেপ লৈছো। আমি কাম কৰিবলৈ চেষ্টা কৰিছো। প্রডাকচন বঢ়াব লাগিব। প্রডাকচনৰ ওপৰত আমি গুৰুত্ব

✳ Speech not corrected

দিছো। কার্বি-লাংপি প্রজেক্ট ইমান দিনে পৰি আছিল। আমাৰ চৰকাৰ অহাৰ পিচত পাৱাৰ ফাইনেন্সৰ পৰা পইচা আনি এবছৰৰ ভিতৰত সম্পূর্ণ কৰিছো।

✳ **শ্রীচন্দ্রমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে সদনক মিচলেট কৰিছে। সেই সময়ত হাইক'র্ট চলি আছিল কাৰণে কৰিব পৰা নাই।

✳ **ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলপতি গৰাকীয়ে যিটো কথা কৈছে, সেইটো নহয়। এ.জি.পি.ৰ দিনত কার্বি-লাংপিৰ কাৰণে গেমনক মাহে এক কোটি টকা দিছিল যদিও কাম হোৱা নাছিল। আমাৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ে ক'লে যে ৩০-৪০ কোটি টকা একেলগে দিলে কামটো সোনকালে হব। মাননীয় হিতেন গোস্বামী ডাঙৰীয়া শক্তিমন্ত্রী হৈ থাকোতেই এই প্রজেক্টটোৰ কাম আৰম্ভ হৈছিল। মাহে এক কোটি টকা দিছিল। এতিয়া আমি একেলগে ইমান মানি দিছো। সেইকাৰণে এতিয়া কামটো হৈছে।

✳ **শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ** এইটো অকল ফাইনেন্সৰ কাৰণে নহয়, হাইক'র্টৰ কেছৰ কাৰণে হৈছে। অসমৰ যি মাটিৰ পজিশ্যন ডাঙৰ ডাঙৰ ডেমবোৰে আমাৰ যথেষ্ট ক্ষতি কৰিছে। বিদ্যুৎ উৎপাদন হৈছে কিন্তু অসম লাভবান হোৱা নাই। আমাৰ বিধায়ক সকলে তেওঁলোকৰ ক্ষোভ ইয়াত প্রকাশ কৰিছে। ৰঙানদী প্রজেক্ট নহয়, সোৱনশিৰি প্রজেক্টে নগাঁও, মৰিগাঁও আদিত এফেক্ট কৰিছে, পানী এৰি দিয়াৰ কাৰণে। গতিকে বিজ্ঞান সন্মত ভাবে এখন দেশৰ লগত আমাৰ অসমখন তুলনা কৰাটো সম্ভৰ নহয়। সেই কাৰণে এখন হাউচ কমিটি গঠন কৰিব লাগে। হাউচ কমিটিয়ে তদন্ত কৰি যি প্রতিবেদন দাখিল

✳ Speech not corrected

কৰিব তাৰ ওপৰত ব্যৱস্থা লব বুলি আমি আশা ৰাখিছো। জাগিৰোড পেপাৰ মিলটো বহুত প্রদূষণ হৈ আছে।

মাননীয় অধ্যক্ষ মহোদয়, চাইনাত যিকেইটা প্রকল্প বনাইছে, সেইকেইটা আমাৰ অসম বা অৰুণাচলত হব নোৱাৰে। শক্তি মন্ত্রীয়ে এইটো ভালদৰে চোৱা উচিত। ২০১২ চনত চাইনাই নর্থ ইষ্ট আক্রমণ কৰিব বুলি খবৰ ওলাইছে। এইবিলাক কথা এনাকৈ চিচ কৰাটো দৰকাৰ। আমাৰ পাৱাৰ প্রজেক্ট বঢ়াব লাগে। সৰু সৰু নদীবোৰৰ পৰা জলবিদ্যুৎ উৎপাদনৰ ব্যৱস্থা কৰা উচিত। ইটোৱে সিটোক আক্রমণ কৰি থাকিলে নহব। সদনে এখন হাউচ কমিটি বিচাৰিছে। গতিকে অধ্যক্ষ মহোদয়, এই ক্ষেত্রত এখন হাউচ কমিটি গঠন কৰি দিব লাগে।

✳ **ডঃ হিমন্ত বিশ্ব শর্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় প্রাক্তন মুখ্যমন্ত্রী মহন্ত ডাঙৰীয়াই যিটো কথা কৈছে, সেইটো এটা ইম্প্রেচন হব নালাগে। আমাৰ কংগ্রেছ দলৰ বিধায়ক সকলে হাউচ কমিটি বিছৰা নাই। আমাৰ শক্তি মন্ত্রী ডাঙৰীয়াই নিজেইটো কব নোৱাৰে যে অমুক অমুকক লৈ মই হাউচ কমিটি গঠন কৰিম। মাননীয় অধ্যক্ষ মহোদয়ে যদি হাউচ কমিটি দিয়ে আমাৰ আপত্তি নাই।

✳ **শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সংবর্দ্ধনৰ কথাটোত কৈছো যিটো চিষ্টেম আছে ট্রেন্সমিশ্বন আৰু ডিষ্ট্রিবিউচন চিষ্টেম, ২০০৫ চনত এইটো আছিল মাত্র ৫ হাজাৰ। আমি উৎপাদনৰ ওপৰত প্রায়ৰিটি দিব লাগিব। এই চিষ্টেমটো আপগ্রেড কৰিব লাগিব। আমি এ. ডি. বি.ৰ পৰা টকা লৈ এই চিষ্টেমটো উন্নত কৰিব বিচাৰিছো। মাননীয় সদস্য ৰমেন কলিতা ডাঙৰীয়াই কৈছে যে ডিজিটেল মিটাৰ কিয় দিলে ? আমাৰ

✳ Speech not corrected

যিটো ট্রেন্সমিশ্বন লাইন ইয়াত কোনো চার্কিট ব্রেকাৰ নাই। সেইকাৰণে ডেৰগাঁওত যদি কৰবাত লাইন যায়, সেইটো ঠিক কৰিবলৈ গোটেই ডেৰগাঁও টাউনতে লাইন বন্ধ কৰি লব লাগিব। এতিয়া চার্কিট ব্রেকাৰ অসমৰ কৰণে কিনা হৈছে। ইয়াৰ লগত জৰিত আনুষংগিক যন্ত্র কিনা হৈছে, আৰু ডিজিটেল মিটাৰো কিনা হৈছে। এই সম্পর্কত ইমান অপপ্রচাৰ হৈছে, আমাৰ স্বনামধন্য বুদ্ধিজীৰি সকলেও নানা কথা কৈছে। আমাৰ আগৰ যি ইলেক্ট মেগনেটিক মিটাৰ আছিলে সেইবোৰে বেছি কাম নকৰে। ডিজিটেল মিটাৰ প্রথম লগাওতে এবাৰ বোমাৰ নিচিনাকৈ ফাটে বুলি অপপ্রচাৰ ওলাইছিল। এতিয়া শতকৰা ৪০ ভাগ লোকৰ ঘৰতে ডিজিটেল মিটাৰ লগাইছে। মাননীয় সদস্য কলিতা ডাঙৰীয়াই কৈছে যে চি. কে. দাস ডাঙৰীয়া, অসম বিদ্যুৎ পৰিষদৰ অধ্যক্ষ আছিল, তেওঁৰ দিনত ডিজিটেল মিটাৰৰ দাম কম আছিল আৰু আগতে বেছি আছিল। কথাটো সেইটো নহয়, চি. কে. দাস ডাঙৰীয়া নিকা চৰিত্রৰ আৰু আগতে আছিল সুভাষ দাস ডাঙৰীয়া, তেওঁ তেন্তে নিকা নহয় বুলি তেখেতে বুজাব খুজিছিল নেকি ? টাটা গ্লোবেল টেণ্ডাৰ হৈছিলে। সেই সময়ত আমি হোৱাইট পেপাৰ হাউচত দাখিল কৰিছিলো। তিনি বছৰ আগতে ডিজিটেল মিটাৰ কিনাৰ ক্ষেত্রত ইণ্টাৰনেশ্যনেল নিগচিয়েশ্যন এ.ডি. বি. য়ে নিজে কৰিছিল। এইবোৰ টেকনলজিৰ কাৰণে তেতিয়াৰ দাম বেছি আছিল। তিনি বছৰ পিচত কমিবও পাৰে। হোৱাইট পেপাৰ পিচত সকলোৱে মানি লৈছে।

(Hon'ble Speaker vacated the Chair and Hon'ble Deputy Speaker occupied the Chair.)

* **শ্রীৰমেন্দ্র নাৰায়ন কলিতা ঃ** ডিজিটেল মিটাৰ ক্রয় কৰা হৈছিল প্রথম

---

* Speech not corrected

অৱস্থাত ২০০০ টকাত এইটো কণ্টিনিউৱাচ প্ৰচেচ। পিচত ১১০০ টকাত কিনিলে। কম্পেনী একেটাই। সেয়ে দামৰ তাৰতম্য ঘটিছে। উপাধ্যক্ষা মহোদয়া, এইবোৰ যদি ক্লিয়াৰ নহয় ইয়াৰ এটা সুদূৰ প্ৰসাৰী প্ৰভাৱ পৰিব।

* **শ্ৰীপদ্যুৎ বৰদলৈ (মন্ত্ৰী) ঃ** উপাধ্যক্ষা মহোদয়া, তেখেতে যিটো কথা কৈছে সেইটো সত্য নহয়। ২০০৫ চনত ১৮০০ কিমান টকা আছিল। এ. ডি. বি.ৰ বেলেগ টেণ্ডাৰ হোৱাৰ পিচত সেইটো কমি যাব পাৰে।

* **শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, বেলেগ কম্পেনী হ'লে বেলেগ কথা। এইটো একেটা কম্পেনীয়েই। ইমান তাৰতম্য হব নোৱাৰে।

শ্ৰীপদ্যুৎ বৰদলৈ (মন্ত্ৰী) ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতাই সকলো জানে, তথাপিও তেখেতে একে হব নোৱাৰে বুলি কৈছে। তিনি বছৰ পিচত দাম কমিব পাৰে। দুই হাজাৰ টকাৰ ভিতৰত চাৰকিউট ব্ৰেকাৰ আছিল। হাউচক বিপথে পৰিচালিত কৰা উচিত নহয়। এইটো সত্য অসত্য কথা নহয়।

* **শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, মই সুভাষ দাসক অসত্য বুলি কোৱা নাই। ডিজিটেল মিটাৰ দুই হেজাৰ বুলি কৈছে, তাৰ পিচত কম আছে, কথাটো স্পষ্ট নহয়।**

* **শ্ৰীমহিবুল হক ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, আজিকালি নকিয়া মোবাইল ফোনৰ দামো কমি গৈছে।

---

* Speech not corrected

✳ **শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ** উপাধ্যক্ষা ডাঙৰীয়ানী, মাননীয় সদস্যই বুজিও নুবুজাৰ ভাঁও ধৰিলে উপাই নাই। তাত চাৰকিউট সোমাই আছে। কেৰিং কেপাচিটি আগতে আছিল ৫৫০ মেগাৰাট। বৰ্ত্তমান হৈছে ৪৮০ মেগাৰাট। জি. টি. কথা কোৱা হৈছে, সেইটো এ. এচ. ই. বি. লৈ পঠোৱা হৈছে। তেওঁলোকে প্ৰিলিমিনাৰী এচেচমেণ্ট কৰিছিল। তেওঁলোকে টেণ্ডাৰ দিছিল। টেক্স লোড কৰি দিয়া নাছিল। সেই কাৰণে কাৰ্বি আংলঙত পেকেজত এইটো হ'ল।

✳ **শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ** উপাধ্যক্ষা মহোদয়া, মই তথ্য সহকাৰে কৈছো। ৮৮ কোটি ৯৩ লাখ আছিল। পিছত ৮৫ কোটি ৯১ লাখ হ'ল, এইটো কেনেকৈ হ'ল ? এইটো একে থাকিব লাগিছিল। ইয়াত তিনি কোটিৰ টেণ্ডাৰ দিছিল। কমিটি এখন কৰি দিছিল। ৬ জনৰ ভিতৰত ৪ জনৰ চহী নাই।

✳ **শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ** উপাধ্যক্ষা ডাঙৰীয়ানী, যিহেতু মই কমিটি গঠন কৰি দিয়া নাছিলো, সেই হেতুকে এই বিষয়ে মই নাজানো।

✳ **শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা ঃ** উপাধ্যক্ষা মহোদয়া, তেখেত পাৱাৰ মিনিষ্টাৰ, তেখেতে নাজানো বুলি ক'লে কেনেকৈ হ্ব ?

✳ **শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ** উপাধ্যক্ষা মহোদয়া, এ. এচ. ই. বি. অট'নোমাচ বডি। ইয়াত আমাৰ কোনো দখল নাথাকে। আমি প'লিচি কৰো, এ. এচ. ই. বি.ৰ ফাইল মন্ত্রীলৈ নাহে। দ্বিতীয়তে এ. এচ. ই. বি. In the said package M/S G. E. Power Ltd. was actually found to be L2

✳ Speech not corrected

Lower level functionaries in the ASEB had done a wrong calculation by not loading tax properly. The wrong calculation was discovered at the meeting of Technical Committee and accordingly the work allotted to L 1 contractor. The award was done after approval of the Rural Electrification Corporation.

* **শ্রীচন্দ্রমোহন পাটোৱাৰী ঃ** উপাধ্যক্ষা ডাঙৰীয়ানী, তিনিখন নিবিদা দিয়া হ'ল। টেণ্ডাৰত তিনিজনৰ চহী আছে। দুজন অফিচাৰৰ চহী আছে, বাকী বিলাকৰ নাই। মন্ত্রী ডাঙৰীয়াই ঠিকেই কৈছে, তেখেতে নাজানো বুলি কৈছে, তেখেতে অফিচেলী নাজানে, আনঅফিচিয়েলিও নাজানে। এই কথাটো তদন্ত কৰি ব্যৱস্থা লোৱা হব বুলি তেখেতে কিয় নকয় ?

* **শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ** উপাধ্যক্ষা ডাঙৰীয়ানী, এই বিষয়ে চৰকাৰৰ ফালৰ পৰা তদন্ত কৰি ব্যৱস্থা লোৱা হব।

উপাধ্যক্ষা ডাঙৰীয়ানী, কোন কোন গাঁওত কি কি কাম হব তাৰ হিচাব দাখিল কৰা হৈছে। প্রায় বিলাক গাঁওত কাম আৰম্ভ হৈছে। দুই এখন গাঁওত হোৱা নাই, যি বেংক দ্রাফট দিয়া হৈছে, সেইটো ভুল হৈছে, তেওঁলোকে কোৰ্টলৈ গৈছে। নগাঁওত এনেকুৱা হৈছে। কেইখনমান জিলাত বেছিকৈ কাম হৈছে। গোৱালপাৰা, কাছাৰত বেছিকৈ হৈছে। প্রায় ৮০ শতাংশ কাম হৈছে। আৱাচীক চীফ কো-অর্ডিনেটৰ হিচাবে নিয়োগ কৰা হৈছে। এতিয়া কাম আগবাঢ়ি গৈছে। যিবিলাকত কৰিব পৰা নাই চেকেণ্ড ফেজত কৰা হব।

---

* Speech not corrected

✳ **শ্রীৰমেন্দ্র নাৰায়ন কলিতা ঃ** উপাধ্যক্ষা ডাঙৰীয়ানী, ২০৮৬ টা পৰিয়ালৰ এতিয়া ৩০০ টা পৰিয়ালক দিয়া হৈছে।

✳ **শ্রীপ্রদ্যুৎ ৰৱদলৈ (মন্ত্রী) ঃ** উপাধ্যক্ষা ডাঙৰীয়ানী, ডি. চি.ৰ পৰা ৰিপোর্ট বিচৰা হৈছিল, তেওঁলোকৰ পৰা ব্যাখ্যা বিচৰা হৈছে, তেওঁলোকে ৰিপোর্ট দিছে। দুখীয়া মানুহ হিচাবে কিছুমান গাঁওত চলাৰ দিয়া হৈছিল। বিশেষকৈ চৰ এলেকাত দিয়া হৈছিল। চলাৰ দিয়াৰ পিচত দুখীয়া মানুহে বিক্রী কৰিছে, কোনোবাৰ ছোৱালীৰ বিয়া হ'লেও বিক্রী কৰে। এই বিষয়ে মাননীয় বিধায়ক সকলে কব পাৰিব। নগাঁওত কার্য্যক্ষেত্রত এনেকুৱা হৈছে।

✳ **শ্রীপ্রদ্যুৎ ৰৱদলৈ ঃ** মাননীয়া অধ্যক্ষা মহোদয়া, মই এ. এচ. ই. বি.ৰ পৰা ব্যাখ্যা বিচাৰিছো। তেওঁলোকে ব্যাখ্যা দিছে।

(Hon'ble Deputy Speaker vacated the Chair and Hon'ble Speaker occupied the Chair.)

✳ **শ্রীৰমেন্দ্র নাৰায়ন কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ডি. চি. য়ে যিটো ৰিপোর্ট দিছে, তেতিয়াহ'লে সেইটো ভুল হব লাগিব। ডি. চি. য়ে দিয়া ৰিপোর্টো মই পঢ়ি দিছো। In Dhubri district although 2086 Nos. of Solar Home Lighting System have been sanctioned, it is found that only 302 families have got the same.

✳ **শ্রীপ্রদ্যুৎ ৰৱদলৈ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অস্বীকাৰ কৰা নাই। এ. এচ. ই. বি. ৰ ৰিপোর্টিত কৈছে In Dhubri district 2086

✳ Speech not corrected

nos. of Solar Home Lighting System have been sanctioned for installation in 7 (seven) nos. of Remote villages. M/S TATA BP Solar India Ltd. has been allotted the works of supply, installation and commissioning of full 2086 nos. of system. The Firm has supplied the full quantity of systems. After report of completion of installation of the system, on field verification it was found that, all the systems are not available at beneficiaries house. The matter is under sub-judice at Gauhati High Court. পেমেণ্ট বন্ধ কৰি থৈছে। হাইকোর্টৰ বিচাৰত এইটো ওলাব।

মাননীয় অধ্যক্ষ মহোদয়, এ. এচ. ই. বি.ৰ ক্ষেত্ৰত পাৰদর্শিতা আনিবৰ কাৰণে তেওঁলোকক নিজা পাৱাৰ দৰকাৰ। সেয়েহে সেই সুবিধাটো তেওঁলোকক দিয়া হৈছে।

*** শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো ৰিপোর্ট সেই ৰিপোর্ট মতে তথ্য ভিত্তিক একচন কিয় লোৱা হোৱা নাই।

*** শ্ৰীপদ্যুৎ বৰদলৈ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো একচন হৈছে, তেওঁলোকৰ পেমেণ্ট বন্ধ কৰি দিয়া হৈছে। তেওঁলোকক পেমেণ্ট দিয়া নাই।

*** শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০০৬ টা পৰিয়ালৰ ভিতৰত কিমানক দিয়া হ'ল সেইটো ফিজিকেল ভেৰিফিকেচন হোৱা নাই।

---

* Speech not corrected

সেইটোত এ. এচ. ই. বি.ৰ কি একচন হ'ল।

⁂ **শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এ. এচ. ই. বি. য়ে নিজাববীয়াকৈ কি লৈছে মই নাজানো। তাৰ ৰিপোর্ট মই বিচাৰিম। এ. এচ. ই. বি.ৰ অভিযন্তা সকলৰ কার্য্যকাল ৫৪ বছৰ। এতিয়া নতুনকৈ কোনো ৰিক্রুইটমেণ্ট হোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, এতিয়া সংশোধন কৰিব বিচৰা নাই। অৱশ্যে এতিয়া যিখিনি সহায়ক লোৱা হৈছে সেইখিনি আই. টি. আই.ৰ ডিপ্লোমাধাৰী। এ. এচ. ই. বি.ৰ ক্ষেত্রত পদক্ষেপ লোৱা হৈছে। এতিয়া ৫০ শতাংশৰ পৰা কমি কমি ৩৬ শতাংশ হৈছে। ৩০ শতাংশলৈ কমাই অনাৰ চেষ্টা কৰা হৈছে। চৰকাৰৰ ফালৰ পৰা পদক্ষেপ হাতত লোৱা হৈছে। প্রকল্প বিলাকত বিনিয়োগ কৰিব লগা আছে। প্রকল্প বিলাক যাতে আগবাঢ়ি যায় তাৰ কাৰণে চেষ্টা অব্যাহত ৰখা হৈছে। তাৰ কাৰণে আমি মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ ওচৰতো যাম। মই আমাৰ মাননীয় বিধায়ক সকলক অনুৰোধ জনাইছো যাতে এই কর্ত্তণ প্রস্তাৱটো উঠাই লয়। যিহেতুকে বিদ্যুৎ বিভাগৰ আর্থিক অৱস্থা বেয়া। যোৱাৰাৰ চি. এ. স্কীমৰ পৰা বাজেটত পইচা ধৰা আছিল, কিন্তু বাজেট বিভাগে নিদিলে। এইবাৰ আমি বাজেট বিভাগৰ পৰা পইচা লৈ কামবোৰ কৰাৰ কাৰণে তৎপৰ হ'ম।

⁂ **শ্রীচন্দ্রমোহন পাটোৱাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি যিটো সদন কমিটি গঠন কৰাৰ কথাটো বিচাৰিছিলো সেইটো কি হব আমাক জনাব লাগে। যদি সদন কমিটি গঠন কৰি দিয়া হয়, তেতিয়াহ'লে এতিয়া আমাৰ কর্ত্তন প্রস্তাৱ প্রত্যাহাৰ কাৰত আপত্তি নাই।

⁂ Speech not corrected

* **শ্রীউদ্ধৱ বর্মন ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদন কমিটি গঠন কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। চাৰ, ইতিমধ্যে দাবী উৎথাপন হৈছে যে এটা সদন কমিটি গঠন কৰিব লাগে। ইয়াত সোৱনশিৰিৰ ক্ষেত্রত দাবী উৎথাপন হৈছে যদিও ইয়াৰ লগত অন্যান্য যিবিলাক দাবী উঠিছে সেই বিলাকৰ ক্ষেত্রতো সদন কমিটি গঠন কৰিব লাগে।

* **মৌলানা আতাউর রহমান মাজার ভূইয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সদন কমিটি গঠন করার জন্য আমি সমর্থন করছি।

* **ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য ইত্যাদি মন্ত্রী) ঃ** ছাৰ, সোৱনশিৰি বা বৃহৎ ডেম্পৰ ক্ষেত্রত হাউচ কমিটি গঠন কৰাত আমাৰ আপত্তি নাই।

মাননীয় অধ্যক্ষ ঃ মই লিডাৰ অৰ দি হাউচৰ লগত এই বিষয়ে আলাচনা কৰিম।

* **শ্রীচন্দ্রমোহন পাটোৱাৰী ঃ** চাৰ, সকলো পার্টিয়ে কনচেনচাচ কৰিছে, চৰকাৰৰ ফালৰ পৰাও বিৰোধিতা কৰা নাই।

* **শ্রীভুৱন পেগু ঃ** সোৱনশিৰিৰ লগতে সকলো বিলাক ডেম্প সামৰি লব লাগে।

* **শ্রীভৰত চন্দ্র নৰহ (সংসদী পৰিক্রমা ইত্যাদি মন্ত্রী) ঃ** হাউচ কমিটি হোৱাটো আমাৰ চৰকাৰে বিচাৰিছে। হাউচ কমিটি হওঁক।

---

* Speech not correeted

মাননীয় অধ্যক্ষ ঃ এতিয়া (১) শ্রীচন্দ্রমোহন পাটোৱাৰী, ডাঃ কমলা কলিতা, শ্রীকেশৱ মহন্ত, শ্রীবিনোদ গোৱালা, ডাঃ মনোৰঞ্জন দাস, শ্রীঅনুপ ফুকন, শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা, শ্রীজ্যোতিপ্রসাদ দাস, শ্রীনুৰুল হুছেইন, শ্রীপ্রবীন গগৈ, শ্রীৰবীন বণিক্য, ডঃ অলকা শর্মা, শ্রীমতী সুশীলা হাজৰিকা, শ্রীপ্রশান্ত বৰুৱা, শ্রীপ্রদীপ হাজৰিকা, (২) শ্রীমিছন ৰঞ্জন দাস, শ্রীৰামেশ্বৰ তেলী, শ্রীৰঞ্জিত দত্ত, শ্রীপৰিমল শুক্লবৈদ্য, ডাঃ ৰুমি নাথ, শ্রীশম্ভু সিং মাল্লা, শ্রীকার্ত্তিক সেনা সিনহা, শ্রীসুশীল দত্ত, শ্রীপ্রশান্ত ফুকন, শ্রীঅভিজিত হাজৰিকা, (৩) শ্রীউদ্ধৱ বর্মন, শ্রীঅনন্ত ডেকা, (৪) শ্রীদ্রুপদ বৰগোঁহাই, (৫) শ্রীচিৰাজুদ্দিন আজমল, ডঃ আদিত্য লাংথাছা, শ্রীআনোৱাৰুল হক, শ্রীমোবাৰক আলি পাঠান, মৌলানা আতাউৰ ৰহমান মাঝাৰভূঞা, (৬) শ্রীপ্রণৱ কলিতা আপোনালোকে কর্ত্তন প্রস্তাৱ সমূহ প্রত্যাহাৰ কৰিব নেকি ?

* **শ্রীচন্দ্রমোহন পাটোৱাৰী ঃ** হাউচ কমিটি গঠন কৰাৰ সিদ্ধান্ত লোৱাৰ কাৰণে আমি কর্ত্তন প্রস্তাৱটো উঠাই ললো।

* **ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** অকল সোৱনশিৰিৰ ক্ষেত্রতহে গঠন কৰা হব।

মাননীয় অধ্যক্ষ ঃ আপোনালোকে কর্ত্তন প্রস্তাৱটো উঠায় লব নেকি ?

* **শ্রীচন্দ্রমোহন পাটোৱাৰী ঃ** হাউচ কমিটি গঠন কৰাৰ সিদ্ধান্ত লোৱাৰ কাৰণে আমি কর্ত্তন প্রস্তাৱটো ঠাই ললো।

---

* Speech not corrected

শ্রীউদ্ধৱ বর্মন ঃ চাৰ, কর্ত্তন প্রস্তাৱটো উঠাই ললো।

মাননীয় অধ্যক্ষ ঃ মই এতিয়া প্রস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্রস্তাৱটো হ'ল-

"A sum of Rs. 47,426.96 lakhs be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 2010 including the sum already spent out of the sum authorised by the Assam Appropriation (Vote on Account) Act, 2009 for the Administration of "Power (electricity)".

যিসকল মাননীয় সদস্য/সদস্যাই প্রস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক, "হয়" ;
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, "নহয়" ;
মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্রস্তাৱটো গৃহীত হ'ল। দাবী মঞ্জুৰী নং ৬২ টো গৃহীত কৰা হ'ল।

এতিয়া ৪৯ নং দাবী মঞ্জুৰীটো মাননীয় জলসিঞ্চন মন্ত্রী মহোদয়ে প্রস্তাৱ কৰিব।

Shri Nurjamal Sarkar (Minister) : On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 74,145.15 lakh be granted to the Minister-in-charge to defray the charges which will

come in course of payment during the year ending the 31st March, 2010 including the sum already spent out of the sum authorised by the Assam Appropriation (Vote on Account) Act, 2009 for the administration of "Irrigation".

মাননীয় অধ্যক্ষ ঃ তলত উল্লেখ কঁৰা মাননীয় সদস্য/সদস্যা সকলৰ নামত এই মঞ্জুৰীটোৰ ওপৰত সর্বমুঠ ছয়টা কর্ত্তন প্রস্তাৱ আছে ঃ

(১) শ্রীচন্দ্রমোহন পাটোৱাৰী
ডাঃ কমলা কান্ত কলিতা
শ্রীকেশৱ মহন্ত
শ্রীবিনোদ গোৱালা
শ্রীঅনুপ ফুকন
শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা
শ্রীজ্যোতি প্রসাদ দাস
শ্রীনুৰুল হুছেইন
শ্রীপ্রবীন গগৈ
শ্রীৰবীন বণিক্য
ডঃ অলকা শর্মা
শ্রীমতী সুশীলা হাজৰিকা
শ্রীপ্রশান্ত বৰুৱা
শ্রীপ্রদীপ হাজৰিকা
ডাঃ মনোৰঞ্জন দাস

(২) শ্রীমিছন ৰঞ্জন দাস

শ্রীৰামেশ্বৰ তেলী
শ্রীৰঞ্জিত দত্ত
শ্রীপৰিমল শুক্লবৈদ্য
ডাঃ ৰুমি নাথ
শ্রীশম্ভু সিং মাল্লা
শ্রীকার্তিক সেনা সিনহা
শ্রীসুশীল দত্ত
শ্রীপ্রশান্ত ফুকন
শ্রীঅভিজিত হাজৰিকা
(৩) শ্রীউদ্ধৰ বর্মন
শ্রীঅনন্ত ডেকা
(৪) শ্রীদ্রুপদ বৰগোঁহাই
(৫) শ্রীচিৰাজুদ্দিন আজমল
ডাঃ আদিত্য লাংথাছা
শ্রীহাফিজ বছিৰ আহমেদ
শ্রীআনোৱাৰুল হক
হাজি চেলিমুদ্দিন বৰভূঞা
শ্রীগুনেশ্বৰ দাস
শ্রীমোবাকৰ আলী পাঠান
মৌলানা আটাউৰ ৰহমান মাঝৰভূঞা
(৬) শ্রীপ্রণৰ কলিতা

মাননীয় অধ্যক্ষ ঃ মই এতিয়া কর্ত্তন প্রস্তাৱৰ প্রস্তাৱক সকলক তেখেত সকলৰ কর্ত্তন প্রস্তাৱ সমূহ এটাৰ পিছত এটাকৈ উৎথাপন কৰিবলৈ অনুৰোধ কৰিলো।

শ্রীকেশৱ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্রস্তাৱ কৰিব খোজো '২০০৯-২০১০ চনৰ বাজেটৰ ২য় খণ্ডৰ ৫ অংশৰ ৬৫-৯৪ পৃষ্ঠাত থকা জলসিঞ্চন বিভাগৰ ৪৯ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৭৪১৪৫.১৫ লাখ টকা এটকালৈ হ্রাস কৰা হওঁক অর্থাৎ মঞ্জুৰীৰ ৭৪১৪৫.১৫ লাখ টকা এটকালৈ হ্রাস কৰা হওঁক।'

মাননীয় অধ্যক্ষ ঃ আপোনালোকৰ ফালৰ পৰা এতিয়া এজনে কওঁক।

* **শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কর্ত্তন প্রস্তাৱৰ সমর্থনত দুই চাৰিটা কথা আঙুলিয়াই দিব বিচাৰিছো। চাৰ, মই এটা কথা উদ্বেগেৰে দেখিছো যে আমাৰ এই চৰকাৰ খন ২য় বাৰ ক্ষমতালৈ আহিছে। যোৱা ১৮ তাৰিখে এই চৰকাৰৰ তিনি বছৰ সম্পূর্ণ হৈছে আৰু উলহ মালহেৰে ৩য় বর্ষপুর্তি উৎযাপন কৰিছে আৰু আমি ১০০ দিনৰ কর্মসূচী ঘোষণা কৰা চৰকাৰৰ দেখিবলৈ পাইছো।

মাননীয় অধ্যক্ষ ঃ আপুনি অলপ চমুকৈ ক'ব। কাৰণ বেলেগ মাননীয় সদস্যইও ইয়াৰ ওপৰত কব আৰু অলপ হ'লেও মন্ত্রী মহোদয়ে উত্তৰ দিব লাগিব।

শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে ১০০ দিনীয়া

---

* Speech not corrected

কার্য্যসূচী ঘোষণা কৰিছে। মই অতি দুখেৰে কম যে চৰকাৰে দুবছৰ সম্পূর্ণ কৰি ৩ বছৰত সোমাইছে। গতিকে এই ৩ বছৰত ১০০ দিনীয়া কার্য্যসূচী ঘোষণা কৰিছে।

(উপাধ্যক্ষা মহোদয়াই আসন গ্রহণ কৰে)

এই কার্য্যসূচীৰ লগত চৰকাৰৰ প্রত্যেক বিভাগৰ সম্পর্ক আছে। ১০০ দিনীয়া কার্য্যসূচী পাতক। আমাৰ আপত্তি নাই। কিন্তু আপোনালোকে ৮ বছৰে নিযুক্তি দিব নোৱাৰিলে এই কৃষি বিভাগত। যিটো কাৰণে উৎপাদন হ্রাস হৈছে। সৌ সিদিনাৰ কথা বাতৰিত ওলাইছে যে ১১০৩ টাৰ ভিতৰত কিমানটা জলসিঞ্চন পাইপ কামত নিয়োজিত হৈ আছে ? তাত কোৱা হৈছে যে ৬৪২ টা আৰু ২৭ হেক্টৰ মাটিত জলসিঞ্চন কৰা হৈছে। উপাধ্যক্ষা মহোদয়া, ইয়াৰ এটা প্রজেক্ট আছে যিটো ধনশিৰি প্রজেক্ট বুলি কোৱা হয়। এই প্রজেক্টৰ নামত খৰছ কৰিলে ৩৭৪.৯৬ কোটি টকা। ৩০ বছৰৰ আগত আছিল ১৫.৩ লাখ টকা। পহুমাৰা প্রজেক্ট started in 1989-90. Estimated cost is Rs. 4.97 crores. Already spent Rs. 44.40 crores. বৰলিয়াৰ এতিয়া এচটিমেটেত কষ্ট ২৭.৩০ কোটি টকা। আগতে ১ কোটি আছিল। কেগৰ ৰিপোৰ্টিত কোৱা হৈছে যে জলসিঞ্চন বিভাগে অপৰিকল্পিত ভাবে আঁচনি গ্রহণ কৰিছে। এনে ধৰণেৰে যদি বাঢ়ি আহে আপোনালোকে দেখিব ২০০৭ ত ৩৪৯.২৩, ২০০৮ ত ১২২.৩৩। সিদিনা মাননীয় বিধায়ক, অনন্ত ডেকা ডাঙৰীয়াই প্রশ্ন কৰিছিল, চলিত বিত্তীয় বর্ষত সর্বমুঠ কিমান টকা ঠিকাদাৰ সকলক আদায় দিয়া হৈছে আৰু কোন ঠিকাদাৰক এই টকা আদায় দিয়া হৈছে ? মন্ত্রী ডাঙৰীয়াই উত্তৰ দিছে যে

৮,১৩,১৯,৯৬৬ টকা ঠিকাদাৰ সকলক আদায় দিয়া হৈছে। কিন্তু তাত দেখা গ'ল যে এই টকা ৭৩ জন ঠিকাদাৰক দিয়াৰ ওপৰত এম-এচ. এচ. বি. এণ্টাৰপ্ৰাইজ, কৃষ্ণা ভাণ্ডাৰ বুক ষ্টল, এচ. কে. বি., নিউ গ্লবেল এণ্টাৰপ্ৰাইজ আদি কেইখনমান এণ্টাৰপ্ৰাইজৰ নাম মই ইয়াত উল্লেখ কৰিলো।

উপাধ্যক্ষা মহোদয়া, আজিকালি বাতৰি কাকতত ওলাই আছে। যোৱা ১০ তাৰিখৰ 'এদিন' আৰু 'খবৰ' নামৰ এই দুয়োখন বাতৰি কাকততে জলসিঞ্চনৰ ওপৰত বাতৰি ওলাইয়ে আছে। বাতৰি কাকতে লিখিছে আৰু মই নিজেও জানো কাৰণ মোৰ নিজা জিলা। নগাঁওৰ কলং কলিয়াবৰ এই জলসিঞ্চন আঁচনিটোৰ প্ৰতি কৃষক ৰাইজে যথেষ্ট আশা কৰিছিল যে পথাৰত জলসিঞ্চন হব, মানুহে খেতি কৰিব পাৰিব। আজি মই মন্ত্ৰী মহোদয়ক সুধিছো আজিৰ দিনটোত তেখেতে মোক কব পাৰিবনে কিমান বিঘা মাটিত নগাঁওৰ পৰা ফুলগুৰি, কলিয়াবৰলৈকে জলসিঞ্চন কৰিলে ? কিমান দিনৰ আগতেই নগাঁওত ৯০ লাখ টকা দিয়া হৈছিল। আমি জনাত ঘৰত কাম কৰা মানুহৰ নামতো চেক কাটি টকা উলিয়াই নিলে। হয় নে নহয় কণ্ডক চৰকাৰে। যদি নহয়, তেন্তে আপোনালোক কিয় সাংবাদিক মেল পাতি আজিলৈকে স্পটীকৰণ দিব পৰা নাই ? ২০০৮ চনত বৰলীয়া জলসিঞ্চন প্ৰকল্পটোত যথেষ্ট দূৰ্নীতি হৈছে বুলি প্ৰতিদিন বাতৰি কাকতত ইতিমধ্যে বাতৰি ওলাইছিল। সেই প্ৰকল্পৰ তৃতীয় শ্ৰেণীৰ কৰ্মচাৰী এজনে প্ৰতিদিন কাকতৰ প্ৰথম পৃষ্ঠা ভৰাই বিভাগৰ হৈ এটা স্পষ্টীকৰণ দিছিল। তেওঁ বিভাগৰ হৈ স্পষ্টীকৰণ দিব পাৰেনে ? এই ক্ষেত্ৰত আপোনালোকে কি কৰিছে ?

আজিলৈকে আপোনালোকে কিয় এটা স্পষ্টীকৰণ দিব পৰা নাই ? আকৌ সেই তৃতীয় শ্ৰেণীৰ কৰ্মচাৰী জনৰ বিৰুদ্ধে আপোনালোকে কি ব্যৱস্থা লৈ-ছে ? তেওঁ দূনীতিত লিপ্ত থকা বুলি প্ৰমাণ হৈ গ'ল। তাৰ পিচতো নিজকে বচোৱাৰ কাৰণে বাতৰি কাকতত স্পষ্টীকৰণ দিছে আৰু বিভাগ আজিলৈকে নিমাত হৈ বহি আছে। আজি কে. কে. ডিভিজনত দূনীতি হৈছে। এই প্ৰজেক্টটো আমাৰ এ. জি. পি.ৰ দিনতে আৰম্ভ হৈছিল। কিন্তু আজি ইমান দিনৰ পিচতো ইয়াৰ কাম শেষেই নোহোৱা হ'ল। প্ৰথমে এইটো ২৩ লাখ টকাৰ আঁচনি আছিল, এতিয়া এইটো গৈ ১ কোটি ৪০ লাখ টকাৰ হ'লগৈ। ঠিকাদাৰবিলাক কংগ্ৰেছৰ শৰণাপন্ন হ'ল আৰু চৰকাৰেও সেই কাৰণে টকা দি আছে। আপোনালোকে কব পাৰিবনে টকা নিদিয়া বুলি ? ঠিকাদাৰ সকল আপোনালোকৰ শৰণাপন্ন হৈছে আৰু আপোনালোকেও টকা দি আছে, কিন্তু যি দূনীতিৰ কথা ওলাই আছে, সকলোৱে জানে। সেই দূনীতিৰ কিন্তু আজিলৈকে আপোনালোকে অনুসন্ধান কৰা নাই। আচলতে সৰিয়হৰ ডুলিতে ভূত আছে। নহ'লে কিয় অনুসন্ধান কৰা নাই। আজি মই এটা কথা মন্ত্ৰী মহোদয়ক আঙুলিয়াই দিব বিচাৰিছো। সেইটো হ'ল উপাধ্যক্ষা মহোদয়া, যে কলং কলিয়াবৰ যিটো আঁচনি এইটো এটা বগা হাতীত পৰিণত হৈছে। ই আচলতে বিভাগৰ খীৰতি গাইলৈ ৰূপান্তৰিত হৈছে। হয়, দুই এটা কাম তেওঁলোকে আমাক কৰি দিছে বিভাগে। সেইটোৰ মই শলাগ লৈছোঁ। কিন্তু এই কলং কলিয়াবৰ জলসিঞ্চন প্ৰকল্প খীৰতি গাইত পৰিণত হৈছে, ই মূল লক্ষ্যত উপনীত হব পৰা নাই। আজি উপাধ্যক্ষা মহোদয়া, মহা গানণিকে কিছুমান অভিযোগ বা আপত্তি আনিছে জলসিঞ্চন বিভাগৰ ওপৰত। তাৰে

ভিতৰত চম্পাৱতী এক্সিকিউটিভ ইঞ্জিনিয়াৰ, অফিছ আৰু যমুনা কার্য্যবাহী অভিযন্তা ডিভিজন আদি তিনিটা ডিভিজনৰ ২০০৬ চনৰ এবছৰৰ ভিতৰত ৩.২২৪ কোটি টকা দিছে। এ. জি.ৰ ৰিপোর্টিত এই কথা আহিছে। ২০০৬-০৭ চনত এবছৰতে কাম নকৰাকৈয়ে এডভান্স ৩.২২৪ কোটি টকা দিছে। এ. জি.য়ে অভিযোগ আনিছে। এই কথাবিলাক বাতৰি কাকতত ওলাইছে কোটি কোটি টকা দিয়া হয়, কিন্তু জলসিঞ্চনৰ কোনো কাম হোৱা দেখা নাযায়। পানী কিন্তু এটোপা কৃষকে নাপায়। উপাধ্যক্ষা মহোদয়া, মই আপোনাৰ জৰিয়তে জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ক অনুৰোধ কৰিছোঁ এই বিভাগটোৰ প্রতি অলপ গুৰুত্ব দিয়ক। মই যোৱাকালি বিধান সভাৰ লাইব্রেৰীলৈ গৈ কিছুমান বাতৰি কাকত পঢ়িছিলো। দেখিলোঁ যোৱা জুন মাহৰ ত্রিশটা দিনত অকল জলসিঞ্চন বিভাগৰ বিৰুদ্ধে বিভিন্ন বাতৰি কাকতত ৬৮ টা অভিযোগ আহিছে। আজিও আপোনাৰ বিভাগৰ সাহস নাই কিয় ? এইখিনি কাম কৰা নাই বা এইখিনি এইখিনি কৰা হৈছে বুলি স্পষ্টকৈ কবলৈ।

মন্ত্রী মহোদয়ক কব বিচাৰিছোঁ এই বিভাগটো যদি বচাব খুজিছে তেতিয়াহ'লে এই ইঞ্জিনিয়াৰ সকলৰ নিজা নিজা ঠিকাদাৰ লোৱাৰ যি ব্যৱস্থা আছে সেই ব্যৱস্থা বন্ধ কৰিব লাগিব। উপাধ্যক্ষা মহোদয়া, এই বিভাগৰ নিজা নিজা ঠিকাদাৰ আছে। সেয়ে কৈছো এই ঠিকাদাৰী প্রথাটো বন্ধ কৰক। কাৰণ ৰাজ্যখনত ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হৈছে। বহু কেইখন জিলা অলপতে খৰাং জিলা বুলি চিহ্নিত কৰি ঘোষণা কৰা হৈছে। আজি গ্লবেল ওৱাৰ্মিঙৰ কাৰণে বৰষুন একেবাৰে নাইকীয়া হৈ গৈছে। আগতে জলসিঞ্চন আৰু মাইনৰ জলসিঞ্চন বুলি দুটা বিভাগ আছিল। এতিয়া এই মাইনৰটো মেইন জলসিঞ্চন বিভাগৰ লগত মার্চ কৰিছে। যোৱা ২০০৬ চনৰ খৰাং সদৃশ

পৰিবেশৰ কাৰণে চৰকাৰী হিচাপ মতেই ১৩ লাখ পৰিয়ালে ৬ লাখ ১৮ হাজাৰ ৬৭ হেক্টৰ মাটিত খেতি কৰিব পৰা নাছিল। এইবাৰো একেই অৱস্থা হৈছে। গতিকে এনে অৱস্থাত এই বিভাগটো অত্যন্ত গুৰুত্বপূৰ্ণ বিভাগ, কাৰণ উৎপাদনৰ লগত এই বিভাগটো জৰিত।

মাননীয়া উপাধ্যক্ষা মহোদয়া, আমি এতিয়া দেখিবলৈ পাইছো যে বিভাগৰ গুৰুত্ব কমি আহিছে। এই বিধান সভালৈ মই চাৰিবাৰ আহিছো। ইমান বছৰে এই বিভাগটোৰ কথা কৈ কৈ ভাগৰি পৰিছো। এতিয়া হাতীৰ পিঠিত তৰাৰ ৰ্ফমুতি মৰাৰ নিচিনা হৈছে। কৈ থাকিলেও এই বিভাগটোৰ গা নলৰে। এতিয়া এই চৰকাৰে ১০০ দিনৰ কাৰ্য্যসূচী লৈছে। মই মন্ত্ৰী মহোদয়ক কব বিচাৰিছো যে তেখেতে ঘোষণা কৰক এই সময়চোৱাৰ ভিতৰত আমি ইমান মাটিত পানী দিম। বাতৰি কাকতত ওলাইছে যে এই বিভাগটো মকৰা জালেৰে আৱৰি পেলাইছে। আপুনি এতিয়া জিৰোৰ পৰা হিৰো হব লাগিব। এতিয়া বিভাগটো এটা বিগ জিৰো হৈ আছে। সেই কাৰণে আপোনাক কৈছো জিৰোৰ পৰা হিৰো হবলৈ। আমি কাম নাই কৰা বুলি কোৱা নাই। কাম মানুহে পাইছে নে নাই সেইটোহে চাব লাগে। বিষয়া, ঠিকাদাৰ আৰু কোনোবা বিশেষ মানুহে পাইছে নেকি ? এই বিভাগটো এটা অকৰমান্য বিভাগলৈ ৰূপান্তৰিত হৈছে। মকৰা জালৰ পৰা অপৰিকল্পিত আৰু দুৰ্নীতিয়ে আগুৰি ধৰিছে। কেগৰ ২০০৮ ৰ ৰিপোৰ্টতে আপোনাৰ বিভাগটো অপৰিকল্পিত বুলি কৈছে। মই এতিয়া মন্ত্ৰী মহোদয়ৰ পৰা দুটা বিষয়ত আশ্বাস বিচাৰিছো। ২৭ লাখ হেক্টৰ মাটিত কেতিয়া পানী দিব। ৰাজ্যখনৰ পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি নতুন আঁচনি কি গ্ৰহণ কৰিব আৰু কিমান হেক্টৰ মাটিত পানী পাব। পইচা কম দিয়া বুলি নকওঁ। আপুনি হয়তো

কব যে কেন্দ্রীয় চৰকাৰৰ পৰা টকা পাইছো আৰু আঁচনি লৈছো। কিন্তু কিমান দিনৰ ভিতৰত পানী পাব সেইটো মন্ত্রীৰ পৰা জানিব বিচাৰিছো। দ্বিতীয় কথা হৈছে, প্রত্যেক বিভাগতে একোজন নামজলা মানুহ থাকে। সেইজন হয়তো ভাল কামৰ কাৰণেও হব পাৰে বা বেয়া কামৰ কাৰণেও হব পাৰে। যিবিলাক মানুহ কামত নাহে সেইবিলাক মানুহক কিয় বিভাগত ৰাখি থয়। ইয়াৰ ফলত ব্যক্তিগত ভাবে কাৰোবাৰ লাভ হ'লেও ৰাইজৰ একো লাভ নহয়। মই নগাঁওতো তেনেকুৱা বিষয়া দেখিছো। যিবিলাক বিষয়াৰ বিৰুদ্ধে অভিযোগ আছে তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা লব লাগে। কিছুমান কাম কৰা বিষয়া আছে তেওঁলোকক এনেয়ে বহুৱাই থয়। এইবিলাক বন্ধ কৰিব লাগে। কিমান মাটিত কিমান দিনৰ ভিতৰত জলসিঞ্চন কৰিব সেইটো কব লাগে। ১০০ দিনৰ ভিতৰত নিশ্চয় নোৱাৰে। কিন্তু আপুনি এটা নির্দ্দিষ্ট সময় দিব লাগে। আমি এই বছৰ পানী দিব বুলি আশা দেখিছো। আগতে আমি জলসিঞ্চন মন্ত্রীৰ মুখত ৰস দেখা নাছিলো। আজি তেখেতে হাঁহিছে। এইটোৱে আমাক আশা দিছে যে এইবাৰ পানী ৰাইজে পাব।

অধ্যক্ষ মহোদয়, ইয়াত মন্ত্রী মহোদয়ে যিখিনি কয় সেইখিনি নিষ্ঠাৰে আৰু আন্তাৰে ক'লে ভাল হয়। আগত এক বছৰত কিমান হেক্টৰ মাটিত জলসিঞ্চন কৰিব। দ্বিতীয়তে, যিবিলাক বিষয়াৰ বিৰুদ্ধে নির্দ্দিষ্ট অভিযোগ আছে সেইবিলাক বিষয়াক বাৰে বাৰে কিয় কামত লগাইছে। নজনা নুশুনা ফার্মক টকা-পইচা দিয়াটো বন্ধ কৰিব লাগে। এইখিনি কৈয়ে কর্ত্তন প্রস্তাৱৰ ওপৰত সমর্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্রীহাফিজ বছিৰ আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, জলসিঞ্চন বিভাগৰ

---

* Speech not corrected

ওপৰত অনা কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মই দুআষাৰ কব বিচাৰিছো। পানীয়ে প্ৰাণীৰ প্ৰাণ। পৃথিবীৰ সকলো প্ৰাণীকে পানীৰ প্ৰয়োজন জীয়াই থকাৰ কাৰণে। সেই কাৰণে জলসিঞ্চন বিভাগটো গুৰুত্বপূৰ্ণ বিভাগ। অসম চৰকাৰৰ ৰিপোৰ্ট মতে জিওগ্ৰাফিকেলী ৪৪.৮৭ লাখ হেক্টৰ মাটিত খেতিবাতি হয়। ২৭ লাখ হেক্টৰ মাটিৰ ভিতৰত ১০ লাখ হেক্টৰ মাটিত মেজৰ আৰু ১৭ লাখ হেক্টৰ মাটিত মাইনৰ ইৰিগেচন ব্যৱস্থা কৰিছে। আমি আমাৰ ওচৰৰে ৰাজ্য পশ্চিম বঙ্গলৈ যদি চাও দেখিবলৈ পাম যে তাত কোনো খালী মাটি নাই। বিভিন্ন ধৰণৰ খেতি কৰি আছে। ইকোলোজি বেলেঞ্চনৰ কাৰণে চৰকাৰে ব্যৱস্থা লব লাগে। আমাৰ অসমত কিয় ইকোলোজি বেলেঞ্চ হৈছে। আমি যদি চাও দেখিম যে শদিয়াৰ পৰা ধুবুৰীলৈ আজিও পুৰণা পদ্ধতিতে খেতিবাতি কৰি আছে। আধুনিক ধৰণে খেতি কৰা দেখা নাই। লোৱাৰ আসামৰ ধুবুৰীকে ধৰি বিভিন্ন ঠাইত হাই ব্ৰিডৰ খেতি হয়। এই ক্ষেত্ৰত পশ্চিম বঙ্গ চৰকাৰক ক্ৰেডিট দিব বিচাৰিছে। পশ্চিম বঙ্গৰ পৰা অসমলৈ মানুহ আহি ঠিকাত মাটি লৈ খেতি কৰে আৰু লাভখিনি লৈ গুছি যায়।

মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী জিলাত মিয়াউল হক নামৰ এজন মানুহে বড়ো খেতি কৰিছিল। এডাল ধানৰ পৰা ১০০ ডাল পোখা মেলিছিল। এই কথাটোকে কৃষি বিভাগে চাইন ব'ৰ্ডত লিখিছিলে। জলসিঞ্চন বিভাগটো কৃষি বিভাগৰ লগত জৰিত হৈ আছে। ৰাজস্থানত কেনেলৰ জৰিয়তে খেতি পথাৰত পানী দিয়াৰ ব্যৱস্থা কৰিছে। ৰাজস্থানৰ নিচিনা মৰুভূমিত পানী দিব পাৰে, অসমত কিয় নোৱাৰে। অসমত প্ৰজেক্ট বিলাক ভাল নহয়। কোনো প্ৰজেক্টেই সম্পূৰ্ণভাবে কাৰ্য্যক্ষম বুলি কব নোৱাৰি। অসমত ৪০.৮৭ শতাংশ ক্ৰপ এৰিয়া আছে। এইখিনি মাটিত আমি জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগে। ২০০৭-০৮ চনত মাত্ৰ ৬৯.৯৯ হেক্টৰ মাটিত পানী যোগান ধৰিছিল।

এইটো পাচ শতাংশতকৈও কম। ৬০ বছৰ হৈ গ'ল, বিভাগটো এনেকৈয়ে চলি আছে। টোটেল এৰিয়া মাত্ৰ ২.৫ শতাংশ মাটিত খেতি কৰিব পাৰিছে। এইটো দুভাগ্যজনক। শষ্য আমাৰ বাহিৰৰ ৰাজ্যৰ পৰা আনিব লাগে। এই বিভাগত দুৰ্নীতি আছে। জলসিঞ্চন বিভাগৰ লগত নডেল বিভাগ হিচাবে পঞ্চায়ত আৰু এগ্ৰিকালচাৰ বিভাগ আছে। এই বিভাগ কেইটাৰ ইটোৰ লগত সিটো বিভাগৰ সমিল মিল নাই বা সম্পৰ্ক নাই। পঞ্চায়ত, এগ্ৰিকালচাৰ, ইৰিগেশ্যন এই কেইটা ৰিলেটেড ডিপার্টমেণ্ট। এই বিভাগকেইটাৰ ক-অৰডিনেশ্যন নথকাৰ কাৰণে কামবিলাক হোৱা নাই। খেতিয়ক সকলে নিয়তিৰ ওপৰত ভৰষা কৰি বহি থাকে। কেতিয়াবা বানপানী হয়, কেতিয়াবা বাৰিষা হয়। আমাৰ খেতিয়ক সকলে প্লেন কৰিব লাগে, প্লেন তেওঁলোকৰ নাই। অধ্যক্ষ মহাশয়, ৰাজস্থান, উত্তৰ প্ৰদেশত মিনি ইৰিগেশ্যন কৰি ইচ্ছামতে পানী লব পাৰে। ৰাজস্থানখন মৰুভূমি সদৃশ হোৱা স্বত্তেও তেওঁলোকে সেউজীয়া কৰি ৰাখিছে। চৰ অঞ্চলত বহুতো সুবিধা আছে। ধুবুৰীত গদাধৰ, গঙ্গাঁ আদি নৈ আছে। এই নৈ বিলাকৰ পৰা আঁচনি কৰি খেতি পথাৰত পানী দিব পাৰি। গ্ৰাউন ৰাটাৰ লেভেলত তুলিলে অসুবিধা হয়। গ্ৰাউণ্ড ৰাটাৰ লেভেলত পানী শুকাই গৈছে। নৈৰ পানী ১২ মাহে থাকে। ডীপ টিউৱেলৰ পৰা পানী উঠোৱাৰ কাৰণে এই পানীত আইৰণ থকাৰ কাৰণে মাটি নষ্ট হৈছে। আজিও পুৰণা পদ্ধতিত খেতি কৰি আছে। মাটিৰ উৎপাদন শক্তি হ্ৰাস পাই আহিছে। মাটি উৰ্ব্বৰা কৰিবলৈ হ'লে আমি আধুনিক উপায় অৱলম্বন কৰিব লাগিব। মই দেখিছো ত্ৰিপুৰাত উন্নত পদ্ধতিৰে খেতি কৰি শষ্য উৎপাদন কৰিছে। উত্তৰ প্ৰদেশ আদি ঠাইৰ পৰা মানুহ আহি আমাৰ ইয়াৰ মানুহৰ পৰা মাটি লৈ খেতি কৰে। ঘেঁহু, আলু, পিয়াজ ইত্যাদি শষ্য তেওঁলোকে কৰে। আৰু আন আন শষ্য তেওঁলোকে কৰে। কমেও তেওঁলোকৰ তিনিমাহ সময় লাগে। তাৰ যিখিনি উৎপাদন হয় তাৰে ৩৯ শতাংশ তেওঁলোকে লৈ যায় বাকী শতাংশ যাৰ মাটি তেওঁলোকক দিয়ে

যদিও বাহিৰৰ পৰা মানুহ আহি খেতি কৰিব পাৰে তেতিয়াহ'লে আমাৰ খেতিয়কে কিয় কৰিব নোৱাৰে। দ্বিতীয়তে, বিলাসীপাৰাত যিজন চাবডিভিজনেল অফিচাৰ আছে তেওঁলোক নাথাকে। ফোন কৰিও বিচাৰি নাপাঁও। এই ক্ষেত্রত মই এটা পৰামর্শ দিব বিচাৰিছো। লোকেল ফাৰমাৰ বিলাকক লৈ এখন কমিটি গঠন কৰি দিব লাগে। এই কমিটিখনত যিখিনি বস্তু দিব সেই বস্তুখিনি তেওঁলোকে [illegible]ৰ প্রপাৰটি বুলি চোৱা-চিতা কৰিব। যিখিনি স্কীম দিয়া হব তেওঁলোক তাৰ পাৱাৰত থাকিব। তেওঁলোক তাৰ পৰা লাভবান হব। গতিকে ধন্যবাদ জনাই সামৰণী মাৰিলো।

শ্রীসুশীল দত্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কাটমোচনৰ ওপৰত কিছু কথা কবলৈ ওলাইছো। জলসিঞ্চন বিভাগৰ ওপৰত ইতিমধ্যে বহুতো আলোচনা হৈছে। মাননীয় সদস্য গিৰীন্দ্র কুমাৰ বৰুৱা ডাঙৰীয়াই বহুতো কথা পৰামর্শ দিলে। আমাৰ এটা ধনশিৰি জলসিঞ্চন প্রকল্প আছে। সেইটো সম্ভৱ ৭৪ চন মানতে আছিল। সেইটো আজিলৈকে সম্পূর্ণ হোৱা নাই। ইতিমধ্যে বাজেটত কোটি টকা ধৰা হৈছে। কিন্তু এইবিলাক ক'ত খৰছ হৈছে। চৰকাৰে অসমৰ ১৪ খন জিলাক খৰাং হিচাবে ঘোষণা কৰিছে। কিন্তু খৰাং পীৰিত নে খৰাং অঞ্চল সেইটো বুজা নাই। এতিয়া অসমখন প্রচণ্ড খৰাঙৰ কবলত পৰিছে। আমাৰ জলসিঞ্চন বিভাগে ইনিচিটিভ লৈ গাঁও-ভূঁইত খেতি পথাৰত পানী দিলে খেতিয়ক ৰাইজ উপকৃত হব। এতিয়া যিটো খৰাং হৈছে সেইটো সম্ভৱ এই বছৰেই নহয় ২-৩ বছৰমান ধৰি চলিব। আমাৰ যিটো হাৰত বৰষুনৰ পৰিমান কমিছে চৰকাৰে উচিত পদক্ষেপ লোৱাৰ দৰকাৰ। মোৰ সমষ্টি লামডিঙত গভীৰ নলীনাদ আঁচনি কেইখন প্রশ্ন কৰোতে উত্তৰত আঠখন আঁচনি আছে বুলি কৈছে। কিন্তু লগতে কৈছে আঠখনেই বিকল হৈ আছে। জলসিঞ্চন বিভাগে যদি খৰাং দিনত পথাৰত পানী

দিলেহেঁতেন, তেতিয়াহ'লে আমাৰ কৃষক ৰাইজ উপকৃত হ'ল হয়। এই জলসিঞ্চন বিভাগৰ সফলতাৰ লগত অন্য বিভাগো জৰিত হৈ যায়। বিশেষকৈ কৃষি বিভাগ। পানী পালে কৃষি কার্য্য ভাল হব। আমাৰ তাত এটা খেৰনি জলসিঞ্চন প্ৰজেক্ট আছে। এইটো কার্বি আংলঙত। এইটো কি হৈছে জলসিঞ্চন বিভাগে নাজানে। আমাৰ তাত এটা যমুনা ইৰিগেচন প্ৰজেক্ট আছে। তাৰ জৰিয়তে ৫% মান গাঁওৰ লোক উপকৃত হৈছে। ইয়াৰ বাবে ধন্যবাদ জনাইছো। অসমত প্ৰচণ্ড খৰাং হৈছে ইতিমধ্যে হোজাই, লামডিং ইয়াৰ কবলত পৰিছে। যিবিলাক আঁচনিৰ কাম হোৱা নাই সেই বিলাকত এক দুইজন কর্মচাৰীক চেলাৰী দি পোহি থকাৰ কি লাভ। এয়া উদ্ৰ কৰক। আমাৰ অসমৰ ৮০% লোকেই কৃষি কার্য্যৰ ওপৰত নির্ভৰ কৰে। ২০% মানুহে ওপৰৰ। গতিকে এই ৮০% এফেক্ট হোৱা মানে আমাৰ সম্পূৰ্ণ উন্নয়নৰ ওপৰত বাধা পৰা। ইয়ে আমাৰ বাজেটতো এফেক্ট কৰিব। এইদৰে কোটি কোটি টকা লোকচান হৈ আছে। জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাও যে লোকেল এম. এল. এ. য়ে প্ৰপাৰলি জানিব লাগে আৰু লোকেল এম. এল. এ. কো জৰিত কৰিব লাগে। খৰাঙৰ কাৰণে আমাৰ বহুতো লষ্ট হ'ল। গতিকে জলসিঞ্চন বিভাগে খেতি পথাৰত পানী যোগানৰ বাবে সোনকালে ব্যৱস্থা ল'লে ভাল হয়। মই আৰু বেচি নকওঁ। কাটমোচনৰ সমর্থন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ শ্ৰীঅনন্ত ডেকাই কওঁক।

শ্ৰীঅনন্ত ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, কৃষি বিভাগৰ বাবে জলসিঞ্চন অতি প্ৰয়োজনীয়। জলসিঞ্চনটো অতি গুৰুত্বপূৰ্ণ। কিন্তু আমি এই বিভাগটোক জলসিঞ্চন বুলি কম নে ধনসিঞ্চন বুলি কম। কাৰণ খেতি পথাৰত

পানী যোগানৰ ঠাইত ধনহে সিচাঁ হয়। আমাৰ অসম প্ৰচণ্ড খৰাঙৰ কবলত পৰিছে। মই শুক্লা জলসিঞ্চন প্ৰকল্পৰ বিষয়ে কবলৈ ওলাইছো। এই প্ৰকল্পৰ ১৯ কোটি টকা নাবার্ডৰ পৰা আৰু প্ৰায় ৭ কোটি টকা বিটিচিৰ পৰা আহে। কিন্তু ইয়াৰ কাম হোৱা নাই। নাবার্ডে ধন মুকলি কৰি দিলেও সন্তৰ বিটিচিয়ে সন্তৰ ধন মোকলাই দিয়া নাই। ফলত ইয়াৰ কাম হোৱা নাই। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে এইখিনি বি[illegible] কৰি চাই ক'ত কেৰোণ আছে তাক উলিয়াই কামটো সোনকালে কৰাৰ ব্যৱস্থা কৰিলে ভাল হয়। ইয়াৰ ফলত খেতিয়কৰ উন্নতি হব। খেতি ভাল হব। হেড্ৱার্কছৰ কাম সম্পূৰ্ণ নহ'লে গোটেই আঁচনিটো বিপৰ্য্যস্ত হব। জলসিঞ্চন বিভাগত টকা আৱণ্টন দিয়া হৈছে যদিও খেতিপথাৰত পানী দিব নোৱাৰিলে খেতিয়ক সকল উপকৃত নহ'ব। সেইকাৰণে প্ৰশ্ন উৎথাপিত হৈছে এই বিভাগটো জলসিঞ্চন বিভাগ নে ধনসিঞ্চন বিভাগ। মই বৰলীয়া জলসিঞ্চন আঁচনিটোৰ কথা কব বিচাৰিছো। সেই আঁচনিত কোটি কোটি টকা খৰছ কৰা হৈছে। বহুতৰে সন্দেহ হৈছে। বৰলীয়া জলসিঞ্চন প্ৰকল্পৰ নামত কোটি কোটি টকা দিয়া হৈছে যদিও খেতিয়তৰ বাবে কোনো কাম হোৱা নাই। সেই আঁচনিৰ জৰিয়তে তিনি হেজাৰ হেক্টৰ মাটিত পানী দিয়া হৈছে বুলি কৈছে। কিন্তু কথাটো সন্দেহজনক। ঠিক তেনেদৰে পহুমৰা জলসিঞ্চন আঁচনিৰ জৰিয়তে চাৰি হেজাৰ হেক্টৰ মাটিত পানী দিয়া হৈছে বুলি কৈছে। আচলতে পানী দিয়া হৈছেনে নাই সেইটো তদন্ত কৰি চোৱা দৰকাৰ। খৰাং বতৰ আৰু বানপানীয়ে যেতিয়া পথাৰৰ ক্ষতিসাধন কৰে তেতিয়া এই জলসিঞ্চন বিভাগৰ গুৰুত্ব বাঢ়ি যায়। জলসিঞ্চন বিভাগে পানী দিব পাৰিছে নে নাই সেই কথাটো আলোচনা কৰি চালে ভাল হ'লহেতেন। খৰাং বতৰত এই আঁচনি বিলাকৰ জৰিয়তে পানী দিব পাৰিলে ভাল হয়। এটা সময়ত সকলোবিলাক থাকিব যদিও পানী আৰু সাৰ নাথাকিব। গ্লোৱেল ওৱাৰ্মিঙৰ ফলত তৃতীয় বিশ্বৰ

দেশ বিলাকৰ ক্ষেত্ৰত যি সমস্যাৰ সৃষ্টি কৰিছে তাৰ প্ৰভাব আমাৰ নিচিনা দেশতো পৰিছে। এই পৰিস্থিতিৰ মোকাবিলা কৰিব লাগিব। মোৰ সমষ্টিত কেবাটাও পুৰণা আঁচনিৰ জৰিয়তে খেতি পথাৰত পানী যোগান ধৰাৰ কাৰণে মোৰ ভাল লাগিছে। মোৰ সমষ্টিৰ এটা আঁচনিৰ চিভিল ওৱৰ্কচৰ কাৰণে ৪০ লাখ টকা দিয়া হৈছিল। কিন্তু মেকানিকেলৰ কাম ভাল হোৱা নাই। নলাৰ যিবিলাক কাম আছে সেই কাম বিলাক ভালকৈ কৰিব লাগে। তাত যিবিলাক পুৰণি মটৰ পাম্প আছে সেইবিলাকে যদি কাম নকৰে তেতিয়াহ'লে নলাৰ কাম নোহোৱা হ'ব। গতিকে মটৰ বিলাক ভাল কৰাৰ ব্যৱস্থা কৰিব লাগে। জলসিঞ্চন বিভাগক চিভিল, মেকানিকেল আৰু ইলেকট্ৰিকেল যি তিনিটা চেকচন আছে এই তিনিটা চেকচনৰ মাজত সমন্বয় নোহোৱাৰ ফলত বছৰি বছৰি এই আঁচনি বিলাকৰ কামত বিজুটি ঘটিছে। এটা পাম্প বেয়া হ'লে ইটো চেকচনে আমাৰ দায়িত্ব নহয়, সিটো চেকচনে আমাৰ দায়িত্ব নহয় বুলি কয়। এনেকুৱা ঘটনা বহুত ঠাইত ঘটিছে। গতিকে এই তিনিওটা বিভাগৰ মাজত সু-সমন্বয় থাকিব লাগে। আমাৰ ১৪ খন জিলাত খৰাংপীড়িত জিলা হিচাবে ঘোষণা কৰা হৈছে। আমি তাৰ লগতো মোকাবিলা কৰিব লাগিব। আমাৰ যিমান কৃষি ভূমি আছে কোনোবাই কয় তাৰে ২ ভাগ, কোনোবাই কয় শতকৰা ৩ ভাগ, কোনোবাই কয় শতকৰা ৭ ভাগ পানী যোগান ধৰা হৈছে। কিন্তু আমাৰ বেছিভাগ কৃষি ভূমিতেই জলসিঞ্চন বিভাগে পানী যোগান ধৰিব পৰা নাই। সেই কাৰণে আমাৰ খেতিয়ক বাইজে বৰষুনৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে। বৰষুণ নোহোৱাৰ কাৰণে ভেকুলিৰ বিয়া পাতিও বৰষুণ অহাৰ কৰণে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনোৱা হৈছে। আমাৰ এই বিভাগত যিবিলাক দূৰ্নীতি হয় সেইবিলাক কঠোৰ হাতেৰে নিৰ্মূল কৰিব লাগে। আমাৰ ডেকা ল'ৰা বিলাকে কৰবাত ঠিকা কৰি কিবা টকা পাইছে তাত আমাৰ আপত্তি নাই। কিন্তু জলসিঞ্চন বিভাগৰ মুল উদ্দেশ্য হৈছে

খেতি পথাৰত পানী যোগান ধৰা। কম পৰিমাণৰ কৃষি ভূমিত এই বিভাগৰ জৰিয়তে পানী যোগান ধৰা হৈছে যদিও ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা যিখিনি ফাণ্ড মোকলাই দিয়া হৈছে সেই টকাখিনি সঠিকভাবে খৰছ কৰা হৈছেনে নাই চাব লাগে। দূৰ্নীতি নিবাৰণ কৰাৰ কাৰণে ভিজিলেঞ্চ আৰু মনিটৰিং কৰা দৰকাৰ। জলসিঞ্চন বিভাগৰ পৰা যদি দূৰ্নীতি দূৰ কৰিব নোৱাৰে আৰু সঠিক ভাবে কাম বিলাক কৰিব নোৱাৰে কৃষি উৎপাদনৰ ক্ষেত্ৰত আগবাঢ়ি যাব নোৱাৰে। জলসিঞ্চন বিভাগ, জলসম্পদ বিভাগ, ভূমি সংৰক্ষন বিভাগ আৰু কৃষি বিভাগ এই চাৰিটা বিভাগৰ মাজত সমন্বয় থকা দৰকাৰ। আমাৰ ৰাজ্যখনত জলসিঞ্চন বিভাগৰ যিটো গুৰুত্ব থাকিব লাগে সেই গুৰুত্ব দিয়া হোৱা নাই।

শ্ৰীদ্ৰুপদ বৰগোঁহাই ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি পৰহি যেতিয়া কৃষি বিভাগৰ কৰ্ত্তন প্ৰস্তাৱ আলোচনা কৰিছিলো তেতিয়াও আমি এটা কথা কৈছিলো যে কৃষি বিভাগৰ লগত কেইবাটাও বিভাগ লগ লগাই এটা গ্ৰুপ অৱ মিনিষ্টাৰচ্ কৰা নহয় তেতিয়াহ'লে আচলতে সঠিক ভাবে কৃষি কাৰ্য্যৰ উন্নতি কৰিব নোৱাৰে। কৃষি কাৰ্য্যৰ উন্নতিৰ কাৰণে জলসিঞ্চন বিভাগটো হৈছে এটা গুৰুত্বপূৰ্ণ বিভাগ। ইতিমধ্যে আমাৰ বিভিন্ন বক্তাই এই কথাটো কৈছে। জলসিঞ্চন বিভাগটো এনেকুৱা এটা বিভাগ যাৰ গুৰুত্ব অধিক। এইবাৰো জলসিঞ্চন বিভাগটোৰ ওপৰত যথেষ্ট পৰিমাণে আলোচনা কৰি থকা হৈছে যদিও এই ক্ষেত্ৰত বিভাগে গুৰুত্ব দিয়া নাই। এই ক্ষেত্ৰত আমি প্ৰত্যেক বাৰে ইমান আলোচনা কৰি আছো যদিও বিভাগে কোনো গুৰুত্ব দিয়া নাই, তেওঁলোকৰ চাল ডাঠ হৈ গৈছে। দুই বছৰৰ আগতে যেতিয়া খৰাং হৈছিল তেতিয়া এই সদনতেই আমি এই বিষয়ে আলোচনা কৰিছিলো। বহু সময়ত আমি এই বিষয়ে আলোচনা কৰিছোহে কৰিছো

কিন্তু আশা কৰা ধৰণে উন্নতি দেখিবলৈ পোৱা নাই। আমি কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত যিখিনি কথা আলোচনা কৰিছো সেইখিনিৰ ওপৰত গুৰুত্ব দি সঠিক ভাবে কাম খিনি কৰাৰ কাৰণে প্ৰচেষ্টা চলাবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। মই শিৱসাগৰৰ কথা কব বিচাৰিছো। শিৱসাগৰ জিলাখনত তিনিখন প্ৰধান নদী আছে। এই তিনিখন নদী হৈছে- দিচাং, দিখৌ আৰু জাঁজী। আগৰ সময়চোৱাত এই তিনিখন নৈত লিফত ইৰিগেচনৰ ব্যৱস্থা আছিল। এই লিফত ইৰিগেচনৰ যোগেদি খেতি পথাৰত পানী যোগান ধৰা হৈছিল। এতিয়া সেই লিফত ইৰিগেচন বিলাক নাই। এতিয়া আঁচনি বিলাক চালু কৰি আৰু সঠিক ভাবে ব্যৱহাৰ কৰি খেতি পথাৰত পানী যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। দিখৌ নদীত তিনিটা লিফত ইৰিগেচন স্কীম নাজিৰা সমষ্টিৰ সুন্দৰ পুখুৰী, চণ্টক আৰু জোকতলিত আছে। যোৱাবাৰ বেছিকৈ কোৱাৰ পিচত সুন্দৰ পুখুৰী আঁচনিটো ভাল কৰিবৰ কাৰণে ব্যৱস্থা লৈছিল। কিন্তু ইমান লেহেম গতিত কাম চলিছে যে সেইটো কাৰ্য্যক্ষম কৰিবলৈকে আৰু কিমান বছৰ লাগিব তাত সন্দেহ আছে। আন এটা লিফত ইৰিগেচন আঁচনি আছে তাত মটৰ ৰখাৰ কাৰণে নাওয়েই নাই। দিচাং নৈৰ যিটো লিফত ইৰিগেচন স্কীম আছে সেইটোত পানী কোনোদিনে দিয়া নহ'লেই।

মাননীয় সভাপতি মহোদয়, জলসিঞ্চন আঁচনিৰ কথা কৈ থাকিলেও একো কাম হোৱা নাই। কামবিলাকত গাফিলতি হৈছে। তেখেত সকলৰ ছাল ইমান ডাঠ হ'ল সহজে নিবিন্ধে। বিভাগটো ঠিক কৰিবৰ কাৰণে পৰামৰ্শৰ প্ৰয়োজন আৰু কেনেকৈ আগবাঢ়ি যাব পাৰি চাব লাগিব। আজিৰ পৰা ৭-৮ বছৰৰ আগতে জকাইচুক, কোঁৱৰপুৰ, বকতা অঞ্চল আৰু থাওৰা অঞ্চলৰ কিছুমানত বানপানীয়ে ৰাইজৰ ক্ষতিসাধন কৰিছে। সেইবিলাক ঠাইত চেল' টিউৱেল বহুওৱা হৈছিল, সেই চেল' টিউৱেলবোৰ কি হ'ল। খেতি কৰিবলৈ

পানীৰ প্ৰয়োজন কিন্তু চেল' টিউৱেলবিলাক উন্নত কৰা ব্যৱস্থা নাই। এগ্ৰিকালচাৰ বিভাগ আৰু জলসিঞ্চন বিভাগ দুটাই সহযোগ কৰিলে ৰাইজে পানী পোৱাত কিছু সুবিধা হব। মৌচুমী বতাহ অনিয়মীয়া হৈছে আৰু মাটিৰ তলৰ পানী তললৈ ক্ৰমান্নয়ে বহি গৈছে। সেই কথাটো অন্ততঃ ভাবি চিন্তি চোৱা দৰকাৰ। কাটমোচনৰ জৰিয়তে এই বিভাগটোক সকিয়াই দিব বিচাৰিছো এই বিভাগটোৱে যদি ঠিকমতে কাম কৰে তেতিয়া অহা সময়ছোৱাত যথেষ্ট উপকাৰ হব। যদি সময়মতে কাম নকৰে তেতিয়া বাজেটত ধন ধৰি লাভ নাই। ধন ধাৰ্য্য কৰামতে সকলোৱে কাম কৰে, বিভাগবিলাকে সহযোগিতা আগবঢ়াই গুৰুত্ব সহকাৰে লয় তাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই ইমানতে মোৰ বক্তব্য সামৰণি মাৰিলো।

* **শ্ৰীনুৰুল হুছেইন ঃ** মাননীয় সভাপতি মহোদয়, জলসিঞ্চন বিভাগ, এগ্ৰিকালচাৰ বিভাগ আদি বিভাগবোৰে ধাৰাবাহিক ভাবে আক্ৰমণ চলাইছে আৰু বহিঃ আক্ৰমণও চলাইছে। ভিতৰুৱা যিবোৰ আক্ৰমণ আছে সেইবোৰ কেতিয়াও বন্ধ নহয়, তেতিয়াহ'লে বিভাগবোৰৰ কেতিয়াও উন্নতি নহব। কিন্তু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰত কব কোনে অকনে ধৰণৰ কামকাজ কৰিছে। এই বিভাগটোলৈ ১১ কোটি টকা আহিব বুলি জানিব পাৰিছো। মেজৰ, মাইনৰ লৈ দুবিধ জলসিঞ্চন আঁচনি আছে, তাৰ কাৰণে এই টকাখিনি ধাৰ্য্য কৰিছে যদিও সফল হোৱা নাই। এই বিভাগটোৰ লগত কৃষক জৰিত হৈ আছে, কৃষকে জলসিঞ্চন বিভাগৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে। কৃষি বিভাগটো ব্যৰ্থ হোৱা এটা কাৰণ হৈছে, পাৱাৰ আৰু ইৰিগেচন বিভাগৰ লগত সহযোগিতা নথকাৰ বাবে।

মাননীয় সভাপতি মহোদয়, মোৰ সমষ্টিত দেখিছো ট্ৰেন্সফৰ্মাৰ আছে

---

* Speech not corrected

কিন্তু কাৰেণ্ট নাই। সেই ট্ৰেন্সফৰ্মাৰটোত ৰঙালাউ এজোপা চাৰিওফালে বগাই মেৰিয়াই ধৰিছে। আজি প্ৰায় দুই বছৰে ৰঙালাউ জোপা বগাই আছে। ট্ৰেন্সফৰ্মাৰ ট্ৰেন্সফৰ্মাৰ হৈয়ে থাকিল। সেইকাৰণে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কিছুমান কৰ্মদক্ষতা থকা বিষয়া এনেকুৱা বিভাগবোৰত কামত লগাব লাগে। বিশেষকৈ শ্ৰী চি. কে. দাস নামৰ বিষয়াজনৰ কথা কৈছো, তেখেতে কাম কৰিছে। বিভাগকেইটাত ইমান টকা খৰছ কৰিছে কামত যদি গুৰুত্বপূৰ্ণভাবে নালাগে তেতিয়া আমাৰ একো নহব।

মাননীয় সভাপতি মহোদয়, কৃষি বিভাগৰ মন্ত্ৰীৰ লগত বিভিন্ন সময়ত কথা পতা হৈছে। আমাৰ তাত চাব ডিভিজন আছে। তাত জলসিঞ্চন বিভাগৰ চাব-চেণ্টাৰ এটা দিবৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ে আশ্বাস দিব নেকি ? হাজোত চাব-ডিভিজন এটা কৰিব নেকি ? মোৰ সমষ্টি ৰঙিয়া তাত মাঠান, ইউনিট আদি কেইটামান ভিতৰুৱা অঞ্চল আছে, সেই অঞ্চলবিলাক প্ৰশাসনে ঢুকি নাপায়। গতিকে এই ক্ষেত্ৰত সহযোগ কৰিলে ভাল হয়। হাজোত চাব-ডিভিজন দিলে ৰাইজৰ ওচৰলৈ ডিপাৰ্টমেণ্টৰ মানুহ যাব পাৰে। নহ'লে সেই ভিতৰুৱা অঞ্চলৰ মানুহ কেতিয়াও ডিপাৰ্টমেণ্টৰ ওচৰ চাপিব নোৱাৰে। লগতে টেলিফোনৰ ডিভিজন এটাও দিয়া ব্যৱস্থা কৰিলে ভাল হয়। তেতিয়া ৰঙিয়া আৰু হাজো এই দুই অঞ্চলৰ ৰাইজক উপকাৰ কৰা হব। সেই সকলোখিনি সুবিধা কৰি দিব বুলি মাননীয় মন্ত্ৰী মহোদয়ে ক'লে ভাল পাম। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিছো।

মাননীয় অধ্যক্ষ ঃ এইবাৰ শ্ৰীকাৰ্ত্তিক সেনা সিনহা।

⁂ **ডাঃ আদিত্য লাংথাছা ঃ** ছাৰ, ছাৰ, মই দুই মিনিট কম।

মাননীয় অধ্যক্ষ ঃ আপুনি নিজে নাম দিছে। গতিকে এতিয়া নহব।

⁂ **ডাঃ আদিত্য লাংথাছা ঃ** ছাৰ, মই মাত্র দুই মিনিট কম।

⁂ **শ্রীহিৰেণ দাস ঃ** ছাৰ, মই ১ মিনিট কম।

মাননীয় অধ্যক্ষ ঃ যদি কার্ত্তিক সেনা সিনহাই ১ বজাৰ আগতে শেষ কৰে ডাঃ লাংথাছা মই আপোনাক দিম।

⁂ **শ্রীকার্ত্তিক সেনা সিনহা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কর্ত্তন প্রস্তাৱটো সমর্থন কৰি দুযাৰ কবলৈ বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ অসমৰ যি পৰিস্থিতি হৈছে ইয়াৰ বাবে জলসিঞ্চন বিভাগকে কিছু আধুনিক কৰাৰ দৰকাৰ হৈছে। আজি যিবিলাক আলোচনা হৈছে সেই বিষয়ে মই আৰু কবলৈ নাযাও। মই মাত্র আপোনাৰ জৰিয়তে মন্ত্রী মহোদয়ক এটা অনুৰোধ কৰিব বিচাৰিছো যে আপোনালোকে অলপ এক্সপার্ট থিংক লওঁক আৰু বিভাগৰ কর্মচাৰী সকলৰ মানসিকতা দূৰ কৰাৰ বাবে ব্যৱস্থা লওঁক। কাৰণ আমি চিফ ইঞ্জিনিয়াৰ বা ডিভিজন অফিচ বিলাকলৈ নিজেও যাও। আজি মই মাননীয় মন্ত্রী মহোদয় আৰু মাননীয় মুখ্যমন্ত্রী মহোদয়ক ধন্যবাদ দিছো। কাৰণ মোৰ সমষ্টিত ৮ টা নতুন প্রজেক্ট দিছে আৰু কেইটামান চেংচন হবলৈ বাকী আছে আৰু সেই কেইটাও সোনকালে চেংচন হব বুলি মই আশা কৰিছো। আজি আমাৰ অসমত বৰষুন কম হোৱাৰ বাবে বিভাগে ব্যৱস্থা কৰিব লাগিব। আমাৰ যিবোৰ খাল-বিল, নদ-নদী আছে সেইবোৰৰ

⁂ Speech not corrected

জৰিয়তে খেতি পথাৰত পানী যোগানৰ ব্যৱস্থা কৰিব লাগে। আজি আমি কাগজে-পত্রে দেখিবলৈ পাইছো যে চৰকাৰে হাজাৰ হাজাৰ লাখ লাখ মাটিত পানী যোগান ধৰিছে। কিন্তু বাস্তৱত সেইটো হোৱা নাই। গতিকে কি উপায়েৰে আমি খেতি পথাৰত পানী যোগান ধৰি আমাৰ কৃষক সকলক উপকৃত কৰিব পাৰো তাৰ বাবে মাষ্টাৰ প্লেন এখন বঢ়োৱাৰ ব্যৱস্থা গ্রহণ কৰিবলৈ মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

✳ **ডাঃ আদিত্য লাংথাছা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যমুনামুখ জলসিঞ্চন যিটো প্রকল্প আছে ইয়াৰ জৰিয়তে হোজাই, লামডিং আদি অঞ্চল উপকৃত হৈছে। এই কথাটো আমাৰ মাননীয় সদস্য শ্রীসুশীল দত্ত ডাঙৰীয়াই ইতিমধ্যে কৈ গৈছে। কিন্তু মোৰ সমষ্টিটো বঞ্চিত হৈ আছে। গতিকে মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ কৰিছো যিহেতু এইটো এটা মেজৰ জলসিঞ্চন প্রকল্প। গতিকে এইটো এক্সপানচন কৰাৰ যথেষ্ট থল আছে। দ্বিতীয়তে, ডবকাত যিটো ২০ কোটি টকীয়া প্রজেক্ট লোৱা হৈছে, তাত ২০ কোটি টকা যে খৰছ হৈছে তাত আমাৰ সন্দেহ আছে। গতিকে মই মাননীয় মন্ত্রী মহোদয়ক এই বিষয়ে অনুসন্ধান কৰি বিহিত ব্যৱস্থা গ্রহণ কৰাৰ বাবে অনুৰোধ জনালো।

✳ **শ্রীহিৰেণ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দৰং জিলাত এতিয়াও খেতি পথাৰত পানী নাই। জলসিঞ্চনৰ যি কেইটা আঁচনি আছে তাৰ জৰিয়তেও খেতি পথাৰত পানী যোগান ধৰিব পৰা নাই। গতিকে চৰকাৰে অসমৰ যি ১৪ খন জিলা খৰাং পীড়িত জিলা হিচাপে ঘোষণা কৰিছে তাৰ ভিতৰত দৰং জিলাখনো অর্ন্তভুক্ত কৰিবলৈ মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ জনালো, লগতে জলসিঞ্চন বিভাগৰ যিটো যান্ত্রিক সংমণ্ডল

✳ Speech not corrected

কাৰ্য্যালয় দৰং জিলাৰ মঙ্গলদৈত আছে সেইটো আজি ওদালগুৰিলৈ উঠাই নিব বিচৰা হৈছে। এইটো দৰং জিলাবাসীৰ বাবে অতি দুখজনক বিষয়। ইয়াৰোপৰি এই কাৰ্য্যালয়টো উঠাই নিব বিচৰা কাৰ্য্যত আমাৰ দৰং জিলাবাসীৰ স্বাৰ্থত আঘাট হনা হৈছে। সেয়েহে মই কাৰ্য্যালয়টো উঠাই নিব বিচৰা সিদ্ধান্তটো বাতিল কৰিবলৈ আপোনাৰ জৰিয়তে মন্ত্রী মহোদয়ক অনুৰোধ জনালো।

* শ্রীবিনোদ গোৱালা ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসম ৰাজ্যখন এখন কৃষি প্রধান ৰাজ্য। আমাৰ গোলাঘাট জিলাত যিকেইটা জলসিঞ্চন আঁচনি আছে সেই গোটেই কেইটা বেয়া হৈ আছে, যাৰ ফলত খেতি পথাৰত পানী যোগান দিব পৰা নাই। এই কথাটো আমি ডি. আৰ. এচ. চি. মিটিঙতো অৱগত কৰিছিলো। যিকেইটা বৰ্ত্তমান আঁচনি আছে সেইকেইটা ১৯৮৭-৮৮ চনতে লোৱা হৈছিল। কিন্তু আজিলৈকে নতুন কোনো জলসিঞ্চন আঁচনি লোৱা নাই। আমাৰ সৰুপথাৰ অঞ্চলত বৰষুন নোহোৱাৰ ফলত খেতিয়কে আজিলৈকে কঠিয়া পাৰিব পৰা নাই। আজি মন্ত্রী মহোদয় জলসিঞ্চন মন্ত্রী হোৱা ২-৩ বছৰ হ'ল যদিও তেখেতে আমাৰ সেই অঞ্চল দেখা নাই। আমাৰ মাননীয় কৃষি মন্ত্রী মহোদয়ে আমাৰ সেই অঞ্চললৈ গৈছে আৰু ধানৰো বীজ দিছে। বীজ দিছে কিন্তু খেতি পথাৰত পানী নাই। যিবোৰ ডিপ টিউৱেল আছিল সেই কেইটাও বেয়া হৈ আছে। আজি আমাৰ ধনশিৰি, চুঙাজাৰ, ৰেংমাই আদি অঞ্চলত কোনো জলসিঞ্চন আঁচনি নাই। ফলত খেতি পথাৰত পানী যোগান দিব পৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, ৰেংমাই নদীত বান্ধ দিলে ৬০০০ কৃষক উপকৃত হ'ব। মাননীয় অধ্যক্ষ মহোদয়, এটা সময় আছিল ১৯৭২ চনত সৰুপথাৰ অঞ্চলৰ ধান নি গোটেই অসমৰ মানুহক খুৱাইছিল। মাননীয়

---

* Speech not corrected

অধ্যক্ষ মহোদয়, মই আশা ৰাখিছোঁ এইবাৰ বিত্তীয় বৰ্ষত ৰেংমাই বান্ধৰ লগতে ডিপ টিউৱেলৰ ব্যৱস্থা কৰি সেই অঞ্চলৰ খেতিয়ক সকলক যাতে কৃষিৰ ক্ষেত্ৰত কোনো অসুবিধা নহয় তাৰ বাবে বিশেষ ব্যৱস্থা লবলৈ মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। লগতে খৰাংপীড়িত অঞ্চল হিচাবে ঘোষণা কৰিবলৈ মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় জলসিঞ্চন মন্ত্ৰীয়ে উত্তৰ দিব।

শ্ৰীনুৰজামাল চৰকাৰ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ডাঙৰীয়া, শ্ৰীনুৰুল হুছেইন ডাঙৰীয়া, শ্ৰীঅনন্ত ডেকা ডাঙৰীয়া, শ্ৰীদ্ৰুপদ বৰগোঁহাই ডাঙৰীয়া, শ্ৰীকাৰ্ত্তিক সেনা সিনহা ডাঙৰীয়াকে আদি কৰি কেইবাজনো মাননীয় সদস্যই কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত আজি বিভিন্ন পৰামৰ্শ আগবঢ়াইছে। ইয়াৰ ওপৰিও তেওঁলোকে জলসিঞ্চন বিভাগৰ কিছুমান কামকাজৰ ওপৰত পৰামৰ্শ দিয়াৰ কাৰণে মই ধন্যবাদ দিছোঁ। মাননীয় অধ্যক্ষ মহোদয়, এটা কথা ঠিক যে অসমত আজি কিছু বছৰ আগলৈকে যথেষ্ট বৰষুন দিছিল। আগতে মাৰ্চ-এপ্ৰিলত অসমত বৰষুন হৈ আছিল। কিন্তু এতিয়া অসমৰ জলবায়ু সলনি হৈছে। আজি ২-৩ বছৰৰ পৰা ২০০৬ চনৰ পৰা অসমৰ জলবায়ুৰ পৰিবৰ্ত্তন হৈছে। বৰষুনৰ পৰিমান একেবাৰে কমি গৈছে, ফলত কৃষক ৰাইজ যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। অসমত পানীৰ পৰিমানটো কমি গৈছে। অসমৰ শতকৰা ৭০ শতাংশ লোক কৃষিজীৱি, তেওঁলোক কৃষিৰ ওপৰত নিৰ্ভৰশীল। সেই কাৰণে আমাৰ জলসিঞ্চন বিভাগে আজি কৃষিৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিছে। যাতে সময় মতে আমি খেতিপথাৰ বিলাকত পানী যোগান ধৰিব পাৰো তাৰ কাৰণে

চেষ্টা কৰি আছো। আজি আমাৰ মাইনৰ ইৰিগেশ্যন প্ৰজেক্ট ১০৯২ টা আছে। আজি বহু বছৰ আগতে জলসিঞ্চনৰ তেনেকুৱা আঁচনি আছিল যদিও মেৰামতিৰ অভাৱত বিকল হৈ আছে। এতিয়া আমি মাহে মাহে পৰ্য্যায়ক্ৰমে ভাল কৰিবলৈ চেষ্টা কৰি আছো। ২১৬ টা স্কীম আমি ৰিপেয়াৰ কৰিব নোৱাৰো। ১৬৮ টা আমি মেৰামতি কৰিব পাৰিছো। আমাৰ চাৰিটা মেজৰ স্কীম অৰ্দ্ধনিৰ্মিত অৱস্থাত আছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমৰ যি পৰিস্থিতি, য'ত আমি ভূটান বা অৰুণাচলৰ পৰা ইঞ্জিনিয়াৰ মাতি আনি কাম কৰিব নোৱাৰো। ধনশিৰিৰ প্ৰজেক্টৰ ক্ষেত্ৰত আমি কৈছো যে আমি ৮৩০০০ হেক্টৰ মাটিত পানী যোগান ধৰিব পাৰিম। আজি ২২ খন গাঁৱৰ মানুহে ধনশিৰি প্ৰজেক্টৰ পানী খাই আছে। মই আশা ৰাখিছো এই প্ৰজেক্টটো আমি ২০১০ ত সম্পূৰ্ণ কৰিব পাৰিম। চম্পাৱতী প্ৰজেক্টটোৰ কাম ১৯৮৩ চনতে আৰম্ভ কৰা হৈছিল কিন্তু অন্যান্য কিবা কাৰণত কামটো সম্পূৰ্ণ হোৱা নাছিল। ২০০৮ চনত আমি ৮.৩ লাখ টকা দিছো কাম আৰম্ভ কৰিবলৈ। এতিয়ালৈ আমি ৪৫৭২ হেক্টৰ মাটিত পানী দি আছো। ২০১০ চনত আমি এইটো সম্পূৰ্ণ কৰিব পাৰিম।

মাননীয় অধ্যক্ষ মহোদয়, আমি ৪ টা মেজৰ-মিডিয়াম স্কীমৰ ১,২৬,৯৭১ হেক্টৰ মাটিত ৬২২.৩৯ কোটি টকাৰ স্কীম লোৱা হৈছে। তাৰে এতিয়া ১৬,০২২ হেক্টৰ মাটিত পানী দি থকা হৈছে। এই কেইটা আমি ২০১০ চনৰ ভিতৰত সম্পূৰ্ণ কৰিব পাৰিম। আমাৰ বুঢ়ীদিহিং জলসিঞ্চন প্ৰকল্প আছে, সেইটো ২০১০ চনৰ ভিতৰত সম্পূৰ্ণ কৰিম। এই ক্ষেত্ৰত আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা ৯০ শতাংশ অনুদান হিচাপে আৰু ১০ শতাংশ ষ্টেট চেয়াৰ হিচাপে পাইছো। এতিয়া আমি ৩৫৭ টা নতুন স্কীম হাতত লৈছো। এই স্কীমৰ ৯২ টা স্কীম আমি ২০০৮-২০০৯ ৰ ভিতৰত সম্পূৰ্ণ কৰিম। বাকী স্কীম কেইটা ২০১০ চনৰ ভিতৰত সম্পূৰ্ণ কৰা হব। ১ লক্ষ

৫১ হেজাৰ ৭ শ হেক্টৰ মাটিত পানী যোগান ধৰিব পাৰিম। আমি নতুন কিছুমান স্কীম লৈছো। তাৰে ভিতৰত আমি নাবার্ডৰ পৰা ১২ টা স্কীম লৈছো অসম বিকাশ যোজনাৰ অধীনত কিছুমান সৰু সৰু স্কীম লোৱা হৈছে। বেয়া হৈ থকা বহুতো স্কীম আমি এতিয়া ৰিভাইভ কৰিছো। ২০০৬-০৭ ত আমি ২৯৭ টা স্কীম ৰিভাইভ কৰিছিলো। ২০০৭-০৮ ত ১২ হেজাৰ হেক্টৰ মাটিত বেয়া হৈ থকা ১৯২ টা স্কীম নতুনকৈ ৰিভাইভ কৰিছো। ২০০৮-২০০৯ ত ১৯ হেজাৰ হেক্টৰ মাটিত কৰিছিলো। আজি জলসিঞ্চন বিভাগে যথেষ্ট ধন আনিছে। আমি কৃষি বিভাগৰ তৰফৰ পৰা চেল' টিউৱেল দিয়াৰ ব্যৱস্থা কৰিছো। এই চেল' টিউৱেলৰ যোগেদি আমাৰ বিভিন্ন জিলাত পানী দিয়াৰ ব্যৱস্থা কৰা হৈছে। এতিয়া খৰাং বতৰৰ কাৰণে আমি মেঘালয়, অৰুণাচল আদিৰ নদী বিলাকৰ চর্চৰ পৰা যি পানী পাইছিলো সেইটো কমি যোৱাৰ কাৰণে যি পৰিমাণে খেতিত পানী দিব লাগিছিল সেইমতে দিবপৰা নাই। এতিয়া যোৱাকালি মই প্ৰত্যেক জিলাৰ পৰা হিচাপ কৰি আনিছো, আমি এক লক্ষ ৪০ হেজাৰ হেক্টৰ মাটিত পানী দি আছো। আমাৰ মাননীয় সদস্য গিৰীন্দ্ৰ বৰুৱা ডাঙৰীয়াই সুধিছে নগাঁও জিলাত কিমান আছে ? মই প্ৰত্যেক জিলাৰ পৰা হিচাপ আনিছো। এতিয়া ১ লাখ ৪০ হেজাৰ হেক্টৰ মাটিত পানী দিয়াৰ ব্যৱস্থা কৰিব পাৰিছো। আমাৰ কলিয়াবৰত কলং জলসিঞ্চন প্ৰকল্পৰ কথা গিৰীন্দ্ৰ বৰুৱাদেৱে কৈছিল- ইয়াৰ পৰা ২৫৮৫ হেক্টৰ আৰু কলিয়াবৰৰ CAD ৰ যোগে ১৭০০ হেক্টৰ মাটিত পানী যোগান দিয়া হৈছে।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, সোনাই নদী ক'ত ?

শ্ৰীনুৰজামাল চৰকাৰ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আমাৰ কলং ইণ্টিগ্ৰেটেড

স্কীম আগতেই কৰিছিল। ১৯৭৫ চনত। এইটো প্ৰায় কমপ্লিট হৈছে। আমি এইটো নতুনকৈ remodelling কৰিম। প্ৰায় ৪৪ হেজাৰ হেক্টৰ মাটিত কভাৰ কৰিব পৰা হব। এতিয়া মাত্ৰ ৪২৮৫ হেক্টৰ মাটিতহে পানীৰ ব্যৱস্থা কৰিব পাৰিছো। আমি এই স্কীম বিলাক সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিছো। ব্ৰহ্মপুত্ৰৰ পৰা বাৰ্জেৰে পানী উঠাই দিয়া হৈ আছে। এতিয়া পাম্পচেট দিয়াৰ ব্যৱস্থা কৰা হব।

শ্ৰীকেশৰ মহন্ত ঃ কলিয়াবৰত যি আছিল ভাল নহয়, অচল অৱস্থাত আছে। কলং একেলগে আছে।

শ্ৰীনুৰজামাল চৰকাৰ (মন্ত্ৰী) ঃ আমি নতুনকৈ ৰিমডেলাইজিং কৰো বুলি কৈছো। তাত নতুনকৈ স্কীম কৰা হব। কেন্দ্ৰীয় চৰকাৰৰ পৰা স্কীম আহিছে। আমি চাই আহিছো, তাত পাম্পছেট থাকিব। আমি যোগাযোগ কৰিব লাগিব, টেম্পোৰাৰিলি চলি আছে। আমি গোটেইখিনি ষ্টাডি কৰি কিমান দিনৰ ভিতৰত পানী দিব পাৰিম সেইটো চোৱা হব। আমি কৃষি বিভাগৰ লগত কো-অৰ্ডিনেশ্যন কমিটি কৰিছো। প্ৰত্যেক জিলাত ডিষ্ট্ৰিক্ট হেড থাকিব, সেই কমিটিৰ ডি. চি. চেয়াৰমেন হব। কৃষি বিভাগৰ লগত একেলগে বহি কেনেকৈ খেতি পথাৰত পানী দিব পৰা যাব চোৱা হব। ডিষ্ট্ৰিক্ট লেভেলত মনিটৰিং কমিটি কৰি দিয়া হৈছে। যিবিলাক স্কীম আছে সেইবিলাক লব লাগিব। পইচা এ. এচ. ই. বি.ক জমা দিব লাগিব। কেতিয়াবা কাম কৰিবলৈ দেৰী হয়, সেইকাৰণে আমি এ. এচ. ই. বি.ৰ লগত আলোচনা কৰিছো। মই এগ্ৰিকালচাৰ মিনিষ্টাৰ, পাৱাৰ মিনিষ্টাৰৰ লগত কথা পাতিছো। আমি যাঁচলাক আঁচনি দিছো, কো-অৰ্ডিনেশ্যন কৰি মিটিং কৰা হৈছে। যিবিলাক পাম্পছেট আছে, ডিজেল দিবৰ কাৰণে চেষ্টা কৰিম। কৃষক সকলো ডিজেল

দিয়াৰ কাৰণে অনুৰোধ কৰে। সেই সকলক চাবচিডি দিয়া বুলি কৈছে। যিবিলাক আঁচনি আছে কৃষি বিভাগৰ লগত আলোচনা কৰা হৈছে। এই ক্ষেত্রত আমাৰ বিভাগে গুৰুত্ব দি আছে। আমি স্থানীয় বিধায়ক সকলৰ লগত আলোচনা কৰিম। কিছু সংখ্যক বিধায়কৰ লগত আলোচনা কৰা হৈছে। কৃষক সকলে কেনেকৈ কাম কৰিছে বিধায়ক সকলে জানিব পাৰে। ইতিমধ্যে কৰিমগঞ্জত স্কীম দিয়া হৈছে। চেণ্ট্রেল গভর্ণমেণ্টে শতকৰা দহ ভাগ টকা দিলে আমি বহুত টকা পাম। ৩৫৭ টা নতুন স্কীমৰ বাহিৰেও ১০৪ টা নতুন আঁচনি পাইছো। আমি খেতিৰ মাটিত পানী দিব লাগে। যিখিনি পাম্পছেট বিকল হৈ আছে সেইখিনিও ভাল কৰিব লাগিব।

শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা ঃ মাননীয় অধ্যক্ষ মহাদয়, ১৯১১ টা মাইনৰ স্কীম পাম্পছেট আছে, তাৰে ভিতৰত ৬৪২ টা বেয়া হৈ আছে।

শ্রীনুৰজামাল চৰকাৰ (মন্ত্রী) ঃ আমি পর্য্যায়ক্রমে কৰি থাকিম।

* **শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়,এটা টার্গেট কৰি লওঁক। আপুনি আজি আছে, অহাকালি কোনোৱা এজন আহিব। আপনি থাকোঁতে কৰিব নোৱাৰে নেকি ? চৰকাৰে বিচাৰিছে যে যিটো লাগতিয়াল সেইটো দিম, ২৫ বছৰ ধৰি সেইবিলাক কৰি আছে। যিবিলাক কৰা নাই সেইবিলাকো কৰিব লাগিব।

* **শ্রীনুৰজামাল চৰকাৰ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ১৭৪ টা স্কীম লৈছো। মাননীয় শ্রী অনন্ত ডেকা ডাঙৰীয়াই যিটো কৈছে সেইটো আমি চাম।

---

* Speech not corrected

⁂ **ডাঃ আদিত্য লাংথাছা ঃ** অধ্যক্ষ মহোদয়, ইঞ্জিনিয়াকৰ এম্পাৱাৰ কৰিব নেকি ?

⁂ **শ্রীনূৰজামাল চৰকাৰ (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, হয়, কৰা হব।

মাননীয় অধ্যক্ষ ঃ এতিয়া সময় এক ঘণ্টা ত্রিশ মিনিট হৈছে। মই বাকী থকা সকলো কর্ত্তন প্রস্তাৱ গিলোটিনত দিলো। এতিয়া মই বাকী থকা সকলোবোৰ দাবী মঞ্জুৰী নং ৪৯, ২১, ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১০, ১১, ১২, ১৩, ১৪, ১৫, ১৬, ১৭, ১৮, ১৯, ২০, ২২, ২৩, ২৪, ২৫, ২৬, ২৭, ২৮, ৩০, ৩১, ৩২, ৩৩, ৩৪, ৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৪০, ৪১, ৪২, ৪৩, ৪৪, ৪৫, ৪৬, ৪৭, ৫০, ৫১, ৫২, ৫৩, ৫৪, ৫৫, ৫৬, ৫৭, ৫৭, ৫৮, ৫৯, ৬০, ৬১, ৬৩, ৬৪, ৬৫, ৬৬, ৬৭, ৬৮, ৭০, ৭১, ৭২, ৭৩, ৭৪, ৭৫, ৭৬, ৭৭, আৰু ৭৮ সদনত অনুমোদনৰ বাবে আগবঢ়ালো।

যিসকল প্রস্তাৱৰ সপক্ষে, তেখেত সকলে কওঁক, "হয়" বুলি ;
যিসকল প্রস্তাৱৰ বিপক্ষে আছে, তেখেত সকলে কওঁক, "নহয়" বুলি ;

মই ভাবো "হয়" ৰ সপক্ষে, "হয়" ৰ সপক্ষে, "হয়" ৰ সপক্ষে।

মঞ্জুৰী নং ৪৯, ২১, ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১০, ১১, ১২, ১৩, ১৪, ১৫, ১৬, ১৭, ১৮, ১৯, ২০, ২২, ২৩, ২৪, ২৫, ২৬, ২৭, ২৮, ৩০, ৩১, ৩২, ৩৩, ৩৪, ৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৪০, ৪১, ৪২, ৪৩, ৪৪, ৪৫, ৪৬, ৪৭, ৫০, ৫১, ৫২, ৫৩, ৫৪, ৫৫, ৫৬, ৫৭, ৫৮, ৫৯, ৬০, ৬১, ৬৩, ৬৪, ৬৫, ৬৬, ৬৭, ৬৮, ৭০, ৭১, ৭২, ৭৩, ৭৪, ৭৫, ৭৬, ৭৭ আৰু ৭৮ গৃহীত হ'ল।

⁂ Speech not corrected

INTRODUCTION, CONSIDERATION AND PASSING OF "THE ASSAM APPROPRIATION (NO. II) BILL, 2009".

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ৩ (ক)।
মুখ্যমন্ত্রী শ্রীতৰুন গগৈয়ে "২০০৯ চনৰ অসম বিনিয়োজন (নং II) বিধেয়ক খন" সদনত উপস্থাপন কৰিবৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ উৎথাপন কৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মই মাননীয় মুখ্যমন্ত্রী তৰুন গগৈৰ হৈ "২০০৯ চনৰ বিনিয়োজন (নং II) বিধেয়কখন" উৎথাপন কৰিবলৈ অনুমতি বিচাৰিলো।

মাননীয় অধ্যক্ষ ঃ বিধেয়কখন উৎথাপনৰ বাবে সদনত সন্মতি আছেনে ?

(Voice : Yes, Yes)

অনুমতি দিয়া হ'ল।

ৰাজভৱনৰ পৰা বিনিয়োজন বিধেয়কখন সদনত উৎথাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে এটা বাণী পঠিয়াইছে। বাণীটো মই পঢ়ি দিছো।

ৰাজভৱন,.
গুৱাহাটী
জুলাই, ১২, ২০০৯

আদেশ

"ভাৰতৰ সংবিধানৰ ২০৭ (১) অনুচ্ছেদৰ চর্ত অনুসৰি মই, শ্রীকে.

শঙ্কৰনাৰায়নন, অসমৰ ৰাজ্যপাল হিচাবে '২০০৯ চনৰ অসম বিনিয়োজন (নং ২) বিধেয়কখন' অসম বিধান সভাত উৎথাপন কৰিবৰ বাবে অনুমোদন জনালো।

স্বাঃ
কে. শঙ্কৰনাৰায়ন,
ৰাজ্যপাল, অসম"।

এতিয়া মাননীয় মুখ্যমন্ত্রী মহোদয়ে বিধেয়কখন সদনত উৎথাপন কৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্রীৰ হৈ ২০০৯ চনৰ অসম বিনিয়োজন (নং-২) বিধেয়কখন সদনত উৎথাপন কৰিলো।

এতিয়া বিধান সভাৰ সচিবে বিধেয়কখনৰ শিৰোনামাটো পাঠ কৰি দিব।

সচিব, অসম বিধান সভা ঃ বিধেয়কখনৰ শিৰোনামাটো হ'ল "The Assam Appropriation (No. 2) Bill, 2009".

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ৩ (খ)।
ৰাজভৱনৰ পৰা ৰাজ্যপাল মহোদয়ে বিনিয়োজন বিধেয়কখন সদনত বিবেচনাৰ বাবে প্রস্তাৱ উৎথাপন কৰিবলৈ এটা বাণী পঠিয়াইছে। বাণীটো মই পাঠ কৰি দিছো।

ৰাজভৱন,
গুৱাহাটী
জুলাই, ১২, ২০০৯।

আদেশ

"ভাৰতৰ সংবিধানৰ ২০৭ (৩) অনুচ্ছেদ চর্ত্ত অনুসৰি মই শ্রীকে. শঙ্কৰনাৰায়নন, অসমৰ ৰাজ্যপাল হিচাবে ২০০৯ চনৰ অসম বিনিয়োজন (নং-২) বিধেয়কখন অসম বিধান সভাই বিবেচনা কৰিবৰ কাৰণে অনুমোদন জনালো।

স্বাঃ
কে. শঙ্কৰনাৰায়নন,
ৰাজ্যপাল, অসম।"

এতিয়া মাননীয় মুখ্যমন্ত্রীয়ে বিধেয়কখন বিবেচনাৰ বাবে সদনত উৎথাপন কৰিব।

ড. হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্রীৰ হৈ অসম বিনিয়োজন (নং-২) বিধেয়কখন বিবেচনাৰ বাবে সদনত প্রস্তাৱ উৎথাপন কৰিলো।

* **শ্রীচন্দ্রমোহন পাটোৱাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী ডাঙৰীয়াক দৃষ্টি আকর্ষন কৰিব বিচাৰিছো। আমাৰ বহুতো ভেঞ্চাৰ স্কুল আছে। ইতিমধ্যে সেই স্কুল বিলাকক এককালীন সাহার্য্য দিয়াৰ ব্যৱস্থা কৰা

* Speech not corrected

হৈছে। ১০০০ বা ২০০০ টকাৰে স্কুল বিলাক চলা নাই। বৰ্ত্তমান চৰকাৰৰ বিত্তীয় অৱস্থা উন্নত হৈছে সেইকাৰণে মই আশা কৰো যে যিখিনি ভেঞ্চাৰ স্কুল আছে সেইখিনি প্ৰাদেশীকৰণ হব লাগে। এই ক্ষেত্ৰত চৰকাৰে সিদ্ধান্ত লওঁক, নিৰ্দ্দিষ্ট সময় বান্ধি দিয়ক। এই ভেঞ্চাৰ এল. পি. স্কুল হাইস্কুলৰ শিক্ষকে বিনা বেতনে অৱসৰ লব লগা হৈছে। এই ক্ষেত্ৰত মই চৰকাৰক দৃষ্টি আকর্ষন কৰিব বিচাৰিছো যে আমাৰ কিছুমান জুনিয়ৰ কলেজ আছে সেই বিলাককো চৰকাৰীকৰণ কৰিব লাগে। সেই কলেজ বিলাক চৰকাৰে নোলোৱাৰ কাৰণে তাত বহু শিক্ষক অৱসৰ লব লগা হৈছে। ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈ কিছুমান কলেজ লোৱা হৈছিল। ১৯৯১ চনৰ পৰা চিনিয়ৰিটি হিচাবত দিব লাগে। তেতিয়া মুখ্যমন্ত্ৰী মহোদয়ে কথা দিছিল। এতিয়া সেইবোৰ নোহোৱাৰ কাৰণে চৰকাৰক দৃষ্টিগোচৰ কৰিব বিচাৰিছো। এই কলেজ সমূহৰ ভিতৰত কামৰূপ কলেজ আৰু লালুক কলেজ এই দুখন লোৱাৰ কথা আছিল কিন্তু লোৱা নহ'ল। সেই কলেজত কাম কৰা শিক্ষক সকল এতিয়া অৱসৰ লব।

মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই দৃষ্টি আকর্ষন কৰিব বিচাৰিছো যে ডিষ্ট্ৰিক্ট ইনফৰমেচন অফিচ কিছুমান যুৱকক নিযুক্তি দিয়া হৈছিল। এতিয়া তেওঁলোকৰ চাকৰি নাইকীয়া হৈছে। মোৰ লগত তথ্য আছে। এনেকুৱাকৈ কিছুমান নিযুক্তি দিয়া হৈছে আৰু বহুত ৰাজ্যত নিয়মীয়া নিযুক্তিও পাইছে। অসমৰ ক্ষেত্ৰত সেইটো হোৱা নাই। এইখিনিতে মই আন এটা কব বিচাৰিছো। সেইটো হৈছে ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ কথা। ২০০৮-২০০৯ চনৰ বাজেট বক্তৃতাত মাননীয় মুখ্যমন্ত্ৰীয়ে মহোদয়ে কেচা পাতৰ ওপৰত ২০ পইচা কৰ লগোৱাৰ কথা কৈছিল আৰু সেই কৰ ফেক্টৰীৰ পৰা আদায় কৰা হব বুলি কোৱা হৈছিল। কিন্তু এই গোটেই ২০ পইচাৰ বাৰ্ডেনটো অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কৰ ওপৰত পৰিছে। ক্ষুদ্ৰ চাহ খেতিয়ক

সকলে এই ক্ষেত্রত আন্দোলনো কৰিছে আৰু মাননীয় মুখ্যমন্ত্রী মহোদয়কো লগ কৰিছে। বাজেট বক্তৃতাত যিখিনি কথা আহিছিল বেলেগকৈ আহিছিল। কিন্তু আজি এই সদনত বিধেয়ক আনি সংশোধন কৰাৰ সময় নাই। আমাৰ অসমৰ সম্পূৰ্ণ খিলঞ্জীয়া অনুষ্ঠান-প্রতিষ্ঠান দুটা আছে। তাৰে এটা হ'ল অসমৰ ক্ষুদ্র চাহ খেতিয়ক সকল আৰু আনটো হৈছে ভ্রাম্যমান থিয়েটাৰ দল। এতিয়া কেচা চাহপাতৰ দাম ১০ টকালৈকে কমি আহিছে। সেই কাৰণে এই ক্ষুদ্র চাহ খেতিয়ক সকল সমস্যাৰ সন্মূখীন হবলগীয়া হৈছে। এই খিলঞ্জীয়া চাহ খেতিয়ক সকলৰ প্রতি লক্ষ ৰাখি এই অধিবেশনত নহ'লেও পৰবর্ত্তী অধিবেশনত এই কেচা পাতৰ ওপৰত থকা ২০ পইচাৰ টেক্সটো ৰেহাই দিব বুলি আশা কৰিলো। বৃহৎ চাহ খেতিয়ক সকলক ৯৯ বছৰলৈ চাহ বাগানৰ মাটি লীজত দিয়া হৈছে। কিন্তু ক্ষুদ্র চাহ খেতিয়ক সকলে ২০০ টকা ভৰিব লগীয়া হৈ আছে। চৰকাৰে এই কথাটো বিবেচনা কৰিব লাগে। মই এইটো দাবী জনাইছো। মোৰ শেষ কথাটো হ'ল খৰাং বতৰ। ইতিমধ্যে ১৪ জিলাক খৰাং পীড়িত জিলা বুলি ঘোষণা কৰা হৈছে। এই ১৪ খন জিলাৰ ভিতৰত নলবাৰী পৰিছে যদিও দৰং পৰা নাই। দৰং জিলাত খৰাং হোৱা নাইনে কি ?

মাননীয় অধ্যক্ষ ঃ এপ্রোপ্রিয়েচনত এই বিলাক নাহে।

* **ডাঃ ভূমিধৰ বর্মন (ৰাজহ ইত্যাদি মন্ত্রী) ঃ** এইটো মেট্রোলোজিকেল দাতা মতে বৰষুণৰ পৰিমান মাইনাচ ২০ পার্চেণ্ট হ'লে দ্রুত বুলি ঘোষণা কৰিব পাৰি। কিন্তু এই ভাট্টা আৰু কেন্দ্রীয় চৰকাৰৰ গাইড লাইন মতে মাইনাচ ১৯ পার্চেণ্ট হ'লে দ্রুত বুলি ঘোষণা কৰিব নোৱাৰি। আজি যি কেইখন জিলা দ্রুত বুলি ঘোষণা কৰিছো সেই কেইখন জিলাত বৰষুণৰ

---

* Speech not corrected

পৰিমান মাইনাচ ২০ পার্চেণ্টৰ ওপৰত আছে। ভগৱানে নকৰক পিছলৈ আৰু যদি কিবা পৰিস্থিতিৰ সৃষ্টি হয়, তেতিয়াহ'লে আমি বিবেচনা কৰি চাম।

✳ **শ্রীচন্দ্রমোহন পাটোৱাৰী** ঃ চাৰ, এই দাতা মতে মাইনাচ ২০ পার্চেণ্ট বৰষুণ হ'লে খৰাং বুলি ঘোষণা কৰা নহয়, সেইটো হয়। কিন্তু দৰং জিলাৰ মানুহৰ পৰা এই ক্ষেত্রত আপত্তি আহিছে। তাত পথাৰত পানী নাই। বৰষুণৰ পানী যিখিনি হৈছে সেইখিনিয়েই পথাৰত আছে। খৰাং সদৃশ বতৰৰ কাৰণে তাত পানীৰ অভাৱ হৈছে। আপোনালোকে ডিজেলৰ ব্যৱস্থা কৰি দিম বুলি কৈছে। য'ত পাম্পচেট আছে তাত ডিজেল দিলে সুবিধা হ'ব। এখন গাঁৱত এশটা চেলটিউৱেল আছে। মোৰ আগৰ অভিজ্ঞতা মতে ১০ জনেহে ডিজেল পাব। গ্রাম সেৱক সকলৰ লগত যি সকলৰ ভাল তেওঁলোকে পাব আৰু যি সকলৰ ভাল নহয় তেওঁলোকে নাপায়। প্রত্যেক বছৰে খৰাং বতৰে অসমৰ কৃষি খণ্ডত ভাবুকিৰ সৃষ্টি কৰিছে। বৰষুণ নোহোৱাৰ কাৰণে ঠিকমতে কঠিয়া পাৰিব পৰা নাই। গতিকে এই ক্ষেত্রত এটা পেকেজ কৰি ৰখাটো ভাল। পেকেজৰ এই ব্যৱস্থা কৰিলে খেতিয়ক সকলৰ সুবিধা হ'ব। তাৰ পিছত মই বোর্ডাৰ এৰিয়াত থকা ভেঞ্চাৰ স্কুল বিলাক স্পেচিয়েল প্রভিন্সিয়েলাইচন কৰাৰ কাৰণে চৰকাৰৰ দৃষ্টি অকর্ষন কৰিলো। চৰকাৰী কর্মচাৰী সকলক কেন্দ্রীয় চৰকাৰৰ সমহাৰত দৰমহা দিব বুলি ঘোষণা কৰাৰ কাৰণে ভাল পাইছো। লগতে চৰকাৰে মাষ্টাৰৰোল আৰু কেজুৱেল কর্মী সকলৰ চাকৰি নিয়মীয়াকৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। চৰকাৰক মই এইটো অনুৰোধ জনাইছো। মই অবিবি শিক্ষক সকলৰ কথাও কব বিচাৰিছো। নলবাৰী, দৰং, লখিমপুৰ আদি জিলাৰ অবিবি শিক্ষক সকলৰ সমস্যাৰ কথাটো মই মাননীয় শিক্ষামন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষন কৰিব বিচাৰিছো। লগতে অবিবি শিক্ষক

✳ Speech not corrected

সকলৰ সমস্যাটো সমাধান কৰাৰ কাৰণে অনুৰোধ জনাইছো।

⁂ ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য ইত্যাদি মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিৰোধী দলৰ দলপতিয়ে যিটো কথা কৈছে তাত আমাৰ আপত্তিৰ কথা নাহে। আমাৰ মাননীয় মুখ্যমন্ত্রীয়ে সেই কাৰণেই মাননীয় জলসম্পদ মন্ত্রী পৃথিবী মাঝি ডাঙৰীয়াক চেয়াৰমেন হিচাবে লৈ এখন সমন্বয় সমিতি কৰি দিছে। যোৱা পৰহি আমাৰ এই কমিটিৰ এখন মিটিং হৈছিলে। সেই মিটিং খনত দেখা গ'ল যে ১৮০০ টকাকৈ অসমৰ গোটেই স্কুল বিলাকক বেতন দিলে প্রতি বছৰে প্রায় ১১০০ কোটি টকা লাগিব। আৰু সেইটো আমি যদি চেণ্ট্রেল পে কমিচনৰ আর্হিত দিও তেতিয়াহ'লে প্রায় ৪০০০ কোটি টকাৰ ওপৰত লাগিব। ভেঞ্চাৰ স্কুল প্রভিন্সিয়েলাইজৰ লপৰত মই কব বিচাৰিছো যে অসমৰ গোটেই কর্মচাৰীৰ দৰমহা যিমান তাৰ প্রায় তিনিভাগৰ এক ভাগ ভেঞ্চাৰ স্কুল বিলাক প্রভিন্সিয়েলাইজ কৰিলে দিব লাগিব। অকল এইটোৱে কথা নহয়। সেই কাৰণে আমাৰ মাননীয় মুখ্যমন্ত্রীয়ে বিত্ত বিভাগক বিত্তীয় দিশৰ কথাটো পৰীক্ষা নিৰীক্ষা কৰিবলৈ কৈছে আৰু এই সমিতিখন গঠন কৰি দিছে। আমি এই বিষয়টোৰ পৰা আতৰি যাব বিচৰা নাই। আমি বিভিন্ন শিক্ষক সন্থাৰ লগতো আলোচনা কৰিছো। এই বিষয়টোৰ ওপৰত আমি সিদ্ধান্ত ল'ম। অহা দুমাহৰ ভিতৰত আমাৰ এই কমিটিখনে প্রতিবেদন দাখিল কৰিব পাৰিব। ইয়াত জুনিয়ৰ কলেজ, চাইন্স কলেজ, হাইয়াৰ চেকেণ্ডাৰী আদি যিহেতু একেই, সেইয়েহে এই গোটেইখিনি ইয়াত আহিব। মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই চি আই চিত কাম কৰা কিছুমান কর্মীৰ কথা কৈছে। ভাৰত চৰকাৰে এবছৰৰ কাৰণে এই কর্মী সকলক নিয়োগ কৰিবলৈ দিছিল। তাৰ পিছত দুবছৰলৈ বঢ়াই দিয়া হ'ল। দুবছৰ হোৱাৰ পিছত আকৌ তিনি বছৰলৈ বঢ়াই দিয়া হ'ল। তাৰ

⁂ Speech not corrected

পিছত কেন্দ্রীয় চৰকাৰে এইটো আৰু বঢ়াই নিদিলে। ত্রিপুৰাৰ বাহিৰে ভাৰতবৰ্ষৰ আন আন ৰাজ্যৰ এই চি, আই, চি, কর্মী সকলক পাবলিক প্রাইভেট পার্টনাৰশ্বিপত কেন্দ্রীয় চৰকাৰে গতাই দিলে। ত্রিপুৰা চৰকাৰে কিন্তু তাতেই ৰাখিলে। আমাৰ কর্মীখিনি তালৈ যাব খোজা নাই। তেওঁলোকে মাননীয় মুখ্যমন্ত্রী মহোদয়ক স্মাৰকপত্র দিছে। তেওঁলোকৰ অভিজ্ঞতা খিনি কাউণ্ট কৰি আমি কিবা ৰাষ্টা উলিয়াব পাৰো নেকি চেষ্টা কৰি আছো। ডাক্তৰৰ ক্ষেত্রত আমি তেনেকুৱা কোনো পেকেজ লোৱা নাই। সকলো কৃষকৰ সুবিধাৰ কাৰণে ডিজেল সকলো খেতিয়কে পাব। সেই সমস্যাটো সমাধা কৰিবৰ কাৰণে। চন্দ্রমোহন পাটোৱাৰী ডাঙৰীয়াৰ দৰে শক্তিশালী মন্ত্রী থাকোতে...

✳ **শ্রীচন্দ্রমোহন পাটোৱাৰী** ঃ চাৰ, মই কোনো শিক্ষক নিযুক্তিত জড়িত নহয়।

✳ **ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো মোৰ মতামতহে। এইটো নহ'ল বুলি কোৱা হৈছে।

✳ **শ্রীচন্দ্রমোহন পাটোৱাৰী** ঃ চাৰ, মনোহৰণ কমিটিয়ে ৰেগুলাৰাইজ কৰিবলৈ কৈছিল।

✳ **ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি ভাবি আছে যে কেবিনেট বহি আছিল আৰু কেবিনেটে ৰেগুলাৰাইজ কৰিব। কিন্তু কৰিব নোৱাৰিলে। অবিবি শিক্ষকৰ পদ সমূহ ২০০৪-০৫ ত ৰেগুলাৰাইজ কৰিছে। ৮০০০ হওঁক বা ৪০০০ হওঁক কেবিনেটে

✳ Speech not corrected

ৰেগুলাৰাইজ কৰিব পাৰে। অসমত আজি ভেকেণ্ট শিক্ষকৰ পোষ্ট আছে। আমি এইখিনিত ৰেগুলাৰ হিচাপে নিযুক্তি দিবলৈ চেষ্টা কৰিম। অ' বি বিৰ ১৬০০ শিক্ষকক ৰেগুলাৰ কৰিম। অ'বিবি শিক্ষকৰ সমস্যা সমাধান এতিয়াও হোৱা নাই। মাননীয় মুখ্যমন্ত্রী মহোদয়ে বহুল হৃদয়েৰে সমস্যাটোৰ সমাধান কৰিবলৈ চেষ্টা কৰিছে। কাৰণ ইয়াত সকলোৰে মানুহ আছে। কংগ্রেছৰ মানুহো আছে আৰু অন্যান্য দলৰো মানুহ অ' বি বিত আছে। কিন্তু নলবাৰীৰ কথাটো অলপ সমস্যা আছে কাৰণ নলবাৰীৰ মানুহ নিযুক্তি বহুত বেছি। সেই সময়ত আমাৰ পাটোৱাৰী চাহাব দিল্লীত আছিল নহ'লে এইটো কাম কেতিয়াও নহ'লহেতেন। এইটো আমাৰে দূৰ্ভাগ্য। আমি মন্ত্রী পৰিষদৰ যি কমিটি বহিছে তাত নলবাৰীৰ অ' বি বি শিক্ষকৰ যাতে নিযুক্তি হয় সেইটো আমি চাইছো।

* **শ্রীচন্দ্রমোহন পাটোৱাৰী ঃ** মাননীয় মন্ত্রী মহোদয়ে কৈছে যে নলবাৰী অ' বি বি শিক্ষকৰ ওপৰত আলোচনা আদি হৈছে। কিন্তু নলবাৰীৰ অ' বি বি শিক্ষকে আত্মজাহ দিবলৈ ওলাইছে এনেকুৱা পৰিস্থিতি হৈছে। গতিকে মই এটা কথা কব বিচাৰিছো যে অ' বি বি শিক্ষক সকলৰ লগত আলোচনা হওঁতে যি চুক্তি সম্পাদন কৰা হৈছিল, কথা বতৰা পাতি যি সিদ্ধান্তত উপনীত হৈছিল সেই মর্মে এতিয়া কাম বিলাক কৰিব লাগে।

* **ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** নলবাৰী অ' বি বি শিক্ষকৰ জেনুইন যিখিনি মানুহ সেইখিনিকটো আমি অস্বীকাৰ কৰা নাই। ৰাজহ মন্ত্রী ডাঙৰীয়াইও কথা বতৰা পাতোতে অস্বীকাৰ কৰা নাই, আমি কোনোৱে অস্বীকাৰ কৰা নাই।

---

* Speech not corrected

মাননীয় অধ্যক্ষ ঃ মই এতিয়া প্রস্তাৱটো সদনৰ মজিয়াত দাঙি ধৰিলো। প্রস্তাৱটো হ'ল অসম বিনিয়োজন (নং ২) বিধেয়ক ২০০৯ বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যাই প্রস্তাৱৰ সপক্ষে আছে, তেখেত সকলে কওঁক, 'হয়' ;
যিসকল বিপক্ষে আছে, তেখেত সকলে কওঁক, 'নহয়' ;

মই ভাবো, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।
সপক্ষে প্রস্তাৱটো গৃহীত কৰা হ'ল।

এতিয়া কার্য্যসূচী নং ৩ (গ)।

এতিয়া মই বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো সদনৰ মজিয়াত দাঙি ধৰিলোঁ। প্রশ্নটো হ'ল- বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যাই প্রস্তাৱৰ সপক্ষে আছে, তেখেত সকলে কওঁক, 'হয়' ;
যিসকল বিপক্ষে আছে, তেখেত সকলে কওঁক, 'নহয়' ;

মই ভাবো, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।
বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম সদনৰ মজিয়াত

দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল-

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যাই সপক্ষে আছে,
তেখেত সকলে কওঁক, 'হয়' ;
যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক, 'নহয়' ;

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম বিধেয়কখনৰ অংশ হ'ল।

মাননীয় অধ্যক্ষ ঃ কার্য্যসূচী নং ৩ (ঘ)। মাননীয় মুখ্যমন্ত্রীয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উৎথাপন কৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্রীৰ হৈ "অসম বিনিয়োজন (নং ২) বিধেয়ক, ২০০৯ পাৰিত কৰাৰ বাবে সদনত প্ৰস্তাৱ উৎথাপন কৰিলোঁ"।

মাননীয় অধ্যক্ষ ঃ মই এতিয়া প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলোঁ। প্ৰশ্নটো হ'ল অসম বিনিয়োজন (নং ২) বিধেয়ক, ২০০৯ পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যাই প্ৰস্তাৱৰ সপক্ষে আছে,
তেখেত সকলে কওঁক, 'হয়' ;
যিসকল বিপক্ষে আছে, তেখেত সকলে কওঁক, 'নহয়' ;

মই ভাবো, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

প্ৰস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাতৰত কৰা হ'ল।

ANNOUNCEMENT FROM THE CHAIR

মাননীয় অধ্যক্ষ ঃ আজি বিধান সভাৰ আগৰবেলাত মুখ্যমন্ত্রী মহোদয়ে দুপৰীয়াৰ আহাৰৰ বাবে সদনৰ সকলো মাননীয় সদস্য/সদস্যা, বিৰোধী দলৰ দলপতি, উপাধ্যক্ষা মহোদয়াকে আদি কৰি সকলো সদস্যকে নিমন্ত্রণ জনাইছে। ইয়াৰ লগতে বিধান সভাৰ জ্যেষ্ঠ বিষয়া সকল, সচিবালয়ৰ মূখ্য সচিব, প্রধান সচিব সকল, আয়ুক্ত সচিব সকলকো দুপৰীয়াৰ আহাৰৰ বাবে নিমন্ত্রণ জনাইছে। তাৰ লগতে আমাৰ সাংবাদিক সকল, চৰকাৰী প্রতিবেদক সকলোকে আদি কৰি বিষয়া সকলকো আহাৰৰ বাবে নিমন্ত্রণ জনোৱা হ'ল।

এতিয়া সদন আজি ১৬-৭-২০০৯ তাৰিখৰ আবেলি চাৰি (৪) বজালৈ স্থগিত ৰখা হ'ল।

INTRODUCTION, CONSIDERATION AND PASSING OF GOVERNMENT BILLS

(মধ্যাহ্ন ভোজনৰ পিচত আবেলি ৪-০০ বজাত সদন পুনৰ আৰম্ভ হয়)

মাননীয় অধ্যক্ষ ঃ আইটেম নং ৪। এতিয়া মাননীয় মুখ্যমন্ত্রীয়ে "দি আসাম হেলথ ইনফ্রাষ্ট্রাকচাৰ এণ্ড চার্ভিচেচ ডেভেলেপমেণ্ট বিল, ২০০৯ খন উৎথাপন কৰিবলৈ অনুমতি বিচাৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, অসমৰ মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াৰ হৈ "দি আসাম হেলথ ইনফ্রাষ্ট্রাকচাৰ এণ্ড চার্ভিচেচ ডেভেলাপমেণ্ট ফাণ্ড বিল, ২০০৯" খন উৎথাপন কৰিবলৈ অনুমতি বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ বিধেয়কখন উৎথাপন কৰাত সদনৰ সন্মতি আছেনে ?

(Voice : Yes, Yes)

সদনৰ সন্মতি আছে।

ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উৎথাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো।

Raj Bhawan,
Guwahati
July 12, 2009

ORDER

"Under the provision of Article 207(1) of the Constitution of India, I, Shri K. Sankaranarayanan, Governor of Assam of Assam recommend the introduction of "The Assam Health Infrastructure and Services Development Fund Bill, 2009" in the Assam Legislative Assembly.

Sd/-
K. Sankaranarayanan,
Governor of Assam".

এতিয়া মাননীয় মুখ্যমন্ত্রীয়ে 'দি আসাম হেলথ ইনফ্রাষ্ট্রাকচাৰ এণ্ড চার্ভিচেচ ডেভেলেপমেণ্ট ফাণ্ড বিল, ২০০৯' খন উৎথাপন কৰিব।

ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রীৰ হৈ মই 'দি আসাম হেলথ ইনফ্রাষ্ট্রাকচাৰ ডেভেলেপমেণ্ট বিল, ২০০৯' খন সদনত উৎথাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া সচিবে শিৰোনামা পঢ়ি দিব।

Secretary, Assam Legislative Assembly : The title of the Bill is "The Assam Health Infrastructure and Services Development Fund Bill, 2009".

মাননীয় অধ্যক্ষ ঃ আইটেম নং ৫। এতিয়া মাননীয় মুখ্যমন্ত্রীয়ে 'দি আসাম ফিচকেল ৰেচপনচিবিলিটি এণ্ড বাজেট মেনেজমেণ্ট (এমেণ্ডমেণ্ট) বিধেয়কখন' উৎথাপন কৰিবলৈ অনুমতি বিচাৰিব।

ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াৰ হৈ 'দি আসাম ফিচকেল ৰেচপনচিবিলিটি এণ্ড বাজেট মেনেজমেণ্ট (এমেণ্ডমেণ্ট) ২০০৯ বিধেয়কখন' সদনত উৎথাপন কৰিবলৈ

অনুমতি বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ বিধেয়কখন সদনত উৎথাপন কৰাত সদনৰ সন্মতি আছে-নে ?

(Voice : Yes, Yes)

সদনৰ সন্মতি আছে।

ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উৎথাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে এটা বাণী পঠিয়াইছে। বাণীটো মই পঢ়ি দিছো।

Raj Bhawan,
Guwahati,
July 12, 2009

ORDER

"Under the provision of Article 207(1) of the Constitution of India, I, Shri K. Sankaranarayanan, Governor of Assam recommended the introduction of "The Assam Fiscal Responsibility and Budget Management (Ammendment) Bill, 2009" in the Assam Legislative Assembly.

Sd/-
K. Sankaranarayanan,
Governor of Assam."

এতিয়া মাননীয় মুখ্যমন্ত্রীয়ে 'দি আসাম ফিচকেল ৰেচপনচিবিলিটি এণ্ড বাজেট মেনেজমেণ্ট (এমেণ্ডমেণ্ট) বিল, ২০০৯' খন সদনত উৎথাপন কৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াৰ হৈ মই 'দি আসাম ফিচকেল ৰেচপনচিবিলিটি এণ্ড বাজেট মেনেজমেণ্ট (এমেণ্ডমেণ্ট) ২০০৯ বিধেয়কখন' সদনত উৎথাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ সচিবে শিৰোনামা পঢ়ি দিব।

Secretary, Assam Legislative Assembly : The title of the Bill is "The Assam Fiscal Responsibility and Budget Management (Ammendment) Bill, 2009".

মাননীয় অধ্যক্ষ ঃ আইটেম নং ৬। এতিয়া মাননীয় মুখ্যমন্ত্রীয়ে 'দি আসাম এণ্ট্রী টেক্স (চেকেণ্ড এমেণ্ডমেণ্ট) বিল, ২০০৯' উৎথাপন কৰিবলৈ অনুমতি বিচাৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্রীৰ হৈ 'দি আসাম এণ্ট্রী টেক্স (চেকেণ্ড এমেণ্ডমেণ্ট) বিল ২০০৯' বিধেয়কখন সদনত উৎথাপন কৰিবলৈ অনুমতি বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ বিধেয়কখন সদনত উৎথাপন কৰাত সদনৰ অনুমতি আছে-নে ?

(Voice : Yes, Yes)

সদনৰ অনুমতি আছে।

ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উৎথাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে এটা বাণী পঠিয়াইছে। ৰাণীটো মই পঢ়ি দিছো।

Raj Bhawan,
Guwahati,
July, 12, 2009

ORDER

"Under the provision of Article 207(I) of the Constitution of India, I, Shri K. Sankaranarayanan, Governor of Assam recommend the introduction of "The Assam Entry Tax (Second Amendment) Bill, 2009" in the Assam Legislative Assembly.

Sd/-
K. Sankaranarayanan,
Governor of Assam".

এতিয়া মাননীয় মুখ্যমন্ত্রীয়ে 'দি আসাম এণ্ট্রী টেক্স)চেকেণ্ড এমেণ্ডমেণ্ট) বিল ২০০৯' বিধেয়কখন সদনত উৎথাপন কৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্রীৰ হৈ 'দি আসাম এণ্ট্রী টেক্স (চেকেণ্ড এমেণ্ডমেণ্ট) বিল ২০০৯' বিধেয়কখন সদনত উৎথাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া সচিবে শিৰোনামা পঢ়িব।

Secretary, Assam Legislative Assembly : The title of the Bill is "The Assam Entry Tax (Second Amendment) Bill, 2009."

মাননীয় অধ্যক্ষ ঃ আইটেম নং ৭। এতিয়া মাননীয় মুখ্যমন্ত্রীয়ে 'দি আসাম এগ্রিকালচাৰেল ইনকাম টেক্স (চেকেণ্ড এমেণ্ডমেণ্ট) বিল, ২০০৯' খন সদনত উৎথাপন কৰিবলৈ অনুমতি বিচাৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াৰ হৈ 'দি আসাম এগ্রিকালচাৰেল ইনকাম টেক্স (চেকেণ্ড এমেণ্ডমেণ্ট) বিল, ২০০৯' বিধেয়কখন সদনত উৎথাপন কৰিবলৈ অনুমতি বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ বিধেয়কখন সদনত উৎথাপন কৰাত সদনৰ অনুমতি আছে-নে ?

(Voice : Yes, Yes)

সদনৰ অনুমতি আছে।

ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উৎথাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে এটা বাণী পঠিয়াইছে। বাণীটো মই পঢ়ি দিছো।

Raj Bhawan,
Guwahati,
July 12, 2009

ORDER

"Under the provision of Article 207 (I) of the Constitution of India, I, Shri K. Sankaranarayanan, Governor of Assam recommend the Introduction of "The Assam Agricultural Incom Tax (2nd Ammendment) Bill, 2009" in the Assam Legislative Assembly.

Sd/-
K. Sankaranarayanan
Governor of Assam."

এতিয়া মাননীয় মুখ্যমন্ত্রীয়ে 'দি আসাম এগ্রিকালচাৰেল ইনকাম টেক্স (চেকেণ্ড এমেণ্ডমেণ্ট) বিল, ২০০৯' বিধেয়কখন সদনত উৎথাপন কৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্রীৰ হৈ 'দি আসাম এগ্রিকালচাৰেল ইনকাম টেক্স (চেকেণ্ড এমেণ্ডমেণ্ট) বিল, ২০০৯' বিধেয়কখন সদনত উৎথাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া সচিবে শিৰোনামা পঢ়িব।

Secretary, Assam Legislative Assembly : The title of the Bill is "The Assam Agricultural Income Tax (Second Amendment) Bill, 2009".

মাননীয় অধ্যক্ষ ঃ আইটেম নং ৮। মাননীয় মুখ্যমন্ত্রীয়ে 'দি আসাম টেক্সেচন (অন স্পেচিফাইড লেণ্ডচ) (চেকেণ্ড এমেণ্ডমেণ্ট) বিল, ২০০৯' বিধেয়কখন উৎথাপন কৰিবলৈ অনুমতি বিচাৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্রীৰ হৈ 'দি আসাম টেক্সেচন (অন স্পেচিফাইড লেণ্ডচ) (চেকেণ্ড এমেণ্ডমেণ্ট) বিল, ২০০৯' বিধেয়কখন সদনত উৎথাপন কৰিবলৈ অনুমতি বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ বিধেয়কখন উৎথাপন কৰাত সদনৰ অনুমতি আছেনে ?

(Voice : Yes, Yes)

সদনৰ অনুমতি আছে।

ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উৎথাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে এটা বাণী পঠিয়াইছে। বাণীটো মই পঢ়ি দিছো।

Raj Bhawan,
Guwahati,
July, 12, 2009.

ORDER

"Under the provision of Article 207(I) of the Constitution of India, I, Shri K. Sankaranarayanan, Governor of Assam recommend the Introduction of "The Assam Taxation (On Specified Lands) (2nd Amendment) Bill, 2009" in the Assam Legislative Assembly.

Sd/-
K. Sankaranarayanan,
Governor of Assam."

এতিয়া মাননীয় মুখ্যমন্ত্রীয়ে 'দি আসাম টেক্সেচন (অন স্পেচিফাইড লেণ্ডচ) (চেকেণ্ড এমেণ্ডমেণ্ট) বিল, ২০০৯' বিধেয়কখন সদনত উৎথাপন কৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, 'দি আসাম টেক্সেচন (অন স্পেচিফাইড লেণ্ডচ) (চেকেণ্ড এমেণ্ডমেণ্ট) বিল, ২০০৯' বিধেয়কখন সদনত উৎথাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ সচিবে শিৰোনামা পঢ়ি দিব।

Secretary, Assam Legislative Assembly : The title of the Bill is "The Assam Taxation (On Specified Lands) (Second Ammendment) Bill, 2009."

মাননীয় অধ্যক্ষ ঃ আইটেম নং ৯। মাননীয় মুখ্যমন্ত্রীয়ে 'দি আসাম টেক্স অন লাক্সাৰিজ (হোটেলচ এণ্ড লজিং হাউচেজ) (এমেণ্ডমেণ্ট) বিল, ২০০৯' বিধেয়কখন উৎথাপন কৰিবলৈ অনুমতি বিচাৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াৰ হৈ 'দি আসাম টেক্স অন লাক্সাৰিজ (হোটেলচ এণ্ড লজিং হাউচেজ) (এমেণ্ডমেণ্ট) বিল, ২০০৯' বিধেয়কখন সদনত উৎথাপন কৰিবলৈ অনুমতি বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ বিধেয়কখন সদনত উৎথাপন কৰাত সদনৰ অনুমতি আছে-নে ?

(Voice : Yes, Yes)

সদনৰ অনুমতি আছে।

ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উৎথাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে এটা বাণী পঠিয়াইছে। বাণীটো মই পঢ়ি দিছো।

Raj Bhawan,
Guwahati,
July 12, 2009

ORDER

"Under the provision of Article 207 (I) of the Consti-

tution of India, I, Shri K. Sankaranarayanan, Governor of Assam recommend the Introduction of "The Assam Tax on Luxuries (Hotels & Lodging Houses) (Amendment) Bill, 2009" in the Assam Legislative Assembly.

Sd/-
K. Sankaranarayanan,
Governor of Assam."

এতিয়া মাননীয় মুখ্যমন্ত্রীয়ে 'দি আসাম টেক্স অন লাক্সাৰিজ (হোটেলচ এণ্ড লজিং হাউচেজ) (এমেণ্ডমেণ্ট) বিল, ২০০৯' বিধেয়কখন সদনত উৎথাপন কৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্রীৰ হৈ 'দি আসাম টেক্স অন লাক্সাৰিজ (হোটেলচ এণ্ড লজিং হাউচেজ) (এমেণ্ডমেণ্ট) বিল, ২০০৯' বিধেয়কখন সদনত উৎথাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ সচিবে শিৰোনামা পঢ়ি দিব।

Secretary, Assam Legislative Assembly : The title of the Bill is "The Assam Tax on Luxuries (Hotels & Lodging Houses) (Amendment) Bill, 2009."

মাননীয় অধ্যক্ষ ঃ আইটেম নং ১০। এতিয়া ৰাজহ বিভাগৰ মন্ত্রীয়ে 'দি আসাম

লেণ্ড এণ্ড ৰেভিনিউ ৰেগুলেশ্যন (এমেণ্ডমেণ্ট) বিল, ২০০৯' উৎথাপন কৰিবলৈ অনুমতি বিচাৰিব।

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, 'দি আসাম লেণ্ড এণ্ড ৰেভিনিউ ৰেগুলেশ্যন (এমেণ্ডমেণ্ট) বিল, ২০০৯' খন উৎথাপন কৰিবলৈ অনুমতি বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ বিধেয়কখন উৎথাপন কৰাত সদনৰ সন্মতি আছেনে ?

(Voice : Yes, Yes)

সদনৰ সন্মতি আছে।

এতিয়া ৰাজহ মন্ত্রীয়ে 'দি আসাম লেণ্ড এণ্ড ৰেভিনিউ ৰেগুলেশ্যন (এমেণ্ডমেণ্ট) বিল, ২০০৯' খন উৎথাপন কৰিব।

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, 'দি আসাম লেণ্ড এণ্ড ৰেভিনিউ (এমেণ্ডমেণ্ট) বিল, ২০০৯' খন সদনত উৎথাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া সচিবে শিৰোনামা পঢ়ি দিব।

Secretary, Assam Legislative Assembly : The title of the Bill is "The Assam Nagara Raj (Amendment) Bill, 2009."

মাননীয় অধ্যক্ষ ঃ আইটেম নং ১১। এতিয়া গুৱাহাটী উন্নয়ন ইত্যাদি) ই 'দি আসাম নগৰ ৰাজ (এমেণ্ডমেণ্ট) বিল, ২০০৯' খন উৎথাপন কৰিবলৈ অনুমতি বিচাৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, 'সি আসাম নগৰ ৰাজ (এমেণ্ডমেণ্ট) বিল, ২০০৯' খন উৎথাপন কৰিবলৈ অনুমতি বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ বিধেয়কখন উৎথাপন কৰাত সদনৰ সন্মতি আছেনে।

(Voice : Yes, Yes)

সদনৰ সন্মতি আছে।

এতিয়া গুৱাহাটী উন্নয়ন মন্ত্রীয়ে 'দি আসাম নজৰ ৰাজ (এমেণ্ডমেণ্ট) বিল, ২০০৯' উৎথাপন কৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, 'দি আসাম নগৰ ৰাজ (এমেণ্ডমেণ্ট) বিল, ২০০৯' খন সদনত উৎথাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া সচিবে শিৰোনামা পঢ়ি দিব।

Secretary, Assam Legislative Assembly : The title of the Bill is "The Assam Nagara Raj (Amendment) Bill, 2009."

মাননীয় অধ্যক্ষ ঃ আইটেম নং ১২। এতিয়া গুৱাহাটী উন্নয়ন ইত্যাদি ই 'দি গুৱাহাটী মিউনিচিপাল কৰপোৰেচন (এমেণ্ডমেণ্ট) বিল, ২০০৯' বিধেয়কখন উৎথাপন কৰিবলৈ অনুমতি বিচাৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, 'দি গুৱাহাটী মিউনিচিপাল কৰপোৰেচন (এমেণ্ডমেণ্ট) বিল, ২০০৯' উৎথাপন কৰিবলৈ

অনুমতি বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ বিধেয়কখন উৎথাপন কৰাত সদনৰ সন্মতি আছেনে ?

সদনৰ সন্মতি আছে।

এতিয়া গুৱাহাটী মিউনিচিপাল কৰপোৰেচন (এমেণ্ডমেণ্ট) বিল, ২০০৯' উৎথাপন কৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, 'দি গুৱাহাটী মিউনিচিপাল কৰপোৰেচন (এমেণ্ডমেণ্ট) বিল, ২০০৯' খন সদনত উৎথাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া সচিবে শিৰোনামা পঢ়ি দিব।

Secretary, Assam Lrgislative Assembly : The title of the Bill is "The Guwahati Municipal Corporation (Amendment) Bill, 2009".

মাননীয় অধ্যক্ষ ঃ আইটেম নং ১৩। এতিয়া ন্যায় তথা বিধান ইত্যাদি মন্ত্রীয়ে 'দি আসাম এডভোকেট ৱেলফেয়াৰ ফাণ্ড (এমেণ্ডমেণ্ট) বিল, ২০০৯' উৎথাপন কৰিবলৈ অনুমতি বিচাৰিব।

শ্রীপ্রণব গগৈ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, 'দি আসাম এডভোকেট ৱেলফেয়াৰ ফাণ্ড (এমেণ্ডমেণ্ট) বিল, ২০০৯' উৎথাপন কৰিবলৈ অনুমতি বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ বিধেয়কখন সদনত উৎথাপন কৰাত সদনৰ সন্মতি আছে-নে ?

(Voice : Yes, Yes)

সদনৰ সন্মতি আছে।

এতিয়া ন্যায় তথা বিধান ইত্যাদি মন্ত্রীয়ে 'দি আসাম এডভোকেট ৱেলফেয়াৰ ফাণ্ড (এমেণ্ডমেণ্ট) বিল, ২০০৯' খন উৎথাপন কৰিব।

শ্রীপ্রণৱ গগৈ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, 'দি আসাম এডভোকেট ৱেলফেয়াৰ ফাণ্ড (এমেণ্ডমেণ্ট) বিল, ২০০৯' সদনত উৎথাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া সচিবে শিৰোনামা পঢ়ি দিব।

Secretary, Assam Legislative Assembly : The title of the Bill is "The Assam Advocates Welfare Fund (Amendment) Bill, 2009."

মাননীয় অধ্যক্ষ ঃ আইটেম নং ১৪। এতিয়া ন্যায় তথা বিধান ইত্যাদি মন্ত্রীয়ে 'দি আসাম এডমিনিষ্ট্রেচন অফ জাষ্টিচ ইন দি নর্থ কাছাৰ হিলচ ডিষ্ট্রিক্ট বিল, ২০০৯ উৎথাপন কৰিবলৈ অনুমতি বিচাৰিব।

শ্রীপ্রণৱ গগৈ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, 'দি আসাম এডমিনিষ্ট্রেচন অফ জাষ্টিচ ইন দি নর্থ কাছাৰ হিলচ ডিষ্ট্রিক্ট বিল, ২০০৯' সদনত উৎথাপন কৰিবলৈ অনুমতি বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ বিধেয়কখন সদনত উৎথাপন কৰাত সন্মতি আছেনে ?

(Voice : Yes, Yes)

সদনৰ সন্মতি আছে।

ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উৎথাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে এটা বাণী পঠিয়াইছে। বাণীটো মই পঢ়ি দিছো।

Raj Bhawa,
Guwahati,
July, 12, 2009

ORDER

"Under the provision of Article 207(I) of the Constitution of India, I, Shri K. Sankaranarayanan, Governor of Assam recommend the Introduction of "The Assam Administration of Justice in the North Cachar Hills District Bill, 2009" in the Assam Legislative Assembly.

Sd/-
K. Sankaranarayanan,
Governor of Asaam."

এতিয়া ন্যায় মন্ত্রীয়ে বিধেয়কখন সদনত উৎথাপন কৰিব।

শ্রীপ্রণৱ গগৈ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, 'দি আসাম এডমিনিষ্ট্রেচন অফ জাষ্টিচ ইন দি নর্থ কাছাৰ হিলচ ডিষ্ট্রিক্ট বিল, ২০০৯' খন সদনত উৎথাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া সচিবে শিৰোনামা পঢ়ি দিব।

Secretary, Assam Legislative Assembly : The title of the Bill is "The Assam Administration of Justice in the North Cachar Hills District Bill, 2009."

মাননীয় অধ্যক্ষ ঃ আইটেম নং ১৫।

এতিয়া ন্যায় তথা বিধান ইত্যাদি মন্ত্রীয়ে 'দি আসাম এডমিনিষ্ট্রেচন অফ জাষ্টিচ ইন দি কার্বি আংলাং ডিষ্ট্রিক্ট বিল, ২০০৯' উৎথাপন কৰিবলৈ অনুমতি বিচাৰিব।

শ্রীপ্রণৱ গগৈ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, 'দি আসাম এডমিনিষ্ট্রেচন অফ জাষ্টিচ ইন দি কার্বি আংলং ডিষ্ট্রিক্ট বিল, ২০০৯' উৎথাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ বিধেয়কখন উৎথাপন কৰাত সদনৰ সন্মতি আছেনে ?

(Voice : Yes, Yes)

সদনৰ সন্মতি আছে।

ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উৎথাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে এটা বাণী পঠিয়াইছে। বাণীটো মই পঢ়ি দিছো।

Raj Bhawan,
Guwahati,
July, 12, 2009.

ORDER

"Under the provision of Article 207(I) of the Constitution of India, I, Shri K. Sankaranarayanan, Governor of Assam recommend the Introduction of "The Assam Administration of Justice in the Karbi-Anglong District Bill, 2009" in the Assam Legislative Assembly.

Sd/-
K. Sankaranarayanan,
Governor of Assam."

এতিয়া ন্যায় তথা বিধান মন্ত্রীয়ে 'দি আসাম এডমিনিষ্ট্রেচন অফ জাষ্টিচ ইন দি কার্বি আংলং ডিষ্ট্রিক্ট বিল, ২০০৯' খন উৎথাপন কৰিব।

শ্রীপ্রণৱ গগৈ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ, 'দি আসাম এডমিনিষ্ট্রেচন অৱ জাষ্টিচ ইন দি কার্বি আংলং ডিষ্ট্রিক্ট বিল, ২০০৯' খন সদনত উৎথাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া সচিবে শিৰোনামা পঢ়ি দিব।

Secretary, Assam Legislative Assembly : The title of the Bill is "The Assam Administration of Justice in the Karbi-Anglong District Bill, 2009."

মাননীয় অধ্যক্ষ ঃ আইটেম নং ১৬।

এতিয়া ন্যায় তথা বিধান ইত্যাদি মন্ত্রীয়ে 'দি নেশ্বনেল ল স্কুল এণ্ড জুদিচিয়েল একাডেমী, আসাম বিল, ২০০৯' সদনত উৎথাপন কৰিবলৈ অনুমতি বিচাৰিব।

শ্রীপ্রণৱ গগৈ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, 'দি নেশ্বনেল ল স্কুল এণ্ড জুদিচিয়েল একাডেমী, আসাম বিল, ২০০৯' খন উৎথাপন কৰিবলৈ অনুমতি বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ বিধেয়কখন উৎথাপন কৰাত সদনৰ সন্মতি আছেনে ?

(Voice : Yes, Yes)

সদনৰ সন্মতি আছে।

ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উৎথাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে এটা বাণী পঠিয়াইছে। বাণীটো মই পঢ়ি দিছো।

Raj Bhawan,
Guwahati,
July, 12, 2009.

ORDER

"Under the provision of Article 207(I) of the Constitution of India, I, Shri K. Sankaranarayanan, Governor of Assam recommend the Introduction of "The National Law School and Judicial Academy, Assam Bill, 2009" in the Assam Legislative Assembly.

Sd/-
K. Sankaranarayanan,
Governor of Assam."

এতিয়া ন্যায় মন্ত্রীয়ে 'দি নেশ্বনেল ল স্কুল এণ্ড জুদিচিয়েল একাডেমী, আসাম বিল, ২০০৯' সদনত উৎথাপন কৰিব।

শ্রীপ্রণৱ গগৈ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, 'দি নেশ্বনেল ল স্কুল এণ্ড জুদিচিয়েল একাডেমী, আসাম বিল, ২০০৯' খন সদনত উৎথাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া সচিবে শিৰোনামা পঢ়ি দিব।

Secretary, Assam Legislative Assembly : The title of the Bill is "The National Law School and Judicial Academy, Assam Bill, 2009."

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ১৭ (ক)।

মাননীয় শ্রম আৰু নিয়োগ ইত্যাদি মন্ত্রীয়ে "The Assam Gratuity (Ammendment) Bill, 2009" বিবেচনাৰ বাবে সদনত প্রস্তাৱ উৎথাপন কৰিব।

শ্রীপৃথিবী মাঝি (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্রস্তাৱ কৰিব বিচাৰিছো যে "The Assam Gratuity (Ammendment) Bill, 2009" বিবেচনাৰ বাবে লোৱা হওঁক।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্রস্তাৱটো সদনৰ মজিয়াত দাঙি ধৰিলো।

প্রস্তাৱটো হ'ল "The Assam Gratuity (Ammendment) Bill, 2009" বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যাই প্রস্তাৱটোৰ সপক্ষে আছে, তেখেত সকলে কওঁক, 'হয়' ;
যিসকল বিপক্ষে আছে, তেখেত সকলে কওঁক, 'নহয়' ;

মই ভাবো, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

প্রস্তাৱটো গৃহীত হ'ল।

এতিয়া কার্য্যসূচী নং ১৭ (খ)।

শ্রীৰাজেন্দ্র প্রসাদ সিং ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রীক "দি আসাম গ্রেচুইটি বিল (এমেণ্ডমেণ্ট) বিল, ২০০৯" অনাৰ কাৰণে ধন্যবাদ দিছো। এই বিলখন পাছ হোৱাৰ পাছৰ এক্ট হব। তাৰ পাছত ৰাইজে সুবিধা পাব। ১৯৯৪ চনত যিখন এক্ট আছিলে সেইখনৰ আসোৱাহ সমূহ দূৰ হব।

শ্রমিক সকলৰ সুবিধা হব। গ্রেচুইটি মেকচিমাম ৫০ হাজাৰৰ পৰা ৩ লাখ ৫০ হাজান হব বুলি কৈছে। এই বিলাক টকা ৩০ দিনৰ ভিতৰত জমা দিব লাগে বুলি কৈছে। পেমেণ্ট এক্ট মতে মালিক সকলে পেমেণ্ট নকৰে। পি. এফ. কমিচনাৰৰ ফালৰ পৰাও দিবলৈ টান পায়। সেইকাৰণে গ্রেচুইটি এক্ট কৰাটো ভাল হৈছে।

মাননীয় অধ্যক্ষ ঃ বিধেয়কখনৰ ২ নং দফাত কোনো সংশোধনী প্রস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ২ নং দফটো সদনৰ মজিয়াত দাঙি ধৰিলো।

যিসকল মাননীয় সদস্য/সদস্যাই দফাটোৰ সপক্ষে আছে, তেখেত সকলে কওঁক, 'হয়' ;
আৰু যিসকল বিপেক্ষ আছে, তেখেত সকলে কওঁক, 'নহয়' ;

মই ভাবো, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

দুই নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ৩ নং দফাত মাননীয়া সদস্যা ড. অলকা শর্মাৰ নামত সংশোধনী আছে।

এতিয়া মই মাননীয়া সদস্যা ড. অলকা শর্মা ডাঙৰীয়ানীক তেখেতৰ সংশোধনী প্রস্তাৱটো উৎথাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

Dr. Alaka Sarma : Hon'ble Speaker Sir, I have Amendment in Clause 3(a), 3(b), 3(c) and 3(vi). মাননীয় অধ্যক্ষ মহোদয়, চাহ বাগানৰ শ্রমিক শিক্ষকৰ কথা উৎথাপন কৰিছো।

In clause 3(a) of the proposed Bill in between the words "not exceeding" and "and occuring in lines 1 and 2 respectively the words "two thousand" shall be substituted by the words "three thousand".

মাননীয় অধ্যক্ষ মহোদয়, মই ২০০০ পৰা ৩০০০ হেজাৰ কৰাৰ কথা কৈছিলো। এইটো কৰিব লাগে।

In clause 3(b) of the proposed Bill the words "clerical works" occuring in line 1 shall be substituted by the words "clerical and allied workers".

ক্লাৰিকেলৰ ক্ষেত্ৰত মই এটা চাজেচন দিছিলো।

In clause 3(c) of the proposed Bill in between the words "includes" and "Teachers" the word "Assistant" shall be inserted and in between the word "employees" and the punctuation", the words "and other non-teaching staff and employees employed in regular basis" shall be added.

অন্যত যেনেকৈ এচিচটেণ্ট টিচাৰ থাকে, তেনেকৈ কিছুমান ৰেগুলাৰ, কিছুমান নন টিছিং ষ্টাফ থাকে। চাহ বাগানতো সেয়া কৰিব লাগে।

In clause 3(ii) of the proposed Bill the word "chairman" occuring in line 4 shall be substituted by the words "Chairperson/Vice-Chairperson" and in between the words "President" and "Secretary" the words "Vice-president" shall be added.

চেয়াৰমেনৰ লগত ভাইচ চেয়াৰমেন থাকিব লাগে। এইটো সংশোধনী আনিছো।

শ্রীপৃথিবী মাঝি (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া সদস্যা ডঃ অলকা শর্মা দেশাইক মই ধন্যবাদ জ্ঞাপন কৰিছো। তেওঁ হয়তো বিলখন ভালকৈ পঢ়াই নাই।

Clause 3(a) of the proposed Bill in between the words "not exceeding" and "and" occuring in lines 1 and 2 respectively the words "two thousand shall be substituted by the words "three thousand".

তেখেতে বিচৰাতকৈ আমি বেছি দিছো। বিলত কোনো চিলিং নাই। গতিকে ২০০০ বা ৩০০০ ৰ কোনো কথা নহয়। এই বিল কেন্দ্রীয় চৰকাৰৰ পৰা এপ্রভ কৰি আনিব লগা হৈছে। In absence of Chairman, Vice Chairman comes. ইনক্লুদ কৰাৰ প্রয়োজন নহব।

ড. অলকা শর্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো খাপ চৰা হৈছে নেকি।

ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, প্রিণ্টিং মিচটেক হৈছে নেকি।

শ্রীপৃথিবী মাঝি (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এমেণ্ডমেণ্টৰ প্রয়োজন নহব। এনে কৰিলে আকৌ বিলখন কেন্দ্রীয় চৰকাৰৰ পৰা অনুমোদন কৰাই আনিব লাগিব।

ডাঃ কমলা কান্ত কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, কাৰেকচন কৰক।

শ্রীপৃথিবী মাঝি (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, প্রিণ্টিং মিচটেক।

মাননীয় অধ্যক্ষ ঃ কাৰেক্ট কৰিব।

শ্রীপৃথিবী মাঝি (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, টিচিং ননটিচং ষ্টাফ বুলি কোনো কথা নাই। এই বিলখন ১৯৯২ চন মানৰে। ইয়াৰ দফা বাদ দি নানা আসোঁৱাহ আতৰাই বহু কষ্টৰে কেন্দ্রীয় চৰকাৰৰ পৰা অনুমোদন অনা হৈছে। চেয়াৰপাৰচন থাকিলে ভাইচ ভাইচ চেয়াৰমেন আহিবই। গতিকে ইয়াৰ এমেণ্ডমেণ্টৰ দৰকাৰ নাই।

প্রেচিডেণ্টৰ কথা কৈছে। প্রেচিডেণ্ট থাকিব। তাৰ পিছত থ্রি থাউজেণ্ডৰ কথাটো কৈছে। চিভিলৰ কথাটো নাহে। গতিকে শর্মা ডাঙৰীয়ানীৰ এই সংশোধনী কেইটা উঠাই লোৱাৰ কাৰণে অনুৰোধ জনাইছো।

ড. অলকা শর্মা ঃ চাৰ, উঠাই ললো।

মাননীয় অধ্যক্ষ ঃ সংশোদনী কেইটা প্রত্যাহাৰ কৰাৰ বাবে সদনৰ সন্মতি আছেনে নাই ?

(Voice : হয়, আছে।)

সদনৰ সন্মতি সাপেক্ষে সংশোধনী কেইটা প্রত্যাহাৰ কৰা হ'ল। যিহেতু মাননীয় সদস্য সকলে ৩ নং দফাটোৰ সপক্ষে আছে, সেয়েহে ৩ দফাটো বিধেয়ক খনৰ অংশ হ'ল।

বিধেয়কখনৰ ৪ নং দফাত সংশোধনীৰ প্রস্তাৱ নাই, এতিয়া মই বিধেয়কখনৰ ৪ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো। প্রশ্নটো হ'ল- ৪ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যাই দফাটোৰ সপক্ষে আছে, তেখেত সকলে কওঁক, 'হয়' ;

আৰু যিসকল বিপক্ষে আছে, তেখেত সকলে কওঁক, 'নহয়' ;
মই ভাবো, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

৪ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ৫ নং দফাত মাননীয়া সদস্যা ডঃ অলকা শর্মাৰ নামত দুটা সংশোধনী আছে। এতিয়া মই মাননীয়া সদস্যা ডঃ অলকা শর্মাক তেখেতৰ সংশোধনী প্ৰস্তাৱ দুটা উৎথাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

Dr. Alaka Sarma : In clause 5(i) of the proposed Bill in between the words "he" and punctuation mark "'" occuring in line 1 of the punctuation and word "she" shall be inserted. In clause 5(ii) of the proposed Bill in between the words "such" and "disablement" occuring in lines 4 the words "partial or permanent" shall be inserted.

এই দুটা সংশোধনী এই কাৰণেই অনাহৈছে যে চাহ বাগানত মহিলা শ্ৰমিকেও কাম কৰে। আমি মহিলা শ্ৰমিকৰ প্ৰতি অৱমাননা কৰা হয়। ডিজেবোল সকলক পার্মেনেণ্ট ৰখাটো দৰকাৰ।

শ্ৰীপৃথিবী মাঝি (জলসম্পদ ইত্যাদি মন্ত্ৰী) ঃ মাননীয় সদস্য গৰাকীয়ে যিটো সংশোধনী আনিছে, মোৰ বোধেৰে সেইটো প্ৰয়োজন নহ'ব।

ডঃ অলকা শর্মা ঃ অকল চি টো ইনক্লুড কৰক।

শ্রীপৃথিবী মাঝি (জলসম্পদ ইত্যাদি মন্ত্রী) ঃ ইমপ্লিমেণ্টৰ ক্ষেত্রত যদি কিবা অসুবিধা হয় আমি চাই ল'ম। গ্রেচুইটি এক্ট মতে ডিজেবোল পাৰ্চনে গ্রেচুইটি পাবলৈ হ'লে ৫ বছৰ বা তাৰ ওপৰ হ'লে গ্রেচুইটি পাব। মাননীয় সদস্য গৰাকীয়ে এই ক্ষেত্রত যিটো সংশোধনী আনিছে সেইটো প্রয়োজন নহ'ব। গতিকে আমাৰ যিটো সংশোধনী সেইটো বাহাল থাকিব।

ডঃ অলকা শর্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, 'চি' টোৰ বাহিৰে বাকী কেইটা মই উঠাই লৈছো।

মাননীয় অধ্যক্ষ ঃ 'হি/চি' সপক্ষে হাউচ আছে নেকি ? সদনৰ অনুমতি সাপেক্ষে 'হি/চি' কৰা হ'ল। মাননীয়া সদস্যা গৰাকীয়ে বাকী সংশোধনী কেইটা উঠাই লৈছে নেকি ?

ডঃ অলকা শর্মা ঃ উঠাই লৈছো।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য সকলৰ সন্মতি সাপেক্ষে ৫ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ৬ নং দফাত সংশোধনীৰ প্রস্তাৱ নাই। মই এতিয়া বিধেয়কখনৰ ৬ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো। প্রশ্নটো হ'ল- ৬ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যাই দফাটোৰ সপক্ষে আছে,
তেখেত সকলে কওঁক, 'হয়' ;
যিসকল বিপক্ষে আছে, তেখেত সকলে কওঁক, 'নহয়' ;

মই ভাবো, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

৬ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ৭ নং দফাত মাননীয়া সদস্যা, ডঃ অলকা শর্মাৰ নামত এটা সংশোধনী আছে। এতিয়া মই মাননীয়া সদস্যা ডঃ অলকা শর্মাক তেখেতৰ সংশোধনী প্ৰস্তাৱটো উৎথাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

ডঃ অলকা শর্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সংশোধনী প্ৰস্তাৱটো আছিল-

In clause 7 of the proposed Bill The word Chairman shall be substituted by words 'Chairperson' or 'President'.

শ্ৰীপৃথিবী মাঝি (মন্ত্ৰী, শ্ৰম আৰু নিয়োগ বিভাগ) ঃ মাননীয় অধ্যক্ষ মহোদয়, কোনোবা মহিলা মন্ত্ৰী যদি চেয়াৰমেন হয়, ইয়াত সংশোধনীৰ কোনো প্ৰয়োজন নাই।

শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, চেয়াৰমেন বুলি ক'লে উইমেন বিলাকক নুবুজায়। উইমেনক চেয়াৰ পাৰচন বুলি কব লাগিব।

শ্ৰীপৃথিবী মাঝি (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আগতে বহু কেইগৰাকী মহিলা মন্ত্ৰী কমিটিৰ চেয়াৰমেন হিচাবে থাকিলে তেখেত সকলক চেয়াৰমেন বুলিয়ে কোৱা হৈছিল।

শ্রীমতী প্রমিলা ৰাণী ব্রহ্ম (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, চেয়াৰমেন শব্দটো উইমেন চেকচনত নপৰে, চেয়াৰ পাৰচন বুলিহে কয়। আমাক চেয়াৰ পাৰচন বুলি কব লাগিব আৰু চেয়াৰ পাৰচন বুলি জনাই দিব লাগে।

শ্রীপৃথিবী মাঝি (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে চেয়াৰমেন বুলি ক'লে পুৰুষ, মহিলা উভয়কে বুজায়। একো ভূল নহয়।

শ্রীআব্দুল খালেক ঃ মাননীয় অধ্যক্ষ মহোদয়, চেয়াৰমেনৰ বর্ণনাটো ভালদৰে দিব লাগে।

মাননীয় অধ্যক্ষ ঃ বাইদেৰে উইদ্র কৰিব নেকি ?

ডঃ অলকা শর্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই পৰিত্র সদনৰ মজিয়াত কব বিচাৰিছো, যেতিয়া মহিলা গাঁওবুঢ়া হয় তেতিয়া কি বুলি আমি সন্মান কৰিম। আমি তেখেতক মুৰব্বী হিচাবে কিবা এটা সন্মান দিব লাগে। আজি মই উইদ্র কৰি লম। কিন্তু মোৰ এই প্রশ্নৰ উত্তৰ পৰিত্র সদনত আহিব। মোৰ প্রশ্নৰ উত্তৰ কেতিয়া পাম জনালে ভাল হয়।

মাননীয় অধ্যক্ষ ঃ সংশোধনী প্রত্যাহাৰ কৰা বাবে সদনৰ সন্মতি আছেনে ?

শ্রীকৰেন্দ্র বসুমতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, চেয়াৰমেন বা চেয়াৰ পাৰজন বুলিও কব পাৰি।

মাননীয় অধ্যক্ষ ঃ যিসকল মাননীয় সদস্য-সদস্যাই দফাটোৰ সপক্ষে আছে,

তেখেতে সকলে কওঁক, 'হয়' ;
যিসকল বিপক্ষে আছে, তেখেত সকলে কওঁক, 'নহয়' ;

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।
৭ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ৮ নং দফাত মাননীয়া সদস্যা ডঃ অলকা শর্মাৰ নামত এটা সংশোধনী আছে। এতিয়া মই মাননীয়া সদস্যা, ডঃ অলকা শর্মাক তেখেতৰ সংশোধনী প্ৰস্তাৱটো উৎথাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

ডঃ অলকা শর্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা সংশোধনী প্ৰস্তাৱ আছে। In clause 8 of proposed Bill the word 'commencement' of this Act shall be substituted by the words 'publication of this Act. in the Official Gazatte of the State of Assam'. অফিচাৰ সকল গেজেটড নোহোৱা কাৰণে এনেকুৱা হৈছে।

শ্ৰীপৃথিবী মাঝি (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কিবা অসুবিধা থাকিলে উইদ্ৰ হব।

মাননীয় অধ্যক্ষ ঃ আপুনি উইদ্ৰ কৰিব নে ?

ডঃ অলকা শর্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, হয়, কৰিছো।

মাননীয় অধ্যক্ষ ঃ সংশোধনীটো প্ৰত্যাহাৰ কৰাৰ বাবে সদনৰ সন্মতি আছেনে ?

(Voice : Yes, Yes)

সদনৰ সন্মতি সাপেক্ষে সংশোধনীটো প্ৰত্যাহাৰ কৰা হ'ল।
৮ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ১ নং দফা, প্ৰস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী নাই।

এতিয়া মই ১ নং দফা, প্ৰস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনৰ মজিয়াত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল-

১ নং দফা, প্ৰস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হব।

যিসকল মাননীয় সদস্য/সদস্যাই সপক্ষে আছে, তেখেত সকলে কওঁক, 'হয়' ;

যিসকল বিপক্ষে আছে, তেখেত সকলে কওঁক, 'নহয়' ;

মই ভাবো, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

১ নং দফা, প্ৰস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰ আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

মাননীয় অধ্যক্ষ ঃ এতিয়া কাৰ্য্যসূচী নং ১৭ (গ)।

মাননীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰীয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উৎথাপন কৰিব।

Shri Prithibi Majhi (Minister) : Hon'ble Speaker Sir, I beg to move that "The Assam Gratuity (Amendment) Bill, 2009" be passed.

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্রস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্রশ্নটো হ'ল- "The Assam Gratuity (Amendment) Bill, 2009" পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যাই প্রস্তাৱটোৰ সপক্ষে আছে, তেখেত সকলে কওঁক, 'হয়' ;
যিসকল বিপক্ষে আছে, তেখেত সকলে কওঁক, 'নহয়' ;
মই ভাবো, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।
প্রস্তাৱটো পাৰিত কৰা হ'ল।
বিধেয়কখনো পাৰিত কৰা হ'ল।

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ১৮ (ক)।
মাননীয় বন মন্ত্রীয়ে বিধেয়কখন বিবেচনাৰ বাবে সদনত প্রস্তাৱ উৎথাপন কৰিব।

শ্রীৰকিবুল হুছেইন (মন্ত্রী, বন বিভাগ) ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Wild life (Protection) (Amendment) Bill, 2009" বিবেচনাৰ বাবে মই সদনত দাঙি ধৰিলো।

মাননীয় অধ্যক্ষ ঃ মই এতিয়া প্রস্তাৱটো সদনৰ মজিয়াত দাঙি ধৰিলো। প্রস্তাৱটো হ'ল- "The Wild life (Protection) (Amendment) Bill, 2009" বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যা প্রস্তাৱটোৰ সপক্ষে আছে, তেখেত সকলে কওঁক, 'হয়' ;
যিসকল বিপক্ষে আছে, তেখেত সকলে কওঁক, 'নহয়' ;

মই ভাবো, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।
প্রস্তাৱটো গৃহীত হ'ল।

এতিয়া কার্য্যসূচী নং- ১৮ (খ)।

বিধেয়কখনৰ ২ নং দফাত মাননীয় সদস্য, শ্রীপ্রদীপ হাজৰিকা, শ্রীনুৰুল হুছেইন আৰু ডাঃ কমলা কান্ত কলিতাৰ নামত সংশোধনী আছে। এতিয়া মই মাননীয় সদস্য, শ্রীপ্রদীপ হাজৰিকা, শ্রীনুৰু হুছেইন আৰু ডাঃ কমলা কান্ত কলিতাক তেখেত সকলৰ সংশোধনী প্রস্তাৱ কেইটা উৎথাপন কৰিবলৈ আৰু ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

শ্রীপ্রদীপ হাজৰিকা ঃ মাননীয় অধ্যক্ষ মহোদয়,

1. In the Principal Act in section 51 a new sub clause 51(1) shall be inserted as :

No person or group of persons be allowed to settle within and beyond 200 meters demarcated under "Wild Life (Protection) Act 1972" for safety of the Wild Life" and remaining sub-clauses shall be renumberred accordingly. এই সংশোধনীটো এই কাৰণেই আনিব বিচাৰিছো, যোৱা সময়ছোৱাত এটা কথা জানিব পাৰিছো ওৱাইল্ড লাইফ চেঞ্চুৰী সময়ত অফিচ কেইটা এষ্টাব্লিচ কৰিব বিচাৰিছে। বিভিন্ন সময়ত বনাঞ্চলবিলাকত চোৱাং চিকাৰীবিলাকে সোমাবলৈ সুবিধা পায়। সেইকাৰণে ওৱাইল্ড লাইফ

চেঞ্চুৰী সময়ত কোনো ধৰণৰ মানুহ আশে-পাশে বহিব নোৱাৰে তাৰ ব্যৱস্থা কৰিব লাগে আৰু চোৰাং চিকাৰী ধৰাৰ ব্যৱস্থা কৰিবলৈ মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো।

Shri Nurul Hussain : In clause 2(i)(a) of the proposed Bill in between the words 'hunting' and 'in' the words 'attempt to hunt and kill' shall be added.
In clause 2(i) (b) of the proposed bill the words 'fifty thousand' occurring in line 2, the figure and word shall be substituted by '3 lakhs'.
In clause 2 (ii) of the proposed Bill occurring in line 2 and 3 the words 'seventyfive thousand' shall be substituted by the figure and words '5 (five) lakhs'.

অধ্যক্ষ মহোদয়, দেখা যায় যে কিছুমান চোৰাং চিকাৰী অস্ত্র-শস্ত্র লৈ আহে। কিন্তু জীৱ-জন্তু মৰাৰ আগতে ধৰা পৰে। গতিকে এটেপ্ত টু মার্ডাৰৰ ক্ষেত্রত ৩ বছৰ আৰু কিলৰ ক্ষেত্রত আমি ৪ বছৰ কৰিব লাগে বুলি কৈছিলো। কাৰণ যিবোৰ জীৱ-জন্তু হত্যা কৰে সেইবোৰ আন্তৰাষ্ট্রীয় বজাৰত সেইবোৰৰ দাম ৫/৬ লাখ টকা হয়। সেই কাৰণে আমি টকাৰ পৰিমাণটোও বৃদ্ধি কৰাৰ কথা কৈছিলো। কাৰণ টকাৰ পৰিমাণটো বৃদ্ধি কৰিলে যিসকল ৰেঞ্জ অফিচাৰ বা কর্মচাৰী আছে সেই টকাৰ পৰা তেওঁলোককো পুৰস্কৃত কৰিব পৰা যাব আৰু তেতিয়াহ'লে বিষয়া সকলেও সাহস পাব। তাৰোপৰি আমাৰ ঘৰুৱাভাবে ব্যৱহাৰ কৰা কিছুমান বস্তু যেনে- দা, কুঠাৰ, চুৰি আদি মৰনাস্ত্র সদৃশ বস্তুবোৰ লৈ যোৱাটো বন্ধ কৰিব লাগে। যদিও এইবোৰ এমেণ্ডমেণ্টত নাই। তথাপি এইবোৰো এমেণ্ডমেণ্টত সন্নিবিষ্ট কৰিব লাগে।

ডাঃ কমলা কান্ত কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্রথমতে মাননীয় মন্ত্রী মহোদয়ক এই বিলখন অনাৰ বাবে আদৰণি জনাইছো। ৰাইল্ড লাইফ প্রটেকচনৰ বাবে যি আইন সেই আইনখন সদনত উৎথাপনৰ বাবে মাননীয় মন্ত্রী মহোদয়ে যি প্রয়াস কৰিছে তাৰ বাবে মই আদৰণি জনাইছো। কিন্তু In clause 2(i) of the proposed bill the words 'fifty thousands' occurring in line 2 shall be substituted by the words 'seventy five thousands'. ৫০/৭০ এইবোৰ ডাঙৰ কথা নহয়। অধ্যক্ষ মহোদয়, আমি এমেণ্ডমেণ্ট দিয়াৰ কথাটো হ'ল এই আইনখন আজি যিটো স্পিৰিটত অনা হৈছে, সেই স্পিৰিট বলবৎ কৰাৰ ক্ষেত্রত প্রযোজ্য হব নে নাই। কাৰণ আমি বহুতো আইন বিধান সভাৰ মজিয়াত পাছ কৰো। প্রথম কথা হ'ল যে এই আইনখন কার্য্যকৰী কৰাৰ ক্ষেত্রত আমি কিমান আশ্বস্ত। দ্বিতীয়তে, এই আইনখন শক্তিশালী কৰিলেহে আমি ৰাইল্ড লাইফ প্রটেকচন কৰিব পাৰিম। ইয়াৰ বাবে আমি মানুহৰ মাজত সজাগতা আনিব লাগিব। তাৰোপৰি এন. জি. ও. আদিকে ধৰি বিভিন্ন বেচৰকাৰী সংস্থা আদিক ইয়াৰ লগত জৰিত কৰিব পাৰিলেহে ৰাইল্ড লাইফ প্রটেকচন হব। ইয়াৰ বাবে আমি পাব্লিক পার্টিচিপেচন, এন. জি. ও. আদি এনকাৰেজ কৰিব লাগিব। তৃতীয়তে, আমাৰ যিবিলাক সম্পদ আছে যেনে-মেমেলচ্, ইনচেক্ট, ৰেপটাইলচ্, বার্ডচ্ আদি প্রটেকচনৰ কাৰণে আছে। এইবোৰৰ বিষয়ে আমি ৰাইজৰ মাজত সজাগতা আনিব পাৰিলেহে এই আইনখন শক্তিশালী হব। মানুহৰ মাজত এইবোৰ যে আপুৰুগীয়া সম্পদ সেইটো আমি বুজাব লাগিব। আজি আমাৰ বহুতেই নাজানে যে এইবোৰ আপুৰুগীয়া সম্পদ। গতিকে তেওঁলোকক আমি দোষ দি লাভ নাই। আমি তেওঁলোকক জ্ঞান দিব পৰা নাই। অধ্যক্ষ মহোদয়, আমি 'নো স্মোকিং' বিল এখন পাছ কৰিছিলো। তাত কোৱা হৈছিল যে কোনো মানুহে পাব্লিক প্লেচত স্মোকিং কৰিব নোৱাৰিব। কিন্তু এতিয়া আমি দেখিছো যে মানুহে

প্লাৰিক প্লেচত স্মোকিং কৰি আছে। গতিকে পার্টিচিপেচন আৰু এন. জি. ও.ৰ দৰে সংস্থা সমূহক চৰকাৰে এনকাৰেজ কৰিব লাগিব। যদি এইখিনি কৰিব পাৰে তেতিয়াহ'লে আইনখন শক্তিশালী হব। শেষত, মন্ত্রী মহোদয়ে এই কথাবোৰ বিবেচনা কৰিব বুলি আশা কৰি মোৰ বক্তব্যৰ সাৰণি মাৰিলোঁ।

শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আজিৰ দিনটো বন বিভাগৰ কাৰণে বিশেষকৈ প্রকৃতিক ভালপোৱা লোক সকলৰ কাৰণে, বন্যপ্রাণীক ভালপোৱা লোক সকলৰ কাৰণে মই ভাবো এটা ঐতিহাসিক দিন। আজি প্রদীপ হাজৰিকা ডাঙৰীয়া, নুৰুল হুছেইন ডাঙৰীয়া, কমলা কলিতা ডাঙৰীয়াক মই ধন্যবাদ জনাইছো। ধন্যবাদ জনাইছো এই কাৰণেই যে যদি আজি অনা বিল খনৰ ওপৰত এমেণ্ডমেণ্ট নানিলেহেঁতেন কমলা কলিতা ডাঙৰীয়াই কোৱাৰ ধৰণে বিধান সভাত এই কথাটো এমেণ্ডমেণ্টখনৰ ওপৰত আলোচনাৰ সুযোগ নাপালোহেঁতেন। এই বিলখন পাছ হৈ গ'লহেঁতেন আৰু আমাৰ সর্বসাধাৰণ ৰাইজে এইটো গম নাপালেহেঁতেন। এই বিলখনৰ সংশোধনীৰ ব্যৱস্থাতো অসমত নাছিল। আপোনালোকে সকলোৱে জানে, লক্ষ্য কৰিছে মই বন বিভাগৰ দ্বায়িত্ব লোৱাৰ পিচত কাজি�ৰঙাত যেতিয়া চোৰাং চিকাৰীয়ে গড় হত্যা কৰিছিল সেই সময়ত বিভিন্ন ধৰণৰ এন. জি. ও. আৰু বিভিন্ন ধৰণৰ প্রকৃতিপ্রেমী সংগঠনৰ ফালৰ পৰা এই গড় হত্যা বন্ধ কৰাৰ বাবে এক জন জাগৰণ আনিছিল। তেতিয়া মই ভিতৰলৈ গৈ দেখিছিলো বন ৰক্ষা কৰাৰ ক্ষেত্রত যি সকল বনকর্মী আছে তেওঁলোকে গড়, বাঘ, ভালুকৰ লগত একেলগে ৰাতি থাকি তেওঁলোকে বন ৰক্ষা কৰিছে। যি সকল মানুহে কষ্ট কৰি চোৰ ধৰা পেলাই, সেই চোৰে আকৌ কিছুদিনৰ পিচত একে ধৰণৰ কাম কৰে। তেতিয়া দেখা যায় আইনৰ সুৰুঙা লৈ তেওঁলোক ধৰা পৰাৰ পিচত হয়তো কোনোবা কোনোবা থানাত জামিন হৈ গৈছে। তেওঁলোকে যিধৰণে শাস্তি পাব লাগে

সেই ধৰণে তেওঁলোকে শাস্তি নাপায়। আজিৰ দিনটোত এই বিলখনৰ ওপৰত আপোনালোকে এটা পজিটিভ লাইন আনিছে। মাননীয় অধ্যক্ষ মহোদয়, 'ৱাইল্ড লাইফ প্ৰটেকচন এক্ট ১৯৭২' কেন্দ্ৰত এই বিলখনৰ সংশোধনীৰ কোনো ব্যৱস্থা নাই। এই সম্পৰ্কে মই বহুত আইন বিশেষজ্ঞৰ লগত কথা পাতিছো আৰু আমি নিজাবৰীয়াকৈ পদক্ষেপ লৈছো। এই বিলখনৰ সংশোধনী প্ৰস্তাৱ আনি আমি কেন্দ্ৰলৈ পঠিয়াই দিছো। কেন্দ্ৰত এই ফাইলটো প্ৰচেচ হৈ থকা অৱস্থাত বন বিভাগৰ লগত ওৰে জীৱন লাগি থকা লোক সকলক পঠিয়াই এই বিলখনৰ সন্দৰ্ভত তেওঁলোকৰ মাজত বহুত আলোচনা-বিলোচনা হয়। এই বিলখনৰ সংশোধনীৰ ক্ষেত্ৰত বহুত আলোচনা-বিলোচনা হোৱাৰ পিচত এতিয়া এটা চূড়ান্ত পৰ্য্যায়ত আহিছে। এতিয়া এই বিলখনৰ সংশোধনী পৰ্য্যায়ত আছে। আমাৰ কেন্দ্ৰীয় বনমন্ত্ৰী শ্ৰী জয়ৰাম ৰমেচ ডাঙৰীয়াই ৰাজ্যসভাত এই বিলখন দিবলৈ কয়। তেওঁলোকে স্বীকাৰ কৰিছে, এনে ধৰণৰ ব্যৱস্থাৰে যাতে চোৰাং চিকাৰীয়ে উপযুক্ত শাস্তি পায়। এই সংশোধনীৰ ক্ষেত্ৰত আমি যি প্ৰস্তাৱ আগবঢ়াইছিলো কেন্দ্ৰত এই বিষয়ে চিন্ত-চৰ্চ্চা আৰম্ভ হৈছে। আজি আপোনালোকে শুনি ভাল পাব আগতে শাস্তিৰ পৰিমাণ আছিল ৩ বছৰৰ পৰা ৭ বছৰ কাৰাদণ্ড হয়। কিন্তু এতিয়া আমি তেওঁলোকৰ শাস্তিৰ পৰিমাণ বৃদ্ধি কৰিছো। এতিয়া আমি ৭ বছৰৰ পৰা ১০ বছৰলৈ কাৰাদণ্ড বিহাৰ প্ৰভিজন ৰাখিছো। একেজন চোৰাং চিকাৰী আগলৈ ধৰা পৰিলে মিনিমাম ১০ বছৰ কাৰাদণ্ড আৰু মেক্সিমাম যাৱজ্জীৱন কাৰাদণ্ড বিহাৰ কথা ভাবিছো। এই ক্ষেত্ৰত আমাক ন্যায়াধীশে বহুত সহায় কৰিছে। এতিয়া আৰু আইনৰ সুৰুঙালৈ কোনেও মুক্তি পাব নোৱাৰে। অসমৰ মাননীয় মুখ্য ন্যায়াধীশ শ্ৰীচেলামেশ্বৰ ডাঙৰীয়াই অসমৰ বিভিন্ন ঠাইৰ পৰা কেইবাজনো জাজ মাতি আনি এই কথাবিলাক আলোচনা কৰিছে। এনে ধৰণৰ কথাবিলাক আমাৰ জাজ সকলে জনা উচিত। আমাৰ ৱাইল্ড লাইফ এক্সপাৰ্ট আৰু ট্ৰেফিক ইণ্ডিয়াৰ নিচিনা বেচৰকাৰী

সংস্থাৰ লগত আলোচনা কৰিছো। এই ক্ষেত্ৰত আমি গভীৰ ভাবে চালে দেখা পাম বন্যপ্ৰাণী ৰক্ষাৰ ক্ষেত্ৰত কি কৰিছো। এই কথাখিনি অনুধাৱন কৰিব পাৰিব। মাননীয় প্ৰদীপ হাজৰিকা ডাঙৰীয়াই কোৱা কথাখিনি সত্য। আজি আমাৰ মাজত বহুত চোৰাং চিকাৰী অস্থায়ীভাবে থাকে। নতুন এখন আইন হৈছে, যিখন আইনৰ যোগেদি আমি এই বিষয়ত কৰিব পৰা ব্যৱস্থা নাই। Right and protection Act, 2006. এই আইনখনৰ যোগেদি এতিয়া সদ্যহতে যিসকল ২০০৫ চনৰ পৰা .... এই কথাখিনি এতিয়া আমি আলোচনা নকৰো। হাজৰিকা ডাঙৰীয়াই যিটো কথা কৈছে সেইটোত আমি একমত। ২০০৫ চনৰ ১৩ ডিচেম্বৰলৈকে যিসকল যেনে ধৰণে আছে তেনেধৰণে ৰাখিব লাগিব। নতুনকৈ আমি কোনো মানুহ বহিব দিয়া নাই। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীকমলা কলিতা ডাঙৰীয়াই যিটো কৈছে এৰাৰনেচৰ কথা সেইটো এটা টান বিষয়। চিৰিয়েল ১ আৰু ২ ত যিটো কৈছে দুই তিনি ধৰণে উল্লেখ আছে। বহুতো বন বিভাগৰ লগত জৰিত বিষয়া সকলেও এই কথা নাজানে। এই ক্ষেত্ৰত আমাৰ বন বিভাগৰ লোক সকল, বিধায়ক সকল, এন. জি. এ. সকলৰ লগত আলোচনা হব লাগে। এটা সময় আছিল যেতিয়া মানুহৰ ঘৰত হাতীৰ দাঁত, বাঘৰ ছাল আদি ৰখাটো আভিজাত্যৰ চিন আছিল। চিকাৰ কৰাটোও আভিজাত্যৰ চিন আছিল। এতিয়া এইটো পৰিবৰ্ত্তন হৈছে। সম্ভ্ৰান্ত লোক সকল চিকাৰলৈ গ'লে আমি এতিয়া কঠোৰৰ পৰা কঠোৰতম ব্যৱস্থা লৈছো। আপোনালোকে জানে। আমাৰ ইয়াত ১২৬ জন বিধায়ক আছো। আমাৰ বিধায়ক সকলৰ দায়িত্ব আছে। ২০০১ চনৰ চেঞ্চাচ মতে অসমত প্ৰায় ২ কোটি ৬৬ লাখ, এতিয়া প্ৰায় তিনি লাখ মানুহ আছে। আমি বিধায়ক হিচাপে আমাৰ নিজৰ নিজৰ সমষ্টিৰ সৰু ল'ৰা-ছোৱালীবোৰক এই শিক্ষা দিব নোৱাৰো নেকি যে তেওঁলোকে তেওঁলোকৰ মাক-বাপেকক কয় যে তুমি গছ কাটিব নোৱাৰিবা। এই ক্ষেত্ৰত আপোনালোকক এপিল কৰিছো আহকচোন আমি অসমৰ পৰাই

গোটেই ভাৰতবৰ্ষ তথা পৃথিবীক ৰাইল্ড লাইফ সংৰক্ষণৰ ওপৰত দেখুৱাই দিওঁ। এক লাখ টকাকৈ গছ ৰোপনৰ বাবে আমাৰ বিধায়ক পুঁজিৰ পৰা দিয়া হৈছিলে। এই সুযোগতে মই এটা কথা কবলৈ বিচাৰিছো যে যিখিনি এমেণ্ডমেণ্ড আনিছো ইয়াৰ কপি আমি কেন্দ্ৰীয় চৰকাৰলৈ দিছো। তেওঁলোকে আলোচনা কৰি এপ্ৰভ কৰিছে। এই ক্ষেত্ৰত পানিচমেণ্টটো বাঢ়িছে। কাৰাদণ্ডৰ ব্যৱস্থা ৰখা হৈছে। আমি এই ক্ষেত্ৰত আপোনালোক সহায় সহযোগ আশা কৰিছো।

শ্ৰীপ্ৰদীপ হাজৰিকা ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাইল্ড লাইফৰ ওপৰত মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি কৈছে তাৰ বাবে মন্ত্ৰী মহোদয়ক মই ধন্যবাদ দিছো। মই যিটো কথা কৈছিলো, আমাৰ মাননীয় সদস্য, ডঃ কমলা কলিতা ডাঙৰীয়াই ৰেপটাইলচৰ কথা কৈছে। এই ৰেপটাইলচ বিলাক মাৰিলে কোনো চাউণ্ড নহয়। ধৰক পাইথন, গুই আদি ধৰিলে কোনো চাউণ্ড নহয়। গতিকে সেইবোৰ কোনে ধৰে, কেনেকৈ গম পাব ? যদি অভয়াৰণ্যৰ ভিতৰত এই মানুহবোৰ ভৰাই থয়, তেতিয়া প্ৰটেকচন দিব নোৱাৰিব। চেংচ্যুৰিৰ ভিতৰত এনেকুৱা মানুহ সোমাই আছে, তেওঁলোকে ৰাতি গছত জাল পাতি থয় আৰু ৰাতিপুৱা তাত ১০-২০ টা পক্ষী লাগি থাকে। সেইবোৰ লৈ যায়। এইটো কোনোৱাই গম পাব নেকি ? বিলৰ ৰৌ, বৰালি আদি মাছ ধৰি লৈ যায়। এই মানুহবোৰক চেংচ্যুৰিৰ ওচৰৰ পৰা উঠাই বেলেগত সংস্থাপন কৰিব লাগে। তেতিয়াহ'লেহে প্ৰটেকচন হব।

মাননীয় অধ্যক্ষ ঃ মাননীয় নুৰুল হুছেইন ডাঙৰীয়া, আপুনি প্ৰত্যাহাৰ কৰিব নেকি ?

শ্রীনুৰুল হুছেইন ঃ অধ্যক্ষ মহোদয়, মই প্রত্যাহাৰ কৰিছো।

ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য প্রদীপ হাজৰীকা ডাঙৰীয়াই বনৰ কাষৰ মানুহ খিনিক উচ্ছেদ কৰি কৰবাত সংস্থাপন দিয়াৰ কথা কৈছে। মই প্রত্যাহাৰ কৰিম। যিটো এৰাৰনেচৰ কথা কৈছিলো মন্ত্রী মহোদয়ে কৈছেই। ইয়াত আমি যিখিনি ৰাইল্ড লাইফৰ কথা কৈছো সেইবিলাক প্রটেকচনৰ দায়িত্ব সকলোৰে আছে। এই ক্ষেত্রত এৰাৰনেচ আনিব লাগিব। মই উঠাই লৈছো। আইন আনক। কিন্তু ইয়াক ভালদৰে প্রযোজ্য কৰিব লাগিব, তেতিয়াহে আমাৰ ৰাইল্ড লাইফৰ ৰক্ষাৰ ক্ষেত্রত সহায়ক হব।

